
# ইতিহাস আৰু ৰাজনীতি বিজ্ঞান

B6I7K2

## (অষ্টম শ্ৰেণীৰ পাঠ্যপুথি)



প্ৰস্তুতকৰণ ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

*নাম ঃ* ..........................................................................................

*বিদ্যালয়ৰ নাম ঃ* ..........................................................................

*শ্ৰেণী ঃ* ........................................................................................

শিক্ষা (প্ৰাথমিক) বিভাগ, অসম চৰকাৰ

**History and Political Science** – A textbook for Class VIII in Assamese medium developed by SCERT, Assam with financial support of SSA, Assam through workshops and approved by the Government of Assam and published by the Assam State Textbook Production and Publication Corporation Limited, on behalf of Government of Assam.

FREE TEXTBOOK

---

**ALL RIGHTS RESERVED :** No reproduction in any form of this book, in whole or in part (except for brief quotation in critical articles or reviews), may be made without written authorization from the SCERT, Assam.

গ্ৰন্থস্বত্ব ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

প্ৰথম প্ৰকাশ ঃ ২০১২ ইং চন
দ্বিতীয় প্ৰকাশ ঃ ২০১৩ ইং চন
তৃতীয় প্ৰকাশ ঃ ২০১৪ ইং চন
চতুৰ্থ প্ৰকাশ ঃ ২০১৫ ইং চন
পঞ্চম প্ৰকাশ ঃ ২০১৬ ইং চন
ষষ্ঠ প্ৰকাশ ঃ ২০১৭ ইং চন
সপ্তম প্ৰকাশ ঃ ২০১৮ ইং চন
অষ্টম প্ৰকাশ ঃ ২০১৯ ইং চন
নৱম প্ৰকাশ ঃ ২০২০ ইং চন
দশম প্ৰকাশ ঃ ২০২১ ইং চন
একাদশ প্ৰকাশ ঃ ২০২২ ইং চন (সংশোধিত)

প্ৰকাশক ঃ অসম চৰকাৰৰ দ্বাৰা বিনামূলীয়াকৈ বিতৰণৰ বাবে অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডৰ দ্বাৰা প্ৰকাশিত পাঠ্যপুথি।

মুদ্ৰক ঃ

**ডাঃ ৰনোজ পেগু,** এম বি বি এছ
মন্ত্ৰী, অসম

**শিক্ষা, ভৈয়াম জনজাতি আৰু**
**পিছপৰা শ্ৰেণী কল্যাণ বিভাগ**

# শুভেচ্ছাবাণী....

বিদ্যায়তনিক শিক্ষাৰ প্ৰধান আহিলা হৈছে পাঠ্যপুথি। পাঠ্যপুথিৰ মাজেৰেই ছাত্ৰ-ছাত্ৰীয়ে জ্ঞানৰ অন্বেষণ কৰে। ছাত্ৰ-ছাত্ৰীসকলেই আমাৰ ৰাজ্যৰ তথা আমাৰ দেশৰ ভৱিষ্যতৰ মূল সম্বল। মানৱ সভ্যতাৰ ধাৰা শিক্ষাৰ দ্বাৰাই প্ৰভাৱান্বিত হয়। এই উপলব্ধিৰেই বৰ্তমান চৰকাৰে শিক্ষা ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে।

বৰ্তমানৰ ৰাজ্য চৰকাৰে শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে সফলতা অৰ্জন আৰু জীৱনৰ লক্ষ্য পূৰণ তথা ৰাজ্যৰ কল্যাণৰ হেতুকে আগুৱাই যোৱাৰ বাবে বিভিন্ন অভিলাষী আঁচনি ৰূপায়ণ কৰি আছে। 'প্ৰজ্ঞান ভাৰতী'ৰ অধীনস্থ বিনামূলীয়া পাঠ্যপুথিৰ অধীনত 'ক' শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ বিনামূলীয়া পাঠ্যপুথিৰ অবিৰত যোগান ধৰি আহিছে। ২০২০ চনৰ পৰা আমাৰ চৰকাৰে এই আঁচনি স্নাতক শ্ৰেণী পৰ্যন্ত সম্প্ৰসাৰিত কৰিছে। সমগ্ৰ ৰাজ্যত উচ্চতৰ মাধ্যমিক আৰু স্নাতক শ্ৰেণীত নামভৰ্তিকৰণৰ মাচুল ৰেহাইৰ ঘোষণাৰে এক যোগাত্মক পদক্ষেপ লৈ থকা হৈছে। সমাজৰ আৰ্থিকভাৱে পিছপৰা পৰিয়ালৰ শিক্ষাৰ্থীলৈ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ মাচুল ৰেহাই দিয়াৰ ব্যৱস্থা কৰি থকা হৈছে। লগতে মাধ্যমিক স্তৰতো ছাত্ৰ-ছাত্ৰীক সমবেশ (ইউনিফৰ্ম) যোগান ধৰাৰ বাবে চৰকাৰে ব্যৱস্থা লৈছে। 'আনন্দৰাম বৰুৱা আঁচনি'ৰ জৰিয়তে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক 'লেপ্‌টপ্' বা তাৰ সলনি আৰ্থিক অনুদান আগবঢ়োৱা হৈছে।

ছাত্ৰ-ছাত্ৰীৰ শিক্ষা গ্ৰহণৰ বাট সেন্দূৰীয়া কৰি তোলাৰ মহান উদ্দেশ্য সাৰোগত কৰি ৰূপায়ণ কৰি অহা 'প্ৰজ্ঞান ভাৰতী' আঁচনিৰ অন্তৰ্ভুক্ত বিনামূলীয়া পাঠ্যপুথি যোগানৰ দৰে পৱিত্ৰ কৰ্মযজ্ঞ সম্পাদন কৰাৰ ক্ষেত্ৰত অহিৰণা যোগোৱা ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম মাধ্যমিক শিক্ষা পৰিষদ, অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ আৰু লগতে অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ কৰ্মতৎপৰতাক মই শলাগ লৈছোঁ। শিক্ষাৰ্থীসকলে নিৰলস জ্ঞান আহৰণৰ যজ্ঞত আত্মনিয়োগ কৰি ৰাষ্ট্ৰৰ সম্পদৰূপে নিজকে গঢ়ি তুলিব বুলি মই আশা ৰাখি আন্তৰিকতাৰে শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

**(ডাঃ ৰনোজ পেগু)**
শিক্ষামন্ত্ৰী, অসম

# পাতনি

উন্নতমানৰ পাঠ্যক্ৰমৰ আধাৰতহে গুণগতমানৰ পাঠ্যপুথিৰ সৃষ্টি সম্ভৱ। সংবিধানৰ বাধ্যবাধকতা, ৰাষ্ট্ৰৰ জনগাঁথনি, আৰ্থ-সামাজিক অৱস্থা, শাসনব্যৱস্থা, অৰ্থনৈতিক ক্ৰিয়াকলাপ, বিজ্ঞান প্ৰযুক্তিৰ উপযোগিতা আদি সকলোবোৰ দিশ বিবেচনা কৰি পাঠ্যক্ৰম আৰু পাঠ্যপুথিৰ প্ৰস্তুতি নিতান্তই প্ৰয়োজন। আমাৰ ৰাজ্যৰ শিক্ষা বিভাগে এই সকলোবোৰ দিশ চালি-জাৰি চাই প্ৰাথমিক স্তৰৰ পাঠ্যপুথিসমূহ ২০১০ চনৰপৰাই **ৰাষ্ট্ৰীয় কাৰিকুলাম ২০০৫ৰ** আধাৰত প্ৰস্তুত কৰি আহিছে।

ৰাজ্যৰ শিক্ষাবিদ, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ বিষয়াসকল, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ শৈক্ষিক বিষয়া, বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ তথা নৰ্মাল স্কুলৰ শিক্ষক-প্ৰশিক্ষকসকলৰ উপস্থিতিত এলানি কৰ্মশালাৰ জৰিয়তে এই পাঠ্যপুথিৰ পৰিকল্পনা, খচৰা আৰু পুনৰীক্ষণৰ কাম সম্পন্ন কৰা হৈছিল।

পাঠ্যপুথিখনৰ প্ৰস্তুতকৰণ কাৰ্যসূচীত উপৰোক্ত ব্যক্তিসকলৰ উপৰি বিষয় বিশেষজ্ঞৰ সহায় লোৱা হয়। এই সুবাদতে শ্ৰদ্ধাৰ এই ব্যক্তিসকললৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

পাঠ্যপুথিখনৰ কাঠামো প্ৰস্তুত কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদে প্ৰস্তুত কৰা পাঠ্যপুথিসমূহৰ আলম লোৱা হৈছে যাতে আমাৰ পুথিখনৰ গুণগত মান নিশ্চিত কৰিব পাৰি। পাঠ্যপুথিৰ এই মান সুনিশ্চিত কৰাৰ বাবে কিছুসংখ্যক নিৰ্বাচিত বিদ্যালয়ৰ শ্ৰেণীকক্ষত পৰীক্ষামূলকভাৱে পাঠ্যপুথিৰ আদান-প্ৰদানৰ ব্যৱস্থা লোৱা হয়। পৰীক্ষণকালত সদাশয় শিক্ষক-শিক্ষয়িত্ৰীসকলৰপৰা পোৱা প্ৰতিপুষ্টিয়ে পাঠ্যপুথিৰ মান উন্নয়ত যথেষ্ট সহায়ক হৈছে।

সম্প্ৰতি প্ৰযুক্তিসম্বলিত প্ৰেক্ষাপটৰ ওপৰত ভিত্তি কৰি ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক স্থিতিক সবল কৰাৰ অৰ্থে সমাজ বিজ্ঞানৰ পাঠ্যপুথিত 'দীক্ষা' (DIKSHA)ৰ তত্বাৱধানত কিউ আৰ ক'ড (Q.R. Code) সংযোজন কৰা হৈছে যাতে ডিজিটেল প্ৰক্ৰিয়াৰ জৰিয়তে কম সময়তে ছাত্ৰ-ছাত্ৰীক বিষয়বস্তুৰ সামগ্ৰিক ধাৰণা আয়ত্ত কৰাই শিকনৰ ফলাফল নিশ্চিত কৰিব পাৰি। এই কাৰ্য সম্পাদনাৰ ক্ষেত্ৰত দীক্ষাকে ধৰি যিসকল পাৰদৰ্শী ব্যক্তিয়ে অতি কম সময়ৰ ভিতৰত আমাৰ লগত সহযোগ কৰিলে তেখেতসকললৈ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

বিগত দহটা বছৰত দেশৰ সামগ্ৰিক দিশলৈ অহা পৰিৱৰ্তন আৰু ন-ন চিন্তা-চৰ্চাৰ আধাৰত ২০২১ বৰ্ষত পাঠ্যপুথিখনৰ পুনৰীক্ষণৰ কাম হাতত লোৱা হয়। সেইমৰ্মে পাঠ্যপুথিৰ আটাইকেইটা খণ্ড নতুন তথ্য, চিন্তা, ধাৰণা আৰু চিত্ৰৰ সংযোজনেৰে সজাই তোলাৰ প্ৰয়াস কৰা হৈছে। আশা কৰা হৈছে, পাঠ্যপুথিৰ এই পুনৰীক্ষিত সংস্কৰণে ছাত্ৰ-ছাত্ৰী তথা শিক্ষকসকলক সমাজ বিজ্ঞান বিষয়টোৰ প্ৰতি আগ্ৰহান্বিত কৰি তুলিব।

২০২২ বৰ্ষত বিভাগীয় কৰ্তৃপক্ষৰ পৰামৰ্শৰ আধাৰত অষ্টম শ্ৰেণীৰ বাবে সমাজ বিজ্ঞানৰ প্ৰচলিত পাঠ্যপুথিখন দুভাগত ভাগ কৰি দুখন নতুন পাঠ্যপুথি হিচাপে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ হাতত তুলি দিয়াৰ প্ৰচেষ্টা কৰা হৈছে। ইয়াৰে **'ইতিহাস আৰু ৰাজনীতি বিজ্ঞান'** বিষয়ক পাঠ্যপুথিখনত 'প্ৰাচীন কামৰূপ ৰাজ্য' নামৰ এটি নতুন পাঠ সংযোজন কৰি ছাত্ৰ-ছাত্ৰীক প্ৰাচীন কামৰূপৰ যথোচিত ঐতিহাসিক সমল আৰু তথ্যৰ বিষয়ে জ্ঞান দিয়াৰ প্ৰয়াস কৰা হৈছে।

আশা কৰা হৈছে সুকীয়া পাঠ্যপুথিখনে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলক বিষয়টোৰ প্ৰতি কৌতূহলী আৰু আগ্ৰহান্বিত কৰি তুলিব।

অনাগত দিনবোৰত সদাশয় শিক্ষাপ্ৰেমী ৰাইজৰ গঠনমূলক আৰু বহুমূলীয়া দিহা-পৰামৰ্শই পাঠ্যপুথিৰ আসোঁৱাহসমূহ দূৰ কৰাত সহায়ক হ'ব বুলি আশা কৰা হৈছে।

**(ড° নিৰদা দেৱী)**
সঞ্চালক,
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
কাহিলিপাৰা, গুৱাহাটী-১৯

## পাঠ্যপুথি প্ৰস্তুতকৰণৰ বিভিন্ন পৰ্যায়ত জড়িত ব্যক্তিসকল

### পাঠ প্ৰস্তুতকৰণ ঃ

**ইতিহাস আৰু ৰাজনীতি বিজ্ঞান ঃ**

**শ্ৰী গণেশ চন্দ্ৰ গোস্বামী,** অৱসৰী জ্যেষ্ঠ প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বৰপেটা।

**শ্ৰীমতী জ্যোৎস্না গগৈ মেদক,** অৱসৰী প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, লখিমপুৰ।

**শ্ৰীগোবিন চন্দ্ৰ বৰা,** অৱসৰী অধ্যক্ষ,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, লখিমপুৰ।

**ড° নৱনীতা বৰুৱা,** সহযোগী অধ্যাপক, ইতিহাস বিভাগ,
পাণ্ডু মহাবিদ্যালয়, গুৱাহাটী।

**শ্ৰীমতী মাইনু বৰুৱা কলিতা,** অৱসৰী প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নলবাৰী।

**শ্ৰী হৰিনাথ বৰা,** জ্যেষ্ঠ প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, ধেমাজি।

**শ্ৰীমতী ৰশ্মিৰেখা হাজৰিকা,** সহযোগী অধ্যাপক,
বেলতলা মহাবিদ্যালয়

**শ্ৰীমতী ৰুমি হাজৰিকা,** বিষয় শিক্ষয়িত্ৰী,
দিছপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, গুৱাহাটী।

**শ্ৰীমতী মঞ্জু বৰা শৰ্মা,** অৱসৰী বিষয় শিক্ষয়িত্ৰী,
পাণবজাৰ ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়, গুৱাহাটী।

**চৈয়দা ৰুমেনা বেগম,** অৱসৰী জ্যেষ্ঠ প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, ডিব্ৰুগড়।

**শ্ৰীমতী অপৰ্ণা শৰ্মা,** অৱসৰী বিষয় শিক্ষয়িত্ৰী,
কামৰূপ একাডেমী উচ্চতৰ মাধ্যমিক বিদ্যালয়, গুৱাহাটী।

**শ্ৰীমতী মিতালী বৰা,** সহকাৰী শিক্ষয়িত্ৰী, নৰ্মাল স্কুল,
নগাঁও।

### পুনৰীক্ষণ ঃ

**প্ৰয়াত মৃদুপৱন গোস্বামী,** প্ৰাক্তন অধ্যক্ষ,
শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়, যোৰহাট

**ড° ধ্ৰুৱ প্ৰতীম শৰ্মা,** সহযোগী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

### ভাষা বিশেষজ্ঞ ঃ

**প্ৰয়াত ড° ৰমেশ চন্দ্ৰ পাঠক,** প্ৰাক্তন মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ, কটন মহাবিদ্যালয়।

### পুনৰীক্ষণ ঃ ২০২১

**ইতিহাস খণ্ড**

**ড° মুনীন শইকীয়া,** মুৰব্বী অধ্যাপক, ইতিহাস বিভাগ
বাপুজী মহাবিদ্যালয়, বৰপেটা।

**শ্ৰীপৰশ গোস্বামী,** জিলা আঁচনি বিষয়া, সমগ্ৰ শিক্ষা, যোৰহাট।

**শ্ৰীমতী হিমাদ্ৰী বাৰ্মা,** প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, ডিব্ৰুগড়।

**শ্ৰীমতী ৰশ্মিতা বৰা,** বিষয় শিক্ষক,
লাহৰীঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়, মৰিগাঁও।

**ৰাজনীতি বিজ্ঞান খণ্ড**

**ড° শান্তনু চক্ৰৱৰ্তী,** সহযোগী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ, কটন বিশ্ববিদ্যালয়।

**ড° ছাইকী তালুকদাৰ,** মুৰব্বী অধ্যাপক,
ৰাজনীতি বিজ্ঞান বিভাগ, কামৰূপ মহাবিদ্যালয়, নলবাৰী।

**ড° ভবেন কাকতি,** সহকাৰী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ, কামৰূপ মহাবিদ্যালয়, নলবাৰী।

**শ্ৰী প্ৰদীপ দাস,** জ্যেষ্ঠ প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, গোৱালপাৰা।

### পুনৰীক্ষণ ঃ ২০২২

**ইতিহাস খণ্ড** (১ম পাঠ)

**ড° ৰক্তিম পাটৰ,** সহকাৰী অধ্যাপক, গড়গাঁও মহাবিদ্যালয়, শিৱসাগৰ।

**শ্ৰী গণেশ চন্দ্ৰ গোস্বামী,** অৱসৰী জ্যেষ্ঠ প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বৰপেটা।

### সম্পাদনা আৰু সংকলন - ২০২২

**ড° অজন্তা ব্ৰহ্ম,** অতিৰিক্ত সঞ্চালক,
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম।

**শ্ৰীমতী গীতা দত্ত বৰঠাকুৰ,** উপ সঞ্চালক,
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম।

**শ্ৰীমতী বন্দনা দুৱৰী,** উপ সঞ্চালক,
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম।

# শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰতি

শান্তিপূৰ্ণ সমাজ এখনৰ ভেটি সমৃদ্ধ হয় সমাজ বিজ্ঞান বিষয়ৰ জ্ঞানৰ আধাৰত। দ্বিধাহীনভাৱে ইয়াৰ জ্ঞানে নৱপ্ৰজন্মৰ সামগ্ৰিক স্থিতিক সৰল কৰাৰ লগতে ভৱিষ্যত প্ৰজন্মৰ বাবেও এক সূক্ষ্ম আৰু ৰুচিসন্মত মানসিকতাৰ বাট মুকলি কৰে। ক্ৰমবৰ্ধমান পৰস্পৰ নিৰ্ভৰশীল পৃথিৱীত প্ৰতিনিয়ত মুখামুখি হোৱা বাস্তৱতাৰ লগত মোকাবিলা কৰিবলৈ প্ৰয়োজন হোৱা জ্ঞান, বুদ্ধি আৰু কৌশল আয়ত্ত কৰিব পাৰি একমাত্ৰ সমাজ বিজ্ঞানৰ নিৰলস অধ্যয়নৰ যোগেদি। স্বাধীনতা, বিশ্বাস, পাৰস্পৰিক বুজাপৰা, ভ্ৰাতৃত্ববোধ, সন্মান, বৈচিত্ৰ্যৰ প্ৰতি আস্থা তথা সদ্ভাৱ আদিৰ দৰে মানবীয় প্ৰমূল্যৰ শক্তিশালী বোধ সৃষ্টিতো ই অৰিহণা যোগায়। তদুপৰি যিকোনো সময়ৰ ঘটনা বা পৰিঘটনাক এক বিশ্লেষণাত্মক দৃষ্টিভংগীৰে চোৱাৰ মানসিকতা ছাত্ৰ-ছাত্ৰীসকলৰ মনত ই গঢ়ি তোলে। সমাজ বিজ্ঞানৰ শিক্ষক-শিক্ষয়িত্ৰী তথা ইয়াৰ লগত জড়িত লোকসকলৰ প্ৰচেষ্টাই সামাজিক প্ৰমূল্যৰ প্ৰতি ভাবুকি স্বৰূপে থিয় দিয়া অপশক্তিসমূহ চিনাক্ত কৰি প্ৰয়োজনত তাক পৰাভূত কৰিবলৈকো ছাত্ৰ-ছাত্ৰীসকলক মনোবল দিয়ে।

এইটো অনস্বীকাৰ্য যে সমাজ বিজ্ঞানত অন্তৰ্ভুক্ত বিষয়সমূহ যেনে -ভূগোল, ইতিহাস, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি আদি প্ৰতিটোৰে উদ্দেশ্য আৰু বিষয়বস্তুৰ স্বকীয়তা আছে। আনহাতে প্ৰতিটো বিষয়ৰ এনে বিভিন্নতা থাকিলেও তাৰ কিছু উমৈহতীয়া বৈশিষ্ট্যও আছে। এটা বিষয়ক বাদ দি আন এটা বিষয়ৰ আলোচনা স্বাভাৱিকতে ফলপ্ৰসূ নহয়। সুস্থ, সবল, শান্তিপূৰ্ণ সমাজ এখন গঢ়িবলৈ প্ৰতিটো বিষয়ৰে অৰ্হতা ভিত্তিক জ্ঞান ছাত্ৰ-ছাত্ৰীসকলৰ বাবে নিতান্ত প্ৰয়োজনীয়, কিয়নো ইয়ে তেওঁলোকক ভৱিষ্যতৰ সুনাগৰিক হিচাপে গঢ়ি তোলাত প্ৰভূত অৰিহণা যোগায়। অন্যথা সমাজ বিজ্ঞানৰ জ্ঞান আধৰুৱা হোৱাই নহয়, ই সমাজ জীৱন ঘূণীয়া কৰাৰো সম্ভাৱনা থাকে। সেয়েহে বোধহয় বিজ্ঞান প্ৰযুক্তিৰে সমৃদ্ধ আজিৰ এই ক্ৰমবৰ্ধমান পৃথিৱীখনত সমাজ বিজ্ঞানৰ আদৰ আৰু গ্ৰহণযোগ্যতা দিনক দিনে বাঢ়ি যাব ধৰিছে।

মুখস্থ আৰু পাঠ্যপুথি নিৰ্ভৰশীল শিক্ষাৰপৰা ছাত্ৰ-ছাত্ৰীসকলক আঁতৰাই ৰাখি সৃষ্টিমূলক কাম-কাজ আৰু সন্ধানীসূচক প্ৰশ্নৰ আধাৰত শিক্ষণ কাৰ্য পৰিচালনা কৰাৰ বাবে সমাজৰ সকলো শ্ৰেণীৰ লোকক অংশীদাৰ কৰি লোৱাটো বৰ্তমান শিক্ষা ব্যৱস্থাৰ এক এৰাব নোৱাৰা দিশ। তাকে কৰিবলৈ যাওঁতে সমাজ বিজ্ঞানত অন্তৰ্ভুক্ত বিষয়সমূহৰ সমন্বয় সাধন অপৰিহাৰ্য। শিশু মনোবিজ্ঞানৰ সু-প্ৰয়োগেৰে শিক্ষাক জীৱনোপযোগী কৰি গঢ়ি তুলিবলৈ শিক্ষক-শিক্ষয়িত্ৰীসকলে অভিভাৱক আৰু সমাজৰ গুণী, জ্ঞানীসকলৰ অংশগ্ৰহণ নিশ্চিত কৰি শ্ৰেণী কোঠাত সতৰ্কতাৰে খোজ দিব লাগিব। সচৰাচৰ শ্ৰেণীকোঠাত চলি থকা একঘেয়ামী শিক্ষণ ব্যৱস্থা আঁতৰাই প্ৰয়োজন সাপেক্ষে শিথিল ৰুটিন আৰু দলগত কাৰ্য অৱলম্বনৰ দ্বাৰা প্ৰচেষ্টা চলাব লাগিব যাতে শ্ৰেণীকোঠালৈ এক গতিশীলতা আহে। তদুপৰি শিকনৰ ফলাফল আয়ত্তকৰণৰ উদ্দেশ্য আগত ৰাখি পাঠ আদান-প্ৰদান প্ৰক্ৰিয়াৰ লগত অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ বাবে প্ৰয়োজন হোৱা ক্ৰিয়াকলাপসমূহ নিশ্চিত কৰি ছাত্ৰ-ছাত্ৰীৰ লব্ধ জ্ঞানৰ এশ শতাংশই হিচাপ ল'ব লাগিব। তাকে কৰিলেহে শিশুৰ সৰ্বাংগীন বিকাশৰ সম্পূৰ্ণ খতিয়ান লোৱাটো সম্ভৱ হ'ব।

এই সকলোবোৰ উদ্দেশ্য আগত ৰাখি সমাজ বিজ্ঞানৰ এই পাঠ্যপুথিখন 'ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ আধাৰ, ২০০৫'ৰ লগত সংগতি ৰাখি প্ৰস্তুত কৰাৰ চেষ্টা কৰা হৈছে। পাঠ্যপুথিখনত মূল দুটা খণ্ড অন্তৰ্ভুক্ত কৰা হৈছে। সেইকেইটা হ'ল **ইতিহাস আৰু ৰাজনীতি বিজ্ঞান**। দুয়োটা খণ্ডৰে বিষয়বস্তু সামৰি মুঠ ১৩টা পাঠ ইয়াত সন্নিবিষ্ট কৰা হৈছে। পাঠসমূহ বিষয়ভিত্তিক, ক্ৰিয়াকলাপ সমৃদ্ধ, আকৰ্ষণীয় আৰু সময়োপযোগী কৰি তোলাৰ চেষ্টা কৰা হৈছে।

শ্ৰেণীকক্ষত পাঠদানৰ সুবিধাৰ্থে পাঠ্যপুথিখনৰ মূল বৈশিষ্ট্যসমূহ থোৰতে আলোচনা কৰা হ'ল--

**শিকনৰ ফলাফল ঃ** পাঠ্যপুথিখনৰ প্ৰতিটো পাঠৰ আৰম্ভণিতে বাকচৰ ভিতৰত 'শিকনৰ ফলাফল' শিতান এটি ৰখা হৈছে। এই শিতানৰ মুখ্য উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী উভয়কে পাঠৰ অৰ্ন্তনিহিত উদ্দেশ্যৰ লগত পৰিচয় কৰাই দিয়া আৰু পঠন-পাঠন প্ৰক্ৰিয়াৰ জৰিয়তে শিকনৰ ফলাফল আয়ত্তকৰণত সহায় কৰা।

**জানি থওঁ আহা ঃ** পাঠবোৰৰ মাজে মাজে বাকচৰ ভিতৰত 'জানি থওঁ আহা' শিতান এটা ৰখা হৈছে। এই শিতানত পাঠৰ বিষয়বস্তুৰ লগত সম্পৰ্ক থকা অতি প্ৰয়োজনীয় আনুসংগিক কিছু কথাৰ আভাস দিয়া হৈছে। পাঠৰ লগত সংগতি থকা জ্ঞানৰ ভঁৰাল টনকিয়াল কৰাত ই সহায়ক হ'ব বুলি বুলি ধাৰণা কৰা হৈছে।

**ক্ৰিয়াকলাপ ঃ** পাঠত অৰ্ন্তনিহিত হৈ থকা প্ৰতিটো অৰ্হতা যাতে ছাত্ৰ-ছাত্ৰীয়ে আয়ত্ত কৰিব পাৰে আৰু লগতে অবিৰত মূল্যায়নতো সহায়ক হয়, তাৰ বাবে পাঠৰ মাজে মাজে ক্ৰিয়াকলাপ শিতানত কিছুমান চিন্তাৰ উদ্ৰেক কৰিব পৰা প্ৰশ্নৰ অৱতাৰণা কৰা হৈছে। এই ক্ৰিয়াকলাপসমূহ ব্যক্তিগত, যুৰীয়া, দলীয় আদি শিকন ব্যৱস্থাৰে সম্পন্ন কৰাৰ অৱকাশ ৰখা হৈছে।

**উত্তৰ লিখা ঃ** অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ ব্যৱস্থাৰ লগত সংগতি ৰাখি পাঠত বৰ্ণিত বিষয়বস্তুৰ আধাৰত 'উত্তৰ লিখা' শীৰ্ষক শিতান এটি সন্নিবিষ্ট কৰা হৈছে যাতে শিক্ষকে পাঠ আদান-প্ৰদানৰ লগতেই ছাত্ৰ-ছাত্ৰীৰ মূল্যায়ন কৰাৰ অৱকাশ পায়।

**মানচিত্ৰ/ছবি ঃ** পৰ্যবেক্ষণৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে বহুতো কথা নিজে নিজে শিকে। ছাত্ৰ-ছাত্ৰীৰ এনে মনস্তত্বৰ কথা মনত ৰাখি পাঠ্যপুথিখনত মানচিত্ৰ, ছবি অধ্যয়ন বা অংকনৰ সুবিধা ৰখা হৈছে যাতে তেওঁলোকৰ চিন্তা শক্তিৰ বিকাশ সাধন হয়।

**মনত ৰাখিবলগীয়া কথা ঃ** প্ৰতিটো পাঠৰ সামৰণিত 'মনত ৰাখিবলগীয়া' শীৰ্ষক আন এটি শিতান ৰখা হৈছে। এই শিতানৰ জৰিয়তে প্ৰতিটো পাঠৰ পৰা শিকি অহা কথাবোৰ আউল নলগাকৈ পুনৰ আলোচনাৰ সুযোগ দিয়া হৈছে।

**অনুশীলন ঃ** পাঠত থকা অৰ্হতাসমূহ আয়ত্ত হৈছে নে নাই, তাক নিশ্চিত কৰিবলৈ আৰু লব্ধজ্ঞান স্থায়ীকৰণৰ উদ্দেশ্যে প্ৰতিটো পাঠৰ অন্তত অনুশীলনী শিতান এটা ৰখা হৈছে। এই শিতানত থকা ক্ৰিয়াকলাপসমূহ ছাত্ৰ-ছাত্ৰীক কৰিবলৈ দিয়াৰ উপৰি শিক্ষক বা অভিভাৱকে পাঠৰ লগত সংগতি ৰাখি অধিক ওপৰঞ্চি ক্ৰিয়াকলাপ কৰোৱাটো বাঞ্ছনীয়।

সমাজ বিজ্ঞানৰ পাঠৰপৰা কেৱল বিয়ষবস্তুৰ জ্ঞান আহৰণ কৰোৱাটোৱেই শেষ উদ্দেশ্য নহয়, এই পাঠসমূহত নিহিত হৈ থকা প্ৰমূল্যসমূহ যেনে--পৰিৱেশ সংৰক্ষণ, প্ৰকৃতি প্ৰেম, নিজৰ সভ্যতা-সংস্কৃতিৰ প্ৰতি দায়বদ্ধতা, দয়া মৰম, শ্ৰদ্ধা, পৰোপকাৰিতা, শিষ্টাচাৰ আদি গুণবোৰৰ যাতে বিকাশ সাধন হয় আৰু বাস্তৱ জীৱনত ছাত্ৰ-ছাত্ৰীসকলে তাক প্ৰয়োগ কৰিব পাৰে তাৰ প্ৰতি দৃষ্টি ৰখাটো অৱশ্যেই বাঞ্চনীয়। ইয়াৰ বাবে আমি বিদ্যালয়ৰ বাহিৰে-ভিতৰে প্ৰয়োজন সাপেক্ষে ছাত্ৰ-ছাত্ৰীক দলগত কাৰ্য, ক্ষেত্ৰ অধ্যয়ন, প্ৰকল্প প্ৰস্তুত, সমস্যা সমাধান আৰু উৎসৱ আদিত অংশগ্ৰহণ কৰাবলৈ যৎপৰোনাস্তি চেষ্টা কৰিব লাগিব।

**(পাঠ্যপুথিৰ পাঠসমূহ বিষয় হিচাপে তিনিটা খণ্ডত ভাগ কৰিলেও গোট মূল্যায়ন কৰোতে আটাইকেইটা বিষয়ে পাঠঅন্তৰ্ভুক্ত হোৱাটো নিশ্চিত কৰিব লাগিব।)**

# সূচীপত্ৰ


*পাতনি*

*শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰতি*

*ইতিহাস খণ্ড*

| | | |
|---|---|---|
| | *আগকথা* | ৯ |
| ১। | প্ৰাচীন কামৰূপ ৰাজ্য | ১০-১৯ |
| ২। | মধ্যযুগৰ অসম | ২০-২৮ |
| ৩। | মধ্যযুগৰ অসমীয়া সমাজ | ২৯-৩৮ |
| ৪। | নব্য ধৰ্মীয় ভাবধাৰাৰ উত্থান | ৩৯-৪৭ |
| ৫। | ভাৰতবৰ্ষলৈ ইউৰোপীয় ব্যৱসায়ীসকলৰ আগমন | ৪৮-৫৪ |
| ৬। | ভাৰতবৰ্ষত বৃটিছ শাসনৰ প্ৰতিষ্ঠা, সম্প্ৰসাৰণ আৰু দৃঢ়ীকৰণ | ৫৫-৬৫ |
| ৭। | ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসনকালত ভাৰতবৰ্ষত হোৱা সংস্কাৰসমূহ | ৬৬-৭৩ |
| ৮। | অসমত আহোম ৰাজত্বৰ পতন আৰু বৃটিছৰ উত্থান | ৭৪-৮০ |
| ৯। | ১৮৫৭ চনৰ বিদ্ৰোহ | ৮১-৮৮ |

*ৰাজনীতি বিজ্ঞান খণ্ড*

| | | |
|---|---|---|
| | *আগকথা* | ৮৯ |
| ১০। | সংবিধান আৰু ইয়াৰ প্ৰয়োজনীয়তা | ৯০-৯৫ |
| ১১। | ভাৰতৰ সংবিধান | ৯৬-১০৪ |
| ১২। | মৌলিক অধিকাৰ | ১০৫-১১৩ |
| ১৩। | আমাৰ মৌলিক কৰ্তব্য | ১১৪-১১৯ |

# ইতিহাস খণ্ড

# আমাৰ অতীত আৰু ঐতিহ্য

## আগকথা



উৎস: dimapur.nic.in

ইতিহাস অকল অতীতৰ চহকী ৰাজনৈতিক, আৰ্থ-সামাজিক, সাংস্কৃতিক অৱস্থাৰ ধ্বজা বহনকাৰী ঘটনা প্ৰবাহৰ ধাৰাবাহিক বিৱৰণীয়েই নহয়, কেতিয়াবা মানুহৰ বিপৰ্যয়ৰ কাহিনীবো সাক্ষী হৈ সেই দুঃসহ কাহিনীবোৰৰ বাবে ভৱিষ্যত প্ৰজন্মক অনুসূচনা আৰু আত্ম-সমালোচনা কৰাৰো অৱকাশ দিয়ে। শ শ বছৰ অশেষ কষ্টৰ ফলশ্ৰুতিত গঢ়ি উঠা ভাৰতীয় ঐতিহ্য, সংস্কৃতি কেনেকৈ কিছুমান মানুহৰ অদূৰদৰ্শী, অবিবেচক কাৰ্যৰ ফলত বিনষ্ট হৈছিল আৰু সেইবোৰ পুনৰুদ্ধাৰৰ বাবে কেনেকৈ ভৱিষ্যত প্ৰজন্মই সংগ্ৰাম কৰিব লগা হ'ল তাৰেই এটি চমু আভাস ***'আমাৰ অতীত আৰু ঐতিহ্য'***ৰ এই খণ্ডটিত প্ৰতিফলিত হৈছে।

প্ৰাচীন কামৰূপ ৰাজ্যৰ বৰ্ণনাৰ লগতে সুদূৰ পশ্চিমৰপৰা আহি ভাৰতত থিতাপি লোৱা আৰু এই দেশৰ মাটি, পানী, বায়ুক নিজৰ বুলি গ্ৰহণ কৰি প্ৰতিষ্ঠা কৰা স্বাধীন মোগল সাম্ৰাজ্য আৰু পূব দিশৰপৰা আহি অসমত প্ৰতিষ্ঠা কৰা স্বাধীন আহোম ৰাজ্য কেনেকৈ ক্ষুদ্ৰ স্বাৰ্থ, অবিবেচক কাৰ্য, দুৰ্বল মানসিকতাৰ বাবে বৃটিছৰ অধীনস্থ হ'ব লগা হৈছিল আৰু সেই বিদেশী বৃটিছক খেদি ভাৰতৰ জনসাধাৰণে কেনেকৈ অশেষ কষ্ট আৰু ত্যাগেৰে নিজৰ স্বাধীনতা পুনৰুদ্ধাৰৰ চেষ্টা কৰিছিল তাৰেই বৰ্ণনাৰে এই খণ্ডটি সমৃদ্ধ কৰা হৈছে।

আশা কৰা হৈছে এই খণ্ডটিৰ অধ্যয়নৰ অন্তত পাঠকসকলে নিম্নোল্লেখিত **শিকনৰ ফলাফলসমূহ আয়ত্ত কৰিব-**

- প্ৰাচীন কামৰূপ ৰাজ্যৰ ঐতিহাসিক পটভূমি, ৰাজবংশসকল আৰু আৰ্থ-সামাজিক, প্ৰশাসনিক আদি ব্যৱস্থাৰ বিষয়ে জানিব পাৰিব।
- ভাৰতবৰ্ষত নৱ্য ধৰ্মীয়বাদৰ উত্থান, প্ৰচাৰ আৰু প্ৰসাৰৰ ফলত এই দেশ আধ্যাত্মিক চিন্তা চৰ্চাৰ দিশত কিমান সমৃদ্ধ হ'ল সেই বিষয়ে জানিব পাৰিব।
- দক্ষিণ পূব এছিয়াৰপৰা অহা আহোমসকলে নিজ সাহস, ধৈৰ্য, বুদ্ধি, সহনশীলতা, দূৰদৰ্শিতাৰ গুণত কেনেকৈ ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যবোৰক সামৰি এক সুবিশাল আহোম ৰাজ্য প্ৰতিষ্ঠা কৰি সুদীৰ্ঘ ৬০০ বছৰ ৰাজত্ব কৰিলে সেয়া জানিব।
- মধ্য যুগৰ আহোম আৰু অন্যান্য ৰাজ্যবোৰে অসমৰ আৰ্থ-সামাজিক জীৱনলৈ আগবঢ়োৱা অনবদ্য বৰঙণিসমূহৰ লগত পৰিচয় হ'ব।
- চহকী মোগল সাম্ৰাজ্যলৈ ব্যৱসায় কৰিবলৈ অহা ইউৰোপীয়সকলে কেনেকৈ এই দেশৰ দুৰ্বল দিশসমূহৰ সুযোগ গ্ৰহণ কৰি সাম্ৰাজ্য প্ৰতিষ্ঠাৰ বাবে প্ৰতিদ্বন্দ্বিতাত লিপ্ত হ'ল আৰু পৰৱৰ্তীকালত কেনেকৈ ভাৰতক বৃটিছৰ উপনিৱেশলৈ ৰূপান্তৰিত কৰিলে সেই কথা বুজি পাব।
- শাসকৰ মাজৰ দ্বন্দ্ব, স্বাৰ্থপৰতা, অদূৰদৰ্শিতাৰ ফলত কেনেকৈ একোটা স্বাধীন চহকী জাতিৰ অস্তিত্ব বিপন্ন হৈ পৰে আৰু তাৰ ফলত জনসাধাৰণে ভোগা অবৰ্ণনীয় দুৰ্দশাৰ বিষয়ে অনুধাৱন কৰিব।
- বৃটিছ উপনিৱেশৰ সময়ত ভাৰতৰ সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় দিশত ঘটা নৱজাগৰণৰ বিষয়ে কিছু জ্ঞান লাভ কৰিব।
- চিপাহী বিদ্ৰোহৰ কাৰণ, বিস্তৃতি, নেতৃত্ব আৰু প্ৰকৃতিৰ লগত পৰিচয় হ'ব।

# পাঠ- ১
# প্ৰাচীন কামৰূপ ৰাজ্য

**শিকনৰ ফলাফল ঃ**

- প্ৰাচীন কামৰূপ ৰাজ্যৰ ঐতিহাসিক পটভূমিৰ লগত পৰিচিত হ'ব।
- কামৰূপ ৰাজ্যৰ মহান শাসকসকলৰ বিষয়ে জানিব পাৰিব।
- প্ৰাচীন কামৰূপত ৰাজত্ব কৰা ৰাজবংশসমূহৰ বিষয়ে বিতংকৈ জানিব।
- সেই সময়ৰ প্ৰশাসনিক, ৰাজনৈতিক, আৰ্থ-সামাজিক, ধৰ্মীয় ব্যৱস্থা আদিক সামৰি সামগ্ৰিক পৰিৱেশৰ বিষয়ে আভাস পাব।
- সমসাময়িক ভাৰতীয় ৰাজ্য আৰু ৰজাসকলৰ লগত প্ৰাচীন কামৰূপৰ সম্পৰ্কৰ বিষয়ে জানিব পাৰিব।

তোমালোকে ইতিমধ্যে সপ্তম শ্ৰেণীৰ পাঠত প্ৰাক্ঐতিহাসিক অসম নামৰ পাঠটিত প্ৰাচীন কামৰূপ ৰাজ্যৰ উৎপত্তি সম্পৰ্কে থূল-মূল ধাৰণা লাভ কৰি আহিছাহঁক। ঐতিহাসিক সমল বিশেষকৈ কিছু সংখ্যক পুৰাণ, বৌদ্ধ সাহিত্য, তন্ত্ৰ পুথি, গুপ্তযুগত খোদিত এলাহাবাদ প্ৰশস্তি তথা প্ৰাচীন কামৰূপ ৰাজ্যত সিঁচৰতি হৈ থকা শিলালিপি, তাম্ৰলিপি, স্তম্ভলিপি, বিভিন্ন মঠ-মন্দিৰ, দেৱালয়ৰ ভগ্নাৱশেষ, শিলৰ ভাস্কৰ্যসমূহৰপৰা কামৰূপ ৰাজ্যৰ ইতিহাস সম্পৰ্কে অধ্যয়ন কৰিব পৰা যায়।

প্ৰাচীন কামৰূপ ৰাজ্য ভাৰতীয় সভ্যতা-সংস্কৃতিৰ অন্যতম প্ৰাণকেন্দ্ৰ আছিল। ভাৰতৰ আন আন ঠাইৰ লগতে কামৰূপতো বৈদিক পৰম্পৰা, সংস্কৃত ভাষা, স্থাপত্য, ভাস্কৰ্য, তথা জ্যোতিৰ্বিজ্ঞান আদিয়ে ব্যাপকতা লাভ কৰিছিল। ৰামায়ণ, মহাভাৰত, অৰ্থশাস্ত্ৰ, বিভিন্ন পুৰাণ, শিলালিপি, তাম্ৰলিপি আৰু প্ৰত্নতাত্ত্বিক সমলসমূহৰপৰা অনুমান কৰিব পাৰি যে প্ৰাচীন কামৰূপ ভাৰতবৰ্ষৰ এখন সমৃদ্ধিশালী ৰাজ্য আছিল। খ্ৰীষ্টীয় দশম শতিকাত ৰচিত কালিকা পুৰাণত কামৰূপ ৰাজ্য কৰতোৱা নৈৰ পূবে আছিল বুলি উল্লেখ কৰি কৈছে যে, ৰাজ্যখনৰ দৈৰ্ঘ্য ১০০ যোজন (৪৫০ মাইল) আৰু প্ৰস্থ ৩০ যোজন (১৩৫ মাইল) আৰু ইয়াৰ আকৃতি ত্ৰিকোণাকাৰ আছিল। প্ৰাচীন কামৰূপৰ কেন্দ্ৰত অৱস্থিত আছিল কামাখ্যা দেৱীৰ মন্দিৰ। ষোড়শ শতিকাত ৰচনা কৰা যোগিনীতন্ত্ৰৰ মতে কামৰূপ ৰাজ্যৰ উত্তৰে আছিল কাঞ্চনজংঘা পৰ্বত, দক্ষিণে ব্ৰহ্মপুত্ৰ আৰু লাক্ষ্যা (বাংলাদেশ) নদীৰ সংগমস্থলী, পশ্চিমে কৰতোৱা নদী আৰু পূবে দিক্কৰ বাসিনী (দিকৰাই নদী)। এই গ্ৰন্থত কামৰূপ ৰাজ্যক চাৰিটা ভাগ বা পীঠত বিভক্ত কৰিছে। সেইসমূহ হল- ৰত্নপীঠ, কামপীঠ, স্বৰ্ণপীঠ আৰু সৌমাৰপীঠ।




*চিত্ৰ নং ১.১ ঃ তৃতীয় বল বৰ্মনদেৱৰ উলুবাৰী তাম্ৰফলি*

উপৰোক্ত তথ্যৰপৰা দেখা যায় যে প্ৰাচীন প্ৰাগজ্যোতিষ বা কামৰূপ ৰাজ্য বৰ্তমানৰ ব্ৰহ্মপুত্ৰ উপত্যকা, ভূটান, উত্তৰবংগ, বাংলাদেশৰ উত্তৰ আৰু পূব অংশ আৰু উত্তৰে তিব্বতীয় সীমালৈকে বিস্তৃত আছিল।

**কামৰূপ ৰাজ্যৰ মহান শাসকসকল ঃ**


মৌখিক সাহিত্যসমূহত উল্লেখ আছে যে কামৰূপৰ প্ৰথমজন শাসক আছিল মহীৰঙ্গ দানৱ। ঐতিহাসিকসকলে অনুমান কৰিছে যে বৰ্তমানৰ গুৱাহাটী-শ্বিলং পথৰ কাষৰ মৈৰাং পাহাৰ অঞ্চলত মহীৰঙ্গ দানৱৰ ৰাজ্যৰ ৰাজধানী আছিল। তেওঁৰ মৃত্যুৰ পাছত ক্ৰমে হটকাসুৰ, সম্বৰাসুৰ, ৰত্নাসুৰ, ঘটকাসুৰ কামৰূপৰ ৰজা হৈছিল। পৰৱৰ্তী কালত নৰকাসুৰ কামৰূপৰ শাসক হৈছিল। আখ্যানসমূহৰপৰা জনা যায় যে নৰকে প্ৰতিষ্ঠা কৰা বংশটোৰ প্ৰায় পঁচিশজন ৰজাই সুদীৰ্ঘকাল জুৰি কামৰূপত ৰাজত্ব কৰিছিল।

নৰক ৰজাৰ বিষয়ে কেইবাটাও আখ্যান পোৱা যায়। প্ৰায় সকলোবোৰ আখ্যানৰ মতে ভগৱান বিষ্ণুৱে বৰাহ অৱতাৰত ধৰিত্ৰীৰ গৰ্ভত স্থিত হয় আৰু ত্ৰেতাযুগৰ মাজভাগত ধৰিত্ৰীৰ সন্তানৰূপে জন্ম লাভ কৰে। ধৰিত্ৰী বা ভূমিৰপৰা জন্ম হোৱা হেতুকে নৰকক ‘ভৌম’ বোলা হৈছিল আৰু তেওঁ প্ৰতিষ্ঠা কৰা বংশটোক ‘ভৌম- নৰক’ বংশ আখ্যা দিয়া হৈছিল। উল্লেখযোগ্য যে পৰৱৰ্তী কালৰ বৰ্মন, শালস্তম্ভ আৰু পাল বংশৰ ৰজাসকলে নিজকে এইবংশৰ লোক বুলি পৰিচয় দি ভগৱান বিষ্ণুৰ বংশধৰ ৰূপে নিজকে প্ৰতিষ্ঠা কৰিছিল।

**ভগদত্তঃ**

সমলসমূহৰ পৰা জনা যায় যে নৰকৰ পাছত তেওঁৰ পুত্ৰ ভগদত্ত কামৰূপৰ সিংহাসনত বহিছিল। মহাভাৰতৰ কেইবাটাও অধ্যায়ত ভগদত্তৰ বীৰত্বৰ কাহিনী বৰ্ণনা পোৱা যায়। প্ৰবাদমতে ভগদত্তই তেওঁৰ জীয়ৰী ভানুমতীক দুৰ্যোধনলৈ বিবাহ দিছিল। গুৱাহাটীৰ দীঘলী পুখুৰী ভগদত্ত ৰজাই ভানুমতীৰ সয়ম্বৰৰ সময়ত খন্দাইছিল বুলি প্ৰবাদ আছে। এই বৈবাহিক সম্পৰ্কৰ বাবে পাণ্ডৱৰ লগত মিত্ৰতা থকা সত্বেও মহাভাৰতৰ যুদ্ধত ভগদত্তই কৌৰৱৰ পক্ষত অৱতীৰ্ণ হৈছিল। মহাভাৰতত প্ৰদান কৰা গুৰুত্ব অনুসৰি ভগদত্ত যে সমকালীন ভাৰতৰ অন্যতম প্ৰসিদ্ধ আৰু প্ৰতাপী ৰজা আছিল সেয়া অনুমান কৰিব পাৰি।

ভগদত্তৰ পৰৱৰ্তী কালত কেইবাজনো গুৰুত্বপূৰ্ণ ৰজাই কামৰূপত ৰাজত্ব কৰিছিল। ইয়াৰ ভিতৰত ব্ৰজদত্ত, বানৰজা আৰু ভীষ্মক ৰজাই প্ৰসিদ্ধি লাভ কৰিছিল।




*চিত্ৰ নং ১.২ ঃ প্ৰাচীন কামৰূপৰ মানচিত্ৰ*

**বৰ্মন বংশ ঃ**

আনুমানিক ৩৫০-৩৮০ খ্ৰীষ্টাব্দৰ ভিতৰত পুষ্য বৰ্মনে কামৰূপত এক নতুন যুগৰ সূচনা কৰিছিল। তেওঁ প্ৰতিষ্ঠা কৰা বংশটোকে বৰ্মন বংশ বুলি জনা যায়। পুষ্য বৰ্মন বিখ্যাত গুপ্তসম্ৰাট সমুদ্ৰগুপ্তৰ সমসাময়িক আছিল। বাংলাদেশৰ নিধানপুৰ তাম্ৰফলিত তেওঁ বহুগুণে বিভূষিত বুলি উল্লেখ কৰিছে। পুষ্য বৰ্মনে প্ৰতিষ্ঠা কৰা বংশৰ ৰজাসকলে সগৌৰৱে প্ৰায় তিনিশ বছৰ জুৰি কামৰূপত শাসন কৰিবলৈ সক্ষম হৈছিল।

পুষ্য বৰ্মনৰ মৃত্যুৰ পিছত আনুমানিক ৩৮০-৪০৫ খ্ৰীষ্টাব্দৰ সময়ছোৱাত তেওঁৰ পুত্ৰ সমুদ্ৰ বৰ্মনে ৰাজত্ব কৰিছিল। সমুদ্ৰ বৰ্মন এজন দক্ষ শাসক আছিল আৰু তেওঁৰ পত্নী দত্তদেৱী এগৰাকী জ্ঞানী মহিলা আছিল।

সমুদ্ৰ বৰ্মনৰ পৰৱৰ্তী ৰজা প্ৰথম বল বৰ্মনে আনুমানিক ৪০৫-৪২০ খ্ৰীষ্টাব্দলৈ কামৰূপত শাসন কৰিছিল। বহু ইতিহাসবিদৰ মতে এওঁৰ দিনত কামৰূপ আৰু কাশ্মীৰৰ মাজত এক মধুৰ সম্পৰ্ক গঢ়ি উঠিছিল। কলহনে ৰচনা কৰা বিখ্যাত গ্ৰন্থ **ৰাজতৰংগীনি**ত উল্লেখ আছে যে কাশ্মীৰৰ ৰজা মেঘবাহন কামৰূপৰ ৰাজকুমাৰী অমৃতপ্ৰভাৰ সয়ম্বৰলৈ আহিছিল আৰু আন ৰজাৰ উপস্থিতিত অমৃতপ্ৰভাৰ বৰমাল্য গ্ৰহণ কৰিছিল। এই বিবাহৰ বৰ্ণনাৰপৰা অনুমান কৰিব পাৰি যে সমসাময়িক ভাৰতৰ আন আন ৰাজ্য লগতে কামৰূপ ৰাজ্যও এক লেখত ল'বলগীয়া শক্তি হিচাপে প্ৰতিষ্ঠা লাভ কৰিছিল।

বল বৰ্মনৰ পৰৱৰ্তী কামৰূপৰ শাসকসকল আছিল কল্যাণ বৰ্মন, মহেন্দ্ৰ বৰ্মন, ভুতি বৰ্মন ওৰফে মহাভুত বৰ্মন, চন্দ্ৰমুখ বৰ্মন আৰু ভাস্কৰ বৰ্মন। উল্লেখযোগ্য যে ভাস্কৰ বৰ্মন অবিবাহিত আছিল আৰু তেওঁক **কুমাৰ ৰজা** বোলা হৈছিল। ভাস্কৰ বৰ্মনে এক দীঘলীয়া সময় কামৰূপত শাসন কৰিছিল। তেওঁৰ ৰাজত্ব কাল প্ৰাচীন কামৰূপৰ ইতিহাসৰ এক অন্যতম গৌৰৱময় অধ্যায়। ৫৯৪ খ্ৰীঃত ভাস্কৰ বৰ্মনৰ সিংহাসনত আৰোহণৰপৰা এক নতুন যুগৰ সূচনা হৈছিল যাক **ভাস্কৰাব্দ** বা **কামৰূপী** চন বোলা হয়। তেওঁৰ ৰাজত্ব কালৰ অনেক গুৰুত্বপূৰ্ণ ঘটনাৰ ভিতৰত উত্তৰ ভাৰতৰ প্ৰতাপী ৰজা হৰ্ষবৰ্ধনৰ লগত হোৱা গভীৰ সম্পৰ্ক আৰু চীনা পৰিব্ৰাজক হিউৱেন ছাঙৰ কামৰূপ ভ্ৰমণ উল্লেখযোগ্য।

**শালস্তম্ভ বংশ ঃ**

অনুমানিক ৬৫০ খ্ৰীষ্টাব্দত অবিবাহিত জীৱন যাপন কৰি কুমাৰ ভাস্কৰ বৰ্মনৰ মৃত্যু হোৱাৰ পাছত কামৰূপত প্ৰবল ৰাজনৈতিক বিশৃংখলতাৰ সৃষ্টি হৈছিল। এই ৰাজনৈতিক অচলাৱস্থাৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি শালস্তম্ভ নামৰ এজন নেতাই কামৰূপৰ সিংহাসন দখল কৰি এক নতুন ৰাজবংশৰ পাতনি মেলে। এই ৰাজবংশটোক **শালস্তম্ভ** নামেৰে জনা যায়।

শালস্তম্ভ বংশৰ ৰজাসকলৰ ভিতৰত শ্ৰীহৰ্ষদেৱৰ ৰাজত্ব কাল প্ৰাচীন কামৰূপৰ গৌৰৱোজ্জ্বল অধ্যায়। তেওঁৰ ৰাজত্ব কালত কামৰূপ ৰাজ্যই গৌড়, বংগ দেশ, উৰিষ্যা, কোশল, বিহাৰ আদি ঠাইত সামৰিক অভিযান চলাই সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছিল।

**পাল বংশ ঃ**

শালস্তম্ভ বংশৰ শেষ ৰজা ত্যাগ সিংহ নিঃসন্তান হৈ মৃত্যুবৰণ কৰাত কামৰূপৰ ৰাজসিংহাসন শূন্য হৈ পৰে। এনে অৱস্থাত কামৰূপৰ দূৰদৰ্শী মন্ত্ৰী আৰু বিষয়াসকলে ব্ৰহ্মপালক ৰজা মনোনীত কৰে। ব্ৰহ্মপালৰ নামেৰে এই বংশটোক পাল বংশ বুলি নামকৰণ কৰা হয় আৰু প্ৰায় এশ পঞ্চাশ বছৰ ধৰি কামৰূপত পাল বংশৰ ৰজাসকলে

ৰাজকাৰ্য পৰিচালনা কৰে। আনুমানিক দশম শতিকাৰপৰা আৰম্ভ হোৱা পাল বংশৰ শাসকসকলৰ ভিতৰত ৰত্নপাল আছিল সৰ্বশ্ৰেষ্ঠ ৰজা। তেওঁ এজন বাহুবলী যোদ্ধা, দিগ্বিজয়ী পুৰুষ, ৰত্নৰ দৰে উজ্জ্বল ব্যক্তিত্বসম্পন্ন আৰু অমূল্য গুণৰ অধিকাৰী আছিল। তেখেত ভগৱান শিৱৰ পৰম ভক্ত হোৱাৰ লগতে বৈদিক পৰম্পৰা মতে জীৱন নিৰ্বাহ কৰিছিল বুলি গুৱাহাটী তাম্ৰলিপিত উল্লেখ আছে। ৰত্নপালে দুৰ্জ্জয় নামৰ এখন নগৰ প্ৰতিষ্ঠা কৰি এই নগৰৰ ৰাজধানী স্থানান্তৰ কৰিছিল বুলি তাম্ৰফলিসমূহত উল্লেখ আছে। ঐতিহাসিকসকলে অনুমান কৰিছে যে বৰ্তমান গুৱাহাটী মহানগৰীৰ ব্ৰহ্মপুত্ৰ নদীৰ কাষতে থকা পাণবজাৰ, আমবাৰী, উজানবজাৰ আদি অঞ্চলসমূহ দুৰ্জ্জয় নগৰৰ অন্তৰ্ভুক্ত আছিল। এই নগৰত বহু ধনী সদাগৰ, বিদ্বান লোক, কবি আৰু ধৰ্মগুৰুৱে বসবাস কৰিছিল।

**কামৰূপৰ পৰৱৰ্তী ৰজাসকল ঃ**

পাল বংশৰ শেষ ৰজা জয়পালৰ আনুমানিক ১১৪২ খ্ৰীঃত মৃত্যু হৈছিল। তেওঁৰ পাছত কামৰূপত পাল ৰাজবংশৰ ইতিহাস নিৰ্দিষ্টকৈ পোৱা নাযায়। পাল বংশৰ পতনৰ পিছত কামৰূপত কেইবাজনো ৰজাই শাসন কৰিছিল। তেওঁলোকৰ ভিতৰত বৈদ্যদেৱ, ৰায়েৰী দেৱ, উদয়কৰ্ণ, বল্লৱদেৱ, পৃথু আৰু সন্ধ্যাৰ ৰাজত্বকাল গুৰুত্বপূৰ্ণ।

**প্ৰাচীন কামৰূপ ৰাজ্যৰ প্ৰশাসন ব্যৱস্থা ঃ**

শাসনৰ সুবিধাৰ বাবে যিদৰে আমাৰ দেশক ৰাজ্য, জিলা, মহকুমা, পঞ্চায়ত, গাঁও ইত্যাদি ভাগত ভাগ কৰা হৈছে, একেদৰেই কামৰূপ ৰাজ্যখনকো ভুক্তি, মণ্ডল, বিষয়, পুৰ, গ্ৰাম আদি ভাগত ভাগ কৰা হৈছিল। আনহাতে কিছুসংখ্যক শিলালিপিত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰক উত্তৰ-কুলদেশ আৰু দক্ষিণ পাৰক দক্ষিণ-কুলদেশ হিচাপে নামকৰণ কৰাও পোৱা যায়।

প্ৰাচীন কামৰূপ ৰাজ্যত ৰাজতান্ত্ৰিক শাসন ব্যৱস্থাৰ প্ৰচলন আছিল। শাসকসকলে নিজকে ভগৱানৰ অংশ হিচাপে উপস্থাপন কৰিছিল। উদাহৰণস্বৰূপে বজালী জিলাৰ ডুবিত উদ্ধাৰ হোৱা ফলিত বৰ্মন বংশৰ প্ৰতিষ্ঠাপক পুষ্য বৰ্মনক বিষ্ণুৰ দ্বিতীয় ৰূপ আৰু নাৰায়ণ বৰ্মনক চক্ৰপাণি হিচাপে বৰ্ণনা কৰা হৈছে। নিজৰ ক্ষমতাক প্ৰজাৰ ওপৰত সাব্যস্ত কৰিবলৈ ৰজাসকলে পৰমভট্টাৰক, মহাৰজাধিৰাজ, পৰমপৰমেশ্বৰ আদি উপাধি গ্ৰহণ কৰা দেখা গৈছিল।



*চিত্ৰ নং ১.৩ ঃ* ১১০০ শতিকাৰ আগৰ উমাচল শিলালিপি

ৰজাসকলৰ ৰাজ্যাভিষেক বৈদিক পৰম্পৰা মতে অতি আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত কৰা হৈছিল। এই অনুষ্ঠানত কৰতলীয়া ৰজা, পুৰোহিত, সম্ভ্ৰান্ত লোক আৰু আন ৰাজ্যৰ নৃপতিসকলকো নিমন্ত্ৰণ কৰা হৈছিল। তাম্ৰলিপিসমূহত কামৰূপৰ ৰজাসকলক হিন্দু দেৱতা ইন্দ্ৰ, হৰ, বিষ্ণু, বৰুণ, অগ্নি, কুবেৰ আৰু ৰাণীসকলক অদিতি, লক্ষ্মী আদিৰ সৈতে তুলনা কৰা দেখা যায়।

কামৰূপৰ প্ৰশাসনিক ব্যৱস্থাত মন্ত্ৰী পৰিষদৰ বিশেষ ভূমিকা আছিল। মন্ত্ৰী আৰু উচ্চ পদস্থ ৰাজ-বিষয়াসকলক অমাত্য, সচিব, মন্ত্ৰী, মহাপ্ৰতিহাৰী আদি নামেৰে জনা গৈছিল। সেনাবাহিনীৰ মুৰব্বীজনক সেনাধ্যক্ষ আৰু তেওঁৰ তলতীয়া বিষয়াসকলক সেনাপতি, নায়ক, ৰণক আদি নামেৰে নামকৰণ কৰা হৈছিল।

**ক্ৰিয়াকলাপ ঃ**

বৰ্তমানৰ অসম চৰকাৰৰ অধীনত থকা দপ্তৰসমূহ আৰু সেই দপ্তৰসমূহৰ দায়িত্বত থকা মন্ত্ৰীসকলৰ এখন তালিকা প্ৰস্তুত কৰা।

কামৰূপৰ সেনাবাহিনী যুদ্ধৰ ক্ষেত্ৰত পাৰদৰ্শিতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছিল। মিনহাজ ছিৰাজে কামৰূপৰ চিপাহীসকল বিচক্ষণ যুঁজাৰু আছিল বুলি অভিহিত কৰিছে। প্ৰতিৰক্ষাৰ বাবে দুৰ্গ নিৰ্মাণ কৰা হৈছিল। কামৰূপৰ সৈন্যবাহিনীত অশ্বাৰোহী, নৌবাহিনী, হস্তীবাহিনী আৰু পদাতিক সৈন্যৰে সুসজ্জিত আছিল। হিউৱেন চাঙৰ বিৱৰণীত উল্লেখ আছে যে, ভাস্কৰ বৰ্মনৰ ত্ৰিশ হাজাৰ জাহাজেৰে পৰিপূৰ্ণ এক বিশাল নৌবাহিনী আছিল আৰু বিশ হাজাৰ হস্তীবাহিনী সমৃদ্ধ এক শক্তিশালী সেনাবাহিনী আছিল। ভাস্কৰ বৰ্মনৰ ৰাজত্ব কালত কেইবাটাও মন্দিৰ নিৰ্মাণ কৰা হৈছিল। সেইকালত কামৰূপ ৰাজ্য শিক্ষাৰ অন্যতম কেন্দ্ৰ ৰূপে প্ৰতিষ্ঠা লাভ কৰিছিল।

**প্ৰাচীন কামৰূপ ৰাজ্যৰ ভূমি -ৰাজহ ব্যৱস্থা ঃ**

ৰাজ্যৰ সমগ্ৰ ভূমি ৰজাৰ অধীন আছিল। ৰজাই এই ভূমি প্ৰয়োজন অনুসাৰে ব্ৰাহ্মণ, ধৰ্মানুষ্ঠান আদিলৈ দান হিচাপে আগবঢ়াইছিল। এতিয়ালৈকে যিমানবোৰ শিলালিপি আৰু তাম্ৰলিপি উদ্ধাৰ হৈছে তাৰে অধিকাংশতেই এনেধৰণৰ দানৰ তথ্য লিপিবদ্ধ কৰা দেখা যায়। এনে ভূমিক দেবোত্তৰ, ব্ৰহ্মোত্তৰ, ধৰ্মোত্তৰ, অগ্ৰহাৰ আদি নামেৰে জনা গৈছিল। ভূমি ৰাজহ আছিল ৰাজ্যৰ আয়ৰ অন্যতম উৎস। এই ৰাজহ নগদ ধন অথবা সামগ্ৰীৰ মাধ্যমত সংগ্ৰহ কৰা হৈছিল। দান দিয়া ভূমিক কৰ সংগ্ৰহৰপৰা ৰেহাই দিয়া হৈছিল।

**জানি থওঁ আহা ঃ**

**দেবোত্তৰ ভূমি ঃ** দেৱতাৰ নামত দান কৰা ভূমিক দেবোত্তৰ ভূমি হিচাপে জনা গৈছিল।

**ব্ৰহ্মোত্তৰ ভূমি ঃ** ব্ৰাহ্মণসকলক দান কৰা ভূমিক ব্ৰহ্মোত্তৰ ভূমি হিচাপে জনা গৈছিল।

**ধৰ্মোত্তৰ ভূমি ঃ** মন্দিৰৰ বাবে দান কৰা মাটিক ধৰ্মোত্তৰ ভূমি হিচাপে জনা গৈছিল।

**অগ্ৰহাৰ ঃ** ব্ৰাহ্মণক দান কৰা গাঁৱক অগ্ৰহাৰ বুলি কোৱা হৈছিল।

(উল্লিখিত ভূমিক কৰ আদায়ৰপৰা ৰেহাই দিয়া হৈছিল।)

**প্ৰাচীন কামৰূপ ৰাজ্যৰ সমাজ ব্যৱস্থা ঃ**

প্ৰাচীন কামৰূপৰ সমাজখন বিভিন্ন নৃ-গোষ্ঠী যেনে- অষ্ট্ৰিক, দ্ৰাবিড়, তিব্বত-বৰ্মীয়, আলপাইন আদিৰে গঠিত আছিল। ভাৰতৰ আন ঠাইৰ তুলনাত প্ৰাচীন কামৰূপত বৰ্ণাশ্ৰম ব্যৱস্থা দৃঢ়ভাবে পালন কৰা হোৱা নাছিল। সমাজখনত নানান বৃত্তিধাৰী লোক যেনে— বাৰণ, লেখক, বৈদ্য, দৈৱজ্ঞ, কুম্ভকাৰ, কৈৱৰ্ত, তন্তবায় (তাঁতী), নৌকী আদিয়ে কামৰূপৰ আৰ্থ-সামাজিক জীৱন সমৃদ্ধ কৰিছিল। ভাৰতবৰ্ষৰ আন আন প্ৰান্তৰ দৰে কামৰূপতো ব্ৰাহ্মণসকলৰ স্থান সমাজত উচ্চ আছিল। কামৰূপৰ ৰজাসকলে ব্ৰাহ্মণক মাটিবাৰী, গাঁও আদি দান কৰিছিল। প্ৰাচীন কামৰূপৰ সমাজখন উদাৰ আছিল।

**জানি থওঁ আহা ঃ**

হিন্দু ধৰ্ম শাস্ত্ৰত মানুহৰ স্বভাৱ আৰু সাধ্য অনুসৰি বৃত্তি নিৰ্বাচনৰ কথা উল্লেখ আছে। ইয়াক **বৰ্ণাশ্ৰম** বুলি কোৱা হয়। বৰ্ণাশ্ৰম অনুসৰি মানুহৰ চাৰিটা বৰ্ণ নিৰ্ণয় কৰা হৈছে, সেই কেইটা হ'ল—ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ।

পৰিয়াল আছিল সমাজৰ ক্ষুদ্ৰতম গোট। এককৰ সলনি যৌথ পৰিয়ালৰ প্ৰচলন অধিক আছিল। হিউৱেন চাঙৰ 'চি-ইউ-কি' গ্ৰন্থত উল্লেখ কৰিছে যে ইয়াৰ মানুহবোৰ চাল-চলনত ধীৰ-গম্ভীৰ আৰু সৎ প্ৰকৃতিৰ আছিল।

**জানি থওঁ আহা ঃ**

বৰ্মন বংশৰ শ্ৰেষ্ঠ ৰজা কুমাৰ ভাস্কৰ বৰ্মনৰ নামেৰে বৰ্তমান নলবাৰী জিলাত ২০১১ চনত কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয় স্থাপন কৰা হৈছে।

**প্ৰাচীন কামৰূপ ৰাজ্যৰ অৰ্থনৈতিক অৱস্থা ঃ**

অতি প্ৰাচীন কালৰেপৰা কামৰূপত মানুহৰ প্ৰধান জীৱিকা আছিল কৃষি। পাহাৰীয়া অঞ্চলসমূহত কৃষি কৰ্ম ঝুম পদ্ধতিৰে কৰা হৈছিল। সোণ উৎপাদন আৰু সোণৰ অলংকাৰ নিৰ্মাণ কামৰূপৰ এক প্ৰাচীনতম উদ্যোগ আছিল। কামৰূপৰ প্ৰায় সকলোবিলাক নদী যেনে— সোৱণশিৰি, দিখৌ, বৰগাং, ভৰলী আদি নৈত সোণ পোৱা গৈছিল। কৌটিল্যৰ অৰ্থশাস্ত্ৰত কামৰূপৰ সুৱৰ্ণ কুণ্ডত সোণ পোৱাৰ কথা উল্লেখ আছে। যুদ্ধত ব্যৱহাৰ হোৱা অস্ত্ৰ-শস্ত্ৰ নিৰ্মাণৰ বাবে প্ৰয়োজনীয় লো কামৰূপৰ পাহাৰীয়া অঞ্চলসমূহৰপৰা আহৰণ কৰা হৈছিল বুলি ইতিহাসবিদসকলে কয়। প্ৰাচীন কামৰূপত প্ৰচুৰ পৰিমাণে কপাহী কাপোৰ উৎপাদন কৰা হৈছিল। এই কাপোৰত ৰং দিবৰ বাবে লা, নীল, হালধি আদি সামগ্ৰী ব্যৱহাৰ কৰা হৈছিল। ইয়াৰ উপৰি প্ৰাচীন কামৰূপৰ মানুহে পাট-মুগা আৰু এৰী কাপোৰৰো ব্যৱহাৰ কৰিছিল।

প্ৰাচীন কালৰেপৰা ভাৰতৰ আন ৰাজ্যৰ লগত কামৰূপৰ বাণিজ্যিক আৰু সাংস্কৃতিক সম্পৰ্ক আছিল। ইয়াৰ লোকসকল গুজৰাট, কাশ্মীৰৰ উপৰি ভাৰতৰ আন আন ঠাইৰ লগত সম্পৰ্ক থকাৰ কথা ঐতিহাসিক সমলসমূহে কয়। ইয়াত পোৱা হাতীৰ দাঁত, গঁড়ৰ খৰ্গ, চামৰা নানান সুগন্ধি কাঠ, লা, সোণ, তেজপাত আদি বিদেশলৈ ৰপ্তানি কৰা হৈছিল।

**প্ৰাচীন কামৰূপ ৰাজ্যৰ ভাষা-সাহিত্য আৰু শিক্ষা ব্যৱস্থা ঃ**

প্ৰাচীন কামৰূপত প্ৰধানকৈ গুৰুগৃহ, সংস্কৃত টোলসমূহ আৰু গ্ৰাম্য পাঠশালাসমূহত শিক্ষা দিয়া হৈছিল। কামৰূপৰ শাসকসকলে শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত ৰাজকীয় পৃষ্ঠপোষকতা আগবঢ়াইছিল। ৰজা স্থিতা বৰ্মন, ভাস্কৰ বৰ্মন আদি একো একোজন বিদ্বান ব্যক্তি আছিল। শিক্ষাৰ কেন্দ্ৰসমূহত চাৰিবেদৰ লগতে আয়ুৰ্বেদ, ধনুৰ্বেদ, তন্ত্ৰ, বেদাংগ, ইতিহাস, পুৰাণ আদি বিষয়ৰ জ্ঞান দিয়া হৈছিল। ইয়াৰ উপৰি জ্যোতিৰ্বিদ্যা, পশু চিকিৎসা, সংগীত, নৃত্য, আদিৰ বিষয়ে শিক্ষা প্ৰদান কৰা হৈছিল।

প্ৰাচীন কামৰূপত সংস্কৃত ভাষাই ব্যাপকতা লাভ কৰিছিল। বিভিন্ন স্থানত উদ্ধাৰ হোৱা তাম্ৰফলি আৰু অন্যান্য সমলসমূহৰপৰা অনুমান কৰিব পাৰি যে সাধাৰণ লোকৰ লগতে ৰাজকৰ্ম পৰিচালনা কৰিবলৈ সংস্কৃত

ভাষা প্ৰয়োগ কৰা হৈছিল। সংস্কৃতৰ সমান্তৰালভাৱে তিব্বত-বৰ্মী মূলীয় ভাষা আৰু পুৰণি অসমীয়া ভাষাই প্ৰাচীন কামৰূপত গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছিল। লিপিসমূহত ব্যৱহাৰ হোৱা ভাষা, বাক্যগাঁথনি, কাব্যিক উপস্থাপন, ছন্দৰ মিল আদিৰপৰা অনুধাৱন কৰিব পাৰি যে প্ৰাচীন কামৰূপৰ লোকসকল যথেষ্ট পৰিমাণে শিক্ষিত আছিল।

প্ৰাচীন কামৰূপত অন্যান্য শিল্পকলাৰো বিকাশ হৈছিল বুলি ক'ব পৰা যায়। বিশেষকৈ মন্দিৰকে ধৰি বৰ্তমানলৈকে আৱিষ্কাৰ হোৱা কামৰূপ ৰাজ্যৰ স্মৃতি বিজড়িত স্থানসমূহত উদ্ধাৰ হোৱা মূৰ্তি তথা আন অৱয়ৱসমূহত কাৰু শিল্পীসকলৰ নিপুণতা প্ৰকাশ পাইছে।

**প্ৰাচীন কামৰূপ ৰাজ্যৰ নাৰীসকল ঃ**

প্ৰাচীন কামৰূপৰ নাৰীসকলৰ বিষয়ে তাম্ৰলিপিসমূহৰপৰা কিছু আভাস পাব পাৰি। এই লিপিসমূহত কামৰূপৰ ৰাণীসকলক উচ্চ প্ৰশংসা কৰা হৈছে। কামৰূপৰ নাৰীসকল গুণী-জ্ঞানী আৰু ধৰ্মপৰায়ণা আছিল। বিশেষকৈ সমুদ্ৰ বৰ্মনৰ পত্নী দত্তদেৱী, বল বৰ্মনৰ পত্নী ৰত্নাৱতী, ভূতি বৰ্মনৰ পত্নী বীজনায়াৱতী আদিৰ নাম উল্লেখযোগ্য।

বনমালা বৰ্মনৰ তাম্ৰফলিত দেৱদাসী প্ৰথা আৰু দেৱদাসীসকলে বাস কৰা স্থানত ৰজাই 'হেতুকাচলিন'ৰ মন্দিৰ নিৰ্মাণ কৰাৰ কথা পোৱা যায়। দেৱদাসী প্ৰথাৰ প্ৰচলনে এক শ্ৰেণীৰ মহিলাৰ মাজত নৃত্য-গীতৰ চৰ্চাৰ কথা প্ৰমাণ কৰে। তদুপৰি প্ৰাচীন মন্দিৰত খোদিত নাৰী মূৰ্তিসমূহ নৃত্যৰতা আৰু বাদ্য বাদকৰ ৰূপত দেখা যায়। হয়তো সেই সময়ৰ মহিলাসকল এনে বিদ্যাত বাৰুকৈ নিপুণ আছিল।

**প্ৰাচীন কামৰূপৰ ধৰ্মীয় পৰম্পৰা ঃ**

প্ৰাচীন কামৰূপৰ বহুলোকে বৈদিক যুগৰ দৰে প্ৰকৃতিক পূজা কৰাৰ লগতে গছ, শিল, পাহাৰ, নদী আদিক দেৱতা ৰূপে গণ্য কৰিছিল। সমাজখন কৃষিজীৱি হোৱা বাবে কৃষিৰ লগত জড়িত ধৰ্মীয় অনুষ্ঠান পালন কৰিছিল। ভূমিৰপৰাই গছ-গছনি, ফল-মূল আৰু জীৱিকাৰ সন্ধান পোৱাৰ বাবে পৃথিৱীখনকে মাতৃ জ্ঞান কৰা হৈছিল।

প্ৰাচীন কালৰেপৰা কামৰূপত শৈৱ ধৰ্মৰ প্ৰচলন আছিল। কালিকা পুৰাণত প্ৰাচীন কামৰূপৰ শৈৱ উপাসনাৰ পোন্ধৰটা কেন্দ্ৰৰ নাম উল্লেখ আছে। প্ৰাচীন কামৰূপ শক্তি পূজাৰ অন্যতম প্ৰধান কেন্দ্ৰ আছিল। পৰম্পৰাগতভাৱে কামৰূপক শক্তি পূজাৰ মুখ্য কেন্দ্ৰ হিচাপে স্বীকৃতি দিয়া হৈছিল। কামাখ্যা দেৱীৰ মন্দিৰ ইয়াৰ ভিতৰত প্ৰথম স্থানত আছিল। যুগে যুগে নাৰী সমাজৰ প্ৰতি ভাৰতীয় পুৰুষ সমাজে প্ৰদৰ্শন কৰি অহা শ্ৰদ্ধা আৰু সন্মানেই শক্তিবাদৰ উৎস। শাক্ত ধৰ্মত উপাস্যদেৱীসকল হৈছে — দুৰ্গা, কালি, কালিকা, উমা, কামাখ্যা, তাৰা, চণ্ডী, চামুণ্ডা আদি।

শিৱ আৰু শক্তিৰ দৰে প্ৰাচীন কামৰূপত বিষ্ণুৰ উপাসনা হৈছিল। বৌদ্ধ ধৰ্ময়ো প্ৰাচীন কামৰূপত প্ৰসাৰতা লাভ কৰিছিল। প্ৰাচীন সাহিত্য আৰু স্থাপত্য-ভাস্কৰ্যসমূহৰ ধ্বংসাৱশেষৰপৰা পুৰণি কালত কামৰূপত সূৰ্য পূজাৰ প্ৰচলন থকাৰ প্ৰমাণ পোৱা যায়।

**বখতিয়াৰ খিলজিৰ কামৰূপ আক্ৰমণ ঃ**

ইতিমধ্যে সপ্তম শ্ৰেণীৰ পাঠত তোমালোকে তুৰ্কী-আফগানসকলৰ ভাৰত আগমণ আৰু পৰ্যায়ক্ৰমে ভাৰতত তেওঁলোকৰ ৰাজ্য সম্প্ৰসাৰণৰ বিষয়ে কিছু কথা জানিব পাৰিছাহঁক। ভাৰতত তুৰ্কী সাম্ৰাজ্যৰ প্ৰথমজন

চুলতান কুতুবুদ্দিন আইবাকে তেওঁৰ সেনাপতি বখতিয়াৰ খিলজিৰ সহায়ত বিহাৰ, উত্তৰ প্ৰদেশ, বংগদেশ আদিত চুলতানী সাম্ৰাজ্যৰ সম্প্ৰসাৰণ ঘটাইছিল।

পৰৱৰ্তী সময়ত সেইজন বখতিয়াৰ খিলজিয়ে কামৰূপ ৰাজ্য আক্ৰমণ কৰাৰ পৰিকল্পনা কৰে। বখতিয়াৰ খিলজিৰ আক্ৰমণৰ সময়ত কামৰূপৰ শাসক আছিল পৃথু। তেওঁ ১১৮৫ৰপৰা ১২২৮ খ্ৰীষ্টাব্দলৈ কামৰূপ ৰাজ্য শাসন কৰিছিল। পৃথু এজন দক্ষ প্ৰশাসক হোৱাৰ লগতে বিচক্ষণ যোদ্ধাও আছিল। কামৰূপ ৰাজ্যৰ পশ্চিম দিশৰপৰা হোৱা এই আক্ৰমণক তেওঁ সফলতাৰে প্ৰতিহত কৰিছিল। পৃথুৰ সুপৰিকল্পিত সমৰ কৌশল আৰু কামৰূপৰ বীৰ যোদ্ধাসকলৰ সাহস তথা নিপুণতাৰ ফলত ১২ হাজাৰ অশ্বাৰোহী সৈন্যৰে গঠিত বখতিয়াৰ বাহিনী শোচনীয়ভাৱে পৰাজিত হৈছিল। বিজয়ৰ এই গৌৰৱ গাথা উত্তৰ গুৱাহাটীত থকা 'কানাই বৰশীবোৱা শিলালিপি' আৰু মিনহাজ ছিৰাজৰ 'তবাকৎ-ই-নাচিৰী' গ্ৰন্থত উল্লেখ আছে।

কামৰূপত পৰাজিত হোৱাৰ পিছত বখতিয়াৰ খিলজিয়ে কোনোমতে প্ৰাণ লৈ বংগদেশলৈ পলায়ন কৰে যদিও আলিমৰ্দান খিলজি নামৰ এজন লোকৰ হাতত তেওঁ মৃত্যুবৰণ কৰে।

তোমালোকে কেতিয়াবা উত্তৰ গুৱাহাটীলৈ গৈছানে? উত্তৰ গুৱাহাটী আৰু তেজপুৰৰ বিভিন্ন স্থানত কামৰূপ ৰাজ্যৰ বহুতো শিলালিপি, তাম্ৰলিপি আৰু স্তম্ভলিপি পোৱা যায়। এই শিলালিপিসমূহৰ প্ৰত্যেকখনেই গুৰুত্বপূৰ্ণ তথ্য বহন কৰি আহিছে। কিন্তু সংৰক্ষণৰ অভাৱত বা আৱিষ্কাৰৰ সময়ত ভগ্ন বা লুপ্ত হোৱা শিলালিপিৰ অংশই কেতিয়াবা আমাক তথ্য আহৰণৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টিও কৰে। ইয়াৰোপৰি মদন-কামদেৱ মন্দিৰ, দ-পৰ্বতীয়াৰ তোৰণ, তেজপুৰৰ বামুণী পাহাৰ, গোৱালপাৰা জিলাৰ পাগলাটেক, গুৱাহাটীৰ আমবাৰী, ডবকাৰ গছতল আদিৰ লগতে আন বহু ঠাইত সিঁচৰতি হৈ থকা পুৰাতাত্ত্বিক স্থানসমূহত উদ্ধাৰ হোৱা ভগ্নাৱশেষে আমাক কামৰূপ ৰাজ্যৰ অৱস্থিতি আৰু ইয়াৰ সোণালী অতীতৰ উমান দিয়ে। এনে সম্পদসমূহৰ সংৰক্ষণ আমাৰ কৰ্তব্য। ভাৰতীয় পুৰাতত্ত্ব জৰীপ বিভাগে কামৰূপৰ ইতিহাস বিজড়িত স্থানসমূহৰ সঠিক সংৰক্ষণৰ ব্যৱস্থা কৰি আহিছে। কামৰূপ ৰাজ্যৰ আৰু বহু ঐতিহাসিক সমলৰ উদ্ধাৰ, বিশ্লেষণ আৰু অধ্যয়ন এতিয়াও বাকী আছে বুলি বিজ্ঞসকলে মন্তব্য কৰি আহিছে। ভৱিষ্যতে এই সন্দৰ্ভত তোমালোকো সচেতন হ'বাহক।

**ক্ৰিয়াকলাপ ঃ**

তোমালোকে বাস কৰা ঠাইৰ ওচৰে-পাজৰে প্ৰাচীন কামৰূপ ৰাজ্যৰ পুৰাতাত্ত্বিক স্মৃতি বিজৰিত স্থান আছেনে জানিবলৈ চেষ্টা কৰা আৰু এনে ঠাইসমূহ পৰিদৰ্শন কৰি তাত উদ্ধাৰ হোৱা সামগ্ৰীসমূহৰ তালিকা প্ৰস্তুত কৰা। (বিজ্ঞজনৰ সহায় ল'বা)

**মনত ৰাখিবলগীয়া কথা ঃ**

- কামৰূপ ৰাজ্যই বৰ্তমানৰ ব্ৰহ্মপুত্ৰ উপত্যকা, ভূটান, উত্তৰ বংগৰ বাংলাদেশৰ উত্তৰ আৰু পূৰ্ব অংশ আৰু উত্তৰে তিব্বতীয় সীমালৈকে বিস্তৃত আছিল।
- শিলালিপি আৰু তাম্ৰলিপিসমূহ কামৰূপ ৰাজ্যৰ উল্লেখযোগ্য ঐতিহাসিক সমল।
- আখ্যান অনুসৰি কামৰূপ ৰাজ্যৰ প্ৰথম ৰজা আছিল মহীৰঙ্গ দানৱ।

- প্ৰাচীন কামৰূপ ৰাজ্যত বৰ্মন, শালস্তম্ভ  আৰু পালবংশৰ  প্ৰায় ৩৫জন ৰজাই শাসন কৰিছিল।
- কামৰূপৰ প্ৰবল পৰাক্ৰমী ৰজা পৃথুৰ হাতত বখতিয়াৰ খিলজি পৰাভূত হৈছিল।
- কামৰূপ ৰাজ্যত ৰাজতন্ত্ৰৰ প্ৰচলন আছিল। ৰজাজন আছিল এই ব্যৱস্থাৰ সৰ্বেসৰ্বা।
- শাসনৰ সুবিধাৰ বাবে ৰাজ্যখনক ভুক্তি, বিষয়, পুৰ, গ্ৰাম আদি ভাগত ভাগ কৰা হৈছিল।
- ভূমি ৰাজহ আছিল ৰাজ্যৰ আয়ৰ অন্যতম উৎস।
- প্ৰাচীন কামৰূপৰ সমাজ বিভিন্ন নৃগোষ্ঠীয় লোকেৰে গঠিত আছিল।
- সংস্কৃত ভাষাৰ সমান্তৰালভাৱে পুৰণি অসমীয়া ভাষা  প্ৰাচীন কামৰূপত ব্যাপক ৰূপত ব্যৱহাৰ কৰা হৈছিল।
- কৃষি আছিল প্ৰাচীন কামৰূপৰ লোকসকলৰ প্ৰধান জীৱিকা।
- কামৰূপ ৰাজ্যৰ লোকসকলে প্ৰাচীন অসমীয়া ভাষা আৰু লিপি ব্যৱহাৰ কৰিছিল।
- বিভিন্ন উৎপাদিত সামগ্ৰী কামৰূপৰপৰা বিদেশলৈ ৰপ্তানি কৰা হৈছিল।
- প্ৰাচীন কামৰূপৰ নাৰীসকল গুণী, জ্ঞানী হোৱাৰ লগতে ধৰ্মপৰায়ণ আছিল।
- প্ৰাচীন কামৰূপত প্ৰকৃতিৰ উপাসনাৰ সমান্তৰালভাৱে শিৱ, শক্তি, বিষ্ণু আৰু বৌদ্ধ ধৰ্মৰো প্ৰচলন আছিল।
- প্ৰাচীন কামৰূপৰ ঐতিহাসিক সমলসমূহৰ সংৰক্ষণৰ প্ৰতি আমি সকলোৰে সচেতন হোৱা উচিত।

**প্ৰাচীন কামৰূপ ৰাজ্যৰ কেইখনমান উল্লেখযোগ্য শিলালিপি ঃ**

| **নাম** | **ধৰণ** | **শাসক** | **সময়** | **আৱিষ্কাৰ হোৱা স্থান** |
|---|---|---|---|---|
| উমাচল | শিলালিপি | সুৰেন্দ্ৰ বৰ্মন | ৫ম শতিকা | নীলাচল পাহাৰ, গুৱাহাটী |
| নগাজাৰী খনিকৰ গাঁও | শিলালিপি | — | ৫ম শতিকা | খনিকৰ গাঁও, গোলাঘাট |
| ডুবি | তাম্ৰফলি | ভাস্কৰ বৰ্মন | ৭ম শতিকা | ডুবি, বজালী |
| নিধানপুৰ | তাম্ৰফলি | ভাস্কৰ বৰ্মন | ৭ম শতিকা | নিধানপুৰ, বাংলাদেশ |
| তেজপুৰ | শিলালিপি | হৰ্জৰা বৰ্মন | ৮৩০ খ্ৰীষ্টাব্দ | তেজপুৰ |
| হায়ুনথল | তাম্ৰফলি | হৰ্জৰা বৰ্মন | ৯ম শতিকা | হায়ুনথল, কাৰ্বি পাহাৰ |
| গছতল | তাম্ৰফলি | গোপাল বৰ্মন | ১০৮০ খ্ৰীষ্টাব্দ | গছতল,  নগাঁও |
| কমৌলী | তাম্ৰফলি | বৈদ্যদেৱ | ১১৪২ খ্ৰীষ্টাব্দ | কমৌলী, উত্তৰ প্ৰদেশ |

## অনুশীলনী ঃ

১। চমু উত্তৰ দিয়া—

(ক) ভগদত্তৰ জীয়ৰীৰ নাম কি আছিল?

(খ) কোন ৰজাৰ শাসনকালত চীনা পৰিব্ৰাজক হিউৱেন চাঙে কামৰূপ ৰাজ্য ভ্ৰমণ কৰিছিল?

(গ) কামৰূপৰ ৰাজকুমাৰী অমৃতপ্ৰভাক কোনজন ৰজাই বিবাহ কৰাইছিল?

(ঘ) শালস্তম্ভ বংশৰ শ্ৰেষ্ঠ ৰজাজন কোন আছিল?

(ঙ) কোনজন ৰজাই কামৰূপত হোৱা বখতিয়াৰ খিলজিৰ আক্ৰমণ প্ৰতিহত কৰিছিল?

২। শুদ্ধ উত্তৰ বাছি উলিওৱা —

(ক) বৰ্মন বংশ পুষ্য বৰ্মনে/ভাস্কৰ বৰ্মনে স্থাপন কৰিছিল।

(খ) 'চি-ইউ-কি' কৌটিল্য/হিউৱেন চাঙৰ গ্ৰন্থ আছিল।

(গ) কুমাৰ ভাস্কৰ বৰ্মনৰ ৰাজত্ব কালৰপৰাই সূচনা হোৱা যুগটো হ'ল শকাব্দ/ভাস্কৰাব্দ।

(ঘ) প্ৰাচীন কামৰূপত ৰাজতান্ত্ৰিক/গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ প্ৰচলন আছিল।

৩। খালী ঠাই পূৰ কৰা —

(ক) প্ৰাচীন কামৰূপ ৰাজ্যৰ প্ৰধান জীৱিকা আছিল ———।

(খ) বৰ্মন বংশ ------------ প্ৰতিষ্ঠা কৰিছিল।

(গ) পাল বংশৰ শ্ৰেষ্ঠ ৰজাজন আছিল -------------।

(ঘ) কামৰূপ ৰাজ্যৰ ৰজাই ———— উপাধি গ্ৰহণ কৰিছিল।

(ঙ) ———— কামৰূপ ৰাজ্যৰ আয়ৰ প্ৰধান উৎস আছিল।

৪। চমুটোকা লিখা —

ভাস্কৰ বৰ্মন, প্ৰাচীন কামৰূপ শিক্ষা ব্যৱস্থা, ভগদত্ত,

প্ৰাচীন কামৰূপৰ ধৰ্ম, দেৱদাসী প্ৰথা।

৫। প্ৰাচীন কামৰূপ ৰাজ্যৰ প্ৰশাসন ব্যৱস্থা সম্পৰ্কে ব্যাখ্যা কৰা।

৬। প্ৰাচীন কামৰূপৰ বিষয়ে জানিবলৈ শিলালিপিসমূহে কিদৰে সহায় কৰে বৰ্ণনা কৰা।

৭। বৰ্তমান অসমৰ এখন মানচিত্ৰ অংকন কৰি বৰ্মন, শালস্তম্ভ আৰু পাল বংশৰ ৰাজধানী ক'ত ক'ত আছিল চিহ্নিত কৰা। (শিক্ষকৰ সহায় ল'বা)

ঃঃঃঃঃ

# পাঠ - ২


# মধ্যযুগৰ অসম

C1B1L2

**শিকনৰ ফলাফল ঃ**

- অসমৰ কোনছোৱা সময়ক মধ্যযুগ বোলা হয় জানিব পাৰিব।
- মধ্যযুগৰ অসমৰ ভৌগোলিক অৱস্থানৰ বিষয়ে অৱগত হ'ব।
- মধ্যযুগৰ অসমত ৰাজত্ব কৰা উল্লেখযোগ্য ৰাজ্যবোৰৰ বিষয়ে ধাৰণা লাভ কৰিব পাৰিব।
- মধ্যযুগৰ এই ৰাজ্যবোৰৰ মাজত থকা পাৰস্পৰিক সম্পৰ্কৰ বিষয়ে জানিব পাৰিব।
- মানচিত্ৰত ত্ৰয়োদশ শতিকাৰ অসমৰ ৰাজ্যবোৰ চিনাক্ত কৰিব পাৰিব।

সপ্তম শ্ৰেণীৰ সমাজ বিজ্ঞানৰ পাঠ্যপুথিৰ ইতিহাস খণ্ডৰ 'প্ৰাক্ঐতিহাসিক অসম' নামৰ অধ্যায়ত আমাৰ ৰাজ্যখনৰ অতীত সম্পৰ্কে আলোচনা কৰা হৈছে। অতীতৰপৰা বৰ্তমানলৈ আমাৰ ৰাজ্যখনক ভিন ভিন সময়ত বেলেগ বেলেগ নামেৰে নামাকৰণ কৰা হৈছে। আকাৰ আৰু আকৃতিৰ ফালৰপৰাও আমাৰ ৰাজ্যখনৰ সীমা সময়ে সময়ে বুঢ়া-টুটা হৈ থাকিছিল। খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাত আহোমসকল অসমলৈ অহাৰ সময়ৰপৰা প্ৰাচীন কামৰূপ ৰাজ্যখনৰ লগতে আন আন সংলগ্ন অঞ্চলো **অসম** নামেৰে পৰিচিত হয়। খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাত আহোমসকল অসমলৈ অহাৰ সময়ৰপৰা ঊনবিংশ শতিকাৰ আগভাগলৈ অৰ্থাৎ ইয়াণ্ডাবু সন্ধিলৈ এই সময়ছোৱাক অসম বুৰঞ্জীৰ **"মধ্যযুগ"** বুলি কোৱা হয়। কাষৰ মানচিত্ৰ খনলৈ চোৱা। এইখন ত্ৰয়োদশ শতিকাৰ অসমৰ মানচিত্ৰ। আহোমসকল অহাৰ সময়ত অসমত কেইবাখনো ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্য আছিল। পশ্চিমে কৰতোৱা নদীৰপৰা বৰ্তমানৰ দৰং আৰু নগাঁও জিলাক সামৰি কামৰূপ-কমতা নামৰ ৰাজ্যখন আছিল। ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ ফালে সোৱণশিৰি আৰু দিচাঙলৈ এই ঠাইখিনিত ৰাজত্ব কৰিছিল চুতীয়াসকলে। চুতীয়া ৰাজ্যৰ পশ্চিমে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে দিখৌ নৈৰপৰা কলং নৈ লৈকে এই বিস্তৃত ভূভাগ কছাৰী ৰাজ্যৰ অন্তৰ্গত আছিল। চুতীয়া ৰাজ্যৰ পশ্চিমে আৰু কছাৰী ৰাজ্যৰ উত্তৰ আৰু




*চিত্ৰ ২.১ ত্ৰয়োদশ শতিকাৰ অসমৰ আনুমানিক মানচিত্ৰ*

পশ্চিমে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে ভূঞাসকলৰ সৰু সৰু ৰাজ্য আছিল।

### ক্ৰিয়াকলাপ ঃ

- পাঠত উল্লেখ কৰা 'ত্ৰয়োদশ শতিকাৰ অসম' নামৰ মানচিত্ৰখনত থকা অসমৰ চাৰি সীমাৰ ৰাজ্যবোৰ চিনাক্ত কৰি তালিকাভুক্ত কৰা।

## আহোম ৰাজ্য ঃ

১২২৮ খ্ৰীষ্টাব্দত আহোমসকল অসমলৈ আহোঅসমত তেওঁলোকে ঊনৈশ শতিকাৰ আগভাগলৈ প্ৰায় ৬০০ বছৰ কাল ৰাজত্ব কৰিছিল। বিশ্বৰ ইতিহাসত ইমান দীঘলীয়া সময়ৰ কাৰণে একোটা ৰাজবংশই ৰাজত্ব কৰাৰ উদাহৰণ বিৰল।

স্বৰ্গদেউ চুকাফা আছিল আহোম ৰাজ্যৰ প্ৰতিষ্ঠাতা। তেওঁ বৰ্তমানৰ ব্ৰহ্মদেশৰ মাওলুং ৰাজ্যৰপৰা মুংকং হৈ পটকাই পৰ্বত অতিক্ৰম কৰি অসমত প্ৰৱেশ কৰিছিল। চুকাফাই পোন প্ৰথমে চৰাইদেউত ৰাজধানী স্থাপন কৰে। এই সময়ছোৱাত তেওঁ আগৰেপৰাই ইয়াত বসবাস কৰি থকা লোকসকলৰ বহু প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হৈছিল। চুকাফাই এই লোকসকলক কৌশলেৰে বশ কৰি নিজৰ অধীনস্থ কৰিছিল। সেই সময়ত দিখৌ আৰু দিচাং নৈৰ মাজৰ ঠাইখিনিত মৰাণ আৰু বৰাহী জনজাতিৰ বসবাস আছিল। এই দুই জনগোষ্ঠীক নিজৰ অধীনস্থ কৰিবলৈ চুকাফাই তেওঁলোকৰ লগত বৈবাহিক সম্বন্ধ স্থাপন কৰিছিল।

চুকাফা চতুৰ, সাহসী আৰু সুদক্ষ যোদ্ধা আছিল। অসমলৈ আহোতে লগত অনা বুঢ়াগোহাঁই আৰু বৰগোহাঁই নামৰ মন্ত্ৰী দুজনাৰ পৰামৰ্শ লৈ তেওঁ ৰাজ্য শাসন কৰিছিল। সুদীৰ্ঘ ৩৬ (ছয়ত্ৰিশ) বছৰ ৰাজত্ব কৰি ১২৬৮ খ্ৰীষ্টাব্দত স্বৰ্গদেউ চুকাফা স্বৰ্গী হয়।

### জানি থওঁ আহা ঃ

- আহোমসকলৰ উৎপত্তি সম্পৰ্কে বহুতো আখ্যান আছে। তাৰে এটি আখ্যান মতে আহোমসকল স্বৰ্গৰাজ লেংডন (বিশ্বাসমতে ইন্দ্ৰ)ৰ বংশধৰ। সেয়ে আহোম ৰজাসকলে তেওঁলোকৰ নামৰ আগত স্বৰ্গদেউ শব্দটো ব্যৱহাৰ কৰিছিল।

চুকাফাৰ পাছত আহোম ৰাজবংশৰ ৩৯ (উনচল্লিছ) জন ৰজাই ৰাজত্ব কৰিছিল। আহোমসকলৰ ছশ বছৰীয়া ৰাজত্বকালত ওচৰ চুবুৰীয়া স্বাধীন ৰাজ্যৰ লগত সততে সংঘৰ্ষ হৈছিল। ফলত আহোম ৰাজ্যৰ সীমা প্ৰায়ে বঢ়া-টুটা হৈছিল। প্ৰথমাৱস্থাত টাই ধৰ্ম পৰম্পৰা ৰক্ষা কৰি আহোমসকলে চোমদেউ নামৰ দেৱতাক পূজা-অৰ্চনা কৰিছিল। আহোম স্বৰ্গদেউ চুডাংফা বা বামুনী কোঁৱৰৰ দিনৰপৰা আহোম শাসনত হিন্দু ধৰ্মৰ প্ৰভাৱ পৰে। তেওঁ বৰ্তমানৰ শিৱসাগৰ নগৰৰপৰা প্ৰায় ১৭(সোতৰ) কিলমিটাৰ আঁতৰৰ "চৰগুৱা" নামৰ ঠাইলৈ ৰাজধানী স্থানান্তৰ কৰিছিল।

আহোমৰ চতুৰ্দশ স্বৰ্গদেউ চুহুংমুং বা দিহিঙ্গিয়া ৰজাৰ দিনত বংগদেশৰপৰা তুৰ্বক খান নামৰ এজন শাসকে অসম আক্ৰমণ কৰে। এই ৰণতেই ফ্ৰাচেংমুং বৰগোহাঁইৰ পত্নী মুলাগাভৰুৱে স্বামী হত্যাৰ প্ৰতিশোধ ল'বলৈ তুৰ্বকৰ লগত যুদ্ধ কৰি প্ৰাণ আহুতি দিয়ে।

স্বৰ্গদেউ চুহুংমুং বা দিহিঙ্গিয়া ৰজাৰ দিনৰপৰা আহোম ৰজাসকলে আহোম নামৰ লগতে হিন্দু নামো গ্ৰহণ কৰা আৰম্ভ কৰে। '**স্বৰ্গ নাৰায়ণ**' স্বৰ্গদেউ চুহুংমুঙে গ্ৰহণ কৰা হিন্দু নাম। এইজনা স্বৰ্গদেৱে **বৰপাত্ৰ গোহাঁই পদৰ** সৃষ্টি কৰে। স্বৰ্গদেউ চুহুংমুঙৰ দিনত আহোম-চুতীয়া ৰণ এটি প্ৰধান ঘটনা। এই ৰণত চুতীয়াসকলৰ পৰাস্ত হয় আৰু চুতীয়া ৰাজ্য আহোম ৰাজ্যৰ লগত চামিল হয়। চুতীয়া ৰাজ্য শাসন কৰিবলৈ স্বৰ্গদেৱে **শদিয়াখোৱা গোহাঁইক** দায়িত্ব দিয়ে। শ্ৰীমন্ত

শংকৰদেৱে এওঁৰ দিনতেই অসমত বৈষ্ণৱ ধৰ্ম পাতনি মেলে।

**উত্তৰ লিখা ঃ**

- অসমত কোনে আহোম ৰাজ্য স্থাপন কৰিছিল? তেওঁলোকে কিমান বছৰ অসমত ৰাজত্ব কৰিছিল?
- কোনজন আহোম স্বৰ্গদেউৰ সময়ৰপৰা আহোম শাসন ব্যৱস্থাত হিন্দু ধৰ্মৰ প্ৰভাৱ পৰে?
- চুহুংমুং বা দিহিঙ্গিয়া ৰজাৰ ৰাজত্বকালত সৃষ্টি কৰা পদবীটোৰ নাম কি আছিল?

১৬০৩ খ্ৰীষ্টাব্দৰপৰা ১৬৭৩ খ্ৰীষ্টাব্দলৈ এই সময়ছোৱা আহোম শাসনৰ সংকটকাল আছিল। এই সময়ছোৱাত আহোম আৰু মোগলৰ মাজত দীঘলীয়া সংঘৰ্ষ হয়। আহোমৰ সপ্তদশ স্বৰ্গদেউ প্ৰতাপ সিংহৰ দিনত আৰম্ভ হোৱা এই সংঘৰ্ষ উদয়াদিত্য সিংহৰ দিনত অন্ত পৰে। লাচিত বৰফুকনৰ নেতৃত্বত শৰাইঘাটৰ যুদ্ধত মোগল সেনাপতি ৰামসিংহৰ পৰাজয় এই সময়ছোৱাৰ উল্লেখযোগ্য ঘটনা।

বংগৰ নবাব মিৰ্জুমলাই ১৬৬২ খ্ৰীষ্টাব্দত আহোম স্বৰ্গদেউ জয়ধ্বজ সিংহৰ দিনত অসম আক্ৰমণ কৰে। মিৰ্জুমলাৰ হাতত আহোমসকলৰ পৰাজয় হয় আৰু গড়গাঁও মিৰ্জুমলাই দখল কৰে। ১৬৬৩ খ্ৰীষ্টাব্দত মিৰ্জুমলাৰ লগত আহোমৰ সন্ধি হয়। এই সন্ধি মতে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে ভৰলী আৰু দক্ষিণে কলংলৈকে আহোম ৰাজ্যৰ সীমা নিৰ্ধাৰণ হয়। মিৰ্জুমলাৰ অসম আক্ৰমণৰ সময়ত চিহাবুদ্দিন তালিচ নামৰ লেখকজনে অসমলৈ আহি অসম দেশ, অসমীয়া সমাজ আৰু ইয়াৰ অধিবাসীসকলৰ বিষয়ে এটি মূল্যবান টোকা লিখি থৈ যায়।



*চিত্ৰ ২.২ পুৰণি শৰাইঘাট দলং*

জয়ধ্বজ সিংহৰ পৰৱৰ্তী ৰজা স্বৰ্গদেউ চক্ৰধ্বজ সিংহই মোগলক কৰ দিবলৈ অমান্তি হোৱাক লৈ আকৌ আহোম-মোগলৰ সংঘৰ্ষ হয়। মোগল সম্ৰাট ঔৰংজেবে ৰামসিংহক অসম আক্ৰমণ কৰিবলৈ পঠিয়ায়। লাচিত বৰফুকনৰ নেতৃত্বত আহোম সেনাই ১৬৬১ খ্ৰীষ্টাব্দৰ **শৰাইঘাটৰ যুদ্ধত** অসীম পৰাক্ৰমেৰে যুঁজি ৰামসিংহক পৰাস্ত কৰি অসমৰ যশ, মান, গৌৰৱ উদ্ধাৰ কৰিছিল।

**জানি থওঁ আহা ঃ**

- ব্ৰহ্মপুত্ৰ নদীৰ ওপৰৰ জালুকবাৰী আৰু আমিনগাঁও সংযোগী দলংখনৰ নাম শৰাইঘাট দলং। শৰাইঘাটৰ ৰণৰ স্মৃতি ৰক্ষাৰ্থে এই দলংখনৰ নাম শৰাইঘাট দলং ৰখা হৈছে।

১৬৭৩ খ্ৰীষ্টাব্দৰপৰা ১৬৮১ খ্ৰীষ্টাব্দলৈ এই এঘাৰ বছৰ অসমৰ ইতিহাসৰ বিপ্লৱৰ যুগ। এই সময়ছোৱাত আহোম স্বৰ্গদেউসকলৰ দুৰ্বলতাৰ সুযোগ লৈ ক্ষমতালোভী, স্বাৰ্থপৰ উচ্চ বিষয়াসকলে কৰা ষড়যন্ত্ৰৰ ফলত আহোম ৰাজ্য থৰক-বৰক হৈ পৰে। শেষত ১৬৮১ খ্ৰীষ্টাব্দত এই সকলো ষড়যন্ত্ৰ, বিপ্লৱৰ অন্ত পেলাই গদাধৰ সিংহই আহোম ৰাজ্যত শান্তি প্ৰতিষ্ঠা কৰে।

১৬৮২ খ্ৰীষ্টাব্দত স্বৰ্গদেউ গদাধৰ সিংহৰ ৰাজত্বকালত ইটাখুলিত আহোম আৰু মোগলৰ মাজত শেষ যুদ্ধখন হয়। এই যুদ্ধৰ পাছতেই মানাহ নৈ আহোম ৰাজ্যৰ পশ্চিম সীমা হিচাপে নিৰ্ধাৰিত হয়।

গদাধৰ সিংহৰ পুত্ৰ ৰুদ্ৰসিংহ স্বৰ্গদেউক আহোমসকলৰ শ্ৰেষ্ঠ ৰজা বুলি কোৱা হয়। বুদ্ধিমান আৰু কৌশলী যোদ্ধা ৰুদ্ৰসিংহই ৰাজত্বৰ বেছিভাগ সময় কছাৰী আৰু জয়ন্তীয়াসকলৰ বিদ্ৰোহ দমনত ব্যস্ত থাকিবলগীয়া হ'লেও তাৰ

মাজতে প্ৰজাৰ মংগলৰ বাবে বহুতো কল্যাণমূলক কাম কৰিছিল।

স্বৰ্গদেউ ৰুদ্ৰসিংহই অসমৰ সৰু বৰ সকলো ৰাজ্যৰ মাজত এক যোগসূত্ৰ স্থাপন কৰাৰ চেষ্টা কৰিছিল। সম্ভৱত ইয়াৰ উদ্দেশ্য আছিল সঘনাই হোৱা বিদেশী শাসকৰ আক্ৰমণৰপৰা অসমখন ৰক্ষা কৰা আৰু অসমৰ পশ্চিম সীমা কৰতোয়া নদীলৈ পুনৰ সম্প্ৰসাৰণ ঘটোৱা। এই উদ্দেশ্যে আহোমৰ দাঁতিকাষৰীয়া সকলো ৰাজ্যৰপৰা সহায় লৈ এটি উমৈহতীয়া সৈন্যদলো গঠন কৰিছিল। কিন্তু অভিযান আৰম্ভ কৰাৰ আগতেই হঠাৎ নৰিয়াত পৰি ১৭১৪ খ্ৰীষ্টাব্দত তেওঁ স্বৰ্গী হয়। ৰুদ্ৰসিংহৰ মৃত্যুৰ লগে লগে তেওঁৰ এই পৰিকল্পনাৰো ইতি পৰে। ৰুদ্ৰসিংহৰ পাছত স্বৰ্গদেউ শিৱসিংহ আহোম ৰজা হয়। কিন্তু তেওঁ নিজে ৰাজ্য শাসন নকৰি বৰকুঁৱৰী ফুলেশ্বৰীক শাসন চলাবলৈ দিয়ে। ফুলেশ্বৰী কুঁৱৰীৰ ৰাজত্বৰ সময়ছোৱাত আহোম স্বৰ্গদেউসকল ক্ৰমাগতভাৱে হিন্দু ধৰ্মৰ শাক্ত পন্থাৰ প্ৰতি আকৰ্ষিত হয়। ১৭৬৯ খ্ৰীষ্টাব্দত স্বৰ্গদেউ লক্ষ্মী সিংহ আহোম সিংহাসনত আৰোহন কৰাৰেপৰা আহোম ৰাজ্যৰ পতন আৰম্ভ হয়। পৰৱৰ্তী স্বৰ্গদেউসকলৰ দিনত হোৱা গৃহ কন্দল, মোৱামৰীয়া বিদ্ৰোহ, দন্দুৱাদ্ৰোহ, মানৰ আক্ৰমণ আদিৰ ফলত আহোম ৰাজ্য দুৰ্বল হৈ পৰে। ১৮২৬ খ্ৰীষ্টাব্দৰ ইয়াণ্ডাবু সন্ধিৰ ফলত আহোম ৰাজ্য বৃটিছৰ অধীনস্থ হয় আৰু তাৰ লগে ছয় শ বছৰীয়া গৌৰৱোজ্জ্বল আহোম শাসনৰো অন্ত পৰে।

**জানি থওঁ আহা ঃ**

আহোম স্বৰ্গদেউসকলৰ কোনে ক'ত ৰাজধানী পাতিছিল

| | |
|---|---|
| স্বৰ্গদেউ চুকাফা | চৰাইদেউ |
| স্বৰ্গদেউ চুডাংফা বা বামুণী কোঁৱৰ | চৰগুৱা |
| স্বৰ্গদেউ চুহুংমুং বা দিহিঙ্গিয়া ৰজা | বকতা |
| স্বৰ্গদেউ চুক্লেনমুং বা গড়গঞা ৰজা | গড়গাঁও |
| স্বৰ্গদেউ ৰুদ্ৰসিংহ | ৰংপুৰ |
| স্বৰ্গদেউ গৌৰীনাথ সিংহ | যোৰহাট |

**ক্ৰিয়াকলাপ ঃ**

- কোনছোৱা সময়ক আহোম ৰাজত্বকালৰ সংকট কাল বোলা হৈছে? কাৰণ ব্যাখ্যা কৰা।
- গদাধৰ সিংহই আহোম ৰাজ্যত কেনেকৈ শান্তি স্থাপন কৰিছিল? প্ৰসঙ্গ পুথি অধ্যয়ন কৰি এটি টোকা প্ৰস্তুত কৰা।

## মধ্যযুগৰ অন্যান্য ৰাজ্যবোৰ ঃ

ওপৰৰ আলোচনাৰপৰা তোমালোকে আহোম ৰাজ্যৰ বিষয়ে আভাস পালাহঁক। পাঠৰ আৰম্ভণিতে আহোম সকল অসমলৈ অহাৰ সময়ত অসমত শাসন কৰি থকা আন আন ৰাজ্যবোৰৰ কথা উল্লেখ কৰা হৈছে। তলত এই ৰাজ্যবোৰৰ বিষয়ে থুল-মূলভাৱে আলোচনা আগবঢ়োৱা হ'ল।


## কামৰূপ-কমতা আৰু কোচ ৰাজ্য ঃ

সম্ভৱতঃ পুৰণি কামৰূপত শাসন কৰা পালবংশৰ শেষ ৰজা আছিল জয়পাল। আনুমানিক ১১০০ খ্ৰীষ্টাব্দলৈ তেওঁ কামৰূপ ৰাজ্যত ৰাজত্ব কৰিছিল। কামৰূপৰ পৰৱৰ্তী ৰজা হিচাপে তিংগ্যদেৱ, বৈদ্যদেৱ নামৰ দুজন ৰজাৰ নাম অসম বুৰঞ্জীত উল্লেখ আছে। বৈদ্যদেৱৰ নামেৰে **বৈদ্যগড়** নামৰ গড় এটিৰ অস্তিত্ব উত্তৰ গুৱাহাটীৰ বেতনা নামৰ ঠাইত এতিয়াও দেখিবলৈ পোৱা যায়। অনুমান কৰা হয় বৈদ্যদেৱৰ সময়ত এই গড়টো নিৰ্মাণ কৰা হৈছিল। সম্ভৱতঃ বৈদ্যদেৱে কামৰূপত ১১৪০ খ্ৰীষ্টাব্দলৈ ৰাজত্ব কৰিছিল। বৈদ্যদেৱৰ মৃত্যুৰ পাছত কামৰূপৰ ৰাজনৈতিক মানচিত্ৰৰো সলনি হ'ল আৰু ৰাজনৈতিক ধাৰাবাহিকতাও ভংগ হয়। ১১৪০ খ্ৰীষ্টাব্দৰপৰা ১২৫০ খ্ৰীষ্টাব্দলৈ কামৰূপত ৰাজত্ব কৰা ৰজাসকলৰ ইতিহাসৰ ছবিখন ধুসৰ।

এইখিনিতে উল্লেখযোগ্য যে দ্বাদশ শতিকাৰ শেষ ভাগৰপৰা তুৰ্কী-আফগানসকলে কেবাবাৰো কামৰূপ ৰাজ্য আক্ৰমণ কৰিছিল। ১২৫৭ খ্ৰীষ্টাব্দত কামৰূপৰ ৰজা সন্ধ্যাৰ ৰাজত্বকালত বংগৰ চুবেদাৰ ইখ্‌তিয়াৰ উদ্দিন মালিক উজবেগ তুঘ্ৰিল খাঁই কামৰূপ আক্ৰমণ কৰে। কামৰূপৰ ৰজা সন্ধ্যাই এই আক্ৰমণ প্ৰতিহত কৰি কামৰূপ ৰাজ্যৰ ৰাজধানী

উত্তৰ গুৱাহাটীৰপৰা কমতাপুৰলৈ স্থানান্তৰিত কৰে। তেতিয়াৰপৰা ৰাজ্যখনৰ নাম হয় **কমতা**। কমতা ৰাজ্যৰ ৰজা সন্ধ্যাৰ ৰাজত্বৰ সময়ৰ বিশেষ তথ্য পোৱা নাযায়। সন্ধ্যাৰ পৰৱৰ্তী কমতাৰ ৰজাসকলৰ ভিতৰত দুৰ্লভনাৰায়ণ বিশেষভাৱে উল্লেখযোগ্য। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ উপৰিপুৰুষ চণ্ডীবৰ আছিল কমতা ৰাজ্যৰ ৰজা দুৰ্লভনাৰায়ণৰ সমসাময়িক। বিভিন্ন প্ৰচলিত আখ্যানৰপৰা জনা যায় যে দুৰ্লভনাৰায়ণৰ পৰৱৰ্তী ৰজা ইন্দ্ৰনাৰায়ণক হত্যা কৰি আৰিমত্ত নামৰ এজন উচ্চাকাংক্ষী ভূঞাই কমতাৰ সিংহাসন দখল কৰে। তেওঁ কামৰূপ-কমতাৰ ৰাজধানী বেতনা নামৰ ঠাইলৈ স্থানান্তৰিত কৰিছিল। কমতাৰ শেষ ৰজা নীলাম্বৰৰ দিনত বংগৰ নৱাব হুছেইন শ্বাহে কমতা আক্ৰমণ কৰি ১৪৯৮ খ্ৰীষ্টাব্দত এই ৰাজ্য দখল কৰে।

এই পাঠৰ প্ৰথম পৃষ্ঠাৰ মানচিত্ৰখনত পশ্চিমে কৰতোয়া নদীৰপৰা পূৰ্বে বৰ্তমানৰ দৰং আৰু নগাঁও জিলালৈ বিস্তৃত অঞ্চলটোত কমতা নামৰ ৰাজ্যখন নিশ্চয় মন কৰিছা। এতিয়া তলৰ মানচিত্ৰখন লক্ষ্য কৰা। প্ৰায় একেটা অঞ্চল জুৰি পশ্চিমে কৰতোয়া ৰাজ্যৰ সৃষ্টি হৈছিল। অবিভক্ত গোৱালপাৰা জিলা আৰু কোচবিহাৰৰ কিছু অংশক লৈ এই ৰাজ্য স্থাপন কৰা হৈছিল।




*চিত্ৰ ২.৩ ষোড়শ শতিকাৰ কোচ আৰু আহোম ৰাজ্যৰ আনুমানিক মানচিত্ৰ*

**বিশ্বসিংহ** কোচ ৰাজ্যৰ প্ৰতিষ্ঠাতা। দৰং ৰাজবংশাৱলীত উল্লেখ আছে যে তেওঁ কমতাৰ ভূঞাসকলক পৰাস্ত কৰি ঠাইবোৰ অধিকাৰ কৰি লৈছিল। তেওঁ হিন্দু ধৰ্মৰ পৃষ্ঠপোষকতা কৰিছিল। এওঁৰ দিনত কোচ ৰাজ্যৰ লগত আহোমৰ সংঘৰ্ষ হৈছিল। তেওঁ কোচ বিহাৰত ৰাজধানী পাতিছিল।

কোচসকলৰ শ্ৰেষ্ঠ ৰজা আছিল **নৰনাৰায়ণ**। কোচ ৰজা নৰনাৰায়ণে ১৫৬২ খ্ৰীষ্টাব্দত আহোম ৰাজ্য আক্ৰমণ কৰে। সেনাপতি চিলাৰায়ে আহোমৰ ৰাজধানী গড়গাঁও দখল কৰে। ফলত আহোম ৰাজ্য কৰতলীয়া হয়। পিছত চিলাৰায়ে কছাৰী ৰাজ্য আক্ৰমণ কৰি সেই ৰাজ্যও দখল কৰে। চিলাৰায়ে ত্ৰিপুৰা, খৈৰাম, ডিমৰুৱা, শ্ৰীহট্ট আদি ৰাজ্যবোৰ জয় কৰে। তেওঁ গৌড় ৰাজ্যও আক্ৰমণ কৰিছিল। কোচ ৰজা নৰনাৰায়ণৰ ৰাজত্বকালত বৃটিছ ভ্ৰমণকাৰী **ৰাল্‌ফ ফিট্‌চে**

জানি থওঁ আহা ঃ

- ✦ বিশ্বসিংহৰ ওঠৰজন পুতেক আছিল। বিশ্বসিংহৰ মৃত্যুৰ পাছত বৰপুত্ৰ মল্লদেৱে নৰনাৰায়ণ নাম লৈ কোচ ৰাজ্যৰ ৰজা হয় আৰু ভায়েক শুক্লধ্বজক সেনাপতি পাতে। শুক্লধ্বজে চিলাৰ দৰে অতৰ্কিতে আক্ৰমণ কৰি ৰাজ্য জয় কৰিছিল বাবে বুৰঞ্জীত তেওঁ **চিলাৰায়** নামে খ্যাত।

কোচ ৰাজ্য ভ্ৰমণ কৰি ইয়াৰ আৰ্থ-সামাজিক অৱস্থাৰ ওপৰত এটি মূল্যবান টোকা লিখি থৈ যায়।

তোমালোকে গোহাঁইকমল আলিৰ নাম নিশ্চয় শুনিছা। আহোম ৰাজ্য আক্ৰমণৰ সময়ত মহাৰাজ নৰনাৰায়ণে ভায়েক গোহাঁই কমলৰ হতুৱাই এই আলিটো বন্ধাইছিল। বৰ্তমানেও এই আলি বিদ্যমান। মহাৰাজ নৰনাৰায়ণ আৰু চিলাৰায়ে যে অকল ৰাজ্য জয়েই কৰিছিল এনে নহয় সামাজিক কামতো এওঁলোকে আগৰণুৱা আছিল।

মহাৰাজ নৰনাৰায়ণৰ পাছত কোচ ৰাজ্য **কোচবিহাৰ** আৰু **কোচহাজো** নামেৰে দুভাগত বিভক্ত হয়। পৰৱৰ্তী সময়ত কোচসকল আহোমৰ কৰতলীয়া হিচাপে দৰং অঞ্চলত শাসন কৰে। দৰঙী ৰজা কৃষ্ণনাৰায়ণৰ দিনত দৰং বৃটিছৰ হাতলৈ যায়।

## চুতীয়া ৰাজ্য ঃ

চুকাফাই অসমত আহোম ৰাজ্য স্থাপন কৰা সময়ত ব্ৰহ্মপুত্ৰ নৈৰ উত্তৰ পাৰে সোৱণশিৰি আৰু দক্ষিণ পাৰে দিচাং নৈৰ পূবে চুতীয়া ৰাজ্য আছিল। চুতীয়াসকল কেইবাটাও ভাগত বিভক্ত আছিল, যেনে-হিন্দু চুতীয়া, বৰাহী চুতীয়া, দেউৰী চুতীয়া, আহোম চুতীয়া, মিৰি চুতীয়া ইত্যাদি।

চুতীয়াসকলৰ আঁতিগুৰি সম্পৰ্কে বিশেষ জনা নাযায়। দেওধাই অসম বুৰঞ্জীত খ্ৰীষ্টীয় দ্বাদশ শতিকাৰ আদি ভাগৰপৰা খ্ৰীষ্টীয় ষষ্ঠদশ শতিকাৰ আদি ভাগলৈ ৰাজত্ব কৰা দহজন চুতীয়া ৰজাৰ বিষয়ে উল্লেখ পোৱা যায়। বীৰপাল চুতীয়াসকলৰ প্ৰথম ৰজা আৰু ৰত্নধ্বজপাল বা গৌৰীনাৰায়ণ আটাইতকৈ শক্তিশালী ৰজা আছিল। ৰত্নধ্বজপালে গৌড় ৰাজ্যৰ লগতো সম্পৰ্ক স্থাপন কৰিছিল। চুতীয়াসকলে ৰাজ্যত এক সু-সংহত শাসন ব্যৱস্থা প্ৰতিষ্ঠা কৰিছিল। চুতীয়াসকলৰ নিজা ভাষা আৰু ধৰ্ম আছিল। তেওঁলোক শক্তিৰ উপাসক আছিল আৰু শদিয়াৰ কেচাইখাঁতী গোসানীৰ পূজা কৰিছিল। ১৫২৩ খ্ৰীষ্টাব্দত আহোমে চুতীয়া ৰাজ্য দখল কৰি নিজ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰে আৰু **শদিয়াখোৱা গোঁহাই** নামৰ এজন বিষয়াক এই অঞ্চল শাসন কৰাৰ দায়িত্ব দিয়ে।

## বাৰভূঞাসকল ঃ

আমি আগতে আলোচনা কৰি অহা কমতাপুৰ ৰাজ্যখন চতুৰ্দশ শতিকাত দুভাগত বিভক্ত হৈছিল। কমতাপুৰ নগৰৰ সৈতে ৰাজ্যৰ উত্তৰ আৰু পূব অংশত **দুৰ্লভনাৰায়ণ** আনহাতে, ৰংপুৰ আৰু মৈমনসিং জিলাক লৈ কমতাপুৰৰ দক্ষিণ অংশত **ধৰ্মনাৰায়ণ** ৰজা হয়। দুৰ্লভনাৰায়ণ আৰু ধৰ্মনাৰায়ণে ক্ৰমে কামেশ্বৰ বা কমতেশ্বৰ আৰু গৌড়েশ্বৰ উপাধি গ্ৰহণ কৰে। এই ৰাজ্য দুভাগত বিভক্ত হোৱাৰ সময়ত কমতেশ্বৰ দুৰ্লভনাৰায়ণে গৌড়েশ্বৰ ধৰ্মনাৰায়ণৰপৰা সাতঘৰ ব্ৰাহ্মণ আৰু সাতঘৰ কায়স্থ উপহাৰ স্বৰূপে লাভ কৰে। এওঁলোকৰ ভিতৰত চণ্ডীবৰ মুখিয়াল আছিল। সেয়ে চণ্ডীবৰক শিৰোমণি ভূঞা পাতিছিল। এই লোকসকলে পাছলৈ অসমত বাৰভূঞা হিচাপে জনাজাত হৈছিল। এই চণ্ডীবৰৰ বংশতেই শ্ৰীমন্ত শংকৰদেৱৰ জন্ম হৈছিল। অৱশ্যে অসমৰ বাৰভূঞাসকলৰ উত্থান সম্পৰ্কে আৰু বহুতো কাহিনী আছে। কিছুমানে ক'ব খোজে যে কামৰূপ ৰাজ্যৰ পূৰ্বৰ শাসন ব্যৱস্থাত ৰজাৰপৰা ৰাজহ মুক্ত হোৱা শক্তিশালী সামন্তসকলেই পৰৱৰ্তী সময়ত ভূঞা হিচাপে প্ৰতিষ্ঠিত হয়। পৰ্যাপ্ত পৰিমাণৰ ধন আৰু সৈন্যবল থকাৰ বাবে ভূঞাসকলে কামৰূপৰ দুৰ্বল ৰজাসকলৰ শাসন কালত স্বাধীন ৰজা হিচাপে মূৰ দাঙি উঠিছিল। '**ভূঞা**' শব্দৰ অৰ্থ হ'ল মাটিৰ মালিক। অসমৰ ভূঞাসকল মূলতঃ কায়স্থ, দৈবজ্ঞ আৰু ব্ৰাহ্মণ ভূঞা। অসমৰ ভূঞাসকলক **বাৰভূঞা** নামে জনা যায়।

বাৰভূঞাসকল অজস্ৰ সম্পত্তিৰ গৰাকী আছিল। এওঁলোকে পোনতে কামৰূপ ৰাজ্যৰ অধীনত সৰু সৰু অঞ্চলৰ শাসনকৰ্তা আছিল। কমতা ৰাজ্যৰ ক্ষমতা কমি যোৱাত বাৰভূঞাসকল যথেষ্ট শক্তিশালী হৈ উঠিছিল। ১৬ শতিকাৰ মাজভাগত আহোমৰ লগত ভূঞাসকলৰ সংঘৰ্ষ হয় আৰু ভূঞাসকল সময়ত আহোমৰ অধীন হৈ পৰে। আহোম প্ৰশাসনত ভূঞাসকলক উচ্চ পদবী দি সন্তুষ্ট ৰখাৰ ব্যৱস্থা কৰা হৈছিল। এইখিনিতে উল্লেখ কৰিব পাৰি যে তুৰ্কী-আফগানসকলৰ আক্ৰমণৰ সময়ত ভূঞাসকলে কামৰূপৰ ৰজাক যথেষ্ট সহায় কৰিছিল।

### ক্ৰিয়াকলাপ ঃ

✦ কোন কাৰ সমসাময়িক আছিল লিখা—

চণ্ডীবৰ ভূঞা, নৰনাৰায়ণ, ইখতিয়াৰ উদ্দিন মালিক উজবেক,তুঘ্ৰিল খাঁ, দুৰ্ল্লভ নাৰায়ণ, গোহাঁই কমল, সন্ধ্যা।

## কছাৰীসকল ঃ

কছাৰীসকল অসমৰ অতি পুৰণি অধিবাসী। ইতিহাসবিদসকলে বিশ্বাস কৰে যে প্ৰাচীন কালত কছাৰীসকলে কামৰূপ ৰাজ্যত শাসন কৰিছিল। তেওঁলোকৰ এই শাসন বৰ্তমান বাংলাদেশৰ চিলেট, মৈমনসিংহ আদিকে ধৰি বংগোপ সাগৰৰ পাৰলৈকে বিস্তৃত আছিল। চুতীয়া, কোচ, ত্ৰিপুৰী, শৰণীয়া, গাৰো, ৰাভা, লালুং, ডিমাচা জনগোষ্ঠীসকল আদিতে এই কছাৰী জাতিৰ অন্তৰ্ভুক্ত আছিল। কিন্তু এই জনগোষ্ঠীৰ লোকসকল সময়ত বিভিন্ন স্থানত নিগাজিকৈ থাকিবলৈ লোৱাত চৌপাশৰ পাৰিপাৰ্শ্বিক পৰিৱেশৰ প্ৰভাৱত নিজস্ব কৃষ্টি-সংস্কৃতিৰ জন্ম দিয়ে। এই সংস্কৃতি পূৰ্বৰ কছাৰী সংস্কৃতিৰপৰা কিছু হ'লেও পৃথক। সেয়েহে এই লোকসকল বিভিন্ন স্থানত বিভিন্ন নামেৰে জনাজাত হয় যেনে- বড়ো, কছাৰী, মেচ, ডিমাচা, গাৰো, হাজং, শৰণীয়া, সোণোৱাল ইত্যাদি। এনে বিস্তৃতিৰ প্ৰতি লক্ষ্য কৰিয়েই ইতিহাসবিদসকলে অনুমান কৰে যে এসময়ত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ অধিকাংশ অঞ্চলেই কছাৰী ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল।

কছাৰীসকলৰ ইতিহাসৰ লিখিত ৰূপত পাবলৈ একেবাৰে কঠিন। ত্ৰয়োদশ শতিকাত আহোমসকলে অসমলৈ অহাৰ পাছত আৰু উত্তৰ-পূব ভাৰত বৃটিছসকলৰ অধীনলৈ অহাৰ পাছতহে কছাৰীসকলৰ বিষয়ে কিছু তথ্য লিখিতৰূপত পোৱা যায়। ইতিমধ্যে উল্লেখ কৰা হৈছে যে আহোমসকলৰ অসম আগমনৰ সময়ত কছাৰীসকলে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে দিখৌৰপৰা কলঙলৈ এই বিস্তৃত ভূভাগত শাসন কৰি আছিল। আহোম বুৰঞ্জী মতে কছাৰী ৰাজ্য যথেষ্ট শক্তিশালী আছিল। সেয়েহে তেওঁলোকে অসমত প্ৰায় ২০০ বছৰ কাল ৰাজত্ব কৰি যাৱতীয় শক্তি সঞ্চয় কৰাৰ পিছতহে কছাৰী ৰজাক পৰাভূত কৰিবলৈ সক্ষম হৈছিল আৰু ব্ৰহ্মপুত্ৰ উপত্যকাত থকা কছাৰী ৰাজ্য নিজৰ অধীনলৈ আনিছিল। কছাৰীসকলৰ নিজা প্ৰবাদ অনুসৰি তেওঁলোক তিব্বত আৰু চীনৰপৰা ভাৰতলৈ আহিছিল। কছাৰীসকলৰ কেইজনমান উল্লেখযোগ্য ৰজা হ'ল— মহামানিক্য, খুনখৰা, যশোনাৰায়ণ, তাম্ৰধ্বজ, কৃষ্ণচন্দ্ৰ, গোবিন্দচন্দ্ৰ আদি।

কছাৰীসকলে ব্ৰহ্মপুত্ৰ উপত্যকাৰপৰা বিতাৰিত হৈ ডিমাপুৰত ৰাজধানী পাতে। আহোমসকলে পুনৰ কছাৰী ৰাজ্য আক্ৰমণ কৰি দখল কৰাৰ পাছত কছাৰীসকলে ৰাজধানী মাইবঙলৈ স্থানান্তৰিত কৰে। আহোম বুৰঞ্জী মতে কছাৰীসকলৰ লগত আহোম আৰু ওচৰ চুবুৰীয়া জয়ন্তীয়াসকলৰ সঘনাই সংঘৰ্ষ হৈছিল। ১৮৩২ খ্ৰীষ্টাব্দত গোবিন্দচন্দ্ৰৰ মৃত্যুৰ পাছত ইংৰাজসকলে কছাৰী ৰাজ্য নিজৰ ৰাজ্যৰ লগত চামিল কৰে। অৱশ্যে বৃটিছে তুলাৰাম নামৰ সেনাপতি এজনক কাছাৰৰ উত্তৰ অংশত কৰতলীয়া শাসনকৰ্তা পাতিছিল। ইতিহাসত তেওঁক **তুলাৰাম সেনাপতি** বুলি জনা যায়। তুলাৰাম সেনাপতিয়ে ১৮৫৪ খ্ৰীষ্টাব্দলৈ এই ভূভাগত শাসন কৰিছিল।

### মনত ৰাখিবলগীয়া কথা ঃ

✦ আহোমসকল অসমলৈ অহাৰ সময়ত অসমত বহুতো ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্য আছিল।

✦ ত্ৰয়োদশ শতিকাত আহোমসকল অসমলৈ আহি চৰাইদেউত ৰাজধানী পাতে।

✦ আহোমসকলৰ সৰ্বমুঠ ৪০ জন ৰজাই ৰাজত্ব কৰে। এওঁলোকে নামৰ আগত স্বৰ্গদেউ উপাধি গ্ৰহণ কৰিছিল।

- স্বৰ্গদেউ চুভাংফা বা বামুণী কোঁৱৰৰ দিনৰপৰা আহোমসকলৰ শাসন ব্যৱস্থাত হিন্দু ধৰ্মৰ প্ৰভাৱ পৰে আৰু স্বৰ্গদেউ চুহুংমুং বা দিহিঙ্গিয়া ৰজাৰ দিনৰপৰা আহোমসকলে হিন্দু নাম গ্ৰহণ কৰে।
- স্বৰ্গদেউ ৰুদ্ৰসিংহ আহোমসকলৰ শ্ৰেষ্ঠ ৰজা।
- স্বৰ্গদেউ লক্ষীসিংহৰ দিনৰপৰা আহোমসকলৰ পতন আৰম্ভ হয়।
- ১৮২৬ খ্ৰীষ্টাব্দৰ ইয়াণ্ডাবু সন্ধি মতে আহোম ৰাজ্য বৃটিছৰ অন্তৰ্ভুক্ত হয়।
- কামৰূপ ৰজা বৈদ্যদেৱে বৈদ্যগড় নিৰ্মাণ কৰিছিল বুলি কোৱা হয়।
- কমতা ৰজা দুৰ্লভনাৰায়ণ শ্ৰীমন্ত শংকৰদেৱৰ উপৰিপুৰুষ চণ্ডীবৰ ভূঞাৰ সমসাময়িক আছিল।
- ১৪৯৮ খ্ৰীষ্টাব্দৰ বংগৰ নবাব হুছেইন শ্বাহৰ আক্ৰমণত কামৰূপ-কমতা ৰাজ্য ধ্বংস হয়।
- কমতা ৰাজ্যৰ বুকুতেই কোচ ৰাজ্যৰ প্ৰতিষ্ঠা হয়। বিশ্বসিংহ কোচ ৰাজ্যৰ প্ৰতিষ্ঠাতা আছিল।
- নৰনাৰায়ণ কোচসকলৰ শ্ৰেষ্ঠ ৰজা আছিল। তেওঁৰ ভ্ৰাতৃ চিলাৰায় কোচ ৰাজ্যৰ মুখ্য সেনাপতি আছিল।
- বীৰপাল চুতীয়াসকলৰ প্ৰথম ৰজা আৰু ৰত্নধ্বজপাল চুতীয়াসকলৰ আটাইতকৈ শক্তিশালী ৰজা আছিল।
- স্বৰ্গদেউ চুহুংমুঙৰ দিনত চুতীয়া ৰাজ্য আহোমৰ দখললৈ আহে।
- ভূঞা শব্দৰ অৰ্থ হ'ল মাটিৰ মালিক। অসমৰ ভূঞাসকলক বাৰভূঞা বুলি জনা যায়।
- বাৰভূঞাসকলৰ বংশতেই শ্ৰীমন্ত শংকৰদেৱে জন্মগ্ৰহণ কৰে। স্বৰ্গদেউ চুহুংমুঙৰ দিনত শ্ৰীমন্ত শংকৰদেৱে বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ পাতনি মেলে।
- কছাৰীসকল অসমৰ অতি পুৰণি অধিবাসী। কছাৰীসকলৰ কেইজনমান উল্লেখযোগ্য ৰজা হ'ল- মহামানিক্য, খুনখৰা, যশোনাৰায়ন, তাম্ৰধ্বজ, কৃষ্ণচন্দ্ৰ, গোবিন্দচন্দ্ৰ।

## অনুশীলনী

**১। উত্তৰ লিখা—**

(ক) কিমান শতিকাত আহোমসকল অসমলৈ আহিছিল?

(খ) চুকাফা অসমলৈ আহোতে লগত অনা মন্ত্ৰী দুজন কোন কোন আছিল?

(গ) মূলাগাভৰু কোন আছিল?

(ঘ) কিমান খ্ৰীষ্টাব্দত গদাধৰ সিংহ আহোম সিংহাসনত বহে?

(ঙ) কোচ ৰজা নৰনাৰায়ণে কিমান খ্ৰীষ্টাব্দত আহোম ৰাজ্য আক্ৰমণ কৰিছিল?

(চ) চুতীয়াসকলৰ শ্ৰেষ্ঠ ৰজা কোন?

**২। ক্ৰমানুসাৰে সজোৱা—**

(ক) ইয়াণ্ডাবু সন্ধি।

(খ) হুছেইন শ্বাহৰ কামৰূপ কমতা আক্ৰমণ।

(গ) শৰাইঘাটৰ যুদ্ধ।

(ঘ) মিৰ্জুমলাৰ অসম আক্ৰমণ।

(ঙ) স্বৰ্গদেউ চুকাফাৰ চৰাইদেউত ৰাজধানী স্থাপন।

(চ) ইখ্‌তিয়াৰ উদ্দিন মালিক উজবেগ,তুঘ্ৰিল খাঁৰ কামৰূপ আক্ৰমণ।

৩। **শুদ্ধ/অশুদ্ধ বিচাৰ কৰা—**

(ক) আহোমসকল অসমলৈ অহাৰপৰা ইয়াণ্ডাবু সন্ধিলৈ এই সময়ছোৱা অসম বুৰঞ্জীৰ মধ্যযুগ।

(খ) চুডাংফা বা বামুণী কোঁৱৰৰ দিনৰপৰা আহোম স্বৰ্গদেউসকলে হিন্দু নাম গ্ৰহণ কৰে।

(গ) মিৰ্জুমলাৰ অসম আক্ৰমণৰ সময়ত লেখক চিহাবুদ্দিন তালিচ অসমলৈ আহিছিল।

(ঘ) কছাৰী ৰজা গোবিন্দচন্দ্ৰৰ দিনত কছাৰী ৰাজ্য বৃটিছৰ অধীনস্থ হয়।

(ঙ) চুতীয়াসকল বৈষ্ণৱ ধৰ্মী আছিল।

(চ) কামৰূপ আক্ৰমণৰ সময়ত তুৰ্কী-আফগানসকলক ভূঞাসকলে সহায় কৰিছিল।

৪। **খালী ঠাই পূৰোৱা—**

(ক) আহোমসকল অসমলৈ অহাৰ পাছৰেপৰা কামৰূপ ৰাজ্যখন _________ নামেৰে পৰিচিত হয়।

(খ) আহোমসকলে _________ নামৰ দেৱতাক পূজা সেৱা কৰিছিল।

(গ) _________ স্বৰ্গদেউ চুহুংমুং বা দিহিঙ্গিয়া ৰজাৰ হিন্দু নাম।

(ঘ) সন্ধ্যাই কামৰূপৰ ৰাজধানী উত্তৰ গুৱাহাটীৰপৰা _________ লৈ স্থানান্তৰিত কৰে।

(ঙ) _________ চুতীয়াসকলৰ আটাইতকৈ শক্তিশালী ৰজা আছিল।

(চ) _________ শব্দৰ অৰ্থ হ'ল মাটিৰ মালিক।

৫। **৫০ টা মান শব্দৰ ভিতৰত উত্তৰ লিখা ঃ**

(ক) কেতিয়া, কোনে আৰু কেনেকৈ অসমত আহোম ৰাজ্য স্থাপন কৰিছিল?

(খ) শৰাইঘাটৰ যুদ্ধ কাৰ কাৰ মাজত হৈছিল? ইয়াৰ ফলাফল কি হ'ল?

(গ) চিলাৰায় কোন আছিল? তেওঁ কি কি ৰাজ্য জয় কৰিছিল?

(ঘ) বাৰভূঞাসকল কোন?

(ঙ) কছাৰীসকল কোন?

৬। পাঠত থকা মানচিত্ৰ দুখনৰ এটি তুলনামূলক চমুটোকা প্ৰস্তুত কৰা।

✧✧✧✧✧✧

পাঠ - ৩

# মধ্যযুগৰ অসমীয়া সমাজ

I2H6H4

**শিকনৰ ফলাফল ঃ**

- দেশ সংগঠনৰ বাবে আহোমসকলে উদ্ভাৱন কৰা অভিনৱ প্ৰশাসনিক প্ৰথাৰ লগত চিনাকী হ'ব।
- মধ্যযুগৰ শাসকসকলৰ সামাজিক দৃষ্টিভংগীৰ বিষয়ে অৱগত হ'ব।
- মধ্যযুগৰ স্থাপত্য, ভাস্কৰ্য, চিত্ৰকলাৰ নিদৰ্শনসমূহ প্ৰত্যক্ষ কৰি অতীতৰ গৌৰৱময় ইতিহাস সম্পৰ্কে জানিব পাৰিব।
- মধ্যযুগৰ অৰ্থনৈতিক অৱস্থাৰ লগত বৰ্তমানৰ অৰ্থনৈতিক অৱস্থাৰ তুলনা কৰিব পাৰিব।
- অসমৰ সাহিত্য-সংস্কৃতিৰ চহকী সমলবোৰ অধ্যয়ন কৰি ভৱিষ্যতে তাক সমৃদ্ধ কৰাৰ প্ৰতি সচেতন হ'ব।

আগৰ অধ্যায়ত মধ্যযুগত অসমৰ ভিন ভিন অঞ্চলত ৰাজত্ব কৰা শক্তিসমূহৰ লগতে ৰাজনৈতিক অৱস্থাৰ বিষয়ে আভাস পাইছা। এই অধ্যায়ত সেই সময়ছোৱাত অসমৰ আৰ্থ-সামাজিক, সাংস্কৃতিক জীৱনৰ ওপৰত আলোকপাত কৰা হ'ব।

ইতিমধ্যে কোৱা হৈছে যে মধ্যযুগ বুলিলে আমি ত্ৰয়োদশ শতিকাৰ আগভাগৰপৰা ১৯ শতিকাৰ আগভাগলৈ এই সময়ছোৱাকে বুজো। উক্ত সময়ছোৱাত কামৰূপ-কমতা,চুতীয়া,বাৰভূঞা, কছাৰী আৰু আহোমসকলে অসমৰ বিভিন্ন প্ৰান্তত শাসন কৰি আছিল। বুৰঞ্জী পুথি, বিদেশী ভ্ৰমণকাৰীৰ টোকা, আখ্যান, কিংবদন্তি, প্ৰত্নতাত্ত্বিক সমল আদিৰপৰা মধ্যযুগৰ বিষয়ে জানিব পাৰি। উল্লিখিত প্ৰতিখন স্বাধীন ৰাজ্যৰ নিজা ৰাজনৈতিক মতাদৰ্শ, অৰ্থনৈতিক নীতি, সাহিত্য-সংস্কৃতি, শিল্পকলা, সামাজিক দৃষ্টিভংগীত অতীত অসমৰ প্ৰভাৱ বিদ্যমান। অৱশ্যে আহোমসকল অসমলৈ অহাৰ পাছত স্বৰ্গদেউসকলৰ ৰাজনৈতিক, আৰ্থ-সামাজিক দূৰদৰ্শিতাৰ ফলত সমসাময়িক সকলোবোৰ ৰাজ্যৰ মাজত কিছু উমৈহতীয়া বৈশিষ্ট্যই স্থান পাইছিল।

মধ্যযুগৰ শাসন আছিল ৰাজতান্ত্ৰিক। ৰজা আছিল ৰাজ্যৰ সৰ্বময় কৰ্তা। ৰাজনৈতিক সুস্থিৰতা আনি প্ৰজাৰ সৰ্বময় কল্যাণৰ হকে কাম কৰাই আছিল ৰজাসকলৰ ৰাজনৈতিক দৰ্শন। ৰাজ্যৰ শাসন ব্যৱস্থাত মন্ত্ৰী পৰিষদৰ সহায় লোৱা হৈছিল।

বৰ্তমানৰ কামৰূপ জিলাৰ কিছু অংশ, নামনি অসম, উত্তৰবংগ আৰু বাংলাদেশৰ মৈমনসিং অঞ্চল সামৰি এসময়ৰ কামৰূপ-কমতা বা কমতা ৰাজ্যই প্ৰায় আঢ়ৈশ বছৰ ধৰি উত্তৰ-পূব ভাৰতৰ ৰাজনীতিত স্থান দখল কৰালৈ চাই এই ৰাজ্যৰ যে এটি সুশৃংখল শাসন ব্যৱস্থা আছিল তাক নিশ্চিতভাৱে ক'ব পাৰি। অৱশ্যে কামৰূপ-কমতা বা কমতা ৰাজ্যৰ ইতিহাস জানিবলৈ সমলৰ যথেষ্ট অভাৱ।

মধ্যযুগত ৰাজত্ব কৰা বাৰভূঞাসকলৰো নিজস্ব প্ৰশাসন ব্যৱস্থা আছিল আৰু ইয়াক থলুৱাভাৱে গঢ় দিয়া হৈছিল। ৰজাই বিষয়া বৰ্গৰ পৰামৰ্শ মতে ৰাজ্য শাসন কৰিছিল। ভূঞাসকলৰ ৰজাৰ দৰে মন্ত্ৰী বা বিষয়াসকলৰ পদবীও বংশানুক্ৰমিক আছিল। উজনি অসমৰ শক্তিশালী ভূঞাসকলৰ নিজা বিচাৰালয় পৰ্যন্ত আছিল। এইবোৰক **'কাৰাখানা'** বোলা হৈছিল। ভূঞাসকলৰ ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যবোৰ পৰৱৰ্তী সময়ত আহোমৰ অধীনস্থ হ'লেও আহোম প্ৰশাসনত বহুতো বৰমুৰীয়া ভূঞাই উচ্চ পদবীত অধিষ্ঠিত হৈছিল। আহোম বুৰঞ্জীত এই কথা উল্লেখ আছে।

কমতা আৰু বাৰভূঞাসকলৰ দৰেই উজনিত চুতীয়াসকলৰো এটি সুসংগঠিত শাসন ব্যৱস্থা আছিল বুলি জনা যায়। পিচে, এই চুতীয়া ৰাজ্য আহোম ৰাজ্যত অন্তৰ্ভুক্ত হোৱাৰ পাছত ইয়াত আহোমৰ শাসন ব্যৱস্থা প্ৰৱৰ্তন হয়।

আহোমৰ শাসন ব্যৱস্থা আছিল মধ্য যুগৰ সৰ্বোৎকৃষ্ট শাসন ব্যৱস্থা। আহোমসকলে ৰাজ্যখন বুঢ়াগোহাঁই, বৰগোহাঁই আৰু বৰপাত্ৰ গোহাঁই নামৰ তিনিজনা মন্ত্ৰীৰ পৰামৰ্শ মতে পৰিচালনা কৰিছিল। পাছলৈ বৰবৰুৱা আৰু বৰফুকনৰ অন্তৰ্ভুক্তিৰে মন্ত্ৰীসভা পাঁচজনীয়া কৰা হৈছিল। মন্ত্ৰীসভাৰ তলত অন্যান্য বহুতো বিষয়া-কৰ্মচাৰীৰ নিযুক্তিৰে আহোম শাসন ব্যৱস্থা সকলো ফালৰপৰা সু-শৃংখল আছিল।



চিত্ৰ ৩.১ ৰংঘৰ
উৎস: wikimedia.org

দেশ সংগঠনৰ বাবে আহোমসকলে কিছুমান অভিনৱ ব্যৱস্থা হাতত লৈছিল। এইবোৰৰ ভিতৰত **পাইক প্ৰথা**, **খেল ব্যৱস্থা**, **পচা প্ৰথা** উল্লেখযোগ্য। স্বদেশ আৰু স্বজাতিৰ উন্নয়নৰ বাবে প্ৰয়োজন হোৱা শ্ৰম, দেশৰ সুৰক্ষাৰ বাবে আৱশ্যক হোৱা সামৰিক শক্তি আৰু আহোমৰ কৰ ব্যৱস্থাৰ ভেটি আছিল এই পাইকসকল।

**জানি থওঁ আহা ঃ**

- ১৫ বছৰৰপৰা ৫০ বছৰলৈ সকলো সক্ষম পুৰুষক একো একোজন **পাইক** বুলি কোৱা হৈছিল। ৩ বা ৪ জন পাইক মিলি একোটা **গোট** হৈছিল। প্ৰতি গোটৰ একোজন পাইকে ৰজা ঘৰত শ্ৰম দান কৰিব লাগিছিল। ৰজা ঘৰলৈ যোৱা পাইকজনৰ কামসমূহ গোটৰ অন্যান্য পাইকসকলে ভগাই লৈছিল। স্বৰ্গদেউ গৌৰীনাথ সিংহৰ আগলৈ আহোম ৰাজ্যত যিহেতু কোনো স্থায়ী সৈন্য বাহিনী নাছিল সেয়ে পাইকসকলে যুদ্ধৰ সময়ত সৈনিকৰ কামো কৰিব লাগিছিল।

আহোমৰ এজন সুদক্ষ বিষয়া মোমাই তামুলী বৰবৰুৱাই স্বৰ্গদেউ প্ৰতাপ সিংহৰ দিনত এই পাইকসকলক বিভিন্ন খেলৰ দায়িত্ব দি দেশ সংগঠন অধিক মজবুত কৰি তুলিছিল। কুৰিগোট পাইকৰ ওপৰত এজন **বৰা**, এশগোটৰ ওপৰত এজন **শইকীয়া**, এহাজাৰ গোটৰ ওপৰত এজন **হাজৰিকা**, তিনি হাজাৰ গোটৰ ওপৰত এজন **ৰাজখোৱা** আৰু ছহেজাৰ গোটৰ ওপৰত এজন **ফুকন** আছিল। আহোম সকলৰ এই পাইক আৰু খেল প্ৰথাৰ আৰ্হিত সমসাময়িক মধ্যযুগৰ অন্যান্য শাসকসকলেও দেশ সংগঠনত এই ব্যৱস্থা গ্ৰহণ কৰিছিল। আহোম শাসনৰ খেল ব্যৱস্থাৰ লগত মোগলসকলৰ **মনচবদাৰী** প্ৰথাৰ বহুতো মিল দেখা যায়।

আহোম শাসন ব্যৱস্থাৰ আন এটি উল্লেখযোগ্য তথা অনুকৰণীয় দিশ হ'ল সীমান্তৱৰ্তী পাহাৰীয়া জাতিসমূহৰ লগত কৰা বিশেষ বন্দোবস্ত। আহোম স্বৰ্গদেউসকলে উদ্ভাৱন কৰা এই ব্যৱস্থাটো হ'ল **পচা প্ৰথা**। পাহাৰৰ দাঁতিত থকা আহোম প্ৰজাবোৰক পৰ্বতীয়া জনজাতিসকলৰ আক্ৰমণৰপৰা ৰক্ষা কৰাই আছিল এই **পচা প্ৰথাৰ** মূল উদ্দেশ্য।

**জানি থওঁ আহা ঃ**

- আহোম স্বৰ্গদেউ প্ৰতাপ সিংহই নামনিৰ দুৱাৰ অঞ্চলৰ কিছুমান গাঁও পৰ্বতীয়া জাতিবোৰক এৰি দিছিল। এনেদৰে দিয়া গাঁওবোৰৰপৰা পৰ্বতীয়া জাতিবোৰে উৎপন্ন শস্যসমূহ সংগ্ৰহ কৰিছিল। বিনিময়ত তেওঁলোকে আহোম ৰাজ্যৰ প্ৰজাবোৰৰ ওপৰত আক্ৰমণ নকৰাৰ প্ৰতিশ্ৰুতি দিছিল। দক্ষিণ ফালৰ নগাবোৰৰ ক্ষেত্ৰতো আহোমসকলে অনুৰূপ ব্যৱস্থা লৈছিল। নগাবোৰক দান কৰা মাটিক **নগাখাট** বোলা হৈছিল।

আহোমসকলৰ নিচিনা কোচ শাসন ব্যৱস্থাও আছিল সুসংগঠিত। কোচসকলে আহোম শাসন ব্যৱস্থাৰ অনুকৰণত প্ৰজাসকলক গোটত বিভক্ত কৰি নিৰ্দিষ্ট সংখ্যক গোটৰ ওপৰত বিষয়া নিযুক্তি দিছিল। কোচ ৰজা নৰনাৰায়ণে আহোম শাসনৰ বহুতো উপাদান কোচ শাসনতো প্ৰৱৰ্তন কৰিছিল। এইবোৰৰ ভিতৰত উল্লেখযোগ্য আছিল পাইক প্ৰথাৰ প্ৰচলন।

**ক্ৰিয়াকলাপ ঃ**

✦ বৰ্তমান অসমৰ সীমান্তৱৰ্তী ৰাজ্যকেইখন চিনাক্ত কৰা। এই ৰাজ্যবোৰৰ লগত আমাৰ ৰাজ্যৰ সম্পৰ্ক কেনেকুৱা? দলত আলোচনা কৰি এটি টোকা প্ৰস্তুত কৰা।

## সামাজিক দৃষ্টিভংগী, মহিলাৰ স্থান, সাজ-পাৰ ইত্যাদি ঃ

মধ্যযুগৰ সামাজিক দৃষ্টিভংগী আছিল যথেষ্ট উদাৰ। হিন্দু সমাজত প্ৰচলন থকা জাতিভেদ প্ৰথা সেই সময়ত নাছিল। আহোম, কছাৰী, কোচ আদি সকলো জাতি-জনজাতিৰ লোকসকলে নিজ নিজ ৰাজ্যত স্বাধীনভাৱে বসবাস কৰিছিল। আহোমসকলে অসমলৈ আহোতে বৰ কম সংখ্যক মহিলা লগত অনা বাবে স্থানীয় জাতি-জনজাতিসকলৰ লগত বৈবাহিক সম্বন্ধ স্থাপন কৰি অকল বংশবৃদ্ধি কৰাই নহয় বৰং অসমৰ স্থানীয় লোকসকলৰ লগত বন্ধুত্বপূৰ্ণ সম্পৰ্কও স্থাপন কৰিছিল। স্বৰ্গদেউ চুকাফাই আৰম্ভ কৰা এই নীতি আহোমৰ শেষ স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহলৈ বৰ্তি আছিল। মধ্য যুগৰ অন্যান্য শাসকসকলেও পাছলৈ এই নীতি অনুসৰণ কৰি যথেষ্ট লাভবান হৈছিল।

মধ্যযুগৰ ভাৰতৰ অন্যান্য ৰাজ্যৰ দৰে অসমীয়া সমাজো সামন্তবাদী আছিল। আহোম যুগৰ সামন্তবাদী সমাজখন মাইকৈ দুটা শ্ৰেণীত বিভক্ত আছিল— সম্ভ্ৰান্ত শ্ৰেণী আৰু অধীনস্থ প্ৰজা বা ৰায়ত। অৱশ্যে পিছলৈ হিন্দু ধৰ্মৰ দ্বাৰা প্ৰভাৱান্বিত হোৱা আহোম সমাজ ব্যৱস্থাত সামাজিক ব্যৱধান বাঢ়িছিল।



চিত্ৰ ৩.২অসমীয়া মহিলাৰ আ-অলংকাৰ আৰু সাজ-পাৰৰ ছবি

মধ্যযুগত অসমৰ মহিলাক সন্মানৰ চকুৰে চোৱা হৈছিল। কেৱল ঘৰুৱা কাম-কাজতে আৱদ্ধ নাথাকি মহিলাসকলে সময় সাপেক্ষে যুদ্ধত অংশগ্ৰহণ কৰাৰ উপৰি ৰাজকাৰ্যতো ভাগ লৈছিল। বোৱা-কটাৰপৰা চোৰাংচোৱাৰ কামলৈ মধ্যযুগৰ অসমৰ মহিলাসকলে সকলোতে আগভাগ লোৱা তথ্য পোৱা যায়। স্বকীয় সাজ-পাৰ আৰু আ-অলংকাৰ পৰিধান কৰাটো সেই সময়ত নাৰী সকলৰ মাজত জনপ্ৰিয় আছিল। সৰ্বভাৰতীয় দৃষ্টিকোণৰপৰা চাবলৈ গ'লে তুলনামূলকভাৱে অসমীয়া সমাজত মহিলাক সন্মানৰ চকুৰে চোৱা হয়। অসমীয়া সমাজত 'মহিলাৰ স্থান উচ্চ', সম্ভৱতঃ এই পৰম্পৰা তাহানিৰপৰাই আৰম্ভ হৈছিল।

মধ্যযুগত অসমৰ লোকসকলৰ সাজপাৰ ৰুচিপূৰ্ণ আছিল। পুৰুষ-মহিলা উভয়ে নিম্ন ভাগত আহল-বহল বস্ত্ৰ, গাত দীঘল চোলা পৰিধান কৰিছিল আৰু পুৰুষসকলে মূৰত পাগুৰি মাৰিছিল। কালক্ৰমত মহিলাসকলে মেখেলা-চাদৰ পৰিধান কৰিবলৈ লৈছিল। সাজ-পাৰে মানুহৰ সামাজিক মৰ্যাদা নিৰূপণ কৰিছিল।পশ্চিমৰপৰা হোৱা বিদেশী আক্ৰমণে

এই ক্ষেত্রতো প্ৰভাৱ পেলাইছিল। পাট-মুগা, এৰী কাপোৰ অসমীয়া সমাজত তাহানি কালৰপৰাই প্ৰচলন আছিল। বৰ্তমান বড়োসকলে ব্যৱহাৰ কৰা **দখনা** মধ্য যুগৰ বড়ো (কছাৰী)সকলেও পৰিধান কৰিছিল। অসমীয়া সাজ-পাৰৰ ক্ষেত্ৰত মধ্যযুগীয় বাৰভূঞাসকলৰ অৱদান কোনোপধেই নুই কৰিব নোৱাৰি। উদাহৰণস্বৰূপে আজিৰ অসমীয়া সমাজত ব্যৱহৃত টঙালি, হঁাচতি আদি বাৰভূঞাসকলৰেই অৱদান আছিল।

### ক্ৰিয়াকলাপ ঃ

✦ আমাৰ সমাজৰ পুৰুষ-মহিলাসকলে বৰ্তমান সময়ত পৰিধান কৰা সাজ-পাৰৰ এখন তালিকা প্ৰস্তুত কৰা।

## অৰ্থনৈতিক অৱস্থা ঃ

মধ্যযুগত অসমৰ অৰ্থনীতিৰ মূল ভেটি আছিল কৃষি। জনসাধাৰণৰ প্ৰধান বৃত্তি আছিল কৃষি। ঋতুভেদে পৃথক পৃথক শস্যৰ খেতি কৰা হৈছিল। ধান, মাহজাতীয় শস্য, তেলজাতীয় শস্য, কুঁহিয়াৰ, মৰাপাট, কপাঁহ, বিভিন্ন ধৰণৰ ফল-মূল, শাক-পাচলি আদি আৱশ্যকীয় সামগ্ৰী অসমীয়া মানুহে উৎপাদন কৰিছিল। পাহাৰ অঞ্চলত প্ৰধানত খলপীয়া কৃষি পদ্ধতিৰ সহায়ত ফল-মূলৰ খেতি কৰিছিল। জনজাতীয় লোকসকলৰ মাজত জুম খেতিৰ প্ৰচলন আছিল। ডোং বান্ধি বৰষুণৰ পানী জমা কৰি ৰাখি খেতি পথাৰত পানী দিয়াৰ ব্যৱস্থা আছিল। বৰ্তমান মথাউৰি নিৰ্মাণ কৰি বানপানীৰপৰা গছ-গছনি, শস্য ৰক্ষাৰ কৰাৰ যি ব্যৱস্থা সেয়া মধ্যযুগতেই আৰম্ভণি হৈছিল বুলি ক'ব পাৰি। উল্লেখ আছে যে কোচবিহাৰত



*চিত্ৰ ৩.৩ শিপিনীয়ে কাপোৰ বোৱাৰ ছবি*

উৎস : www.assamtimes.in

জান-জুৰিৰ উজনিত বান্ধ বান্ধি প্ৰয়োজন অনুযায়ী খেতি পথাৰত পানী যোগান ধৰা হৈছিল।

আহোমৰ আমোলত ৰজা আছিল ভূসম্পত্তিৰ গৰাকী। কৃষকে খেতিৰ মাটিৰ বাবদ ৰজাক কৰ সোধাব লাগিছিল। অৱশ্যে প্ৰতিজন পাইকে ৰজাৰ হকে কাম কৰি দিয়াৰ বাবদ দুপুৰাকৈ খাজনাহীন মাটি ভোগ কৰিছিল। আহোম ৰজাসকলে ব্ৰাহ্মণ, দেৱ-দেৱালয়, সত্ৰ-মন্দিৰ আদিক কৰ মুক্ত মাটি দান কৰিছিল। পৰৱৰ্তী সময়ত মছজিদ, কবৰ আদিৰ মেৰামতি আৰু সংৰক্ষণৰ বাবেও মাটি দান কৰিছিল বুলি উল্লেখ আছে। মধ্যযুগৰ এই ব্যৱস্থা বৰ্তমানেও কম-বেছি পৰিমাণে প্ৰচলন হৈ থকা দেখা যায়।

অসম মধ্যযুগৰপৰাই কুটিৰ আৰু ক্ষুদ্ৰ শিল্পত চহকী। সেই যুগৰ শিল্পসমূহৰ ভিতৰত বস্ত্ৰ-শিল্প, বয়ন শিল্প, ৰঞ্জন (ৰং কৰা) শিল্প, হাতীদাঁতৰ শিল্প, মৃৎ শিল্প, ধাতু শিল্প আদিয়েই প্ৰধান। পুৰুষ-মহিলা উভয়ে শিল্পসমূহৰ লগত জড়িত আছিল। সেই সময়ত প্ৰতিটো পৰিয়ালৰ ঘৰতেই তাঁতশাল আছিল। উল্লেখ আছে যে কামৰূপ-কমতাৰ কোনো কোনো অঞ্চলত পুৰুষ-মহিলা উভয়ে পেছাদাৰী শিপিনী আছিল। শুৱালকুছি আৰু বৰপেটাৰ তাঁতী কুছিৰ উৎপত্তি তেনেদৰেই হৈছিল বুলি অনুমান কৰাৰ থল আছে।

মধ্যযুগত বাণিজ্যিক আদান-প্ৰদান আছিল যথেষ্ট সীমিত। আত্মনিৰ্ভৰশীলতা সেই যুগৰ এটি প্ৰধান বৈশিষ্ট্য আছিল। আনৰপৰা বস্তু অনা বা আনক বস্তু দিয়াতো বিশেষভাৱে পৰিলক্ষিত নহৈছিল। আহোমসকলে ওচৰ-চুবুৰীয়া জনজাতিসকলৰ লগত বাণিজ্যিক সম্পৰ্ক স্থাপন কৰিছিল। বিভিন্ন উৎসৰপৰা জনা যায় যে আহোমসকলৰ বংগদেশ, তিব্বত, চীন আদি দেশৰ লগত বাণিজ্যিক সুসম্পৰ্ক আছিল। কোচ ৰজাসকলৰ দিনত ব্যৱসায়-বাণিজ্যিই

যথেষ্ট প্ৰসাৰতা লাভ কৰিছিল। ব্যৱসায়-বাণিজ্যৰ উন্নতিৰ বাবে কোচ ৰজাসকলে কেতবোৰ ব্যৱস্থা হাতত লৈছিল। ইয়াৰ ভিতৰত ৰাস্তা-পদূলি নিৰ্মাণ, মুদ্ৰাৰ প্ৰচলন ইত্যাদি। মধ্যযুগৰ আদিতে বিনিময় প্ৰথাৰে ব্যৱসায়-বাণিজ্য চলিছিল যদিও পিছলৈ মুদ্ৰাৰ প্ৰচলন হৈছিল।

**ক্ৰিয়াকলাপ ঃ**

- মধ্যযুগৰ জলসিঞ্চন ব্যৱস্থাৰ লগত বৰ্তমানৰ জলসিঞ্চন ব্যৱস্থাৰ এটি তুলনামূলক টোকা প্ৰস্তুত কৰা।
- অসমৰ জোনবিল মেলাত কি ব্যৱস্থাৰে সামগ্ৰী কিনা-বেচা হয়? অভিজ্ঞ ব্যক্তি অথবা শিক্ষকৰ সহায়ত জোনবিল মেলাৰ ওপৰত এটি প্ৰকল্প প্ৰস্তুত কৰা।

## স্থাপত্য-ভাস্কৰ্য আৰু চিত্ৰকলা ঃ

মধ্যযুগ স্থাপত্য, ভাস্কৰ্য আৰু চিত্ৰকলাত অতি চহকী আছিল। আজিৰ অসমৰ অধিকাংশ স্থাপত্য, ভাস্কৰ্য আৰু চিত্ৰকলা মধ্যযুগৰেই অৱদান বুলি ক'লেও বঢ়াই কোৱা নহয়। উল্লেখ্য যে এইবোৰৰ বেছি ভাগেই আকৌ আহোমসকলৰ দিনতেই নিৰ্মাণ কৰা হৈছিল। মধ্যযুগৰ শাসকসকলৰ উক্ত অৱদানসমূহ তলত চমুকৈ বৰ্ণনা কৰা হ'ল—



*চিত্ৰ ৩.৪ কছাৰী ৰাজধানী ডিমাপুৰৰ ভগ্নাৱশেষ*

উৎস: dimapur.nic.in

কছাৰীসকলৰ ৰাজধানী ডিমাপুৰৰ ধ্বংসাৱশেষৰ পৰাই এই কথাৰ প্ৰমাণ পোৱা যায় যে কছাৰীসকলৰ স্থাপত্য-ভাস্কৰ্য শিল্প উচ্চ খাপৰ আছিল। যি সময়ত আহোমসকলে ইটাৰ ব্যৱহাৰ জনা নাছিল সেই সময়তে কছাৰীসকলৰ ৰাজধানী ডিমাপুৰ তিনিওফালে ইটাৰ বেৰেৰে ঘেৰা আছিল। কছাৰীসকলৰ স্থাপত্য বিদ্যাত বংগদেশৰ মুছলমানসকলৰ গৃহ নিৰ্মাণ প্ৰণালীৰ প্ৰভাৱ দেখা যায়। তেওঁলোকে নানা ৰকমৰ চিত্ৰখোদিত স্তম্ভ গৃহ নিৰ্মাণত ব্যৱহাৰ কৰিছিল। কছাৰীসকলৰ ৰাজধানী ডিমাপুৰ নগৰৰ ভিতৰত বহুতো ধুনীয়া ধুনীয়া পুখুৰী আছিল। কছাৰীসকল নলা-নৰ্দমা নিৰ্মাণ ব্যৱস্থাতো আগৰণুৱা আছিল।

ইয়াৰোপৰি মধ্যযুগৰ চুতীয়াসকলে নিৰ্মাণ কৰা মন্দিৰ, পুখুৰীসমূহ আৰু কোচ ৰজাসকলৰ শিল্প-ভাস্কৰ্যই আজিও সেই যুগৰ গৌৰৱময় ইতিহাসৰ সাক্ষী বহন কৰে। কোৱা হয় যে বৰ্তমান অৰুণাচল প্ৰদেশৰ নামনি অঞ্চলত অৱস্থিত মালিনী থানৰ স্থাপত্য-ভাস্কৰ্যসমূহ চুতীয়া সকলৰেই অৱদান। কোচ ৰজা নৰনাৰায়ণে নিৰ্মাণ কৰা কামাখ্যাদেৱীৰ মন্দিৰ, হাজোৰ হয়গ্ৰীৱ-মাধৱ মন্দিৰ আৰু কামাখ্যা মন্দিৰৰ প্ৰৱেশ দ্বাৰৰ নৰনাৰায়ণ আৰু চিলাৰায়ৰ খোদিত মূৰ্তি মধ্যযুগৰ শিল্প-ভাস্কৰ্যৰ বিৰল কীৰ্তি।

আহোম যুগৰ মঠ-মন্দিৰ, দৌল-দেৱালয়, ৰাজপ্ৰসাদ, শিলৰ সাঁকোসমূহ মধ্যযুগৰ স্থাপত্য-ভাস্কৰ্যৰ অনুপম নিদৰ্শন। আহোমসকলে পোনতে তেওঁলোকৰ ঘৰবোৰ কাঠ আৰু বাঁহেৰে দুমহলীয়াকৈ সাজি লৈছিল। এইবোৰ কাৰুকাৰ্য খচিত আছিল। পাছলৈ তেওঁলোকে মিহি, বহল, টান ইটা ব্যৱহাৰ কৰি ঘৰ সাজিবলৈ লৈছিল। বৰ্তমানৰ চিমেণ্টৰ সলনি গুড়,



*চিত্ৰ ৩.৫ হাজোৰ হয়গ্ৰীৱ-মাধৱ মন্দিৰ*

মাটিমাহ, শিলচূণ, শামুকচুন, চকাচুন, বৰালী মাছ, তেল, ধুনা আদিৰ মিশ্ৰণেৰে কঢ়াল তৈয়াৰ কৰি লৈছিল। শিৱসাগৰৰ বিখ্যাত শিৱদৌল, বিষ্ণুদৌল আৰু দেৱীদৌল আদি দৌলবোৰ এনেকৈ ইটা আৰু কঢ়াল ব্যৱহাৰ কৰি নিৰ্মাণ কৰা হৈছিল।

### জানি থওঁ আহা

- আহোম স্বৰ্গদেউসকলে নিৰ্মাণ কৰা দেৱীদৌল, জয়দৌল, উমানন্দ মন্দিৰ, উগ্ৰতাৰা মন্দিৰ, কামাখ্যাৰ সিদ্ধেশ্বৰ আৰু কামেশ্বৰ মন্দিৰ, অশ্বক্লান্তৰ জনাৰ্দ্দন মন্দিৰ, শুক্ৰেশ্বৰ মন্দিৰ, ৰুদ্ৰেশ্বৰ মন্দিৰ, দেৰগাঁও আৰু বিশ্বনাথৰ শিৱ মন্দিৰ, বশিষ্ঠাশ্ৰম মন্দিৰ, নৱগ্ৰহ মন্দিৰ, দীৰ্ঘেশ্বৰী মন্দিৰ, ছত্ৰাকাৰ মন্দিৰ আহোম স্থাপত্য শিল্পৰ অতুলনীয় অৱদান।



চিত্ৰ ৩.৬ জয়সাগৰ পুখুৰী

উৎস: via Wikimedia Commons

গড়গাঁৱৰ কাৰেংঘৰ, ৰংপুৰৰ ৰংঘৰ আৰু তলাতল ঘৰ আহোমসকলৰ অক্ষয় কীৰ্তি। এইখিনিতে উল্লেখযোগ্য যে স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনৰপৰা আহোম স্থাপত্যত কিছু মোগল, পাঠী নিদৰ্শনৰ ছাঁ পৰিছিল।

আহোম যুগৰ আন এবিধ উল্লেখযোগ্য স্থাপত্য হ'ল শিলৰ সাঁকোসমূহ। শিলৰ সাঁকোসমূহৰ ভিতৰত নামদাং, দৰিকা, ৰহদৈ আৰু দিজৈ সাঁকো উল্লেখযোগ্য। আহোম যুগত খন্দা পুখুৰীসমূহেও সেই কালৰ স্থাপত্যৰ অন্যতম নিদৰ্শন দাঙি ধৰে। আহোম যুগৰ বহচলা পুখুৰীসমূহ, যেনে- জয়সাগৰ, শিৱসাগৰ, গৌৰীসাগৰ পুখুৰী অসমৰ অন্যতম ঐতিহ্য।

### জানি থওঁ আহা

- পানীৰ উহ্ বিচাৰি খান্দি তাত নাদ বহুৱাই, নাদত ব'হ (পাৰা) ঢালি পানী ফট্‌ফটীয়াকৈ ৰখা পুখুৰীবোৰকে ব'হতলা পুখুৰী বোলে।

আহোম যুগৰ দৌল-দেৱালয়, অট্টালিকাসমূহত ভাস্কৰ্যৰ উজ্জ্বল চানেকি পোৱা গৈছে। মন্দিৰৰ প্ৰাচীৰত খোদিত দেৱ-দেৱীৰ মূৰ্তিসমূহ, ফুল-লতা, জীৱ-জন্তুৰ মূৰ্তি, প্ৰাকৃতিক দৃশ্য আদি আহোম ভাস্কৰ্যৰ নিদৰ্শন। উল্লেখ্য যে পোৱা মাটিৰ শিল্পইয়ো আহোম ভাস্কৰ্যক চহকী কৰি থৈছে।

মধ্যযুগৰ আহোমসকলৰ সাঁচিপতীয়া পুথিত থকা চিত্ৰসমূহ, দশমস্কন্ধ ভাগৱত, ধৰ্ম পুৰাণ, গীত গোবিন্দ, শঙ্খচূড় বধ, আনন্দ লহৰী, হস্তীবিদ্যাৰ্ণৱ আদি সচিত্ৰ পুথিসমূহে চিত্ৰকলাৰ ক্ষেত্ৰত অসমীয়া সমাজলৈ উচ্চ খাপৰ বৰঙণি যোগাইছিল।

### ক্ৰিয়াকলাপ ঃ

- তোমালোকৰ জিলাত থকা পুৰণি কীৰ্তি চিহ্নবোৰৰ নাম আৰু ছবিসহ এটি টোকা প্ৰস্তুত কৰা।

## সাহিত্য-সংস্কৃতিলৈ অৱদান ঃ

অসমীয়া সাহিত্য-সংস্কৃতিলৈ মধ্যযুগৰ অনবদ্য অৱদানৰ আলোচনা অবিহনে বৰ্তমানৰ সাহিত্য-সংস্কৃতিৰ আলোচনা নিৰৰ্থক। কাৰণ মধ্যযুগৰ সাহিত্য-সংস্কৃতিক ভেটি কৰিয়েই বৰ্তমানৰ সাহিত্য-সংস্কৃতি গঢ় লৈছে। আকৌ মধ্যযুগৰ ৰাজপৃষ্ঠপোষকতা অবিহনে যে সেই সময়ৰ সাহিত্য-সংস্কৃতি ইমান চহকী নহ'লহেঁতেন সেই কথাও নিসন্দেহে স্বীকাৰ কৰিব লাগিব।



চিত্ৰ ৩.৭ শিৱ দৌল
উৎস: wikimedia.org

ৰজাঘৰীয়া পৃষ্ঠপোষকতাত ৰচনা কৰা কিছু সংখ্যক পুথিত ৰজা, মন্ত্ৰী বা আন আন ডা-ডাঙৰীয়াসকলৰ গুণানুকীৰ্তন অতিৰঞ্জিতভাৱে বৰ্ণনা কৰিছিল যদিও এইবোৰৰ মূল্য কেতিয়াও নুই কৰিব নোৱাৰি।

মধ্যযুগৰ অসমত সাহিত্য সংস্কৃতিৰ মানচিত্ৰখনৰ নিৰ্মাতা হ'ল খিলঞ্জীয়া জনজাতীয় ভাষিক গোষ্ঠী, কমতা ৰজাসকল আৰু উজনিৰ আহোমসকল। সাম্প্ৰতিক অসমৰ ভাষা, সাহিত্য-সংস্কৃতি প্ৰতিটো জাতি-জনগোষ্ঠীৰেই উমৈহতীয়া সৃষ্টি আৰু সম্পত্তি। কামৰূপ-কমতাৰ ৰজাসকলৰ পৃষ্ঠপোষকতাত হেম সৰস্বতী, কবিৰত্ন সৰস্বতী আৰু হৰিহৰ বিপ্ৰই অসমীয়া ভাষাত কাব্য ৰচনা কৰিছিল। সেইদৰে কছাৰী ৰজা মহামানিক্যৰ পৃষ্ঠপোষকতাত মাধৱ কন্দলিয়ে অসমীয়া ভাষাত ৰামায়ণ ৰচনা কৰিছিল। এইজনা ৰজাৰ দিনতে কপিলীৰ পাৰত আলিপুখুৰীৰ বৰদোৱাত মহেন্দ্ৰ কন্দলিয়ে টোল পাতি জ্ঞান মাৰ্গৰ সাধনা কৰি আনকো জ্ঞান চৰ্চাৰ প্ৰতি উৎসাহিত কৰিছিল।

মধ্যযুগৰ আহোমসকলৰ সাহিত্য-সংস্কৃতিৰ অৱদানৰ কথা ক'বলৈ গ'লে পোন প্ৰথমে বুৰঞ্জী সাহিত্যৰ নাম ল'ব লাগিব। পোনতে টাই-আহোম ভাষাত আৰু পাছলৈ অসমীয়া ভাষাত বুৰঞ্জী লিখাৰ পৰম্পৰা সৃষ্টি হৈছিল। সংস্কৃত ভাষাত লিখিত মহাভাৰত, ৰামায়ণ আৰু পুৰাণ আদি গ্ৰন্থসমূহ অসমীয়ালৈ অনুবাদ কৰাৰ উপৰি অন্যান্য ভালেমান অৰ্থপূৰ্ণ পুথি সেই সময়তে ৰচনা কৰা হৈছিল। শিৱসিংহ আৰু ৰাণী অম্বিকাৰ আজ্ঞামতে সুকুমাৰ বৰকাইথে **'হস্তী বিদ্যাৰ্ণৱ'** পুথি ৰচনা কৰিছিল। সেইদৰে স্বৰ্গদেউ ৰুদ্ৰসিংহৰ পৃষ্ঠপোষকতাত ৰামনাৰায়ণ চক্ৰৱৰ্তীয়ে অসমীয়া ভাষালৈ গীতগোবিন্দ, ব্ৰহ্মবৈৱৰ্ত পুৰাণ, শকুন্তলা কাব্য অনুবাদ কৰাৰ উপৰি শঙ্খচূড়বধ কাব্য ৰচনা কৰিছিল।



চিত্ৰ ৩.৮ সত্ৰীয়া নৃত্যৰ ছবি
উৎস: via Wikimedia Commons

পৰৱৰ্তী কোচ ৰজাসকলৰ পৃষ্ঠপোষকতাত সুকবি নাৰায়ণদেৱে অসমীয়াত পদ্মপুৰাণ আৰু বললদেৱ সূৰ্যখৰি দৈৱজ্ঞই দৰং ৰাজবংশাৱলী ৰচনা কৰিছিল। কোচসকলৰ শ্ৰেষ্ঠ ৰজা নৰনাৰায়ণৰ ৰাজত্বকালত ৰাম সৰস্বতীয়ে মহাভাৰত, পুৰুষোত্তম বিদ্যাবাগীশে সংস্কৃত ভাষাত **ৰত্নমালা ব্যাকৰণ** লিখে। সেই সময়তে অনন্ত কন্দলিয়ে **ভাগৱত** আৰু কেইবাখনো পুথি অসমীয়া ভাষালৈ অনুবাদ কৰিছিল।

মধ্যযুগৰ তাৎপৰ্যপূৰ্ণ দিশটো আছিল নৰনাৰায়ণৰ পৃষ্ঠপোষকতাত মহাপুৰুষ শংকৰদেৱে তেওঁৰ বিশাল প্ৰতিভা বিকাশৰ সুবিধা পোৱাটো। শ্ৰীমন্ত শংকৰদেৱে অসমত ভক্তি আন্দোলনৰ পাতনি মেলি বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল। ব্ৰজাবলী আৰু অসমীয়া ভাষাৰ অনেক ৰচনা সম্ভাৰেৰে তেওঁ অসমীয়া ভাষা-সাহিত্যলৈ অনবদ্য অৱদান আগবঢ়াই থৈ গৈছে।

নৱ বৈষ্ণৱ আন্দোলনৰ সমান্তৰালভাৱে গঢ়ি উঠা এই সাহিত্য আন্দোলনৰ অংশীদাৰসকল আছিল বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য ওৰফে ভট্টদেৱ, অনন্ত কন্দলী, শ্ৰীধৰ কন্দলী, ৰাম সৰস্বতী, ৰামচৰণ ঠাকুৰ আদি। ১৬ আৰু ১৭ শতিকাৰ সাহিত্যৰ আন এটি উল্লেখযোগ্য দিশ আছিল নৱ বৈষ্ণৱ আন্দোলৰ সৈতে জড়িত গুৰু কেইজনৰ জীৱনী গদ্যত ৰচনা কৰাটো। এই ক্ষেত্ৰত পোনতে 'কথা গুৰুচৰিত'ৰ কথাই উল্লেখ কৰিব পাৰি। ভট্টদেৱেই আছিল ভাৰতৰ প্ৰথম গদ্য সাহিত্যৰ ৰচক। তেওঁ 'কথা-ভাগৱত', 'কথা-গীতা' ৰচনা কৰিছিল।

ভাষা-সাহিত্যৰ দৰে মধ্যযুগত সৃষ্টি হোৱা সংগীত-সংস্কৃতিয়ে আজিও অসমীয়া সমাজত ব্যাপক প্ৰভাৱ পেলাই আহিছে। অসমত প্ৰাচীন কালৰপৰাই শাস্ত্ৰীয় তথা ধ্ৰুপদী সংগীত আৰু নৃত্য-কলাৰ চৰ্চা প্ৰচলিত আছিল। শ্ৰীমন্ত শংকৰদেৱে এইসমূহক আধাৰ হিচাপে লৈ এক নতুন ধাৰাৰ সাংস্কৃতিক কৰ্ম আঁচনি গ্ৰহণ কৰিছিল। এই কৰ্ম আঁচনিৰ অন্যতম উপাদান ওজাপালি, নাম-কীৰ্তন, বৰগীত চৰ্চা আৰু অনুশীলনৰ সমান্তৰালভাৱে নৃত্য আৰু নাট-ভাওনাৰো বহুল প্ৰচলন বৰ্তমানেও চলি আছে। অসমীয়া সমাজ গাঁথনিত এইবোৰৰ প্ৰভাৱ অতুলনীয়।

## মনত ৰাখিবলগীয়া কথা ঃ

- মধ্যযুগ বুলিলে ত্ৰয়োদশ শতিকাৰ আগভাগৰপৰা ১৯ শতিকাৰ আগভাগলৈ ধৰা হয়।
- মধ্যযুগৰ শাসন ব্যৱস্থা আছিল ৰাজতান্ত্ৰিক, ৰজা আছিল ৰাজ্যৰ সৰ্বময় কৰ্তা। ৰাজ্যৰ শাসন পৰিচালনাত ৰজাই মন্ত্ৰী পৰিষদৰ সহায় লৈছিল।
- উজনিৰ ভূঞাসকলৰ নিজা প্ৰশাসন ব্যৱস্থা আৰু বিচাৰালয় আছিল।
- পাইকপ্ৰথা, খেল ব্যৱস্থা, পচা প্ৰথা আহোম শাসন ব্যৱস্থাৰ অভিন্ন উপাদান আছিল।
- আহোমসকলে স্থানীয় জাতি-জনজাতিৰ লগত বৈবাহিক সম্বন্ধ স্থাপন কৰি স্থানীয় লোকৰ লগত মিলি গৈছিল।
- মধ্যযুগৰ সামাজিক দৃষ্টিভংগী উদাৰ আছিল।
- মথাউৰি নিৰ্মাণ আৰু জান-জুৰিত বান্ধ দি খেতি পথাৰত পানী যোগান ধৰা পদ্ধতি মধ্যযুগতেই প্ৰচলিত আছিল।
- আহোমসকলে বংগদেশ, তিব্বত, চীন আদি দেশৰ লগত বাণিজ্যিক সম্পৰ্ক স্থাপন কৰিছিল।
- আহোমসকলৰ পূৰ্বেই কছাৰীসকলে ইটাৰ ব্যৱহাৰ কৰিছিল। কছাৰীসকলৰ স্থাপত্য বিদ্যাত বংগদেশৰ মুছলমানসকলৰ প্ৰভাৱ পৰিছিল।
- অৰুণাচল প্ৰদেশৰ মালিনী অঞ্চলত অৱস্থিত মালিনী থানৰ স্থাপত্য-ভাস্কৰ্য চুটীয়াসকলৰ অৱদান।
- আহোমসকলে স্থাপত্য-ভাস্কৰ্য, সাহিত্য-সংস্কৃতি আৰু শিল্প-কলালৈ অতুলনীয় অৱদান দি গৈছে।
- বৰ্তমানৰ সাহিত্য-সংস্কৃতিৰ ভেটি মধ্যযুগত গঢ়ি উঠিছিল। মধ্যযুগৰ অসমত সাহিত্য-সংস্কৃতিৰ মানচিত্ৰখনৰ নিৰ্মাতা হ'ল জনজাতীয় ভাষিক গোষ্ঠীসমূহ, কমতা ৰজাসকল, কোচসকল আৰু উজনিৰ আহোমসকল।
- কোচ ৰজা নৰনাৰায়ণৰ পৃষ্ঠপোষকতাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে তেওঁৰ বিশাল প্ৰতিভা বিকাশৰ সুবিধা পাইছিল।

## অনুশীলনী ঃ

১। চমুকৈ উত্তৰ লিখা ঃ

(ক) অসমৰ মধ্যযুগত শাসন কৰা উল্লেখযোগ্য ৰাজ্যসমূহ কি কি আছিল?

(খ) দখনা কোন জাতিৰ মহিলাসকলে পৰিধান কৰে?

(গ) আহোমসকলৰ ৰাজত্বকালত ভূসম্পত্তিৰ গৰাকী কোন আছিল?

(ঘ) মধ্যযুগৰ প্ৰাৰম্ভিক পৰ্যায়ত কি প্ৰথাৰ দ্বাৰা ব্যৱসায়-বাণিজ্য চলিছিল?

(ঙ) কপিলীৰ পাৰত আলিপুখুৰীৰ বৰদোৱাত কোনে টোল পাতি জ্ঞান চৰ্চা কৰিছিল?

২। 'ক' অংশৰ কথাখিনিৰ লগত 'খ' অংশৰ কথাখিনি মিলোৱা ঃ

| 'ক' অংশ | 'খ' অংশ |
|---|---|
| মাধৱ কন্দলি | ৰত্নমালা |
| সুকুমাৰ বৰকাইথ | দৰং ৰাজবংশাৱলী |
| পুৰুষোত্তম বিদ্যাবাগীশ | ৰামায়ণ |
| ভট্টদেৱ | হস্তীবিৰ্দ্যাৰ্ণৱ |
| বলদেৱ সূৰ্যখৰি দৈৱজ্ঞ | কথা গীতা |

৩। খালী ঠাই পূৰ কৰা—

(ক) হয়গ্ৰীৱ-মাধৱ মন্দিৰ ________ নিৰ্মাণ কৰিছিল।

(খ) মধ্যযুগত মহিলাৰ স্থান আছিল ________।

(গ) জনজাতীয় লোকসকলৰ মাজত ________ খেতিৰ প্ৰচলন আছিল।

(ঘ) অনন্ত কন্দলীয়ে ________ অসমীয়ালৈ অনুবাদ কৰে।

(ঙ) ________ মধ্যযুগৰ এটি প্ৰধান বৈশিষ্ট্য আছিল।

৪। শুদ্ধ উত্তৰটোত ✓ চিন দিয়া—

(ক) মধ্যযুগৰ শাসন আছিল গণতান্ত্ৰিক/ৰাজতান্ত্ৰিক।

(খ) পাইক প্ৰথাৰ প্ৰচলন কৰিছিল আহোমসকলে/কোচসকলে।

(গ) টঙালি, হাঁচতি বড়োসকলৰ/বাৰভূঞাসকলৰ অবদান আছিল।

(ঘ) কছাৰীসকল/কোচসকল নলা-নৰ্দমা নিৰ্মাণ ব্যৱস্থাত আগৰণুৱা আছিল।

(ঙ) স্বৰ্গদেউ ৰুদ্ৰসিংহ/স্বৰ্গদেউ শিৱসিংহৰ দিনৰপৰা আহোম স্থাপত্যত মোগল, পাৰ্চী নিদৰ্শনৰ ছাঁ পৰে।

৫। চমু উত্তৰ লিখা ঃ (৫০ টামান শব্দৰ ভিতৰত)

(ক) আহোমসকলৰ পাইক প্ৰথা।

(খ) কি কাৰণে আহোমসকলে পচা প্ৰথা প্ৰবৰ্তন কৰিছিল?

(গ) মধ্যযুগত অসমীয়া সমাজত নাৰীৰ ভূমিকা কেনে আছিল?

(ঘ) মধ্যযুগৰ কৃষি ব্যৱস্থা।

(ঙ) কছাৰীসকলৰ স্থাপত্য বিদ্যাৰ উল্লেখযোগ্য দিশসমূহ কি কি?

৬। মধ্যযুগৰ অসমৰ অৰ্থনৈতিক কাম-কাজৰ ওপৰত এটি টোকা প্ৰস্তুত কৰা।

৭। আহোমসকলৰ ভূমি নীতিৰ ওপৰত মতামত আগবঢ়োৱা।

৮। মধ্যযুগত নিৰ্মিত মঠ-মন্দিৰসমূহৰ ছবি সংগ্ৰহ কৰি এটি এলবাম তৈয়াৰ কৰা।

৯। মধ্যযুগত ৰচিত বিভিন্ন পুথিসমূহৰ লগতে তাৰ ৰচকসকলৰ এখন তালিকা প্ৰস্তুত কৰা।

১০। 'সাম্প্ৰতিক অসমৰ ভাষা, সাহিত্য-সংস্কৃতি প্ৰতিটো জাতি-জনগোষ্ঠীৰে উমৈহতীয়া সৃষ্টি আৰু সম্পত্তি'— এই বাক্য শাৰীৰ তাৎপৰ্য ব্যাখ্যা কৰা।

✧✧✧✧✧✧

# পাঠ - ৪
# নব্য ধৰ্মীয় ভাবধাৰাৰ উত্থান

L2F1T1

**শিকনৰ ফলাফল ঃ**

- ভাৰতত উদ্ভৱ হোৱা ধৰ্মীয় বিৱৰ্তনৰ কাৰণ, প্ৰকৃতি আদিৰ বিষয়ে চমু ধাৰণা লাভ কৰিব।
- মধ্যযুগৰ সামাজিক পটভূমি আৰু প্ৰত্যাহ্বানসমূহৰ বিষয়ে জানিব পাৰিব।
- ভক্তিবাদ আৰু চুফিবাদ এই দুই নব্য ভাবধাৰাৰ বিষয়ে বুজিব পাৰিব।
- ভাৰতৰ বিভিন্ন স্থানত ভক্তিবাদৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বিষয়ে জ্ঞান লাভ কৰিব।
- শ্ৰীমন্ত শংকৰদেৱ আৰু তেওঁৰ দ্বাৰা প্ৰচাৰিত বৈষ্ণৱ ধৰ্মই অসমীয়া সমাজলৈ আগবঢ়োৱা অৱদানৰ লগত পৰিচিত হ'ব।



চিত্ৰ ৪.১

উৎস : pixabay.com

ওপৰৰ ছবি কেইখনলৈ মন কৰাচোন। এইবোৰ বৰ্তমান সময়ত তোমালোকে দেখা বিভিন্ন ধৰ্মীয় উৎসৱ-পাৰ্বণত মানুহে ঈশ্বৰক উপাসনা কৰা পদ্ধতিৰ ছবি। ইয়াত কিছুমানে নাম-কীৰ্তন কৰি, আন কিছুমানে পূজা-অৰ্চনা কৰি, আন কিছুমানে আকৌ মৌনভাৱে প্ৰাৰ্থনা কৰি ইষ্টজনৰ আশিস কামনা কৰিছে। এনেকুৱা আৰাধনা পদ্ধতি মূলতঃ অষ্টম শতিকাৰ পৰা আৰম্ভ হোৱা ভক্তিবাদৰ ফল আছিল। এই পাঠত আমি ভাৰতবৰ্ষত ভিন-ভিন সময়ত উত্থান হোৱা ধৰ্মীয় ভাবধাৰাসমূহৰ বিষয়ে আলোচনা কৰিম।

## ভাৰতত ধৰ্মীয় বিৱৰ্তন ঃ

ভাৰতবৰ্ষত মৌৰ্য সাম্ৰাজ্যৰ উত্থানৰ আগেয়ে মানুহে পৰম্পৰাগতভাৱে বিভিন্ন দেৱ-দেৱী, জীৱ-জন্তু, গছ-লতা আদিক পূজা-অৰ্চনা কৰিছিল। নগৰ-চহৰৰ উত্থান, ব্যৱসায়-বাণিজ্যৰ সম্প্ৰসাৰণ আৰু সাম্ৰাজ্য স্থাপনৰ লগে লগে মানুহৰ মাজত সামাজিক আৰু অৰ্থনৈতিক পৰিৱৰ্তনে দেখা দিয়ে। ব্যৱসায়-বাণিজ্যৰ সম্প্ৰসাৰণে মানুহক বৃত্তিমুখী কৰি তোলাৰ লগতে অৰ্থনৈতিকভাৱে টনকিয়াল কৰি তুলিছিল। এনেদৰে ক্ৰমাগতভাৱে সলনি হ'বলৈ ধৰা সমাজত নতুন আৰু প্ৰাচীন চিন্তা-ধাৰাৰ মাজত সংঘাতে দেখা দিছিল। সামাজিক ক্ষেত্ৰত উচ্চ-নীচৰ ব্যৱধান, সম্ভ্ৰান্তসকলৰ একচেটিয়া সা-সুবিধা, কঠোৰ ধৰ্মীয় নীতি-নিয়মসমূহ মানুহে ক্ৰমান্বয়ে মানিবলৈ টান পাই আহিছিল। সেয়েহে মানুহৰ মনত নতুন ধৰ্মীয় আৰু

সামাজিক চিন্তাধাৰাৰ ভাব আহি পৰিছিল। এই সময়ছোৱাতে ভাৰতৰ বিভিন্ন অঞ্চলত তপস্বী, দাৰ্শনিক আৰু চিন্তাবিদে নতুন নতুন ধৰ্মীয় ভাবধাৰাৰ সৃষ্টি কৰি প্ৰচাৰ কৰিছিল। ইয়াৰ ভিতৰত জৈন আৰু বৌদ্ধ ধৰ্মৰ ভাবধাৰাই মানুহক বিশেষভাৱে আকৰ্ষিত কৰিছিল। কাৰণ এই দুই ধৰ্মত কোৱা হৈছিল যে ব্যক্তিগত চেষ্টাৰ দ্বাৰা কঠোৰ অনুশাসন আৰু সংযমৰ জৰিয়তে মানুহে পাৰ্থিৱ লোভ, মোহ, স্বাৰ্থৰ উৰ্ধত থাকি মোক্ষ লাভৰ চিন্তা কৰিব লাগে।

### ক্ৰিয়াকলাপ ঃ

- তোমালোকৰ ওচৰে-পাজৰে কি কি ধৰ্মীয় অনুষ্ঠান আছে? তাত কেনে ধৰণে ভগৱানক প্ৰাৰ্থনা কৰা হয়? দলত আলোচনা কৰি লিখা।
- অসমৰ কোনসকল লোক বৌদ্ধ ধৰ্মাবলম্বী? শিক্ষকৰ সহায়ত জানি লৈ তাৰ এখন তালিকা প্ৰস্তুত কৰা।

**"ভগবানৰ প্ৰতি একান্ত ভক্তিয়েই মানুহক সকলো বান্ধোনৰপৰা মুক্তি দিয়ে"**, ভাগবত গীতাৰ এই আদৰ্শ সেইসময়ত যথেষ্ট জনপ্ৰিয় হৈ উঠিছিল। পিছলৈ হিন্দু ধৰ্মৰ পুনৰ উত্থানৰ লগে লগে শিৱ, বিষ্ণুৰ লগতে স্থানীয় অন্যান্য দেৱ-দেৱীবোৰ পূজা-অৰ্চনা সমান্তৰালভাৱে চলিছিল।



চিত্ৰ ৪.২ ঃ কুৰুক্ষেত্ৰত শ্ৰীকৃষ্ণই অৰ্জুনক দিয়া গীতাৰ উপদেশ
উৎস: wikimedia.org

## ভক্তিবাদ বা ভক্তি আন্দোলন মানে কি?

সংস্কৃত শব্দ "ভজ"ৰপৰা ভক্তি শব্দটো আহিছে বুলি ক'ব পাৰি যাৰ অৰ্থ হ'ল পূজা কৰা, আনুগত্য প্ৰকাশ, বিশ্বাস অথবা প্ৰেম। আভিধানিক অৰ্থত ভক্তিয়ে ঈশ্বৰৰ প্ৰতি গভীৰভাৱে অনুৰক্তি বা আনুগত্য প্ৰকাশ কৰাক বুজায়। ভাৰতীয় সংস্কৃতিৰ গৌৰবময় দিশবোৰ ভিতৰত অন্যতম হ'ল ভক্তি। ভক্তি হ'ল এনে এক মানসিক অৱস্থা য'ত ভক্তই ভগৱানৰ ওচৰত নিজকে সমৰ্পণ কৰি ঐশ্বৰিক আনন্দ লাভ কৰে। বৈদিক সাহিত্যৰ উপনিষদত পোন প্ৰথমে ভক্তি শব্দৰ উল্লেখ পোৱা যায়। ভগৱানৰ লগত মানৱ আত্মাৰ মিলন, ঈশ্বৰৰ প্ৰতি অগাধ প্ৰেম তথা ভক্তিৰ ওপৰত গুৰুত্ব দি মহাপুৰুষসকলে যি মতবাদৰ সৃষ্টি কৰিছিল সেয়াই ভক্তিবাদ। ভাৰতবৰ্ষৰ ভিন-ভিন অঞ্চলত ভক্তিবাদৰ ধাৰণাই প্ৰসাৰতা লাভ কৰাত ইয়াক ভক্তি আন্দোলন বুলিও জনা যায়।

## ভক্তিবাদৰ উত্থান ঃ

খ্ৰীষ্টীয় সপ্তম শতিকাৰপৰা দাক্ষিণাত্যৰ তামিল ৰাজ্যত আলভাৰ আৰু নায়নাৰ নামৰ সম্প্ৰদায় দুটাই ভক্তিবাদৰ ধাৰণাৰে সামাজিক জাগৰণ আনিবলৈ প্ৰয়াস কৰিছিল। আলভাৰসকল আছিল বিষ্ণুপন্থী আৰু ইয়াৰ নায়নাৰসকল শৈৱপন্থী। এওঁলোকে গীত-মাতৰ জৰিয়তে নিজৰ নিজৰ উপাস্য দেৱতাৰ প্ৰতি শ্ৰদ্ধা প্ৰকাশ কৰিছিল আৰু মানুহৰ মনত ভক্তিৰ মাধ্যমেৰে ভগৱানক উপলব্ধি কৰাৰ মনোভাব জাগ্ৰত কৰাৰ চেষ্টা কৰিছিল। এওঁলোকৰ ভক্তি আন্দোলনে সমাজৰ সকলো শ্ৰেণীৰ লোকক জাতি-বৰ্ণৰ উৰ্ধত গৈ সামৰি লৈছিল।

আলভাৰ আৰু নায়নাৰসকলৰ সমসাময়িকভাৱে দক্ষিণৰ কেৰালা ৰাজ্যতো **শঙ্কৰাচাৰ্যৰ** নেতৃত্বত এক দাৰ্শনিক ধৰ্মীয় মতবাদৰ উত্থান হৈছিল। শঙ্কৰাচাৰ্য আছিল অদ্বৈতবাদত বিশ্বাসী। তেওঁৰ মতে আত্মা আৰু পৰমাত্মাৰ মাজত কোনো পাৰ্থক্য নাই। মানুহৰ মাজতে ভগৱান বিদ্যমান। **সৎজ্ঞান** আৰু **সৎকৰ্মৰ** যোগেদি মানুহে মুক্তি লাভ কৰিব পাৰে। এইটোৱেই অদ্বৈতবাদৰ মূল কথা।

দাক্ষিণাত্যৰ ভক্তি আন্দোলনৰ ধাৰা খ্ৰীষ্টীয় এঘাৰ শতিকালৈ বৰ্তি আছিল আৰু এই সময়ছোৱাত ৰামানুজ বা ৰামানুজাচাৰ্য ইয়াৰ গুৰিয়াল আছিল। তেখেত বৈষ্ণৱ ধৰ্মীয় ভক্তি আন্দোলনৰ প্ৰচাৰক আছিল। ইতিহাসবিদসকলে ভক্তি আন্দোলনক সগুণ আৰু নিৰ্গুণ এই দুই ভাগত ভাগ কৰিছে। সগুণ মতত বিশ্বাসীসকলে ভগৱানক আকাৰ হিচাপে লৈ আৰু নিৰ্গুণ মতত বিশ্বাসীসকলে ভগৱানৰ কোনো আকাৰ নাই বুলি ভাবি উপাসনা কৰিছিল।

এইদৰে সময়ৰ লগে-লগে ভক্তিবাদৰ নতুন নতুন ধ্যান-ধাৰণাই ভাৰতীয় সমাজ আৰু সংস্কৃতিত প্ৰভাৱ বিস্তাৰ কৰিলে। ক্ৰমান্বয়ে ভক্তিবাদৰ পৰিসৰ বহল হ'ল। ঈশ্বৰৰ প্ৰতি থকা শ্ৰদ্ধাকে কেৱল ভক্তি বুলি নাভাবি ঐশ্বৰিক শক্তিৰ উপাসনাৰ মাধ্যমেৰে সমাজ-সংস্কাৰ কৰি সৰ্বসাধাৰণৰ সকলো প্ৰকাৰৰ কল্যাণ সাধন কৰা কাৰ্যকো ভক্তিৰ অন্তৰ্ভুক্ত বুলি বিবেচনা কৰা হ'ল। মধ্যযুগত এনেধৰণৰ ভক্তিবাদী আন্দোলন উত্তৰ আৰু উত্তৰ-পূব ভাৰতত বিস্তৃত ৰূপত প্ৰকাশ পায়। এইদৰে সমগ্ৰ ভাৰততে ভক্তিবাদ জনপ্ৰিয় হৈ উঠে।

### জানি থওঁ আহা ঃ

- আলভাৰ আৰু নায়নাৰ সম্প্ৰদায়ৰ ভক্তি আন্দোলনত শ্ৰমিক, কৃষক, কুমাৰ, চিকাৰী, সৈনিক, ব্ৰাহ্মণ আনকি অস্পৃশ্য লোকসকলো জড়িত হৈ আছিল।
- আলভাৰসকলৰ গীত-মাত, মৌখিক সাহিত্যৰ কীৰ্তিৰাজি পৰৱৰ্তী কালত সংকলিত ৰূপত প্ৰকাশ পায়। আলভাৰ-সকলৰ এই সংকলিত সাহিত্য সম্ভাৰকে '**দিব্য প্ৰৱন্ধম**' বুলি কোৱা হয়।

### ক্ৰিয়াকলাপ ঃ

- ঈশ্বৰৰ আশিস লাভৰ বাবে আড়ম্বৰপূৰ্ণ পূজা-অৰ্চনাৰ প্ৰয়োজন আছে বুলি ভাবানে? যুক্তি আগবঢ়োৱা।

মধ্যযুগত ভাৰতত কিছুমান নতুন নতুন প্ৰত্যাহ্বান আহি পৰিছিল যাৰ ফলত ভক্তি বিষয়ক অনেক মতবাদে সেই সময়ত আধ্যাত্মিক আৰু বৌদ্ধিক জাগৰণৰ সৃষ্টি কৰিছিল। হিন্দু ধৰ্মৰ কঠোৰ নীতি-নিয়ম, জাতি-ভেদ প্ৰথা, উচ্চ-নীচ, ধনী-দুখীয়া আদি পাৰ্থক্যই সমাজৰ নিম্ন শ্ৰেণীৰ জনসাধাৰণক ৰাৰুকৈয়ে অতিষ্ঠ কৰি তুলিছিল। তেওঁলোকে সততে ইয়াৰপৰা মুক্তি বিচাৰিছিল। শঙ্কৰাচাৰ্যৰ দৰে পণ্ডিতসকলে এই ক্ষেত্ৰত পথ দেখুৱালেও তেওঁলোকৰ দাৰ্শনিক মতবাদ সৰ্বসাধাৰণ লোকৰ বিশেষ বোধগম্য হোৱা নাছিল।


খ্ৰীষ্টীয় নৱম শতিকাৰপৰা ভাৰতত ইছলাম ধৰ্মাৱলম্বী তুৰ্কী-আফগানসকলৰ আৱিৰ্ভাৱ ঘটিছিল। ক্ৰমান্বয়ে ভাৰতত এওঁলোকৰ শাসন নিগাজী হ'বলৈ ধৰে। সেই সময়তে মধ্য এছিয়াৰ কিছু সংখ্যক ইছলাম ধৰ্মৰ প্ৰচাৰকৰো ভাৰতত প্ৰৱেশ ঘটিছিল। এওঁলোকে ভাৰতত ইছলাম ধৰ্ম প্ৰচাৰত মনোনিবেশ কৰিলে। চুলতানসকলৰো অনুগ্ৰহ তেওঁলোকে লাভ কৰিছিল। ইছলাম ধৰ্মত আড়ম্বৰপূৰ্ণ যাগ-যজ্ঞ আৰু মূৰ্তি পূজা নাই। এই ধৰ্মত এজন ঈশ্বৰ (আল্লা)ক উপাসনা কৰা হয় আৰু ঈশ্বৰৰ চকুত সকলো সমান। ফলত হিন্দু সমাজৰ একাংশ অৱহেলিত লোকো এই ধৰ্মৰ প্ৰতি আকৰ্ষিত হ'বলৈ ধৰে।

## নব্য-ভক্তিবাদ ঃ

হিন্দু ধৰ্মত বাঢ়ি অহা জাতি-ভেদ প্ৰথা কুসংস্কাৰবোৰ আঁতৰাই জনমানসত ইয়াক পুনৰ প্ৰতিষ্ঠা কৰাটো জৰুৰী হৈ পৰিছিল। ফলস্বৰূপে খ্ৰীষ্টীয় তেৰ শতিকাৰপৰা যোল্ল শতিকাৰ ভিতৰত বহুকেইজন দাৰ্শনিক, সমাজ সংস্কাৰকৰ নেতৃত্বত ভাৰতৰ বিভিন্ন প্ৰান্তত ভক্তি আন্দোলনে পুনৰাই গা কৰি উঠে। এইসময়ছোৱাত পুনৰ প্ৰাণ পাই উঠা ভক্তি আন্দোলনক নব্য-ভক্তিবাদ বোলা হয়। সিপিঠিৰ মানচিত্ৰত ভাৰতৰ ঠাই বিশেষে আৰম্ভ হোৱা নব্য-ভক্তি আন্দোলনক চিহ্নিত কৰা হৈছে।


**ক্ৰিয়াকলাপ ঃ**

✦ কি কাৰণে মধ্যযুগত একাংশ হিন্দুলোক ইছলাম ধৰ্মৰ প্ৰতি আকৰ্ষিত হৈছিল? দলত আলোচনা কৰা।




*চিত্ৰ ৪.৩ ভাৰতৰ বিভিন্ন স্থানত ভক্তিবাদৰ প্ৰচাৰকসকল*

## নব্য ধৰ্মীয় আন্দোলনৰ প্ৰচাৰকসকল (উত্তৰ-পশ্চিম ভাৰতত) ঃ



*চিত্ৰ ৪.৪ জ্ঞানদেৱ*

উত্তৰ-পশ্চিম ভাৰতৰ মহাৰাষ্ট্ৰত জ্ঞানেশ্বৰ বা জ্ঞানদেৱৰ (১২৭১-৯৫) নেতৃত্বত খ্ৰীষ্টীয় ১৩ শতিকাত ভক্তি আন্দোলনৰ এক ধাৰা গঢ় লৈ উঠিছিল। জ্ঞানদেৱে গীত-মাতৰ দ্বাৰাই ভগৱানৰ ভক্তিৰ বাণী জনসাধাৰণৰ মাজত প্ৰচাৰ কৰিছিল। প্ৰচলিত সমাজ ব্যৱস্থাৰ জাতিভেদ প্ৰথা, ধনী-দুখীয়া আদি বৈষম্যবোৰ আঁতৰ কৰি সহজ-সৰল আৰু বন্ধুত্বপূৰ্ণভাৱে জীৱন-যাপনত গুৰুত্ব দিছিল। সকলো মানুহৰ গাতে যে ভগৱান বিদ্যমান সেই কথা জনসাধাৰণৰ মাজত উপস্থাপন কৰিছিল। জ্ঞানদেৱৰ এই বাণী পৰৱৰ্তী কালত নামদেৱ, একনাথ, টুকাৰাম, ৰামদাস আদি ভক্তিবাদৰ উদ্যোক্তাসকলৰ নেতৃত্বত বিভিন্ন অঞ্চললৈ বিয়পি পৰিছিল।

একে সময়তে গুজৰাট আৰু ৰাজস্থানতো ৰবিদাস, দাদু দয়াল আৰু মীৰাবাঈৰ নেতৃত্বত নব্য ভক্তিবাদে প্ৰসাৰতা লাভ কৰিছিল। বিশেষকৈ মীৰাবাঈৰ একনিষ্ঠ কৃষ্ণপ্ৰেমমূলক ভজনসমূহ নব্য-ভক্তিবাদৰ উল্লেখযোগ্য সমল। মেৱাৰৰ ৰাণাৰ পত্নী হৈও তেওঁ কৃষ্ণ প্ৰেমত নিমজ্জিত হৈ বৈষয়িক সুখ-আনন্দক ত্যাগ কৰিছিল।



চিত্ৰ ৪.৫ মীৰাবাঈ

## উত্তৰ ভাৰতত নব্য-ভক্তিবাদৰ প্ৰসাৰ ঃ

উত্তৰ ভাৰতত নব্য-ভক্তিবাদৰ গুৰিয়াল আছিল ৰামানন্দ নামৰ এগৰাকী দাৰ্শনিক আৰু সমাজ-সংস্কাৰক। তেখেতে বিষ্ণুৰ অৱতাৰ 'ৰাম'ৰ গুণানুকীৰ্ত্তন কৰি হিন্দী ভাষাত কবিতা ৰচনা কৰিছিল। জাতি-ধৰ্ম নিৰ্বিশেষে শিষ্য হ'ব খোজা সকলোকে তেওঁ আদৰি লৈছিল।

ৰামানন্দৰ প্ৰিয় শিষ্য কবীৰ আছিল পোন্ধৰ শতিকাৰ নব্য-ভক্তি আন্দোলনৰ অন্যতম গুৰি ধৰোতা। তেখেতে ইছলাম ধৰ্মাৱলম্বী তাঁতী পৰিয়াল এটাত ডাঙৰ দীঘল হৈছিল যদিও গুৰু ৰামানন্দৰ প্ৰভাৱত হিন্দু আৰু ইছলাম দুয়োটা ধৰ্মৰ প্ৰভাৱৰপৰা মুক্ত হৈ নিৰপেক্ষভাৱে ভক্তিবাদৰ প্ৰচাৰ কৰিছিল। তেওঁ ৰচনা কৰা ভক্তিমাৰ্গৰ কবিতাসমূহক "দোহা" বুলি কোৱা হয়। দোহাবোৰত কবীৰে হিন্দু আৰু ইছলাম দুয়োটা ধৰ্মৰে কঠোৰ নীতিসমূহৰ ওপৰত প্ৰশ্ন কৰিছিল।




চিত্ৰ ৪.৬ কবীৰ

খ্ৰীষ্টীয় ষোল্ল শতিকাৰ নব্য ভক্তিবাদৰ আন দুজন উল্লেখযোগ্য প্ৰচাৰক আছিল সুৰদাস আৰু তুলসীদাস। কবি সুৰদাসে তেওঁৰ কবিতাৰে কৃষ্ণ ভক্তিৰ ধাৰা শক্তিশালী কৰিছিল। আনহাতে তুলসীদাসে সেই সময়ৰ উত্তৰ ভাৰতীয় কথিত ভাষাত 'ৰাম চৰিতমানস' ৰচনা কৰি ৰামৰ মহিমা প্ৰচাৰ কৰিছিল।

> **জানি থওঁ আহা ঃ**
>
> - কবীৰৰ দোহাসমূহ হিন্দী সাহিত্যৰ অমূল্য সম্পদ। এই দোহা সমূহৰ কিছু অংশ শিখ ধৰ্ম গ্ৰন্থ **গুৰুগ্ৰন্থচাহিবত** চামিল কৰা হৈছিল।
> - কবীৰ পৰম বৈষ্ণৱ বুলি শঙ্কৰদেৱে মাধৱদেৱক কোৱা কথা **গুৰুচৰিত** পুথিত উল্লেখ আছে।

একেদৰে পোন্ধৰৰপৰা ষোল্ল শতিকাত পঞ্জাৱত গুৰু নানকৰ নেতৃত্বত উত্থান হোৱা শিখ ধৰ্ম ভক্তি আন্দোলনৰ আন এক উল্লেখযোগ্য অধ্যায়। কবীৰৰ ভক্তিমাৰ্গেৰে প্ৰভাৱিত হৈ গুৰু নানকে হিন্দু ধৰ্মৰ মূৰ্ত্তি পূজা আৰু জাতিভেদ প্ৰথাৰ বিৰোধিতা কৰিছিল। তেখেতে এজন ঈশ্বৰৰ নিৰাকাৰ ৰূপক 'ৰব' নামেৰে চিহ্নিত কৰি উপাসনা কৰিছিল। মানৱপ্ৰেম আৰু সেৱা ভাৱনাক আধাৰ হিচাপে লোৱা শিখ ধৰ্ম পিছলৈ অন্যান্য গুৰুসকলৰ নেতৃত্বত এক যুঁজাৰু জাতি হিচাপে গঢ় লৈ উঠে। গুৰু নানকৰ ধৰ্মীয় বাণীসমূহ "গুৰু গ্ৰন্থ চাহিব"ত সন্নিৱিষ্ট কৰা হৈছে।

## উত্তৰ-পূব ভাৰতৰ নব্য-ভক্তি আন্দোলন ঃ




চিত্ৰ ৪.৭ গুৰু নানক

উৎস : www.flickr.com

দ্বাদশ শতিকাৰ শেষাৰ্ধত জয়দেৱৰ গীত-গোবিন্দৰ মাধ্যমত উত্তৰ-পূব ভাৰতৰ তেতিয়াৰ বংগ দেশত ভাগৱত কেন্দ্ৰিক নব্য-ভক্তি আন্দোলনে প্ৰসাৰতা লাভ কৰিছিল। বংগদেশত ভক্তিমাৰ্গক সু-সংহত ৰূপত সজাইছিল চৈতন্য দেৱে। মাধৱাচাৰ্য, বল্লভাচাৰ্য আদি সাধু-সন্তসকলেও উত্তৰ-পূব ভাৰতত ভক্তি আন্দোলনৰ প্ৰসাৰত বিশেষ ভূমিকা পালন কৰিছিল।

## অসমত নব্য-ভক্তিবাদৰ প্ৰচাৰ ঃ

অসমত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নেতৃত্বত নব্য ভক্তিবাদে প্ৰচাৰ লাভ কৰে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ একেধাৰে পণ্ডিত, সমাজ-সংস্কাৰক,গীতিকাৰ, সুৰকাৰ, ধৰ্মীয় গুৰু, সাহিত্যিক তথা ন অসমীয়া সমাজৰ স্ৰষ্টা আছিল। খ্ৰীষ্টীয় পঞ্চদশ শতিকাত অসমত হিন্দু ধৰ্মৰ কঠোৰ নীতি-নিয়ম, ধৰ্মীয় ৰক্ষণশীলতা, উচ্চ-নীচৰ ভেদাভেদ আদিয়ে যথেষ্ট কুসংস্কাৰৰ সৃষ্টি কৰিছিল। সেই সময়ছোৱাতে শংকৰদেৱে ভাৰতৰ বিভিন্ন তীৰ্থস্থান ভ্ৰমণ কৰাৰ লগতে ধৰ্মীয় গ্ৰন্থসমূহো অধ্যয়ন কৰিছিল। নিজৰ ভ্ৰমণ কালছোৱাত তেওঁ ভাৰতৰ বিভিন্ন অঞ্চলত প্ৰসাৰতা লাভ কৰা ভক্তি আন্দোলনৰ সংস্পৰ্শলৈ আহিছিল। ভাগৱতক মূল আধাৰ হিচাপে লৈ তেওঁ পিছৰ সময়ছোৱাত নিৰাকাৰ ভক্তি মাৰ্গত অসমত একশৰণ নাম ধৰ্ম প্ৰচাৰ কৰিছিল। হিন্দু ধৰ্মত পূৰ্বৰেপৰা প্ৰচলিত যাগ-যজ্ঞ, বলি-বিধানৰ বিপৰীতে নাম-কীৰ্ত্তনৰ জৰিয়তে তেওঁ মোক্ষ লাভৰ পথ প্ৰদৰ্শন কৰিছিল।



চিত্ৰ ৪.৮ চৈতন্য দেৱ



চিত্ৰ ৪.৯ শ্ৰীমন্ত শংকৰদেৱ
(আনুমানিক অঙ্কন)

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ব্ৰজাৱলী ভাষাত গীত, পদ,নাট, ভাওনা ৰচনা কৰি বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল। ধনী-দুখীয়া, উচ্চ-নীচ, ধৰ্মীয় ভেদাভেদ আঁতৰাই তেওঁ সকলোকে শিষ্যত্ব প্ৰদান কৰি সামাজিক একতা আৰু সম্প্ৰীতিৰ বান্ধোন সুদৃঢ় কৰিছিল। সেয়েহে, তেওঁক অসমীয়া ভাষা, কলা-কৃষ্টি আৰু জাতিৰ কাণ্ডাৰী বুলি অভিহিত কৰা হয়। তেখেতৰ পাছত ভক্তিবাদী ধাৰাক মহাপুৰুষ মাধৱদেৱ প্ৰমুখ্যে শিষ্যসকলে প্ৰচাৰ কৰিছিল।

> **ক্ৰিয়াকলাপ ঃ**
>
> ✦ শ্ৰীমন্ত শংকৰদেৱে ৰচনা কৰা পুথিসমূহৰ এখন তালিকা প্ৰস্তুত কৰা। (প্ৰয়োজনবোধে অভিভাৱক আৰু শিক্ষকৰ সহায় ল'বা)।

## ইছলাম ধৰ্মত নতুন ধাৰাৰ উত্থান ঃ

হিন্দু ধৰ্মৰ দৰে ইছলাম ধৰ্মতো একে সময়তে এক উদাৰনৈতিক মতবাদৰ সৃষ্টি হৈছিল। খ্ৰীষ্টীয় একাদশ শতিকাত ইছলাম ধৰ্মত কেইবাজনো মনীষীয়ে ধৰ্মীয় গোড়ামিৰ ওপৰত গুৰুত্ব নিদি শান্তি আৰু উদাৰতাকহে মূল ভিত্তি হিচাপে

লৈ উপাসনা কৰাৰ পথ প্ৰদৰ্শন কৰিছিল। তেওঁলোকে পাৰ্থিৱ সম্পত্তি আৰু সুখ-ভোগ পৰিহাৰ কৰি সংগীতৰ সহায়ত আনন্দত বিভোৰ হৈ ঈশ্বৰ বা আল্লাক স্মৰণ কৰিছিল। এই মতাদৰ্শকে চুফিবাদ বোলা হৈছিল।

চুফিবাদে বৈৰাগ্যৰ মাধ্যমেৰে ঈশ্বৰত 'ফানাহ' বা লীন হোৱাৰ কথা প্ৰকাশ কৰিছিল। চুফীসকল উদাৰ আছিল আৰু আন ধৰ্মক সন্মান প্ৰদৰ্শন কৰিছিল।



চিত্ৰ ৪.১০ নিজামুদ্দিন আউলিয়াৰ সমাধি

Src: wikimedia.org

মধ্যযুগৰ ভাৰতবৰ্ষত নিজামুদ্দিন আউলীয়া, মইনুদ্দিন চিস্তি, আব্দুল কাদিৰ জিলানী আদি সাধুসকলে চুফিবাদৰ প্ৰচাৰ কৰিছিল। সেইসময়ত চুফি 'খানকাহ' বা আশ্ৰমসমূহ সকলোধৰণৰ সমাজ হিতকৰ আলোচনাৰ স্থান হিচাপে পৰিগণিত হৈছিল। খানকাৰসমূহৰ দুৱাৰ ৰজা-প্ৰজাকে আদি কৰি সকলো ধৰ্মৰ লোকৰ বাবে মুকলি আছিল। মোগল সম্ৰাট আকবৰে আজমীৰত থকা মইনুদ্দিন চিস্তিৰ দৰগাহ প্ৰায়ে দৰ্শন কৰিছিল বুলি জনা যায়।

**ক্ৰিয়াকলাপ ঃ**

✦ "ভক্তিবাদে ভাৰতীয় সমাজত সাহিত্য-সংস্কৃতিৰ আহিলা সংযোজন কৰিছে।"— কথাশাৰীৰ তাৎপৰ্য বিশ্লেষণ কৰা।

## ভাৰতীয় সমাজ জীৱনত ভক্তি আন্দোলনৰ প্ৰভাৱ ঃ

মধ্যযুগৰ এই ভক্তিবাদ আৰু চুফিবাদ আন্দোলনে কেৱল যে আধ্যাত্মিক দিশতহে অৰিহণা যোগাইছিল এনে নহয় এই আন্দোলনে সামাজিক দিশতো ব্যাপক প্ৰভাৱ পেলাইছিল। এই আন্দোলনৰ ফলস্বৰূপে জাতিভেদ, উচ্চ-নীচ, সৰু-বৰ ভাব আৰু আচাৰ-অনুষ্ঠানৰ বাহুল্যতা বহুখিনি হ্ৰাস পাইছিল। উদাৰ মানৱীয় দৃষ্টিভংগী ভক্তিবাদৰ ভেটি হোৱাৰ বাবে নাৰীয়েও পুৰুষৰ লগত একে লগে ধৰ্ম চৰ্চা আৰু প্ৰচাৰৰ সুবিধা লাভ কৰে। হিন্দু-মুছলমানৰ মাজত ঐক্য-সংহতি বৃদ্ধি কৰাত ভক্তি আন্দোলনে এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল।

আঞ্চলিক ভাষাৰ উত্থান এই আন্দোলনৰ অন্য এক যোগাত্মক দিশ আছিল। সংস্কাৰকসকলে তেওঁলোকৰ মতবাদসমূহ সকলোৱে বুজিব পৰাকৈ আঞ্চলিক ভাষাৰ যোগেদি প্ৰচাৰ কৰিছিল। যাৰ ফলত হিন্দী, বঙলা, মাৰাঠী, মৈথেলী, তামিল, অসমীয়া, ব্ৰজাবলী আদি ভাষাসমূহ চহকী হৈছিল। শিখ ধৰ্মৰ উত্থান ভক্তিবাদ আন্দোলনৰ অন্য এক গুৰুত্বপূৰ্ণ দিশ আছিল।

সেয়েহে কোনো কোনো পণ্ডিতৰ মতে ভক্তি আন্দোলনৰ জৰিয়তে মধ্যযুগী ভাৰতত সামাজিক পুনৰ জাগৰণৰ আশা-আকাংক্ষা প্ৰকাশ পাইছিল। আন এচামৰ মতে ভক্তিবাদ হৈছে ধৰ্মীয় দৃষ্টিভংগী প্ৰকাশৰ এক মাধ্যম। মুঠৰ ওপৰত ভক্তিবাদ হ'ল ভাৰতীয় সমাজ, সংস্কৃতি, ধৰ্ম আৰু পৰম্পৰা বিশ্লেষণৰ এটা প্ৰক্ৰিয়া। ভাৰতৰ ৰাষ্ট্ৰীয় ঐক্য, সংহতি স্থাপন কৰাৰ ক্ষেত্ৰত ই এক বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে।

## মনত ৰাখিবলগীয়া কথা

- ভগৱৎ ভক্তিৰ ধাৰণা মূলতঃ খ্ৰীষ্টীয় ৮ম শতিকাৰপৰা আৰম্ভ হোৱা ভক্তিবাদ আৰু চুফিবাদ আন্দোলনৰ প্ৰভাৱ আছিল।
- দাক্ষিণাত্যৰ তামিল ৰাজ্যত আলভাৰ আৰু নায়নাৰ সম্প্ৰদায়ৰ নেতৃত্বত পোন প্ৰথমে ভক্তি আন্দোলনৰ ভাব ধাৰাৰ সূচনা হয়।
- মধ্য যুগত ভাৰতত ইছলাম ধৰ্মৰ আৱিৰ্ভাৱে ভক্তি আন্দোলন জাগৰণত অৰিহণা যোগাইছিল।
- নব্য ভক্তি আন্দোলনৰ মূল গুৰি ধৰোঁতাসকল আছিল- ৰামানন্দ, জ্ঞানদেৱ, নামদেৱ, একনাথ, কবীৰ, মীৰাবাঈ, চৈতন্য দেৱ, সুৰদাস, তুলসীদাস, নানক, শ্ৰীমন্ত শংকৰদেৱ আদি।
- শংকৰদেৱৰ ভক্তি আন্দোলনে বৃহৎ অসমীয়া সমাজখনক একত্ৰিত কৰাত সহায় কৰিছিল।
- ভাৰতত ভক্তিবাদ আন্দোলনৰ সম-সাময়িকভাৱে ইছলাম ধৰ্মত এক উদাৰনৈতিক চুফিবাদী আন্দোলনেও গা কৰি উঠিছিল।
- ভক্তিবাদৰ মূল কথা হ'ল ঈশ্বৰ এজন আৰু ভক্তিভাৱে ভগৱানৰ নাম আৰাধনা কৰিলেই ভগৱানৰ আশিস লাভ কৰিব পাৰি।
- ভক্তি আন্দোলনে ভাৰতৰ ঐক্য-সংহতি ৰক্ষা, আঞ্চলিক ভাষাৰ প্ৰসাৰ আৰু শিখ ধৰ্মৰ উত্থানত প্ৰভূত অৰিহণা যোগাইছিল।

## অনুশীলনী

১। উত্তৰ লিখা—

(ক) ভক্তিবাদ বুলিলে কি বুজায়?

(খ) ভক্তিবাদ আন্দোলন গঢ়ি উঠাৰ দুটা কাৰণ কি কি?

(গ) 'দিব্য প্ৰবন্ধম' কি?

(ঘ) উত্তৰ ভাৰতত ভক্তি আন্দোলনৰ গুৰি ধৰোঁতা চাৰিগৰাকী ব্যক্তিৰ নাম লিখা।

(ঙ) শংকৰদেৱৰ মতে মানুহে কেনেকৈ মুক্তি লাভ কৰিব পাৰে?

২। পাঠৰ আলমত উপযুক্ত শব্দেৰে তলৰ খালী ঠাই পূৰ কৰা—

(ক) শঙ্কৰাচাৰ্য আছিল ________ বিশ্বাসী।

(খ) খ্ৰীষ্টীয়________ পৰা ভাৰতত ইছলাম ধৰ্মাৱলম্বী তুৰ্কী-আফগানসকলৰ আৱিৰ্ভাৱ ঘটিছিল।

(গ) ৰামানন্দৰ মূল উপাস্য দেৱতা আছিল ________।

(ঘ) তুলসীদাসক ________ বুলি গণ্য কৰিছিল।

(ঙ) কবীৰে ৰচনা কৰা ভক্তিমাৰ্গৰ কবিতাসমূহক ——— বুলি কোৱা হয়।

৩। চমু টোকা লিখা—

(ক) শঙ্কৰাচাৰ্য (খ) জ্ঞানদেৱ (গ) ৰামানন্দ (ঘ) নানক (ঙ) মীৰাবাঈ।

৪। আলভাৰসকল কোন? তেওঁলোকৰ মূল ধৰ্ম্মমত কি আছিল?

৫। চুফিবাদৰ মূলমন্ত্ৰ কি আছিল? ভাৰতত চুফিবাদ প্ৰসাৰত ভূমিকা লোৱা দুগৰাকী ব্যক্তিৰ নাম উল্লেখ কৰা।

৬। কবীৰ কিয় হিন্দু আৰু ইছলাম ধৰ্মী সকলো লোকৰ মাজত জনপ্ৰিয় আছিল?

৭। ভক্তি আন্দোলনৰ নেতাসকলে ধৰ্মৰ উপৰি সমাজ সংস্কাৰৰ কাম হাতত লোৱাৰ উদ্দেশ্য কি আছিল?

৮। ভাৰতবৰ্ষত ভক্তি আন্দোলন জনপ্ৰিয় হোৱাৰ কাৰণ কি?

৯। শ্ৰীমন্ত শংকৰদেৱে অসমীয়া সমাজলৈ আগবঢ়োৱা অৰিহণাৰ বিষয়ে ৫০টা মান শব্দৰ ভিতৰত একোটিকৈ টোকা প্ৰস্তুত কৰা।

✧✧✧✧✧✧

# পাঠ - ৫
# ভাৰতবৰ্ষলৈ ইউৰোপীয় ব্যৱসায়ীসকলৰ আগমন

**শিকনৰ ফলাফল ঃ**

- ইউৰোপীয় বণিজসকলৰ ভাৰতলৈ অহাৰ কাৰণসমূহ জানিব পাৰিব।
- বাণিজ্যবাদৰ ধাৰণাৰ লগত পৰিচিত হ'ব।
- ভাৰতৰ বিভিন্ন স্থানত স্থাপন কৰা ইউৰোপীয় বাণিজ্যিক কুঠিৰ বিষয়ে অৱগত হ'ব।
- ভাৰতত ইউৰোপীয়সকলৰ শাসন কালত হোৱা সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক পৰিৱৰ্তনৰ লগত পৰিচিত হ'ব।
- ভাৰতৰ দেশীয় ৰাজ্যসমূহৰ ৰাজনীতিত ইউৰোপীয়সকলৰ হস্তক্ষেপৰ কাৰণ বিশ্লেষণ কৰিব পাৰিব।

প্ৰাচীন কালৰপৰাই পাশ্চাত্য জগতৰ লগত ভাৰতবৰ্ষৰ বেহা-বেপাৰৰ সম্পৰ্ক আছিল। মধ্যযুগৰ ভাৰতবৰ্ষৰ মছলা, বস্ত্ৰ, ৰেছম, ধাতব দ্ৰব্য, সোণ, ৰূপ, মূল্যবান পাথৰ আদিৰ ইউৰোপীয় বজাৰত যথেষ্ট চাহিদা আছিল। এইবোৰ সামগ্ৰী বেছিভাগ স্থলপথেৰে ইউৰোপ পাইছিলগৈ। কিন্তু ১৪৫৩ খ্ৰীষ্টাব্দত তুৰ্কীসকলে কনষ্টাণ্টিনোপল (বৰ্তমান ইস্তানবুল) দখল কৰাত সমস্যাৰ সৃষ্টি হ'ল। ইউৰোপ আৰু প্ৰাচ্যৰ দেশৰ মাজত থকা বেহা-বেপাৰৰ পথ তুৰ্কীসকলে বন্ধ কৰি দিয়াত ইউৰোপীয় বেপাৰীসকলে ভাৰত আৰু চীন দেশলৈ আহিবলৈ নতুন পথৰ সন্ধান কৰিবলগীয়া হ'ল। ইউৰোপত হোৱা নৱজাগৰণৰ পিছৰপৰা পৰ্তুগাল আৰু স্পেইনৰ ৰজাসকলে সমগ্ৰ বিশ্বতে নিজৰ দেশৰ নাবিকসকলক দুঃসাহসিক অভিযানলৈ যাবলৈ অনুপ্ৰাণিত কৰিছিল। পৰ্তুগীজ শাসকৰ পৃষ্ঠপোষকতাত ভাৰতৰ ঐশ্বৰ্য-বিভূতি ধন-সম্পদৰ অনুসন্ধানৰ ফলত দৈবক্ৰমে কলম্বাছৰ দ্বাৰা ১৪৯২ খ্ৰীষ্টাব্দত আমেৰিকা আৱিষ্কৃত হৈছিল। তাৰ কেইবছৰমান পিছতেই ১৪৯৮ খ্ৰীষ্টাব্দত পৰ্তুগীজ নাৱিক 'ভাস্কো-ডা-গামাই' ভাৰতবৰ্ষৰ লগত বেহা-বেপাৰৰ উদ্দেশ্যে সামুদ্ৰিক পথ আৱিষ্কাৰ কৰি কালিকট বন্দৰত উপস্থিত হয়। এই প্ৰথাৰ আৱিষ্কাৰৰ লগে লগে ওলণ্ডাজ বা ডাচ্চ, ফৰাচী, বৃটিছ বণিকসকল ভাৰতত উপস্থিত হয়। এই বণিকসকলৰ আগমনে ভাৰতবৰ্ষৰ ইতিহাসত নতুন অধ্যায়ৰ সূচনা কৰিছিল। এই পাঠটোৰ জৰিয়তে আমি ভাৰতবৰ্ষলৈ বেহা-বেপাৰৰ বাবে অহা ইউৰোপ মহাদেশৰ ভিন ভিন দেশৰ বণিকসকলৰ আগমনৰ বিষয়ে আলোচনা কৰিম।



*চিত্ৰ ৫.১ ভাস্কো-ডা-গামা*

উৎস ঃ www. britannica.com

নতুন সাগৰীয় পথৰ আৱিষ্কাৰে বিভিন্ন ইউৰোপীয় জাতিক সমৃদ্ধিশালী ভাৰতৰ সৈতে বেহা-বেপাৰ কৰিবলৈ উৎসাহিত কৰিছিল। বেছিভাগ দেশেই ভাৰতবৰ্ষত ব্যৱসায় উদ্দেশ্যে কোম্পানী প্ৰতিষ্ঠা কৰিছিল আৰু ভিন ভিন ঠাইত খোপনি পুতিবলৈ প্ৰয়াস কৰি আছিল। বৰ্তমানৰ নেদাৰলেণ্ডৰ ডাচ্চসকল, ফ্ৰান্সৰ ফৰাচী ইষ্ট-ইণ্ডিয়া কোম্পানী, গ্ৰেট বৃটেইনৰ বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে সোতৰ শতিকাত ভাৰতবৰ্ষত কুঠি স্থাপন কৰিছিল। কিন্তু, এইখিনিতে প্ৰশ্ন হয়, এই দেশবোৰক ভাৰতবৰ্ষৰ ফালে কিহে আকৰ্ষণ কৰিছিল? ইয়াৰ উত্তৰ পাবলৈ আমি যোল্ল শতিকাৰ ইউৰোপলৈ পুনৰ ঘূৰি যাব লাগিব।

## বাণিজ্যবাদ আৰু ইউৰোপ ঃ

যোল্ল শতিকাৰপৰা ওঠৰ শতিকাৰ শেষলৈ পশ্চিম ইউৰোপৰ অৰ্থনীতি বাণিজ্যিক প্ৰসাৰ নীতিৰ ওপৰত প্ৰতিষ্ঠিত আছিল। সেই সময়ৰ ইউৰোপৰ প্ৰধান দেশ কেইখনে বৈদেশিক বেহা-বেপাৰত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰিছিল। সুচল, সমতাপূৰ্ণ বেহা-বেপাৰৰ যোগেদি সোণ, ৰূপ আদি আহৰণ কৰি দেশৰ সমৃদ্ধি আৰু সামৰিক নিৰাপত্তা নিশ্চিত কৰাত দেশবোৰে গুৰুত্ব দিছিল। এনেধৰণৰ অৰ্থনৈতিক ধাৰণাক 'মাৰ্চেণ্টিলিজ্‌ম' বা বাণিজ্যবাদ বুলি কোৱা হয়। বাণিজ্যবাদৰ




*চিত্ৰ ৫.২ ভাৰতলৈ ইউৰোপীয়সকলৰ আগমন*

প্ৰভাৱত অচিৰেই এনে এক পৰিস্থিতিৰ উদ্ভৱ হ'ল যে সকলো দেশেই নিজৰ উৎপাদিত সামগ্ৰী বিক্ৰীৰ বাবে বজাৰৰ সন্ধানত নামি পৰিল। সেয়েহে নিজৰ সামগ্ৰী ৰপ্তানি কৰিবৰ বাবে বিভিন্ন দেশত উপনিৱেশ পতাৰ চেষ্টা বা প্ৰতিযোগিতাত ইউৰোপৰ বেছিভাগ দেশ নামি পৰিল। এই সময়ছোৱাত গ্ৰেট বৃইটেইন, নেদাৰলেণ্ড, স্পেইন, পৰ্তুগাল, ফ্ৰান্স, ডেনমাৰ্ক আদি ৰাষ্ট্ৰৰ মূল অৰ্থনৈতিক ভেটি আছিল সাম্ৰাজ্যবাদ।

**ক্ৰিয়াকলাপ ঃ**

✦ কোন কোন ইউৰোপীয় দেশে ভাৰতত ব্যৱসায়-বাণিজ্য কৰিবলৈ আহিছিল? ক্ৰমানুসাৰে উল্লেখ কৰা।

## পর্তুগীজসকলৰ আগমন ঃ

ইউৰোপীয় ব্যৱসায়ীসকলৰ ভিতৰত ভাৰতবৰ্ষত পোন প্ৰথম পৰ্তুগালৰ বণিকসকলে খোপনি পুতিছিল। ১৫০৫ খ্ৰীষ্টাব্দত পৰ্তুগীজ চৰকাৰে ভাৰতত থকা বাণিজ্য কুঠিবোৰৰ ৰক্ষণাবেক্ষণৰ কাৰণে এজন গৱৰ্ণৰ নিযুক্তি দিয়াৰ লগতে ক'চিন আৰু কান্নোৰত একোটাকৈ সামৰিক ঘাটিও প্ৰতিষ্ঠা কৰে। ষোল্ল শতিকাৰ শেষৰ ফালে গোৱা, ডমন আৰু ডিউ, চালচেটি আৰু তাৰ আশে-পাশে থকা বিস্তীৰ্ণ অঞ্চল পতুৰ্গীজসকলৰ অধীন আছিল। তেওঁলোকৰ সময়তে গোৱাৰ কেথলিক বেপাৰীসকলে ভাৰতীয় মহিলাৰ লগত বৈবাহিক সম্পৰ্ক স্থাপন কৰিছিল। সেয়েহে এতিয়াও গোৱাৰ সমাজ জীৱনত পৰ্তুগীজ সংস্কৃতিৰ প্ৰভাৱ দেখা যায়। কিন্তু আন ইউৰোপীয় বণিকসকল অহাৰ পাছৰপৰাই এওঁলোকৰ প্ৰভাৱ কমি যায়।

> **জানি থওঁ আহা ঃ**
>
> ✦ চহকী আৰু সামৰিকভাৱে শক্তিশালী ৰাষ্ট্ৰবোৰে যেতিয়া ব্যৱসায়-বাণিজ্য, সংস্কৃতি অথবা যুদ্ধৰ দ্বাৰা আন ৰাষ্ট্ৰৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰাৰ পোষকতা কৰে তাকেই **সাম্ৰাজ্যবাদ** বুলি কোৱা হয়। অৰ্থনৈতিক সাহায্য, সামৰিক নিৰাপত্তাৰ দোহাই দিও শক্তিশালী আৰু চহকী ৰাষ্ট্ৰবোৰে দুৰ্বল, স্বাধীন ৰাষ্ট্ৰবোৰৰ ওপৰত সাম্ৰাজ্যবাদী প্ৰভাৱ খটুওৱা পৰিলক্ষিত হয়।

## ওলন্দাজসকলৰ আগমন ঃ

বৰ্তমানৰ নেদাৰলেণ্ডৰপৰা অহা ওলন্দাজ বেপাৰীসকলে ১৬০৯ খ্ৰীষ্টাব্দত ভাৰতবৰ্ষৰ পুলিকটত তেওঁলোকৰ প্ৰথমটো দুৰ্গ সাজে। পৰ্তুগীজসকলৰপৰা তেওঁলোকে নাগপট্টম দখল কৰে আৰু আগ্ৰা, চুৰাট, মুছলিপট্টনম আৰু বংগদেশৰ চুচুঁৰাত কুঠি পাতে। তেওঁলোকে ভাৰতবৰ্ষৰপৰা মছলা আৰু ৰেচমৰ ব্যৱসায়ৰ জৰিয়তে যথেষ্ট লাভবান হৈছিল যদিও পৰৱৰ্তী সময়ত আন ৰাষ্ট্ৰবোৰৰ লগত হোৱা বেপাৰৰ প্ৰতিযোগিতাত তিষ্ঠি থাকিব নোৱাৰিলে।

## বৃটিছসকলৰ আগমন ঃ

আন আন ইউৰোপীয় জাতিবোৰৰ দৰে বৃটিছসকলো ভাৰতবৰ্ষৰ লগত পোনপটীয়া বেহা-বেপাৰৰ বাবে আগ্ৰহী আছিল। গ্ৰেট বৃটেইনৰ বণিকসকলে এই উদ্দেশ্যে ১৫৯৯ খ্ৰীষ্টাব্দত বৃটিছ ইষ্ট-ইণ্ডিয়া কোম্পানী নামৰ এটা বেচৰকাৰী কোম্পানী প্ৰতিষ্ঠা কৰিছিল। ১৬০০ খ্ৰীষ্টাব্দত এই কোম্পানীয়ে প্ৰাচ্যৰ লগত একচেটিয়া বেপাৰ-বাণিজ্য কৰাৰ কাৰণে ৰাণী প্ৰথম এলিজাবেথৰপৰা ২৪ বছৰৰ কাৰণে ৰাজকীয় অনুমতি পত্ৰ লাভ কৰে। এই পত্ৰমতে প্ৰাচ্যৰ লগত বেহা-বেপাৰৰ ক্ষেত্ৰত বৃটিছ ইষ্ট-ইণ্ডিয়া কোম্পানীৰ বাহিৰে সেই দেশৰ আইন কোনো কোম্পানীয়ে প্ৰতিদ্বন্দিতা কৰিব নোৱাৰিব।

১৬০৯ খ্ৰীষ্টাব্দত বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে মোগল সম্ৰাট জাহাংগীৰৰ দৰবাৰলৈ উইলিয়াম হ'কিন্স নামৰ বিষয়া এগৰাকীক চুৰাটত ফেক্টৰী স্থাপনৰ বাবে অনুমতি ল'বলৈ পঠিয়াইছিল। কিন্তু পৰ্তুগীজসকলৰ প্ৰভাৱত সম্ৰাটে প্ৰথমে অনুমতি প্ৰদান নকৰিলে যদিও ১৬১৩ খ্ৰীষ্টাব্দত সম্ৰাট মান্তি হয়। আন এজন বৃটিছ বণিক ছাৰ থমাছ ৰ'ৰে মোগল সম্ৰাট জাহাংগীৰৰ দৰবাৰলৈ আহি ৩ বছৰ থাকি আগ্ৰা, চুৰাট, আহমেদাবাদ আৰু ব্ৰোচত বাণিজ্য কুঠি পাতিবলৈ অনুমতি পায়। ইয়াৰ পিছতে বৃটিছ বণিক ফ্ৰান্সিছ ডেই এজন স্থানীয় নায়কৰপৰা মাদ্ৰাজ (বৰ্তমানৰ চেন্নাই) কিনি লয়। তেওঁ তাত ছেইণ্ট জৰ্জ নামৰ এটা দুৰ্গ আৰু কলকতাৰ ওচৰৰ হুগলীত এটা কাৰখানা স্থাপন কৰে। ১৬৬১ খ্ৰীষ্টাব্দত বৃটেইনৰ ৰাজকুমাৰ দ্বিতীয় চাৰ্লচে বোম্বাই (বৰ্তমানৰ মুম্বাই) ইষ্ট ইণ্ডিয়া কোম্পানীক লিজত দিয়ে। তেওঁ পৰ্তুগীজ ৰাজকন্যা কেথেৰীক বিয়া কৰাই বোম্বাই যৌতুকত লাভ কৰিছিল। এইবাৰ কোম্পানীয়ে ঔৰংজেবৰপৰা আন এটা কাৰখানা স্থাপনৰ অনুমতি লাভ কৰে আৰু সেই মৰ্মে বৰ্তমানৰ কলকতাত ফ'ৰ্ট উইলিয়াম নামৰ এটি দুৰ্গ সাজে।

### উত্তৰ লিখা ঃ

- ইউৰোপীয় সকলক কিহে ভাৰতলৈ আকৰ্ষণ কৰিছিল?
- ইউৰোপৰ কোন কেইখন ৰাষ্ট্ৰৰ অৰ্থনীতিৰ মূল ভিত্তি সাম্ৰাজ্যবাদ আছিল?
- ইউৰোপৰ কোনবোৰ ৰাষ্ট্ৰই ভাৰতত বাণিজ্যৰ ঘাটি স্থাপন কৰিছিল?



চিত্ৰ ৫ :৩ ১৭ শতিকাৰ চুৰাট বন্দৰ

উৎস : wikimedia.org

বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ একমাত্ৰ উদ্দেশ্য আছিল ভাৰতবৰ্ষত বেহা-বেপাৰ কৰি ইয়াৰ দ্বাৰা নানা উপায়ে লাভবান হোৱা। ১৭১৬ খ্ৰীষ্টাব্দত মোগল সম্ৰাট ফাৰুখছিয়াৰে দিয়া ফৰ্মানৰ দ্বাৰা কোম্পানীয়ে বিনা শুল্কই সমগ্ৰ ভাৰতবৰ্ষত বেহা-বেপাৰ কৰিবলৈ অনুমতি পাইছিল। এই ফৰ্মানৰ দ্বাৰা বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে মুদ্ৰা প্ৰস্তুত আৰু প্ৰচলন কৰিবলৈও অনুমতি লাভ কৰিছিল।

ভাৰতবৰ্ষৰ লগত বেহা-বেপাৰৰ সম্পৰ্ক স্থাপন কৰিবলৈ চেষ্টা কৰা আন জাতিবোৰ হ'ল ডেনিচ, প্ৰুচিয়ান, ছুইচ আৰু অষ্ট্ৰিয়ানসকল। কিন্তু তেওঁলোকে পৰ্তুগীজ, ওলন্দাজ, ফৰাচী আৰু বৃটিছসকলৰ লগত ফেৰ মাৰিব নোৱাৰিলে। সময়ত বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে আন ইউৰোপীয় জাতিবোৰক আৰু ভাৰতীয় ৰাজ্যবোৰক চেৰ পেলাই ব্যৱসায়িক আৰু ৰাজনৈতিক উভয় ক্ষেত্ৰতে আধিপত্য বিস্তাৰ কৰিছিল। এই বিষয়ে পিছৰ অধ্যায়ত পঢ়িবলৈ পাবা।

### জানি থওঁ আহা ঃ

- বংগৰ শাসনকৰ্তা এজনৰ আত্মীয়ৰ বেমাৰ বৃটিছ ডাক্তৰ উইলিয়াম হেমিল্টনে সুস্থ কৰি তোলাৰ বাবে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে হুগলীত আন এটা বাণিজ্য কেন্দ্ৰ স্থাপন কৰিবলৈ অনুমতি পাইছিল।
- নতুনকৈ অহা ভাপ চলিত প্ৰযুক্তিবিদ্যাই বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীক এটা ডাঙৰ ঔপনিৱেশিক শক্তিলৈ ৰূপান্তৰ কৰিছিল। ভাপ চলিত জাহাজৰ প্ৰয়োগ যাত্ৰাৰ সময় বহুলাংশে হ্ৰাস কৰিছিল। উনৈশ শতিকাৰ প্ৰথম ভাগত গ্ৰেট বৃটেইনৰপৰা ভাৰতলৈ সাগৰেৰে আহিবলৈ ৬ৰপৰা ৮ মাহ সময় লাগিছিল। ভাপ জাহাজৰ সহায়ত ভাৰতলৈ মাত্ৰ তিনি সপ্তাহত ভ্ৰমণ কৰিব পৰা হ'ল। ইয়াৰ ফলত ভাৰতলৈ বৃটিছসকলৰ সোঁত বৰলৈ ধৰিলে।

বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতত নিমখ, ধপাত, তামোল আদিৰ দৰে সামগ্ৰীৰ একচেটিয়া ব্যৱসায় কৰিছিল। এই সুযোগতে কোম্পানীৰ চাকৰিয়ালসকলেও তেওঁলোকৰ নিজা ব্যৱসায় চলাবলৈ আৰম্ভ কৰিছিল। ফলত স্থানীয় উদ্যোগবিলাক সংকটত পৰিছিল। কোম্পানীৰ চাকৰিয়ালসকলে সূতা আৰু ৰেচমৰ শিপিনীক তেওঁলোকৰ তৈয়াৰী বস্তুবোৰ কম দামত বিক্ৰী কৰিবলৈ জোৰ-জুলুম কৰিছিল। কোম্পানীৰ ভাৰতীয় দালাল, গোমস্তাসকলেও শিপিনীসকলক কোম্পানীৰ প্ৰয়োজন মতে সামগ্ৰী তৈয়াৰ কৰিবলৈ দি যথেষ্ট কম দামত বিক্ৰী কৰিবলৈ বাধ্য কৰাইছিল। তেওঁলোকৰ নিৰ্দেশ মানিবলৈ অপাৰগ হ'লৈ শিপিনীসকলে কঠোৰ শাস্তিৰ সন্মুখীন হ'বলগীয়া হৈছিল। তেওঁলোকৰ উৎপাদিত সামগ্ৰী অধিক মূল্য দি কিনিব খোজা আন আন ইউৰোপীয় বেপাৰীৰ ওচৰত সামগ্ৰী বিক্ৰী কৰিবলৈ দিয়া নহৈছিল। সেয়েহে উপায়হীন হৈ বহুতে তেওঁলোকৰ পৰম্পৰাগত বৃত্তি ত্যাগ কৰিছিল। ফলত ভাৰতীয় কুটিৰ উদ্যোগ ক্ৰমান্বয়ে ধ্বংসৰ পিনে গতি কৰিছিল।



চিত্ৰ ৫.৪ বস্ত্ৰ উদ্যোগত নিয়োজিত শিপিনী

**ক্ৰিয়াকলাপ ঃ**

- তুমি নিজকে বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ আমোলৰ এগৰাকী শিপিনী হিচাপে কল্পনা কৰি তোমাৰ পৰিয়ালে সন্মুখীন হ'ব পৰা আৰ্থিক দুৰ্দশাৰ বিষয়ে উল্লেখ কৰা।

### ফৰাচীসকলৰ আগমন ঃ

ব্যৱসায়-বাণিজ্য আৰু উপনিৱেশ স্থাপনৰ ক্ষেত্ৰত ভাৰতবৰ্ষত বৃটিছসকলৰ মুখ্য প্ৰতিদ্বন্দ্বী আছিল ফৰাচীসকল। ১৬৬৪ খ্ৰীষ্টাব্দত ফ্ৰান্সত ফৰাচী ইষ্ট ইণ্ডিয়া কোম্পানী প্ৰতিষ্ঠা কৰা হৈছিল। ভাৰতবৰ্ষত ১৬৬৭ খ্ৰীষ্টাব্দত চুৰাটত প্ৰথম ফৰাচী ঘাটি স্থাপিত হৈছিল। ইয়াৰ পাছত ক্ৰমে মছলিপট্টনম, চন্দৰ নগৰ, বালাচ'ৰ আৰু কাছিম বজাৰতো কুঠি স্থাপন কৰিছিল। পিছলৈ মাহে আৰু কৰমণ্ডল উপকূলৰ কৰাইকলো ফৰাচীসকলৰ অধীন হয়। ১৬৭৪ খ্ৰীষ্টাব্দত জয় কৰা পণ্ডিচেৰী ফৰাচীসকলৰ দুৰ্গ আৰু পিছলৈ মুখ্য কাৰ্যালয় হৈ পৰিছিল। ফৰাচী ব্যৱসায়ী তথা বিষয়ববীয়াসকলেও তাতেই বসবাস কৰিছিল। আজিও বৰ্তমানৰ পুডুচেৰীত বহুতো ফৰাচী মূলৰ লোক বাস কৰাৰ লগতে সেই অঞ্চলৰ ফৰাচী প্ৰভাৱ পৰিলক্ষিত হয়।

**মনত ৰাখিবলগীয়া কথা ঃ**

- সোতৰ শতিকাৰ আৰু ওঠৰ শতিকাৰ আৰম্ভণিৰ ভাগত ভাৰতৰ ৰাজনীতিৰ পট পৰিবৰ্তনৰ লগতে আৰ্থ-সামাজিক দিশতো পৰিবৰ্তন ঘটিছিল।

- গ্ৰেট বৃটেইনৰ বণিকসকলে প্ৰাচ্যৰ দেশবোৰৰ লগত বেহা- বেপাৰ কৰিবলৈ ১৫৯৯ খ্ৰীষ্টাব্দত ইষ্ট ইণ্ডিয়া কোম্পানী প্ৰতিষ্ঠা কৰে আৰু ১৬০০ খ্ৰীষ্টাব্দত ৰাণী এলিজাবেথৰপৰা অনুমতি লাভ কৰে।
- ১৪৯৮ খ্ৰীষ্টাব্দতে পৰ্তুগীজ নাবিক ভাস্কো-ডা-গামাই ভাৰতবৰ্ষলৈ অহা জলপথ আৱিষ্কাৰ কৰিছিল।
- প্ৰকৃততে ইউৰোপ আৰু প্ৰাচ্যৰ দেশসমূহৰ মাজত থকা বেহা-বেপাৰৰ পথ তুৰ্কীসকলে বন্ধ কৰি দিয়াত ইউৰোপীয় বেপাৰীসকলে ভাৰত আৰু চীন দেশলৈ আহিবলৈ নতুন সাগৰীয় পথৰ সন্ধান কৰিবলগীয়া হয়।
- ষোল্ল শতিকাৰপৰা ওঠৰ শতিকাৰ শেষলৈ ইউৰোপৰ অৰ্থনীতি বাণিজ্যবাদে নিয়ন্ত্ৰণ কৰিছিল আৰু অৰ্থনীতিৰ মূল ভেটি আছিল সাম্ৰাজ্যবাদ।
- ব্যৱসায়-বাণিজ্য আৰু উপনিৱেশ স্থাপনৰ ক্ষেত্ৰত ভাৰতবৰ্ষত বৃটিছসকলৰ মুখ্য প্ৰতিদ্বন্দ্বী আছিল ফৰাচীসকল।
- পৰ্তুগীজ, ওলন্দাজ, বৃটিছ, ফৰাচীসকলৰ উপৰি ডেনিচ, প্ৰুচিয়ান, ছুইচ আৰু অষ্ট্ৰিয়ানসকলেও ভাৰতৰ লগত বাণিজ্যিক সম্পৰ্ক স্থাপনৰ চেষ্টা কৰিছিল।
- ১৭১৫ খ্ৰীষ্টাব্দত মোগল সম্ৰাট ফাৰুখছিয়াৰে প্ৰদান কৰা ফৰমানৰ পৰা বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানী যথেষ্ট লাভৱান হৈছিল।
- বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসনৰ সময়ত ভাৰতীয় কুটিৰ শিল্প ধ্বংসৰ পিনে গতি কৰিছিল।

## অনুশীলনী ঃ

১। চমু উত্তৰ লিখা—

(ক) বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানী কিমান খ্ৰীষ্টাব্দত প্ৰতিষ্ঠা হৈছিল?

(খ) ভাৰতবৰ্ষলৈ অহা জলপথ পোনতে কোনজন নাবিকে আৱিষ্কাৰ কৰে?

(গ) ওলন্দাজসকলে ভাৰতবৰ্ষৰ কোন ঠাইত প্ৰথম দুৰ্গটো সাজে?

(ঘ) দ্বিতীয় চাৰ্লছে বোম্বাই (মুম্বাই) কাক লীজত দিছিল?

(ঙ) কোনে বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীক ফৰমান জাৰী কৰিছিল?

২। 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা—

| 'ক' অংশ | 'খ' অংশ |
|---|---|
| কলম্বাছ | পৰ্তুগীজ নাবিক |
| উইলিয়াম হকিন্স | পৰ্তুগীজ ৰাজকুমাৰী |
| ভাস্কো-ডা-গামা | বৃটিছ কৰ্টকী |
| দ্বিতীয় চাৰ্লছ | ওলন্দাজ |
| পুলিকট | আমেৰিকা |

৩। খালী ঠাই পূৰ কৰা—

ক) বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ________ খ্ৰীষ্টাব্দত ৰাণী প্ৰথম এলিজাবেথৰপৰা প্ৰাচ্যৰ দেশৰ লগত ব্যৱসায়-বাণিজ্য কৰিবলৈ ৰাজকীয় অনুমতি পাইছিল।

খ) ________ দ্বাৰা দেশৰ অৰ্থনৈতিক কাম-কাজ চৰকাৰৰ নিয়ন্ত্ৰণাধীন কৰা হয়।

গ) ১৬৬১ খ্ৰীষ্টাব্দত দ্বিতীয় চাৰ্লছে ________ ইষ্ট ইণ্ডিয়া কোম্পানীক লীজত দিয়ে।

ঘ) ১৭১৫ খ্ৰীষ্টাব্দত মোগল সম্ৰাট ________ ইষ্ট ইণ্ডিয়া কোম্পানীক ব্যৱসায় কৰিবলৈ ফৰমান/অনুমতি প্ৰদান কৰে।

ঙ) ________ ফৰাচীসকলৰ মুখ্য কাৰ্যালয় আছিল।

৪। সত্য/অসত্য বিচাৰ কৰা—

ক) ১৮ শতিকাত মোগল সাম্ৰাজ্য শক্তিশালী আছিল।

খ) বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানী ভাৰতবৰ্ষত ব্যৱসায় কৰা একমাত্ৰ ইউৰোপীয় কোম্পানী আছিল।

গ) ভাস্কো-ডা-গামাই ১৪৯২ খ্ৰীষ্টাব্দত কালিকটত উপস্থিত হৈছিল।

ঘ) বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ চাকৰিয়ালসকলে নিজা ব্যৱসায় আৰম্ভ কৰাৰ ফলত স্থানীয় উদ্যোগবিলাক সংকটত পৰিছিল।

ঙ) বাণিজ্যবাদে উপনিৱেশবাদক উদ্‌গনি যোগাইছিল।

৫। দলত আলোচনা কৰি টোকা প্ৰস্তুত কৰা—

ক) ইউৰোপীয় বণিজগোষ্ঠীৰ ভাৰতবৰ্ষ আগমনৰ কাৰণ।

খ) বাণিজ্যবাদ বুলিলে কি বুজা? বাণিজ্যবাদ আৰু উপনিৱেশবাদৰ মাজত সম্পৰ্ক কি?

গ) ভাৰতবৰ্ষৰ সামাজিক আৰু অৰ্থনৈতিক জীৱনত ইউৰোপীয় বণিজসকলৰ প্ৰভাৱ।

৬। ভাৰতবৰ্ষৰ এখন মানচিত্ৰ অঙ্কন কৰি পৰ্তুগীজ, ওলন্দাজ, বৃটিছ আৰু ফৰাচীসকলৰ ব্যৱসায়িক ঘাটিবোৰ বহুওৱা।

৭। বৃটিছসকলে প্ৰৱেশ কৰাৰ পূৰ্বে ভাৰতবৰ্ষত উপলব্ধ ভাৰতীয় কুটিৰ শিল্পৰ উদ্যোগসমূহৰ এখন তালিকা প্ৰস্তুত কৰা।

৮। সোতৰ শতিকাৰ শেষ আৰু ওঠৰ শতিকাৰ আৰম্ভণিৰ কালছোৱাই ভাৰতবৰ্ষৰ ইতিহাসত এক দিক্ নিৰ্ণয়কাৰী ভূমিকা লৈছিল'— উক্তিটোৰ তাৎপৰ্য ব্যাখ্যা কৰা।

# পাঠ - ৬

# ভাৰতবৰ্ষত বৃটিছ শাসনৰ প্ৰতিষ্ঠা, সম্প্ৰসাৰণ আৰু দৃঢ়ীকৰণ


C5R2F2

**শিকনৰ ফলাফল ঃ**

- ভাৰতত বৃটিছ শাসনৰ আৰম্ভণিৰ বিষয়ে ধাৰণা পাব।
- বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানী আৰু ফৰাচী ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰতিদ্বন্দ্বিতাৰ কাৰণ বিশ্লেষণ কৰিব পাৰিব।
- বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ দেশীয় ৰাজ্যবোৰৰ লগত হোৱা সংঘৰ্ষৰ কাৰণসমূহ জানিব পাৰিব।
- ভাৰতত বৃটিছ সাম্ৰাজ্যৰ দৃঢ়ীকৰণ প্ৰক্ৰিয়াৰ বিষয়ে আভাস পাব।

ইউৰোপীয় বেপাৰী জাতিবোৰ কেনেকৈ বেহা-বেপাৰ কৰিবলৈ আহি ভাৰতবৰ্ষৰ আৰ্থ-সামাজিক অৱস্থা আৰু ৰাজনীতিৰ সৈতে জড়িত হৈ পৰিছিল সেই বিষয়ে আগৰ পাঠৰপৰা নিশ্চয় জানিব পাৰিছা। এই অধ্যায়ত আমি বৃটিছ আৰু ফৰাচীসকলৰ মাজৰ তীব্ৰ ৰাজনৈতিক প্ৰতিদ্বন্দ্বিতাৰ অৱসান ঘটাই কেনেকৈ বৃটিছসকলে ভাৰতত প্ৰায় দুশ বছৰ ৰাজত্ব কৰিবলৈ সক্ষম হৈছিল তাৰ বিষয়ে আলোচনা কৰিম।

সোতৰ শতিকাৰ শেষ আৰু ওঠৰ শতিকাৰ আৰম্ভণিৰ কালছোৱাই ভাৰতৰ ইতিহাসত এক দিক নিৰ্ণয়কাৰী ভূমিকা পালন কৰিছিল। এই সময়ছোৱাত দুটা দিশত সমগ্ৰ ভাৰতবৰ্ষত গুৰুত্বপূৰ্ণ পৰিৱৰ্তনৰ সূচনা হৈছিল। তাৰ প্ৰথমটো হ'ল ভাৰতবৰ্ষৰ ৰাজনৈতিক মানচিত্ৰৰ সালসলনি আৰু দ্বিতীয়টো হ'ল আৰ্থ- সামাজিক দিশত হোৱা পৰিৱৰ্তন। তোমালোকে ইতিমধ্যে জানিব পাৰিছা যে বাবৰে প্ৰতিষ্ঠা কৰা মোগল সাম্ৰাজ্য ঔৰংজেবৰ ৰাজত্বকালত ভাঙোনৰ মুখে ধাৱিত হৈছিল। তেওঁৰ কঠোৰ শাসন নীতিয়ে মাৰাঠা, শিখ আৰু জাটসকলক মোগলৰ শাসন গুফৰাই পুনৰ স্বাধীন হোৱাৰ সুযোগ দিছিল। এইখিনিতে উল্লেখ কৰিব পাৰি যে, ১৭০৭ খ্ৰীষ্টাব্দত ঔৰংজেবৰ মৃত্যুৰ পাছত মোগল ৰাজবংশৰ কোনো এজন




*চিত্ৰ ৬.১ ইষ্ট ইণ্ডিয়া কোম্পানীৰ বাণিজ্যিক ঘাটিসমূহ*

সম্রাটে ৰাজ্যৰ বিভিন্ন প্রান্তত উদ্ভৱ হোৱা বিদ্রোহ দমন কৰাত সক্ষম হোৱা নাছিল। এই ৰাজনৈতিক অস্থিৰতাৰ সুযোগ লৈ ইউৰোপৰ বেপাৰী জাতিবোৰে বেহা-বেপাৰ কৰিবলৈ আহি ভাৰতবৰ্ষৰ আৰ্থ-সামাজিক অৱস্থা আৰু ৰাজনীতিৰ সৈতে জড়িত হৈ পৰিছিল।

ভাৰতবৰ্ষত বৃটিছসকলৰ যেনেকৈ প্ৰধান ঘাটি বোম্বাই (মুম্বাই), মাদ্রাজ (চেন্নাই) আৰু কলিকতা (কলকাতা) আছিল ঠিক তেনেকৈ ফৰাচীসকলৰ প্ৰধান ঘাটি আছিল দক্ষিণৰ পূব উপকূলত অৱস্থিত পণ্ডিচেৰী (পুডুচেৰী) আৰু বংগদেশৰ কলিকতাৰ ওচৰৰ চন্দননগৰ।

বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানী আৰু ফৰাচী ইষ্ট ইণ্ডিয়া কোম্পানীয়ে লাহে লাহে মোগল সাম্রাজ্য আৰু আন আন দেশীয় ৰাজ্যবোৰৰ দুৰ্বলতাৰ বিষয়ে বুজি উঠিছিল আৰু দুয়োটা কোম্পানীয়ে ভাৰতবৰ্ষত নিজৰ নিজৰ একোখন সাম্রাজ্য গঢ়ি তোলাৰ সপোন দেখিছিল। সেয়ে দুয়ো পক্ষই ভাৰতবৰ্ষত ৰাজনৈতিক আধিপত্য বিস্তাৰৰ বাবে সুযোগৰ অপেক্ষাত আছিল। অনতি পলমে তেওঁলোকৰ আগত সেই সুযোগো আহি পৰিছিল। ১৭৪০ খ্রীষ্টাব্দত অষ্ট্ৰিয়াত উত্তৰাধিকাৰী যুদ্ধ আৰম্ভ হৈছিল, তাত দুই ইউৰোপীয় শক্তি ক্ৰমে বৃটিছ আৰু ফৰাচীসকলে পৰস্পৰে পৰস্পৰৰ বিৰোধী পক্ষত যোগ দিছিল।



চিত্ৰ ৬.২ ডুপ্লে

ছবি : www.mpscacademy.com

ফলত এই ঘটনাই ভাৰতবৰ্ষত থকা বৃটিছ আৰু ফৰাচীৰ সম্পৰ্কতো প্ৰভাৱ পেলাইছিল। সুযোগ সন্ধানী বৃটিছ নৌবাহিনীয়ে ১৭৪৫ খ্রীষ্টাব্দত ভাৰতবৰ্ষৰ দক্ষিণ-পূব উপকূলত ফৰাচী জাহাজ অৱৰুদ্ধ কৰি পণ্ডিচেৰীলৈ ভাবুকিৰ সৃষ্টি কৰিলে। সেই সময়ত যোচেফ ফ্ৰান্সিচ ডুপ্লে পণ্ডিচেৰীৰ গৱৰ্ণৰ আছিল। চতুৰ, দূৰদৰ্শী আৰু তীক্ষ্ণ বুদ্ধি সম্পন্ন গৱৰ্ণৰ ডুপ্লেই প্ৰত্যুত্তৰত বৃটিছৰ অধীনত থকা মাদ্রাজ দখল কৰিছিল। বৃটিছসকলে নিৰুপায় হৈ কৰ্ণাটকৰ নবাবৰ সহায় বিচাৰিলে। কৰ্ণাটকৰ নবাবে বৃটিছৰ সহায়ৰ বাবে পঠোৱা প্ৰকাণ্ড সৈন্যবাহিনীও ফৰাচীৰ হাতত পৰাজয় বৰণ কৰিছিল। কিন্তু হঠাতে ইউৰোপত দুই জাতিৰ মাজত হোৱা সন্ধিৰ লগে লগে ভাৰততো বৃটিছ আৰু ফৰাচীৰ মাজত সন্ধি হয়। সেই সন্ধি মৰ্মে ফৰাচীসকলে বৃটিছৰপৰা দখল কৰা ঠাইবোৰ পুনৰ ঘূৰাই দিয়ে। এই ঘটনাকে ইতিহাসত **কৰ্ণাটকৰ প্ৰথম যুদ্ধ** বুলি জনা যায়।

**জানি থওঁ আহা ঃ**

- ১৭৪০ খ্রীষ্টাব্দত সম্রাট ষষ্ঠ চাৰ্লছৰ মৃত্যুত তেওঁৰ কন্যা মাৰিয়া থেৰেচা অষ্ট্ৰিয়াকে ধৰি আন আন ঠাইত থকা তেওঁৰ পৈতৃক শাসিত অঞ্চলসমূহৰ উত্তৰাধিকাৰী হৈছিল। কিন্তু প্ৰুচিয়াৰ ৰজা দ্বিতীয় ফ্ৰেডেৰিকে ৰাজকুমাৰী মাৰিয়াৰ পৰা ছাইলেচিয়া দখল কৰিবলৈ অহাৰ ফলত অষ্ট্ৰিয়াৰ উত্তৰাধিকাৰ যুদ্ধ আৰম্ভ হয়।

ভাৰতবৰ্ষত বৃটিছ আৰু ফৰাচী দুয়োপক্ষৰে যিহেতু একেই উদ্দেশ্য আছিল সেই উদ্দেশ্য পূৰণ নোহোৱাকৈ তেওঁলোক ক্ষান্ত হৈ থকা নাছিল। সোনকালেই তেওঁলোকে ভাৰতীয় ৰাজনীতিত হস্তক্ষেপ কৰিবলৈ সুযোগ বিচাৰি পালে। ১৭৪৮ খ্রীষ্টাব্দত হায়দৰাবাদৰ নিজামৰ মৃত্যু হোৱাত তেওঁৰ পুতেক নাছিৰ জং হায়দৰাবাদৰ নিজাম হৈছিল। কিন্তু মৃত নিজামৰ নাতিয়েক মুজাফৰ জঙ্গো নিজাম পদবীৰ প্ৰবল দাবীদাৰ আছিল। ঠিক একে সময়তে কৰ্ণাটকতো তেনে এক পৰিস্থিতিৰ উদ্ভৱ হৈছিল। পূৰ্বৰ নবাবৰ দোস্ত আলীৰ জোঁৱায়েক চান্দ চাহিব মাৰাঠাসকলৰ কবলৰপৰা মুক্ত

হৈ আহিছিল। তেওঁ কৰ্ণাটকৰ নবাব আনোৱাৰউদ্দিনক আঁতৰাই নিজে নবাব হ'বলৈ বিচাৰিছিল। সুযোগ সন্ধানী ডুপ্লেই গোপনে মুজাফৰ জং আৰু চান্দ চাহিবক সহায় কৰি দুয়োখন ৰাজ্যৰ আভ্যন্তৰীণ ঘটনাত হস্তক্ষেপ কৰিছিল। ফৰাচী শক্তি, চান্দ চাহিব আৰু মুজাফৰ জঙৰ মিলিত আক্ৰমণত আনোৱাৰউদ্দিনৰ মৃত্যু হয় আৰু তেওঁৰ পুতেক মহম্মদ আলীয়ে ত্ৰিচিনপল্লীত আশ্ৰয় লয়।

ফৰাচীসকলৰ এই কাৰ্যৰ প্ৰত্যুত্তৰ হিচাপে বৃটিছে প্ৰতিপক্ষ নাছিৰ জং আৰু মহম্মদ আলীক সহায় কৰিবলৈ সিদ্ধান্ত লয়। কিন্তু নাছিৰ জঙৰ আততায়ীৰ হাতত মৃত্যু হোৱাত ফৰাচীৰ সমৰ্থিত মুজাফৰ জঙেই হায়দৰাবাদৰ নিজাম হয়। কিছুদিন পিছত মুজাফৰ জঙকো শত্ৰুৱে হত্যা কৰাত ভূতপূৰ্ব নিজামৰ তৃতীয় পুত্ৰ চালাবৎ জঙক ফৰাচীসকলে নিজাম পাতে। মুজাফৰ জং আৰু চালাবৎ জং দুয়োজনেই কৃতজ্ঞতাৰ চিন স্বৰূপে ফৰাচীসকলক মছলিপট্টনম বন্দৰ, তাৰ ওচৰৰ ভালেখিনি ঠাইৰ উপৰি কৃষ্ণা নৈৰ দক্ষিণৰ সমগ্ৰ ভূখণ্ড দান কৰিছিল। কৰ্ণাটকৰ নবাব চান্দ চাহিবেও ফৰাচীসকলক পণ্ডিচেৰীৰ আশে পাশে প্ৰায় ৮০ খন গাঁৱৰ কৰ্তৃত্ব সমৰ্পণ কৰিছিল। এইদৰে হায়দৰাবাদ আৰু কৰ্ণাটকত ফৰাচীসকলৰ প্ৰতিপত্তি যথেষ্টখিনি বাঢ়িছিল।


চিত্ৰ ৬ .৩ ৰবাৰ্ট ক্লাইৱ
উৎস: gstarchive.net

এনেকুৱা সংকটপূৰ্ণ পৰিস্থিতিত বৃটিছ গভৰ্ণৰ চাণ্ডাৰ্চে ৰবাৰ্ট ক্লাইৱ নামৰ এজন ডেকা বিষয়াক কৰ্ণাটক অভিযানৰ দায়িত্ব দিয়ে। প্ৰায় দুমাহ কাল কৰ্ণাটক অভিযানৰ পাছত ক্লাইৱে বিজয় সাব্যস্ত কৰিলে। এই অভিযানৰ চমকপ্ৰদ কৃতকাৰ্যতাই বৃটিছসকলৰ বাবে ভাৰতবৰ্ষত ৰাজনৈতিক উত্থানৰ পথ প্ৰশস্ত কৰে। বৃটিছে চান্দ চাহিবক বিতাৰিত কৰি মহম্মদ আলীক কৰ্ণাটকৰ নবাব পাতে।

ইতিমধ্যে নিজ নিজ গৃহ চৰকাৰে ভাৰতবৰ্ষৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ নকৰাৰ সিদ্ধান্ত লোৱাত দুয়োখন ৰাষ্ট্ৰই যুদ্ধৰপৰা বিৰত থাকে। ডুপ্লেক গৃহ চৰকাৰে স্বদেশলৈ ঘুৰাই নিয়ে। এনেকৈয়ে দ্বিতীয় কৰ্ণাটক যুদ্ধৰ অন্তত দাক্ষিণাত্যত বৃটিছৰ সম্প্ৰসাৰণৰ বাট মুকলি হৈ পৰে।

উত্তৰ লিখা :

- হায়দৰাবাদৰ মুজাফৰ জং আৰু কৰ্ণাটকৰ চান্দ চাহিবক ফৰাচীসকলে কিয় সমৰ্থন কৰিছিল?
- কোনে কৰ্ণাটক অভিযান চলাইছিল?

নিজ নিজ চৰকাৰৰ নিৰ্দেশ মানি যুদ্ধ সামৰিবলগীয়া হৈছিল যদিও বৃটিছ আৰু ফৰাচী দুয়োপক্ষই কিন্তু পুনৰ বিবাদ কেনেকৈ ঘটে তাৰ বাবে আগ্ৰহেৰে বাট চাই আছিল। ১৭৫৬ খ্ৰীষ্টাব্দত ইউৰোপত আৰম্ভ হোৱা সাত বছৰীয়া ৰণৰ প্ৰতিক্ৰিয়া ভাৰততো দেখা দিয়ে। ফ্ৰান্স আৰু গ্ৰেট বৃটেইনে ইউৰোপত এই যুদ্ধত পৰস্পৰৰ প্ৰতিদ্বন্দ্বী হিচাপে থিয় দিছিল। ৰাজনৈতিক আধিপত্যৰ সুযোগ বিচাৰি থকা ফৰাচী আৰু বৃটিছসকলে ভাৰতবৰ্ষতো পুনৰ যুদ্ধত নামি পৰিল। সেই সময়ত বংগদেশত থকা ৰবাৰ্ট ক্লাইৱে ফৰাচী অধিকৃত চন্দন নগৰ দখল কৰে। ইপিনে ১৭৫৮ খ্ৰীষ্টাব্দত নতুন ফৰাচী গৱৰ্ণৰ তথা সেনাধ্যক্ষ লালিয়ে মাদ্ৰাজত থকা বৃটিছৰ চেণ্ট ডেভিদ দুৰ্গ জয় কৰে। ইয়াৰ পাছত লালিয়ে তাঞ্জোৰ অৱৰোধ কৰি ব্যস্ত থকা সময়তে মাদ্ৰাজৰ বৃটিছ কোম্পানীয়ে কলিকতাত থকা বৃটিছ ঘাটিৰপৰা সাহায্য বিচাৰে। অতিৰিক্ত সৈন্য-বাহিনী আহি পোৱাৰ পিছত ৱান্দিয়াছৰ যুদ্ধত বৃটিছ সেনাপতি ছাৰ আয়াৰ কুটৰ হাতত ফৰাচী সেনাধ্যক্ষ লালি আৰু বুচীয়ে পৰাজয়

বৰণ কৰে। **ৰান্দিয়াছৰ** যুদ্ধই ভাৰতবৰ্ষত ফৰাচী প্ৰভাৱ লুপ্ত কৰিলে বুলি ক'ব পাৰি। অন্যহাতে এই যুদ্ধই ভাৰত-বৰ্ষত বৃটিছসকলৰ উত্থান, প্ৰসাৰ আৰু আধিপত্য বিস্তাৰৰ পথ সুগম কৰে।

**উত্তৰ লিখা ঃ**

- চন্দন নগৰ কাৰ অধিকৃত ঠাই আছিল?
- ৱান্দিৱাচৰ যুদ্ধত বৃটিছ আৰু ফৰাচী সৈন্যবাহিনীৰ সেনাপতি কোন কোন আছিল?

## বংগদেশত বৃটিছৰ আধিপত্য বিস্তাৰ ঃ

দাক্ষিণাত্যত খোপনি পুতি আগবাঢ়িব ধৰা ফৰাচী শক্তিক পৰাভূত কৰি বৃটিছে ভাৰতবৰ্ষত তেওঁলোকৰ সাম্ৰাজ্য প্ৰতিষ্ঠাৰ পথ মসৃণ কৰি তুলিছিল। চতুৰ বৃটিছ কোম্পানীয়ে ভৌগোলিক দিশৰপৰা সুচল বংগদেশত আৰম্ভণিৰপৰাই বিশেষ মনোযোগ দিছিল। তেওঁলোকে ভালকৈ বুজিব পাৰিছিল যে বংগৰ সাৰুৱা ভূমি কৃষিৰ বাবে উপযোগী হোৱাৰ বাবে ইয়াত খাদ্য শস্যৰ উৎপাদন পৰ্যাপ্ত। বংগদেশৰপৰা সাগৰীয় পথেৰে বিশ্বৰ অন্যান্য ঠাইলৈ ব্যৱসায়-বাণিজ্যৰ বাবে যথেষ্ট সুবিধা। তদুপৰি কুটিৰ শিল্পৰ ক্ষেত্ৰতো ভাৰতৰ অন্যান্য অঞ্চলৰ তুলনাত বংগদেশ যথেষ্ট চহকী। ব্যৱসায়-বাণিজ্যতো বংগদেশ আগবঢ়া। সেয়েহে বংগদেশত ব্যৱসায়িক আৰু ৰাজনৈতিক আধিপত্য স্থাপনত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে বিশেষ গুৰুত্ব দিছিল। দাক্ষিণাত্যত কৰ্ণাটিক যুদ্ধ চলি থকাৰ সময়ত বংগদেশৰ ৰাজনৈতিক পৰিস্থিতি দুৰ্বল হৈ পৰিছিল। এই দুৰ্বলতাৰ সম্পূৰ্ণ সুযোগ বৃটিছ কোম্পানীয়ে ল'ব বিচাৰিলে। ১৭৫৬ খ্ৰীষ্টাব্দত বংগৰ নবাব আলিবৰ্দি খাঁৰ মৃত্যু হয়। নবাবৰ মৃত্যুৰ পাছত তেওঁৰ কোনো পুত্ৰ সন্তান নথকাত নবাবী পদক লৈ বিবাদৰ সূত্ৰপাত হয়। নবাব আলিবৰ্দি খাঁৰ মৃত্যুৰ আগতে তেওঁৰ তিনিগৰাকী জীয়েকৰ ভিতৰত সৰু জীয়েকৰ পুত্ৰ চিৰাজউদ্দৌল্লাক বংগৰ নবাব হিচাপে উত্তৰাধিকাৰী পাতি থৈ গৈছিল। সেই মতে আলিবৰ্দি খাঁৰ মৃত্যুৰ পাছত চিৰাজউদ্দৌল্লা বংগৰ নবাব হয়। কিন্তু ডাঙৰ জীয়েক ঘাচিতি বেগম আৰু মাজু জীয়েকৰ পুত্ৰ ছৌকৎজঙো বংগৰ সিংহাসনৰ দাবীদাৰ আছিল। সেই সময়ত ঘাচিতি বেগম ঢাকাৰ শাসনকৰ্তা আছিল। বংগৰ দেৱান ৰাজবল্লভ ঘাচিতি বেগমৰ সমৰ্থক আছিল। সিংহাসনৰপৰা বঞ্চিত হৈ এওঁলোকে চিৰাজউদ্দৌল্লাৰ বিৰুদ্ধে ষড়যন্ত্ৰত লিপ্ত হয়। এই গৃহকন্দলৰ সুযোগ লৈ ইংৰাজ আৰু ফৰাচীসকলে নিজকে শক্তিশালী আৰু সুৰক্ষিত কৰিবলৈ বংগদেশত সামৰিক দুৰ্গ নিৰ্মাণ কৰিবলৈ অগ্ৰসৰ হয়। চিৰাজউদ্দৌল্লাই দুয়োপক্ষকে দুৰ্গ নিৰ্মাণ কাৰ্য বন্ধ কৰিবলৈ আদেশ দিলে। ফৰাচীসকলে নবাবৰ আদেশ পালন কৰিলে কিন্তু বৃটিছে চিৰাজউদ্দৌলাৰ আদেশত কানসাৰ নিদিলে। আনহাতে বৃটিছসকলক বংগদেশত বেহা-বেপাৰৰ যি সুবিধা দিয়া হৈছিল তাৰো তেওঁলোকে অপব্যৱহাৰ কৰিছিল। বৃটিছ বণিকে কোম্পানীৰ নামত গাইগুটীয়াকৈ ব্যৱসায় আৰম্ভ কৰাৰ ফলত নবাব প্ৰাপ্য ৰাজহৰপৰা বঞ্চিত হয়। তদুপৰি নবাবৰ বিষয়া দেৱান ৰাজবল্লভৰ পুত্ৰ কৃষ্ণদাসক নবাবৰ ইচ্ছাৰ বিৰুদ্ধে বৃটিছসকলে কলিকতাত আশ্ৰয় দিছিল।



*চিত্ৰ ৬.৪ চিৰাজউদ্দৌল্লা*

উৎস : wikimedia.org

এইবোৰ কাৰণত কলিকতাৰ গৱৰ্ণৰ ড্ৰেকৰ প্ৰতি অসন্তুষ্ট হৈ চিৰাজউদ্দৌল্লাই ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিৰুদ্ধে সামৰিক অভিযান আৰম্ভ কৰিলে। এই অভিযানত বৃটিছসকল নবাবৰ হাতত পৰাস্ত হয়। বংগদেশত হোৱা এই পৰাজয়ৰ বাতৰি পাই ইষ্ট ইণ্ডিয়া কোম্পানীৰ মাদ্ৰাজ দুৰ্গৰ কৰ্ণেল ৰবাৰ্ট ক্লাইৱ আৰু নৌ সেনাপতি ওৱাটছনে সসৈন্যে আহি কলিকতাৰ ফোৰ্ট উইলিয়াম দুৰ্গ উদ্ধাৰ কৰে। কিন্তু অতি সোনকালে দুই পক্ষৰ মাজত আলিনগৰত সন্ধি হয়। সন্ধিৰ চৰ্ত মতে চিৰাজউদ্দৌল্লাই বংগদেশত বৃটিছসকলক পূৰ্বৰ সুযোগ-সুবিধাবোৰ দিবলৈ মান্তি হয়।

১৭৫৭ খ্ৰীষ্টাব্দত কৰ্ণেল ৰবাৰ্ট ক্লাইৱে ফৰাচী অধিকৃত চন্দন নগৰ দখল কৰি ফৰাচী শক্তিক এশিকনি দিবলৈ ওলোৱাত ফৰাচীসকলে নবাবৰ ওচৰত আশ্ৰয় গ্ৰহণ কৰে। ইয়াতে ক্ষুণ্ণ হৈ বৃটিছে নবাব আৰু ফৰাচীসকলৰ সৈতে মিত্ৰতা ভংগ কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ হয়। বৃটিছসকলে নবাব চিৰাজউদ্দৌল্লাক গাদীচ্যুত কৰাৰ বাবে এক ষড়যন্ত্ৰত লিপ্ত হয়। এই ষড়যন্ত্ৰত নবাবৰ সেনাপতি মিৰজাফৰ, ৰায়দুৰ্ল্লভ, দেৱান ৰাজবল্লভ, উমিচাঁদ আৰু ব্যৱসায়ী জগত শেঠ আদি জড়িত আছিল। ৰবাৰ্ট ক্লাইৱে এইসকলৰ লগত এক গোপন চুক্তি কৰে। সেই চুক্তি মতে বৃটিছসকলে চিৰাজউদ্দৌল্লাক আঁতৰাই মিৰজাফৰক বংগৰ নবাব পদত অধিষ্ঠিত কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে।

**উত্তৰ লিখা ঃ**

- ✦ আলিবৰ্দি খাঁৰ মৃত্যুৰ পাছত বংগৰ নবাব কোন হৈছিল?
- ✦ বংগৰ নৱাবী পদৰ দাবীদাৰ কোন কোন আছিল?
- ✦ চিৰাজউদ্দৌল্লাই কলিকতা অবৰোধ কৰাৰ সময়ত ৰবাৰ্ট ক্লাইৱ ক'ত আছিল?

ষড়যন্ত্ৰৰ সকলো আয়োজন সম্পূৰ্ণ হোৱাত ৰবাৰ্ট ক্লাইৱে চিৰাজউদ্দৌলাৰ বিৰুদ্ধে সন্ধি ভঙ্গৰ মিছা অভিযোগ আনি যুদ্ধ ঘোষণা কৰে। ১৭৫৭ খ্ৰীষ্টাব্দত মুৰ্ছিদাবাদৰপৰা ২৩ মাইল দক্ষিণে ভাগিৰথী নদীৰ পাৰৰ **পলাশী** নামৰ ঠাইত নবাবৰ সৈন্যৰ লগত বৃটিছৰ যুদ্ধ হয়। নবাবৰ দুই সেনাপতি মীৰমদন আৰু মোহনলালে তাকৰীয়া সৈন্যেৰেই অসীম পৰাক্ৰমেৰে যুঁজি অৱশেষত প্ৰধান সেনাপতি মিৰজাফৰৰ বিশ্বাসঘাটকতাৰ বাবে পৰাজয় বৰণ কৰিব লগা হয়। যুদ্ধত পৰাজিত চিৰাজউদ্দৌলাক মিৰজাফৰৰ পুতেক মিৰাণে হত্যা কৰে। পলাশী যুদ্ধৰ পিছত বৃটিছে পূৰ্বৰ প্ৰতিশ্ৰুতি মতে মিৰজাফৰক বংগৰ নবাব পাতে। যুদ্ধৰ ক্ষতিপূৰণ হিচাপে মিৰজাফৰে ক্লাইৱ আৰু বৃটিছ কৰ্মচাৰীসকলক অজস্ৰ ধন-সম্পত্তি দি পুৰস্কৃত কৰিছিল আৰু চৌবিছ পৰগণাৰ জমিদাৰী বৃটিছ কোম্পানীক দান দিছিল।



*চিত্ৰ ৬.৫ মিৰজাফৰ*

সামৰিক দৃষ্টিকোণৰপৰা পলাশী যুদ্ধক যুদ্ধ বুলি ক'ব নোৱাৰি যদিও এই যুদ্ধই ভাৰতীয় ইতিহাসত এক গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে। এই যুদ্ধত জয়ী হৈয়েই ব্ৰিটিছসকলে বংগৰ লগতে ভাৰতবৰ্ষৰ আভ্যন্তৰীণ ৰাজনীতিত প্ৰভুত্ব বিস্তাৰ কৰিবলৈ সুবিধা পায়। আনহাতে ফৰাচী শক্তি ক্ৰমান্বয়ে লোপ পাই আহে। পলাশী যুদ্ধৰপৰাই মধ্যযুগীয় ভাৰতৰ প্ৰায় সমাপ্তি ঘটিছিল আৰু ভাৰতত **আধুনিক যুগৰ** সূচনা হৈছিল বুলি গণ্য কৰা হয়।

মিৰজাফৰ বংগৰ নবাব হ'লেও প্ৰকৃততে ৰবাৰ্ট ক্লাইৱেই বংগৰ শাসনভাৰ চলাইছিল। সময়ত বৃটিছৰ সীমাহীন দাবী পূৰণ কৰিব নোৱাৰাত মিৰজাফৰ তেওঁলোকৰ অপ্ৰিয়ভাজন হৈ পৰিছিল। আনহাতে বৃটিছৰ প্ৰভুত্ব মিৰজাফৰৰ বাবেও অসহনীয় হোৱাত তেওঁ ওলন্দাজসকলৰ লগ লাগি বৃটিছৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰিবলৈ ধৰিলে। ক্লাইৱে এই ষড়যন্ত্ৰ ব্যৰ্থ কৰি মিৰজাফৰক পদচ্যুত কৰে। এই ঘটনাৰ পিছতেই ১৭৬০ খ্ৰীষ্টাব্দত ক্লাইৱ স্বদেশলৈ ঘূৰি যায়। বংগদেশৰ নতুন গভৰ্ণৰে মীৰকাছিমৰ লগত এক চুক্তি কৰি তেওঁক বংগৰ নবাব পাতে।

### ক্ৰিয়াকলাপ ঃ

- পলাশী যুদ্ধত কোন দুজন সেনাপতিয়ে নবাবৰ হৈ পৰাক্ৰমেৰে যুঁজ দিছিল?
- ভাৰতৰ ইতিহাসত পলাশী যুদ্ধৰ গুৰুত্ব বিশ্লেষণ কৰা।



*চিত্ৰ ৬.৬ পলাশী যুদ্ধৰ পিছত মিৰজাফৰে ৰবাৰ্ট ক্লাইৱক সাক্ষাৎ কৰাৰ ছবি*

নবাব পদত অধিষ্ঠিত হৈয়ে মীৰকাছিমে ইংৰাজৰ লগত হোৱা চুক্তি মতে বৰ্ধমান, মেদিনীপুৰ আৰু চট্টগ্ৰামৰ ৰাজহ সংগ্ৰহৰ দায়িত্ব কোম্পানীক এৰি দিব লগা হয়। ইংৰাজৰ অনুগ্ৰহত নবাব হ'লেও মীৰকাছিম কিন্তু স্বাধীনচিতীয়া আছিল। বিভিন্ন ধাৰ-ঋণ মাৰি কোম্পানীৰ প্ৰভাৱৰপৰা মুক্ত হৈ তেওঁ স্বাধীনভাৱে শাসন কাৰ্য চলাবলৈ বিচাৰিছিল। সেয়ে তেওঁ ৰাজধানী মুৰ্ছিদাবাদৰপৰা মুঙ্গেৰলৈ তুলি নিয়ে। পশ্চিমীয়া প্ৰশিক্ষকৰ অধীনত তেওঁ নতুনকৈ এটা শক্তিশালী ভাৰতীয় সৈন্যবাহিনী গঢ়ি তুলিছিল। মুঙ্গেৰত তেওঁ দুৰ্গ আৰু বন্দুক-বাৰুদ তৈয়াৰ কৰা এক বিৰাট কাৰখানা স্থাপন কৰিছিল। মীৰকাছিমৰ এইবোৰ কাৰ্যত ইংৰাজ কোম্পানী অসন্তুষ্ট হৈছিল আৰু তেওঁলোকৰ মাজত বিৰোধে দেখা দিছিল। এই বিৰোধ চূড়ান্ত পৰ্যায় পাইছিল এটা বিশেষ কাৰণত। পলাশী যুদ্ধৰ পিছত মোগল সম্ৰাটৰপৰা ইষ্ট ইণ্ডিয়া কোম্পানীয়ে বংগদেশত বিনা শুল্কে ব্যৱসায় কৰিবলৈ অনুমতি পাইছিল। 'দস্তক' নামৰ প্ৰমাণ পত্ৰত কোম্পানীৰ বস্তু বুলি লিখি দিলেই সকলো বস্তু বিনা শুল্কে এঠাইৰপৰা আন ঠাইলৈ নিব পৰা গৈছিল। কেৱল বহিঃ বাণিজ্যৰ ক্ষেত্ৰত প্ৰযোজ্য এই ব্যৱস্থা কোম্পানীৰ কৰ্মচাৰীসকলে আভ্যন্তৰীণ বাণিজ্যৰ ক্ষেত্ৰতো প্ৰয়োগ কৰিছিল। তাৰোপৰি কোম্পানীৰ কৰ্মচাৰীসকলেও কোম্পানীৰ নামত ব্যক্তিগত বাণিজ্য বিনা শুল্কে কৰিছিল। ফলত নবাবে পাবলগীয়া বাণিজ্য শুল্ক অস্বাভাবিকভাৱে কমি আহিছিল।



*চিত্ৰ ৬.৭ মীৰকাছিম*

সেয়ে কোম্পানীৰ কৰ্মচাৰীক এশিকনি দিবৰ বাবে মীৰকাছিমে দেশীয় বণিকসকলে দিবলগীয়া শুল্কও উঠাই দিছিল। এই ব্যৱস্থাই কোম্পানীৰ স্বাৰ্থত আঘাত কৰাত পাটনাত থকা বৃটিছ কুঠিৰ অধ্যক্ষ এলিছে এদিন হঠাৎ পাটনা চহৰ আক্ৰমণ কৰে। কিন্তু নবাবৰ সৈন্যই পাটনা দখল কৰি বৃটিছক খেদি পঠিয়ায়। গতি বিষম দেখি বৃটিছ কোম্পানীয়ে মীৰকাছিমৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। বৃটিছৰ সৈতে হোৱা কেবাখনো যুদ্ধত পৰাস্ত হৈ মীৰকাছিম পাটনা হৈ অযোধ্যাৰ নবাবৰ কাষ চাপিলগৈ।

মীৰকাছিমে অযোধ্যাৰ নবাব চুজাউদ্দৌলা আৰু মোগল সম্ৰাট দ্বিতীয় চাহ আলমৰ সৈতে লগ লাগি বৃটিছৰ বিৰুদ্ধে এক সন্মিলিত যুঁজ দিয়াৰ মন মেলিছিল। বক্সাৰ নামে ঠাইত তেওঁলোকৰ সন্মিলিত সৈন্যবাহিনীয়ে বৃটিছৰ বিৰুদ্ধে যুদ্ধ কৰি পৰাজয় বৰণ কৰিবলগীয়া হয়। এই যুদ্ধত পুনৰবাৰ বৃটিছৰ শ্ৰেষ্ঠত্ব প্ৰমাণিত হ'ল।

**বক্সাৰ** যুদ্ধৰ তাৎপৰ্য এয়ে যে, এই যুদ্ধত অকল বংগৰ নবাবেই নহয়, অযোধ্যাৰ নবাব আৰু মোগল সম্ৰাটো বৃটিছৰ হাতত পৰাস্ত হৈছিল। আনহাতে বৃটিছে পলাশী যুদ্ধৰ বিজয়ৰ পৰিপূৰ্ণতা বক্সাৰ যুদ্ধত লাভ কৰিছিল। ইয়াৰ পিছৰপৰাই বংগ, বিহাৰ আৰু উৰিষ্যাত বৃটিছৰ শাসন প্ৰায় স্পষ্টকৈ প্ৰতিষ্ঠিত হৈছিল আৰু উত্তৰ ভাৰতৰ ৰাজনীতিত

প্ৰাধান্য বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল।

বক্সাৰ যুদ্ধৰ পিছত ১৭৬৫ খ্ৰীষ্টাব্দত মোগল সম্ৰাট আৰু অযোধ্যাৰ নবাবৰ সৈতে বৃটিছৰ এলাহাবাদত এক সন্ধি হয়। এই সন্ধিৰ চৰ্ত মতে নবাবে অযোধ্যা ওভোটাই পাইছিল। কিন্তু কোৰা আৰু এলাহাবাদ জিলা দুখন কোম্পানীক দিয়াৰ উপৰি যুদ্ধৰ ক্ষতিপূৰণ বাবদ ৫০ লাখ টকা কোম্পানীক দিবলগীয়া হৈছিল। মোগল সম্ৰাটৰ লগত হোৱা চুক্তি মতে কোম্পানীৰপৰা সম্ৰাটে কোৰা আৰু এলাহাবাদ জিলা দুখন লাভ কৰে আৰু প্ৰতিদান স্বৰূপে মোগল সম্ৰাটে কোম্পানীক বংগ, বিহাৰ আৰু উৰিষ্যাৰ দেৱানী দিয়াৰ উপৰি উত্তৰ অঞ্চলৰ ৰাজহ সংগ্ৰহৰ কৰ্তৃত্ব দিয়ে। সম্ৰাটে ইয়াৰ বাবদ বছৰি ২৬ লাখ টকা কোম্পানীৰপৰা পাব বুলি চুক্তিবদ্ধ হয়। ফলত ১৭৬৫ খ্ৰীষ্টাব্দৰপৰাই ইষ্ট ইণ্ডিয়া কোম্পানী বংগৰ সৰ্বময় শাসনকৰ্তা হৈ পৰে। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে প্ৰতিৰক্ষা নিয়ন্ত্ৰণ আৰু ৰাজনৈতিক ক্ষমতা নিজৰ অধীনলৈ আনে। ইষ্ট ইণ্ডিয়া কোম্পানীৰ এই সফলতাই ইংলণ্ডৰ সংসদক কোম্পানীৰ যিকোনো কামত হস্তক্ষেপ কৰাৰ প্ৰতি আগ্ৰহান্বিত কৰি তুলিছিল। ইয়াৰোপৰি বংগদেশত কোম্পানীৰ বিষয়া বৰ্গৰ অনুশাসনহীনতাই শাসনৰ ক্ষেত্ৰত যথেষ্ট জটিলতা আনিছিল। সেয়েহে কোম্পানী চৰকাৰৰ শাসনৰ জৰিয়তে ইংলণ্ডৰ সংসদে ভাৰতত যাতে কিছু নিয়ম-নীতিৰ মাজেৰে শাসন চলাই নিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি কোম্পানীৰ শাসনত সময়ে সময়ে কিছুমান আইন প্ৰণয়ন কৰিছিল। তাৰ ফলশ্ৰুতিত ১৭৭৩ খ্ৰীষ্টাব্দত **ৰেগুলেটিং এক্ট** নামে এখন বিধি জাৰি কৰিছিল।

> **ক্ৰিয়াকলাপ ঃ**
>
> ✦ ভাৰতৰ ইতিহাসত এলাহাবাদ সন্ধিৰ গুৰুত্ব নিৰ্ণয় কৰা।

## ৰেগুলেটিং এক্ট ঃ

ভাৰতত ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসন নিয়ন্ত্ৰণ তথা সুদৃঢ় কৰাৰ বাবে বৃটিছ সংসদে **ৰেগুলেটিং এক্ট** নামে এখন আইন প্ৰণয়ন কৰি বলবৎ কৰিছিল। এই আইনৰ দ্বাৰা বংগদেশৰ গৱৰ্ণৰৰ পদটো গৱৰ্ণৰ জেনেৰেললৈ উন্নীত কৰা হৈছিল। তেওঁৰ কাম-কাজত সহায় কৰিবৰ বাবে এখন চাৰিজনীয়া কমিটি গঠন কৰা হয়। বোম্বাই আৰু মাদ্ৰাজৰ গৱৰ্ণৰ দুজনক বংগৰ গৱৰ্ণৰ জেনেৰেলৰ অধীনস্থ কৰা হয়।

ৰেগুলেটিং এক্টৰ সাংবিধানিক গুৰুত্ব যথেষ্ট আছে। এই আইন মতে ইষ্ট ইণ্ডিয়া কোম্পানীৰ ৰাজনৈতিক কাৰ্যক ভাৰতত স্বীকৃতি দিয়া হৈছিল। ইয়াৰ দ্বাৰা ভাৰতত বৃটিছ চৰকাৰৰ স্থায়ী শাসনৰ পাতনি মেলা হৈছিল। কিন্তু ৰেগুলেটিং এক্টে বংগৰ গৱৰ্ণৰ জেনেৰেল গৰাকীৰ ক্ষমতা নিৰ্দিষ্ট কৰি নিদিয়াৰ বাবে পৰৱৰ্তী সময়ত এই আইন বিফলতাৰ সন্মুখীন হয়।

এনে আসোঁৱাহ আঁতৰোৱাৰ বাবে ইংলণ্ডৰ সংসদে পুনৰ এখন আইন জাৰি কৰি বৃটিছৰ শাসন ভাৰতবৰ্ষত সুদৃঢ় কৰি তুলিছিল। এইখনেই আছিল ১৭৮৪ খ্ৰীষ্টাব্দৰ আগষ্ট মাহত বলবৎ কৰা **পিটৰ ভাৰত শাসন আইন** (Pitt's India Act)। এই আইন ইংলণ্ডৰ প্ৰধান মন্ত্ৰী উইলিয়াম পিট (কনিষ্ঠ)ৰ নামেৰে নামকৰণ কৰা হৈছিল।

এই আইন অনুসৰি ভাৰতত ছয় জনীয়া সদস্যৰে এখন **নিয়ন্ত্ৰক মণ্ডলী** গঠন কৰা হয়। এই সদস্যসকলে ভাৰতত কোম্পানীৰ কাম-কাজৰ তদাৰক কৰিব। বংগদেশত গৱৰ্ণৰ জেনেৰেলৰ পৰিষদৰ সদস্য সংখ্যা চাৰিজনৰ ঠাইত তিনিজনলৈ হ্ৰাস কৰা হয়। তদুপৰি এখন **আঞ্চলিক সভা** গঠন কৰা হয়। ইয়াৰ সদস্যসকলে ইষ্ট ইণ্ডিয়া কোম্পানীৰ চাকৰিত নিযুক্তি আৰু বাতিলৰ অধিকাৰ লাভ কৰে। পিটৰ ভাৰত শাসন আইনেই পৰৱৰ্তী বৃটিছ সাম্ৰাজ্যৰ শাসনৰ ভেটি স্থাপন কৰে। এই আইনৰ দ্বাৰা বংগদেশৰ গৱৰ্ণৰ জেনেৰেলৰ পদবীটোক অধিক শক্তিশালী কৰি তোলা হৈছিল। ভাৰতবৰ্ষত কেন্দ্ৰীয়ভাৱে

শাসন চলোৱাৰ মূল আঁচনি পিটৰ ভাৰত শাসন আইনেই সূচনা কৰিছিল বুলি ক'ব পাৰি।

ক্ৰিয়াকলাপ ঃ

- পিটৰ ভাৰত আইন ৰেগুলেটিং এক্টতকৈ উন্নত বুলি বিবেচনা কৰানে? দলত আলোচনা কৰি লিখা।

## বৃটিছ শাসনৰ সম্প্ৰসাৰণ আৰু দৃঢ়ীকৰণ ঃ

এনেদৰে বৃটিছে এদেও-দুদেওকৈ ভাৰতবৰ্ষৰ শাসনত ভালকৈয়ে খোপনি পুতি বহিছিল আৰু লগতে কূটনীতিৰে ভাৰতীয় অৰ্থনীতি, দেশীয় ৰাজ্য হস্তগত কৰা, দেশীয় ৰাজন্য বৰ্গৰ ক্ষমতা কাঢ়ি লোৱা আদি কামবোৰ কৰি গৈছিল।

প্ৰথমে কোম্পানী চৰকাৰে ভাৰতীয় অৰ্থনীতি সংশোধন কৰাৰ নামত ৰাজহ ব্যৱস্থা কোম্পানীৰ দখললৈ নিছিল। এই ক্ষেত্ৰত গৱৰ্ণৰ জেনেৰেল লৰ্ড কৰ্ণৱালিছৰ **'চিৰস্থায়ী বন্দবস্ত'**ৰ কথাটো উল্লেখ কৰিব পাৰি। তেওঁ কোম্পানীৰ ৰাজহ বিভাগটো টনকিয়াল কৰিবলৈ চেষ্টা কৰিছিল। কৃষি ভূমিৰ ক্ষেত্ৰত চিৰস্থায়ী বন্দবস্ত লগোৱা হৈছিল আৰু এই ভূমিসমূহ ভাগ ভাগ কৰি একোজন জমিদাৰৰ তত্বাৱধানত দিয়া হৈছিল। জমিদাৰসকলে এটা নিৰ্ধাৰিত ৰাজহ ইষ্ট ইণ্ডিয়া কোম্পানীক বাৰ্ষিক খাজনা হিচাপে দিব লাগিছিল। এই খাজনা দিব নোৱাৰিলে জমিদাৰী চৰকাৰৰ হাতলৈ গৈছিল। এই ব্যৱস্থাৰ জৰিয়তে লৰ্ড কৰ্ণৱালিছে তেওঁৰ সাত বছৰীয়া কাৰ্যকালত যথেষ্ট পৰিমাণে অৰ্থ সংগ্ৰহ কৰি কোম্পানীৰ ৰাজভঁৰাল চহকী কৰিছিল।

চিৰস্থায়ী বন্দবস্তৰ আন এটি উল্লেখযোগ্য দিশ হ'ল এক শ্ৰেণীৰ নতুন জমিদাৰৰ উত্থান। চিৰস্থায়ী বন্দবস্তৰ ফলত পুৰণি জমিদাৰবিলাকে কোম্পানীক ৰাজহ দিব নোৱাৰিলে তেওঁলোকৰ মাটি নিলামত বিক্ৰী হৈছিল। এই নিলামৰ মাটি সেই সময়ৰ ধনীক শ্ৰেণীয়ে ক্ৰয় কৰিছিল। এই ধনীক শ্ৰেণীৰ অধিকাংশৰে পিচে কৃষি কৰ্মৰ লগত কোনো প্ৰত্যক্ষ সম্পৰ্ক নাছিল। সেয়েহে এই ধনীক শ্ৰেণীয়ে কৃষকসকলৰ ওপৰত খাজনাৰ বোজা বৃদ্ধি কৰিছিল। ফলস্বৰূপে কৃষকসকল সততে ধাৰৰ বোজা সহ্য কৰিব লগা হৈছিল। এই নতুন ধনীক শ্ৰেণীটো **বৃটিছৰ** আইন মতে মাটিৰ মালিক আছিল। সেয়েহে এই শ্ৰেণীৰ লোকসকল সদায় **বৃটিছৰ** অনুগত আছিল আৰু ১৮৫৭ চনৰ বিদ্ৰোহত বৃটিছক সহায়হে কৰিছিল।



চিত্ৰ ৬.৮ লৰ্ড ৱেলেচলি

উৎস : en.wikipedia.org

উল্লেখযোগ্য যে লৰ্ড কৰ্ণৱালিছৰ পৰৱৰ্তী গৱৰ্ণৰ জেনেৰেল চাৰ জন ছোৰে তেওঁৰ কাৰ্যকালত ভাৰতীয় ৰাজন্য বৰ্গৰ আভ্যন্তৰীণ কথাত সম্পূৰ্ণ নিৰপেক্ষ নীতি কঠোৰভাৱে পালন কৰিবলৈ বিচাৰিছিল। কিন্তু পৰৱৰ্তী গৱৰ্ণৰ জেনেৰেল ৱেলেচলিয়ে এই নীতি কাৰ্যত প্ৰত্যাখ্যান কৰি আন এক সাম্ৰাজ্যবাদী নীতি ভাৰতত প্ৰয়োগ কৰিছিল। এয়াই আছিল ৱেলেচলিৰ **কৰদ মৈত্ৰী** নীতি। এই নীতিৰ চৰ্তসমূহ আছিল যে, যি দেশীয় ৰজাই কৰদ মৈত্ৰী নীতি মানি ল'ব তেওঁলোকক ইংৰাজ সৈন্য-বাহিনীয়ে সুৰক্ষা দিব। কিন্তু তাৰ বাবদ দেশীয় ৰজাই সৈন্য-বাহিনীৰ খৰচ বহন কৰিব লাগিব। আকৌ কৰদ মৈত্ৰী নীতিৰ অন্তৰ্ভুক্ত ৰাজ্যৰ ৰজা অকৰ্মণ্য বুলি পৰিগণিত হ'লে, তেনে দেশীয় ৰজাক কোম্পানী চৰকাৰে ক্ষমতাচ্যুত কৰিব পাৰিব আৰু ৰাজ্যখন বৃটিছ চৰকাৰৰ পোনপটীয়া শাসনৰ তললৈ যাব। বহুতো দেশীয় ৰজাই কৰদ মৈত্ৰী নীতিৰ বান্ধোনত সোমাই ৰাজ্য হেৰুৱাব লগা হৈছিল ফলত **বৃটিছৰ** সাম্ৰাজ্য বিস্তাৰৰ বাট মুকলি হৈছিল। এই কৰদ মৈত্ৰী নীতিৰ জৰিয়তে কেইবাখনো ৰাজ্য বৃটিছৰ অধীনলৈ গৈছিল।

কোম্পানীৰ কাৰ্যকালৰ আন এটা সাম্ৰাজ্যবাদী নীতি হ'ল **স্বত্ব বিলোপ নীতি**। ১৮৩৪ খ্ৰীষ্টাব্দত কোম্পানীৰ বোৰ্ড অব ডাইৰেক্টৰসকলে এই নীতি উদ্ভাৱন কৰি ভাৰতত বৃটিছ ৰাজ্যৰ বিস্তাৰৰ প্ৰয়াস কৰিছিল। এই নীতিৰ জৰিয়তে বৃটিছে কিছুমান দেশীয় ৰাজ্যৰ ৰজাৰ স্বত্ব বিলোপ কৰিছিল। **স্বত্ব বিলোপ নীতিয়ে ভাৰতবৰ্ষৰ বৃটিছ চৰকাৰক অতিশয় শক্তিশালী** কৰি তুলিছিল। স্বত্ব বিলোপ নীতিৰ মূল কথা হ'ল বৃটিছৰ আশ্ৰয়ত থকা ৰাজ্যবোৰৰ উত্তৰাধিকাৰী নাথাকিলে বৃটিছ চৰকাৰৰ অনুমতি নোলোৱাকৈ তেওঁলোকে তোলনীয়া উত্তৰাধিকাৰী ল'ব নোৱাৰিব আৰু অনুমতি বিহীন উত্তৰাধিকাৰী থাকিলেও সেই ৰাজ্য কোম্পানীৰ হস্তগত হ'ব। বৃটিছ চৰকাৰে স্বত্ব বিলোপ নীতি ৰজাৰ উপাধি, খিতাপ, পেঞ্চন আদিৰ ক্ষেত্ৰতো প্ৰযোজ্য বুলি ঘোষণা কৰিছিল। উত্তৰাধিকাৰী বিহীন ৰাজাই এই সকলোবোৰ সুবিধা হেৰুৱাব লগা হৈছিল।

লৰ্ড ডেলহাউচিয়ে স্বত্ব বিলোপ নীতি প্ৰয়োগ কৰি ১৮৩৯ খ্ৰীষ্টাব্দত মন্দভী, ১৮৪০ খ্ৰীষ্টাব্দত ক'লাবা, ১৮৪৪ খ্ৰীষ্টাব্দত চাতাৰা, জৈৎপুৰ আৰু সম্বলপুৰ ৰাজ্য প্ৰত্যক্ষভাৱে **বৃটিছৰ** শাসনৰ অধীনলৈ নিছিল। আকৌ এই নীতিৰে ১৮৫০ খ্ৰীষ্টাব্দৰপৰা ১৮৫৪ খ্ৰীষ্টাব্দৰ ভিতৰত ভাগলপুৰ, উদয়পুৰ, নাগপুৰ আৰু ঝান্সী বৃটিছ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰা হয়। এই নীতি প্ৰয়োগ কৰি লৰ্ড ডেলহাউচিয়ে কৰ্ণাটকৰ নবাব, চুৰাট আৰু তাঞ্জোৰৰ ৰজাৰ সকলো সা-সুবিধা কাঢ়ি লৈ বৃটিছৰ প্ৰভুত্ব **ভাৰতবৰ্ষত** স্থাপন কৰিছিল।

**ক্ৰিয়াকলাপ ঃ**

- স্বত্ববিলোপ নীতি কিমান ন্যায্য আছিল? দলত আলোচনা কৰি একোটিকৈ টোকা প্ৰস্তুত কৰা।

ওপৰৰ আলোচনাৰপৰা তোমালোকে জানিব পাৰিছা যে কেনেকৈ **বৃটিছ** ইষ্ট ইণ্ডিয়া কোম্পানীয়ে বংগদেশত ৰাজনৈতিক আধিপত্য বিস্তাৰ কৰিছিল। বংগদেশকেই তেওঁলোকে সাম্ৰাজ্যবাদৰ মূল কেন্দ্ৰ হিচাপে লৈ ক্ৰমান্বয়ে সমগ্ৰ **ভাৰতবৰ্ষতেই ৰাজনৈতিক** কৰ্তৃত্ব স্থাপন কৰিবলৈ আগবাঢ়িছিল। **বৃটিছ** গৃহ চৰকাৰে কোম্পানীৰ ভাৰত শাসন ব্যৱস্থাত জড়িত হৈ পাছলৈ কোম্পানীৰ চৰকাৰকেই নিজৰ হাতলৈ নিয়াৰ ব্যৱস্থা কৰিছিল।

## মনত ৰাখিবলগীয়া কথা ঃ

- বাক্সিৰাছৰ যুদ্ধই **ভাৰতবৰ্ষত ফৰাচী প্ৰভাৱ লুপ্ত কৰে আৰু বৃটিছসকলৰ** উত্থান, প্ৰসাৰ আৰু আধিপত্য বিস্তাৰৰ পথ সুগম কৰে।
- ভৌগোলিক দিশৰপৰা সুচল বংগদেশত **বৃটিছ** কোম্পানীয়ে **আৰম্ভণিৰপৰাই** বিশেষ মনোযোগ দিছিল।
- চিৰাজউদ্দৌল্লাই ১৭৫৬ খ্ৰীষ্টাব্দত ফোৰ্ট উইলিয়াম দুৰ্গ দখল কৰে।
- ১৭৫৭ খ্ৰীষ্টাব্দত পলাশী নামৰ ঠাইত নবাবৰ লগত **বৃটিছৰ** ৰণ হয়।
- পলাশী যুদ্ধত জয়ী হৈ **বৃটিছে** প্ৰভুত্ব বিস্তাৰৰ সুবিধা পায়।
- মীৰকাছিমে **বৃটিছ** প্ৰভাৱৰপৰা মুক্ত হ'বলৈ ৰাজধানী মুৰ্ছিদাবাদৰপৰা মুঙ্গেৰলৈ স্থানান্তৰ কৰে।
- বক্সাৰ যুদ্ধত বংগৰ নবাব, অযোধ্যাৰ নবাব আৰু মোগল সম্ৰাটৰ সম্মিলিত বাহিনী **বৃটিছৰ** হাতত পৰাজয় বৰণ কৰিছিল। আনহাতে **বৃটিছে** পলাশী যুদ্ধ জয়ৰ পৰিপূৰ্ণতা বক্সাৰ যুদ্ধত লাভ কৰিছিল।
- ভাৰতত **বৃটিছ** কোম্পানীৰ শাসন সুদৃঢ় কৰাৰ বাবে বৃটিছ চৰকাৰে ৰেগুলেটিং এক্ট প্ৰণয়ন কৰিছিল।

- ৰেগুলেটিং এক্টৰ আসোঁৱাহ আঁতৰ কৰিবলৈ পিটৰ ভাৰত শাসন আইন প্ৰৱৰ্তন কৰিছিল।
- 'কৰদ মৈত্ৰী' নীতি **বৃটিছৰ** সাম্ৰাজ্যবাদী মনোভাবৰ প্ৰথম প্ৰকাশ আছিল।
- স্বত্ব বিলোপ নীতি **ভাৰতবৰ্ষত বৃটিছ** সাম্ৰাজ্য বিস্তাৰৰ শক্তিশালী প্ৰয়াস আছিল।

## অনুশীলনী ঃ

১। **উত্তৰ দিয়া—**

(ক) **বৃটিছ** আৰু ফৰাচীৰ মাজত কিহৰ বাবে প্ৰতিদ্বন্দ্বিতা হৈছিল?

(খ) প্ৰথম আৰু দ্বিতীয় কৰ্ণাটিক যুদ্ধৰ সময়ত ফৰাচীসকলৰ গৱৰ্ণৰ কোন আছিল?

(গ) চিৰাজউদ্দৌল্লাৰ প্ৰধান সেনাপতি কোন আছিল?

(ঘ) বংগৰ প্ৰথম গৱৰ্ণৰ জেনেৰেল কোন আছিল?

(ঙ) কোনে স্বত্ববিলোপ নীতি উদ্ভাৱন কৰিছিল?

২। শুদ্ধ উত্তৰ বাছি উলিওৱা—

(ক) পণ্ডিচেৰী **বৃটিছসকলৰ** বাণিজ্য কুঠি আছিল।

(খ) ফৰাচীসকলে চালাবৎ জঙক হায়দৰাবাদৰ নিজাম পাতিছিল।

(গ) চিৰাজউদ্দৌল্লা আলিবৰ্দি খাঁৰ ডাঙৰ জীয়েকৰ পুত্ৰ আছিল।

(ঘ) পলাশী নামৰ ঠাইখন ভাগিৰথী নদীৰ পাৰত অৱস্থিত আছিল।

(ঙ) ৰেগুলেটিং এক্টে বংগৰ গৱৰ্ণৰ গৰাকীক গৱৰ্ণৰ জেনেৰেল পদলৈ উন্নীত কৰে।

(চ) লৰ্ড ৱেলেচলিয়ে স্বত্ব বিলোপ নীতি প্ৰৱৰ্তন কৰিছিল।

৩। ক্ৰমানুসাৰে সজোৱা—

চিৰাজউদ্দৌল্লা, মিৰ্‌জাফৰ, আলিবৰ্দি খাঁ, মীৰকাছিম।

৪। চমু উত্তৰ লিখা—

(ক) প্ৰথম কৰ্ণাটিক যুদ্ধ (খ) ডুপ্লে (গ) পলাশী যুদ্ধ

(ঘ) ৰেগুলেটিং এক্ট (ঙ) পিটৰ ভাৰত শাসন আইন (চ) চিৰস্থায়ী বন্দোবস্ত

৫। 'বংগৰ ঘৰুৱা বিবাদেই **বৃটিছৰ** বংগ দখলৰ প্ৰধান কাৰণ'— কথাষাৰৰ যথাৰ্থতা নিৰ্ণয় কৰা।

৬। ইষ্ট ইণ্ডিয়া কোম্পানীৰ কোনবোৰ কাৰ্যকলাপে **চিৰাজউদ্দৌল্লাক** অসন্তুষ্ট কৰিছিল?

৭। ইষ্ট ইণ্ডিয়া কোম্পানীৰ সাম্ৰাজ্যবাদী নীতি কি কি কাৰ্যাৱলীৰ দ্বাৰা প্ৰকাশ পাইছিল আলোচনা কৰা।

৮। লৰ্ড ডেলহাউচিয়ে স্বত্ববিলোপ নীতি প্ৰয়োগ কৰি কোন কেইখন ৰাজ্য কোম্পানীৰ শাসনাধীন কৰিছিল? তাৰ এখন তালিকা প্ৰস্তুত কৰা।

৯। ভাৰতবৰ্ষৰ এখন মানচিত্ৰ আঁকি তলত উল্লেখ কৰা স্থানসমূহ বহুওৱা—

পণ্ডিচেৰী, মাদ্ৰাজ, বোম্বাই, এলাহাবাদ, অযোধ্যা, পলাশী, কৰ্ণাটক

১০। শিক্ষকৰ সহায়ত ইউৰোপৰ মানচিত্ৰ চাই অষ্ট্ৰিয়া, ইংলণ্ড, ফ্ৰান্স, জাৰ্মানী আদি বিচাৰি উলিওৱা।

✧✧✧✧✧✧

# পাঠ - ৭

# ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসন কালত ভাৰতবৰ্ষত হোৱা সংস্কাৰসমূহ

X3Z6F9

**শিকনৰ ফলাফল ঃ**

- গৱৰ্ণৰ জেনেৰেল লৰ্ড কৰ্ণৱালিছ, লৰ্ড হেষ্টিংছ, লৰ্ড উইলিয়াম বেণ্টিংক আৰু লৰ্ড ডেলহাউচিৰ সময়ত হোৱা সংস্কাৰসমূহৰ বিষয়ে অৱগত হ'ব।
- উক্ত সংস্কাৰসমূহে ভাৰতীয় সমাজ আৰু অৰ্থনীতিত কেনেধৰণৰ প্ৰভাৱ পেলাইছিল সেই সম্পৰ্কে ধাৰণা লাভ কৰিব।
- ১৯ শতিকাৰ ভাৰতবৰ্ষত সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় দিশত ঘটা নৱজাগৰণৰ বিষয়ে জ্ঞান লাভ কৰিব।

আগৰ অধ্যায়ত বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতৰ ৰাজনীতিত কেনেকৈ প্ৰৱেশ কৰিছিল সেই সম্পৰ্কে আলোচনা কৰা হৈছে। তোমালোকে নিশ্চয় বুজিব পাৰিছা যে, ভাৰতত বৃটিছ শক্তিৰ উত্থান আচম্বিতে ঘটা এটা ঘটনা নহয়, ইয়াৰ অন্তৰালত দীঘলীয়া ইতিহাস লুকাই আছে। বৃটিছসকলে সেই সময়ৰ ভাৰতীয় শাসকসকলৰ অকৰ্মণ্যতা বা ঘৰুৱা কন্দলৰ সুবিধা লৈ লাহে লাহে নিজকে শাসকৰ ৰূপত প্ৰতিষ্ঠা কৰিবলৈ ধৰিলে। প্ৰকৃততে দিল্লীৰ সম্ৰাট ফাৰুখছিয়াৰৰ অকৰ্মণ্যতাই ইষ্ট ইণ্ডিয়া কোম্পানীক ভাৰতত ৰাজশক্তিৰূপে প্ৰতিষ্ঠা লাভ কৰাত সুবিধা কৰি দিছিল। কোৱা বাহুল্য যে ভাৰতীয় শক্তিবৰ্গৰ পৰোক্ষ সন্মতি আৰু সহযোগ লাভ কৰিহে বৃটিছসকলে ভাৰতত ৰাজনৈতিক আধিপত্য লাভ কৰিছিল। ইয়াতে ভাৰতীয় শাসকসকলৰ ৰাজনৈতিক দুৰ্বলতা বা অযোগ্যতা স্পষ্ট হৈ পৰিছে।

বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতত ৰাজনৈতিক শক্তিৰূপে প্ৰতিষ্ঠা লাভ কৰা সময়ত ভাৰতত সৰু-বৰ দেশীয় ৰাজ্যবোৰৰ শাসন ব্যৱস্থা পৃথক পৃথক আছিল। তাৰোপৰি পৰম্পৰাগত আৰ্থ-সামাজিক ব্যৱস্থাসমূহো বৃটিছৰ অনুকূলে নাছিল। সেয়েহে বৃটিছসকলে ভাৰতৰ শাসন হস্তগত কৰি অনুকূল বাতাৱৰণ এটি সৃষ্টি কৰাৰ বাবে এলানি সংস্কাৰৰ কাৰ্যসূচী গ্ৰহণ কৰিছিল। তেওঁলোকৰ সংস্কাৰসমূহক মূলতঃ প্ৰশাসনিক, ৰাজহ, শিক্ষা, বিচাৰ আদি ভাগত আলোচনা কৰা হ'ল।

## প্ৰশাসনীয় সংস্কাৰ ঃ



চিত্ৰ ৭.১ লৰ্ড কৰ্ণৱালিছ

বৃটিছসকলে ভাৰতীয় শাসন ব্যৱস্থাত প্ৰচলিত দুৰ্নীতিসমূহ আঁতৰাবলৈ কিছুমান প্ৰশাসনীয় সংস্কাৰ হাতত লৈছিল। তাকে কৰিবলৈ গৱৰ্ণৰ জেনেৰেল লৰ্ড কৰ্ণৱালিছে প্ৰথমে দুৰ্নীতিত লিপ্ত হৈ থকা কোম্পানীৰ কৰ্মচাৰীসকলক বে-আইনীভাৱে ব্যৱসায় চলোৱা, ভেটি লোৱা আদি কাৰ্য বন্ধ কৰিবলৈ নিৰ্দেশ দিছিল। তেওঁ কোম্পানীৰ চাকৰিয়ালসকলৰ বেতনৰ হাৰ বৃদ্ধি কৰিছিল আৰু জ্যেষ্ঠতাৰ ভিত্তিত পদোন্নতি দিয়াৰো ব্যৱস্থা কৰিছিল। এই কাৰ্যবিধিখনক **কৰ্ণৱালিছ সংহিতা** বুলি জনা যায়।

দ্বিতীয়তে, বৃটিছ শাসকসকলে সামৰিক বাহিনীৰ ক্ষেত্ৰতো কিছুমান সংস্কাৰ সাধন কৰিছিল যাতে সামৰিক বাহিনীয়ে তেওঁলোকৰ স্বাৰ্থ সুৰক্ষিত কৰি ৰাখিব পাৰে। তৃতীয়তে, তেওঁলোকে ভাৰতত বৃটিছ অধিকৃত এলেকাত শান্তি-শৃংখলা অটুট ৰাখিবলৈ নিৰ্দিষ্ট থানা আৰু আৰক্ষী নিযুক্তিৰ ব্যৱস্থাও কৰিছিল। কৰ্ণৱালিছে ভাৰতীয় লোকক শাসনৰ উচ্চ পদত নিয়োগ কৰা নাছিল। তেওঁ বৃটিছ কৰ্মচাৰীৰ ওপৰতে বেছি আস্থা দেখুৱাইছিল। কিন্তু তেওঁৰ পাছৰজন গৱৰ্ণৰ জেনেৰেল লৰ্ড ময়ৰা বা লৰ্ড হেষ্টিংছে ভাৰতীয় লোকক চৰকাৰী চাকৰিত নিয়োগ কৰি পদোন্নতিৰো ব্যৱস্থা কৰিছিল। গৱৰ্ণৰৰ জেনেৰেল লৰ্ড ডেলহাউচিয়ে বৃটিছৰ স্বাৰ্থ বিঘ্নিত নোহোৱাকৈ স্থানীয় আইনসমূহ বৃটিছ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত হোৱা অঞ্চলবোৰত বলবৎ কৰাৰ অনুমতি দিছিল। জিলাৰ মুখ্য প্ৰশাসকজনক অধিক ক্ষমতা দি শাসনৰ ক্ষেত্ৰত বিকেন্দ্ৰীভূত নীতি প্ৰচলন কৰা লৰ্ড ডেলহাউচিৰ শাসনৰ অন্যতম সংস্কাৰ আছিল।

বৃটিছসকলৰ শাসনৰ সময়ত বিচাৰ ব্যৱস্থাটো কিছু সালসলনি কৰা হৈছিল। পূৰ্বৱৰ্তী ভাৰতীয় সাম্ৰাজ্যবোৰৰ বিভিন্ন ঠাইত ভিন ভিন আইন-কানুন চলিছিল। তাৰ পৰিৱৰ্তে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে সমগ্ৰ ভাৰতত এক ধৰণৰ আইন-আদালত স্থাপন কৰি দিছিল। লৰ্ড কৰ্ণৱালিছে বিচাৰৰ সুবিধাৰ বাবে **দেৱানী আৰু সদৰ নিজামত** আদালত (ফৌজদাৰী গোচৰৰ আদালত)ৰ কিছু সালসলনি কৰিছিল। লৰ্ড উইলিয়াম বেণ্টিংকৰ দিনত কলিকতা, মাদ্ৰাজ আৰু বোম্বাইত উচ্চ ন্যায়ালয় প্ৰতিষ্ঠা কৰা হৈছিল আৰু আদালতত পাৰ্চী ভাষাৰ পৰিবৰ্তে মাতৃভাষাৰ প্ৰয়োগ কৰা হৈছিল। গৱৰ্ণৰ জেনেৰেল লৰ্ড ময়ৰা বা হেষ্টিংছে ভাৰতীয় লোকক আদালতত নিয়োগ কৰিছিল আৰু ভাৰতীয় মুন্সিফসকলৰ ক্ষমতা বৃদ্ধি কৰি এই দেশৰ লোকসকলৰ প্ৰিয়পাত্ৰ হৈছিল।

**জানি থওঁ আহা ঃ**

✦ লৰ্ড ডেলহাউচিৰ দিনত ১৮৫৪ খ্ৰীষ্টাব্দত ভাৰতত প্ৰথম ডাক টিকটৰ প্ৰচলন হৈছিল। ইয়াৰ উপৰি এওঁ ভাৰতত পোন প্ৰথমবাৰৰ বাবে গড়কাপ্তানি বিভাগ স্থাপন কৰিছিল। তেতিয়াৰপৰাই ভাৰতৰ প্ৰতিখন ৰাজ্যত একোজন **মুখ্য অভিযন্তাৰ অধীনত একোটা গড়কাপ্তানি বিভাগৰ প্ৰচলন** হৈছিল।

**ক্ৰিয়াকলাপ ঃ**


✦ প্ৰশাসনীয় ক্ষেত্ৰত ইংৰাজসকলে প্ৰৱৰ্তন কৰা উল্লেখযোগ্য সংস্কাৰসমূহ কি কি?

## ৰাজহ সংস্কাৰ ঃ

কোম্পানী চৰকাৰৰ আগতে ভাৰতবৰ্ষত ৰায়তৱাৰী ব্যৱস্থা প্ৰচলন আছিল। খেতিয়কে বা ৰায়তে ৰজা ঘৰত নিজে খাজনা দিব পাৰিছিল। বৃটিছসকলে শাসনকাৰ্য সুচাৰুৰূপে পৰিচালনা কৰিবলৈ ভাৰতত ৰাজহ ব্যৱস্থাৰ সংস্কাৰ সাধন কৰি যথেষ্ট পৰিৱৰ্তন আনিছিল। লৰ্ড কৰ্ণৱালিছৰ ৰাজত্ব কালটো তেওঁ সংশোধন কৰা ৰাজহ ব্যৱস্থাৰ বাবে উল্লেখযোগ্য। এওঁ পূৰ্বৰ কোম্পানীৰ শাসনৰ সময়ত থকা পাঁচ বছৰীয়া নাইবা এবছৰীয়া ৰাজহ বন্দবস্তীৰ ঠাইত **চিৰস্থায়ী ৰাজহ ব্যৱস্থাৰ** প্ৰচলন কৰিছিল। চিৰস্থায়ী বন্দবস্ত অনুসৰি জমিদাৰসকলে মাটি ভোগ কৰাৰ অধিকাৰ পাইছিল যদিও চৰকাৰে বিচৰা নিৰ্দিষ্ট ধন বা ৰাজহ দিব নোৱাৰিলে সেই জমিদাৰৰ মাটি চৰকাৰৰ অধীনলৈ গৈছিল। এই ব্যৱস্থাই জমিদাৰ শ্ৰেণীক ক্ষমতাশালী কৰিছিল যদিও কৃষকসকলে যথেষ্ট পৰিমাণৰ দুৰ্ভোগ ভুগিবলগীয়া হৈছিল।

**জানি থওঁ আহা ঃ**

✦ ১৭৯৩ খ্ৰীষ্টাব্দত বংগদেশ, বিহাৰ আৰু উৰিষ্যাত প্ৰথমে চিৰস্থায়ী বন্দবস্তৰ সূচনা কৰিছিল। অসমত ১৮২৬ খ্ৰীষ্টাব্দৰ শেষৰ ফালে গোৱালপাৰা আৰু চিলেট (শ্ৰীহট্ট) জিলাত চিৰস্থায়ী বন্দবস্ত ব্যৱস্থাৰ আৰম্ভ হৈছিল।



*চিত্ৰ ৭.২ লৰ্ড হেষ্টিংছ*

উৎস : getarchive.net

গৱৰ্ণৰ জেনেৰেল লৰ্ড হেষ্টিংছৰ দিনত ৰাজহ বিভাগৰ আন এক যুগান্তকাৰী সংস্কাৰ হৈছিল। হেষ্টিংছে তেওঁৰ সুযোগ্য ৰাজহ বিষয়া ৰবাৰ্ট বাৰ্ডৰ সহযোগত ভাৰতবৰ্ষৰ সীমান্ত গাঁওবোৰত ৰাজহৰ বন্দবস্তী কৰিছিল আৰু মাটিৰ পট্টাৰ ব্যৱস্থা কৰিছিল। হেষ্টিংছৰ দিনৰপৰাই ভাৰতবৰ্ষত মাটিৰ পট্টা দিয়াৰ নিয়ম হৈছিল (১৮২৬ খ্ৰীষ্টাব্দত)। ফলত খেতিয়কসকলে থিতাপি লৈ নতুন উদ্যমেৰে কাম কৰিছিল আৰু ইয়াৰ ফলত কোম্পানীয়ে যথেষ্ট পৰিমাণে ৰাজহ লাভ কৰিছিল।

**ক্ৰিয়াকলাপ ঃ**

✦ বৰ্তমান মাটিৰ পট্টাৰ লগত পঞ্জীয়ন, নামজাৰি আৰু খাজনা দিয়া সম্পৰ্কে মা-দেউতাৰপৰা জানি লৈ শিক্ষকৰ লগত আলোচনা কৰা।

## শিক্ষা সংস্কাৰ ঃ

পূৰ্বতে ভাৰতীয় শিক্ষা আছিল মূলতঃ ধৰ্মমূলক। সংস্কৃত, পাৰ্চী আৰু আৰবী ভাষাৰ কিছু জ্ঞান দিয়াটোৱেই আছিল সেই কালৰ শিক্ষা প্ৰণালীৰ বৈশিষ্ট্য। শিক্ষাৰ্থীসকল হিন্দু হ'লে **টোল বা গুৰুকুলত** আৰু মুছলমান হ'লে **মাদ্ৰাছা** আৰু **মোক্তাবত** শিক্ষা গ্ৰহণ কৰিছিল। ভাৰতবৰ্ষত শিক্ষা সংস্কাৰৰ বাবে বৃটিছ কোম্পানীয়ে কি ব্যৱস্থা হাতত লৈছিল বাৰু? বৃটিছসকলে ভাৰতীয় শিক্ষা ব্যৱস্থাত কিছু পৰিৱৰ্তন আনিব বিচাৰিছিল। ১৭৮১ খ্ৰীষ্টাব্দত ৱাৰেন হেষ্টিংছে কলিকতাত মাদ্ৰাছা এখন খুলিছিল আৰু ১৭৯২ খ্ৰীষ্টাব্দত জনাথন ডানকান নামৰ এজন বৃটিছ বিষয়াই বাৰাণসীত সংস্কৃত কলেজ এখন স্থাপন কৰিছিল। এইবোৰ শিক্ষানুষ্ঠানত প্ৰাৰম্ভিক পৰ্যায়ত পুৰণি পদ্ধতিৰে জ্যোতিষ আৰু ব্যাকৰণৰ শিক্ষা দিয়া হৈছিল।

সেই সময়ত ইংলেণ্ডত ঔদ্যোগিক বিপ্লৱে প্ৰসাৰতা লাভ কৰিছিল। সাম্ৰাজ্যবাদী বৃটিছে যিহেতু ভাৰতবৰ্ষক এখন উপনিবেশ হিচাপেহে ব্যৱহাৰ কৰিছিল সেয়ে তেওঁলোকৰ নিজৰ স্বাৰ্থত ভাৰতীয় সমাজ আৰু অৰ্থনীতিত পাশ্চাত্য আৰ্হিত পৰিৱৰ্তন আনিবলৈ চেষ্টা কৰিছিল। তাৰবাবে প্ৰয়োজন হৈছিল ইংৰাজী মাধ্যমৰ পাশ্চাত্য শিক্ষা। সাধাৰণ শ্ৰেণীৰ ভাৰতীয়সকলেও যাতে ইংৰাজী ভাষাটো আয়ত্ত কৰিব পাৰে আৰু এই শ্ৰেণীটোক শ্ৰমিক বা বনুৱা হিচাপে কম খৰচতে কোম্পানীৰ চৰকাৰে ব্যৱহাৰ কৰিব পাৰে তাত অধিক গুৰুত্ব দিছিল। বৃটিছসকলৰ বাবে ভাৰতবৰ্ষ এখন উপযুক্ত বজাৰ হিচাপে বিবেচিত হৈছিল। লাহে লাহে ইংৰাজী ভাষাৰ প্ৰচলনত তেওঁলোকে গুৰুত্ব দিবলৈ ধৰিলে। পিছলৈ পাশ্চাত্য শিক্ষাৰ সৈতে সংগতি ৰাখি লৰ্ড উইলিয়াম বেণ্টিংকৰ দিনত শিক্ষাৰ মাধ্যম ইংৰাজী হোৱাটো বাধ্যতামূলক কৰিছিল। এনেকৈ পাশ্চাত্য শিক্ষাৰ প্ৰতি মানুহৰ ধাউতি বঢ়াইছিল। ফলত পৰম্পৰাগত ভাৰতীয় সংস্কৃত আৰু পাৰ্চী ভাষাৰ চৰ্চা কমি গৈছিল। গৱৰ্ণৰ জেনেৰেল লৰ্ড ডেলহাউচিয়ে ভাৰতীয় শিক্ষা ব্যৱস্থাৰ আৰু কিছু সালসলনি ঘটাই চাৰ্লছ উডৰ বিখ্যাত **প্ৰেৰণ পত্ৰত** ভাৰতীয় শিক্ষা প্ৰণালীৰ ৰূপৰেখা প্ৰস্তুত কৰি দিয়ে। ছাৰ চাৰ্লছ উড আছিল নিয়ন্ত্ৰণ ব'ৰ্ডৰ সভাপতি। এই প্ৰেৰণ পত্ৰ কাৰ্যকৰী কৰাত ডেলহাউচিয়ে গুৰুত্ব দিছিল। সেয়ে তেওঁ প্ৰাথমিক, উচ্চ ইংৰাজী বিদ্যালয় আৰু কেইবাখনো মহাবিদ্যালয় স্থাপন কৰি দিছিল। লৰ্ড ডেলহাউচিৰ দিনত ভাৰতীয় সংস্কৃত সাহিত্যৰ পুনৰ প্ৰচাৰ হৈছিল। বংগদেশৰ ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ আৰু অসমৰ আনন্দ ৰাম বৰুৱাই এই সময়ত সংস্কৃত সাহিত্যৰ উৎকৰ্ষ সাধন কৰিছিল।



*চিত্ৰ ৭.৩ লৰ্ড ডেলহাউচি*

উৎস : wikimedia.org

### ক্ৰিয়াকলাপ ঃ

- তোমালোকৰ অঞ্চলত কিমানখন প্ৰাথমিক, উচ্চ প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয় আছে আৰু সেইবোৰ কেতিয়া প্ৰতিষ্ঠা কৰা হৈছিল তাৰ এখন তালিকা প্ৰস্তুত কৰা।

বৃটিছ গৱৰ্ণৰসকলৰ সংস্কাৰসমূহে ভাৰতীয় সমাজ আৰু অৰ্থনীতিত যথেষ্ট প্ৰভাৱ পেলাইছিল। বৃটিছসকলে তেওঁলোকৰ সংস্কাৰসমূহৰ জৰিয়তে ভাৰতবৰ্ষত তেওঁলোকৰ ৰাজনৈতিক ক্ষমতা বৃদ্ধি কৰাৰ লগে লগে অৰ্থনৈতিক আৰু সামাজিক ক্ষেত্ৰতো বহুতো পৰিৱৰ্তন আনিছিল। ভাৰত উপ-মহাদেশত ইষ্ট ইণ্ডিয়া কোম্পানীৰ মূল উদ্দেশ্য আছিল কোম্পানীৰ বাবে যিকোনো উপায়ে ধন সংগ্ৰহ কৰা আৰু শাসন কৰা। বৃটিছ অহাৰ আগলৈকে ভাৰতৰ অৰ্থনীতি এক সামন্ততান্ত্ৰিক ব্যৱস্থাৰ মাজেদি চলিছিল। বৃটিছসকল আছিল পুঁজিবাদী জাতি। গতিকে নিজৰ লাভৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকে পৰম্পৰাগত ভাৰতীয় অৰ্থনীতিৰ গাঁথনি ভাঙি আধুনিক শিল্প বাণিজ্যৰ প্ৰসাৰ ঘটায়। ইয়াতে ভাৰতীয় কুটিৰ শিল্পৰ যথেষ্ট ক্ষতি হৈছিল। বাণিজ্য প্ৰসাৰৰ বাবে অৱশ্যে বৃটিছসকলে যাতায়াত-যোগাযোগৰ ব্যৱস্থা উন্নত কৰিছিল। ৰে'ল-লাইন নিৰ্মাণ কৰি ৰে'ল গাড়ীৰ প্ৰচলনৰ ব্যৱস্থা কৰিছিল। লৰ্ড কৰ্ণৱালিছৰ ভূমিৰ চিৰস্থায়ী বন্দবস্তই জমিদাৰ শ্ৰেণীৰ সৃষ্টি কৰি কৃষকক আলৈ-আহুকালত পেলাইছিল যদিও লৰ্ড হেষ্টিংছে এনে ব্যৱস্থা আঁতৰাই কৃষকক ভূমি পট্টা দি তেওঁলোকৰ অৱস্থাৰ উন্নতি কৰিছিল। আকৌ লৰ্ড উইলিয়াম বেণ্টিংকে নতুন অনুমতি পত্ৰৰ ব্যৱস্থা কৰি ভাৰতত কানি ব্যৱসায়ৰ প্ৰচলন কৰি নিজ কোম্পানীক চহকী কৰিছিল। কিন্তু ইয়াৰ ফলস্বৰূপে ভাৰতীয় লোকৰ অধঃপতনৰ বাট মুকলি হৈছিল।

ভাৰতীয় ধৰ্ম আৰু সামাজিক সংস্কাৰতো কোম্পানী চৰকাৰৰ ভূমিকা মন কৰিবলগীয়া। বৃটিছ আমোলত পাশ্চাত্য শিক্ষাৰ পোহৰ পৰাত সমাজৰ কু-সংস্কাৰ আৰু অন্ধবিশ্বাস ভালেখিনি দূৰ হ'ল। প্ৰথমাৱস্থাত কোম্পানী চৰকাৰে ভাৰতীয় সমাজ বা ধৰ্মীয় ব্যৱস্থাত হস্তক্ষেপ কৰা নাছিল। কিন্তু ভাৰতীয় সমাজত ধৰ্মৰ নামত এনে কিছুমান কু-সংস্কাৰ আছিল যে এইবোৰে তেওঁলোকক পিছলৈ সমাজ সংস্কাৰত মনোনিৱেশ কৰিবলৈ বাধ্য কৰাইছিল। এই দিশত প্ৰথম পদক্ষেপ লৈছিল গৱৰ্ণৰ জেনেৰেল ছাৰ জন চোৰে। ১৮ শতিকাৰ শেষ ভাগত তেওঁ ৰাজপুতনা, মধ্যভাৰত আৰু পঞ্জাৱত কন্যা সন্তান হত্যা কৰাটো বন্ধ কৰিছিল। বংগদেশৰ ৰাজা ৰামমোহন ৰায়ৰ সহযোগত উইলিয়াম বেণ্টিকে সতীদাহ প্ৰথা বন্ধ কৰে। পিচে, ইয়াৰ অন্তৰালত উইলিয়াম বেণ্টিকৰ সাম্ৰাজ্যবাদী নীতি অন্তৰ্নিহিত হৈ আছিল বুলি সন্দেহ কৰা হয়। চৰকাৰৰ এনে কাৰ্যত সমাজত ভালেখিনি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল যদিও বৃটিছ গৱৰ্ণৰে এই ব্যৱস্থা কটকটীয়াকৈ কৰিছিল। তদুপৰি কালী গোঁসানীৰ ঠগ ভক্তসকলক দমন, দাসত্ব প্ৰথাৰ অৱসান— এই সকলোবোৰ বেণ্টিংকৰে অৱদান আছিল। ভাৰতীয় সমাজ সংস্কাৰত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে

### জানি থওঁ আহা ঃ

- ১৮০৬ খ্ৰীষ্টাব্দত বিহাৰৰ জিলাধিপতি এজনে সতীদাহ প্ৰথা ৰোধ কৰিবলৈ লৰ্ড ৱেলেচলিক সৰ্বপ্ৰথমে লিখিত অনুৰোধ কৰিছিল। ১৮১৫ আৰু ১৮১৭ খ্ৰীষ্টাব্দত লৰ্ড হেষ্টিংছৰ দিনত এই প্ৰথা আদালতৰ জৰিয়তে বে-আইনী বুলি ঘোষণা কৰা হৈছিল। কিন্তু সফল হোৱা নাছিল। লৰ্ড উইলিয়াম বেণ্টিংকেহে ১৮২৯ খ্ৰীষ্টাব্দত বিখ্যাত ১৭ নম্বৰ বিধান জাৰি কৰি সতীদাহ প্ৰথা সম্পূৰ্ণকৈ নিৰ্মূল কৰিছিল।


*চিত্ৰ ৭.৪ উইলিয়াম বেণ্টিক*

লাহে লাহে এনে ধৰণে বিভিন্ন পদক্ষেপ লৈছিল আৰু ক্ৰমান্বয়ে ভাৰতীয় লোকসকলক আধুনিক চিন্তা ধাৰাৰ দিশে ধাবমান কৰিছিল।

এই সময়ত প্ৰগতিশীল ভাৰতবৰ্ষই নৱ-অভ্যুত্থানত পদাৰ্পণ কৰিছিল। সমাজত যাতে কোনো কেৰোণ নালাগে তাৰ প্ৰচেষ্টাত সংস্কাৰী বহু ভাৰতীয়ই অগ্ৰসৰ হৈছিল। ইয়াৰ ফলতে কেইবাটাও সামাজিক সংগঠন যেনে— ব্ৰাহ্ম সমাজ, প্ৰাৰ্থনা সমাজ, আৰ্য সমাজ আৰু ৰামকৃষ্ণ মিছন স্থাপন হৈছিল। সমসাময়িকভাৱে আলিগড় আন্দোলনেও ভাৰতীয় সমাজত আমূল পৰিৱৰ্তন সাধিছিল।

**ক্ৰিয়াকলাপ ঃ**

✦ বৰ্তমান আমাৰ সমাজত চলি থকা ডাইনী হত্যা, কন্যা সন্তান হত্যা, যৌতুক প্ৰথা আদি কু-সংস্কাৰবোৰ নিৰ্মূল কৰিবলৈ তোমালোকে কেনে ধৰণে পদক্ষেপ ল'বা দলত আলোচনা কৰি লিখা।

## ব্ৰাহ্ম সমাজ ঃ

ইষ্ট ইণ্ডিয়া কোম্পানীৰ গৱৰ্ণৰ জেনেৰেলসকলক সমাজ সংস্কাৰত বহুতো শিক্ষিত ভাৰতীয় লোকে সহায় কৰিছিল। তাৰ ভিতৰত বংগদেশৰ ৰাজা ৰামমোহন ৰায়ৰ নামটো প্ৰথমেই ল'ব লাগিব। তেওঁ মূৰ্তি পূজা বিৰোধী আৰু জাতিভেদ শূন্য ভাৰতীয় সমাজ এখন গঢ়িবলৈ চেষ্টা কৰিছিল। ৰাজা ৰামমোহন ৰায়ে ১৮২৮ খ্ৰীষ্টাব্দত ব্ৰাহ্মসভা পাতে আৰু পিছলৈ ১৮৩০ খ্ৰীষ্টাব্দত ই **ব্ৰাহ্ম সমাজ** নামে এখন সমাজ সংস্কাৰৰ অনুষ্ঠান হিচাপে গঢ় লয়। পৰৱৰ্তী সময়ত কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ পিতৃ দেৱেন্দ্ৰ নাথ ঠাকুৰ তেওঁৰ সহযোগী হৈছিল। সতী দাহ প্ৰথা, কন্যা শিশু হত্যা আদি সমাজৰ কু-নিয়মবোৰ আঁতৰোৱাত ৰামমোহন ৰায়ে লৰ্ড উইলিয়াম বেণ্টিংকক যথেষ্ট সহায় কৰিছিল। স্ত্ৰী শিক্ষাৰ ওপৰতো তেওঁ গুৰুত্ব প্ৰদান কৰিছিল। অপ্ৰাপ্তবয়স্ক বিধবাক পুনৰ বিয়া দিয়াটো ব্ৰাহ্ম সমাজে এটা প্ৰধান দায়িত্ব বুলি ধৰিছিল।



*চিত্ৰ ৭.৫ ৰাজা ৰামমোহন ৰায়*

উৎস : wikimedia.org

এনে সংস্কাৰমূলক কামবোৰ কৰি যাওঁতে ৰাজা ৰামমোহন ৰায়ে ভাৰতীয় হিন্দু সমাজত আন এটা ডাঙৰ দোষ দেখিছিল। সেই সময়ত যিসকল ভাৰতীয়ই খ্ৰীষ্টানসকলৰ সৈতে খোৱা-বোৱা কৰিছিল বা উচ্চ শিক্ষাৰ বাবে বিদেশলৈ গৈছিল তেনে লোকসকলক হিন্দু সমাজে পতিত বুলি ঘোষণা কৰি সমাজৰপৰা বহিষ্কাৰ কৰিছিল। এই সকল লোকে উচ্চ শিক্ষাৰে শিক্ষিত হৈও সমাজত এনে ধৰণৰ কলঙ্কৰ ভয়ত খৃষ্টান ধৰ্মত দীক্ষিত হ'ব লগা হৈছিল। ৰাজা ৰামমোহন ৰায়ে এনে অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি এইসকল শিক্ষিত লোকক তেওঁ প্ৰতিষ্ঠা কৰা ব্ৰাহ্ম ধৰ্মত দীক্ষা দি হিন্দু ধৰ্মৰে ভিতৰুৱা কৰি ৰাখিছিল। সেয়ে ভাৰতবাসী ৰাজা ৰামমোহন ৰায়ৰ ওচৰত চিৰ কৃতজ্ঞ। ব্ৰাহ্ম সমাজৰ আন দুজন উল্লেখযোগ্য নেতা আছিল অক্ষয় কুমাৰ দত্ত আৰু কেশৱ চন্দ্ৰ সেন। এওঁলোকে সমাজত বৈপ্লৱিক সংস্কাৰ কিছুমান কৰি থৈ গৈছিল।

## প্ৰাৰ্থনা সমাজ ঃ

একেদৰে মহাৰাষ্ট্ৰত ১৮৬৭ খ্ৰীষ্টাব্দত প্ৰাৰ্থনা সমাজ প্ৰতিষ্ঠা কৰা হৈছিল। এয়া ব্ৰাহ্ম সমাজৰ আৰু ব্ৰাহ্ম আন্দোলনৰেই আন এক ৰূপ আছিল। কেশৱ চন্দ্ৰ সেনৰ মহাৰাষ্ট্ৰ ভ্ৰমণে প্ৰাৰ্থনা সমাজৰ প্ৰতিষ্ঠাক প্ৰভাৱিত কৰিছিল। পৰৱৰ্তী সময়ত মহাদেৱ গোবিন্দ ৰানাদেয়ে ইয়াক সংস্কাৰ আন্দোলন হিচাপে জনপ্ৰিয় কৰি তোলে। ৰাণাদেৰ অনুগামীসকলে হিন্দু ধৰ্মৰ পৰা ফালৰি কাটি অহা নাছিল কিন্তু তেওঁলোকৰ সমাজ সংস্কাৰ আন্দোলনে ব্ৰাহ্ম সমাজকো চেৰ পেলাইছিল। তেওঁলোকৰ কাৰ্যসূচী আছিল নিৰক্ষৰ লোকৰ মাজত শিক্ষাৰ খাউতি বঢ়োৱা, অনাথ আশ্ৰম পতা আৰু অনুন্নত জাতিবোৰৰ সামাজিক আৰু অৰ্থনৈতিক উন্নতিৰ বাবে চেষ্টা চলোৱা আদি।

## আৰ্য সমাজ ঃ

তোমালোকে ইতিমধ্যে ব্ৰাহ্ম সমাজৰ সংস্কাৰসমূহ পঢ়িলাহঁক। এই ব্ৰাহ্ম সমাজৰ লগত বহুলাংশে মিল থকা আন এটা সংগঠন হ'ল ১৮৭৫ খ্ৰীষ্টাব্দত পঞ্জাবত স্থাপিত হোৱা **আৰ্য সমাজ**। ইয়াৰ প্ৰতিষ্ঠাপক আছিল **স্বামী দয়ানন্দ সৰস্বতী**। দয়ানন্দও এক ঈশ্বৰত বিশ্বাসী আছিল আৰু মূৰ্তি পূজাৰ বিৰোধিতা কৰিছিল। এই সংগঠনটোৱে জাতিভেদ প্ৰথা নামানিছিল, বাল্য বিবাহৰ বিৰোধিতা কৰিছিল, বিধবা বিবাহত জোৰ দিছিল আৰু সাগৰ যাত্ৰা হিন্দু ধৰ্মৰ পৰিপন্থী নহয় বুলি দাবী কৰিছিল। স্বামী দয়ানন্দ সৰস্বতীয়ে ইছলাম ধৰ্মৰ অনুকৰণত হিন্দু ধৰ্মলৈও ধৰ্মান্তকৰণৰ ব্যৱস্থা কৰিছিল আৰু ইয়াক **'শুদ্ধি'** বুলি কোৱা হৈছিল।




*চিত্ৰ ৭.৬ স্বামী দয়ানন্দ সৰস্বতী*

উৎস : wikipedia.org

> **জানি থওঁ আহা ঃ**
>
> ✦ স্বামী দয়ানন্দ সৰস্বতীৰ প্ৰকৃত নাম আছিল মূল শংকৰ। তেওঁ সমাজ সংস্কাৰৰ সৈতে সংগতি ৰাখি লিখা গ্ৰন্থখনৰ নাম আছিল 'সত্যাৰ্থ প্ৰকাশ'।

## ৰামকৃষ্ণ মিছন ঃ

ৰামকৃষ্ণ পৰমহংসৰ নামটো তোমালোকে নিশ্চয় শুনিছা। এওঁ আছিল কলিকতাৰ দক্ষিণেশ্বৰত থকা কালী মন্দিৰৰ এজন পূজাৰী। তেওঁ আধুনিক শিক্ষা-দীক্ষা পোৱা নাছিল। তেওঁ মূৰ্তি পূজাত বিশ্বাসী আছিল যদিও আন্তৰিক ভক্তিৰ পৰিবৰ্তে বাহ্যিক আড়ম্বৰপূৰ্ণ পূজা-অৰ্চনাৰ বিৰোধিতা কৰিছিল। সকলো ধৰ্মৰ প্ৰতি সহনশীল হোৱাটো তেওঁ বিচাৰিছিল। নৰেন্দ্ৰ নাথ দত্ত ওৰফে স্বামী বিবেকানন্দই পৰমহংসৰ মতবাদসমূহৰ গুৰুত্ব উপলব্ধি কৰি তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিছিল। পৰৱৰ্তী সময়ত ১৮৯৭ খ্ৰীষ্টাব্দত স্বামী বিবেকানন্দই **ৰামকৃষ্ণ মিছন** নামে সংগঠন এটা প্ৰতিষ্ঠা কৰি পৰমহংসৰ বাণীসমূহ সমাজত বিলোৱাৰ ব্যৱস্থা কৰিছিল।



*চিত্ৰ ৭.৭ স্বামী বিবেকানন্দ*

উৎস : wikimedia.org

## আলিগড় আন্দোলন ঃ



*চিত্ৰ ৭.৮ ছাৰ ছৈয়দ আহমদ খান*

এই সময়ছোৱাত পাশ্চাত্য শিক্ষাৰ পোহৰে ইছলামধৰ্মী লোকসকলকো অনুপ্ৰাণিত কৰিছিল। উত্তৰ ভাৰতত ছাৰ ছৈয়দ আহমদ খান, নবাব আব্দুল লতিফ আৰু ছৈয়দ আমিৰ আলিয়ে মুছলমান সম্প্ৰদায়ক ইংৰাজী ভাষা আৰু নতুন ভাৱধাৰাৰ প্ৰতি আগ্ৰহান্বিত কৰি তোলে। ১৮৭৭ চনত ছাৰ ছৈয়দ আহমদ খানৰ প্ৰচেষ্টাত আলিগড়ৰ মুছলমান ছাত্ৰ-ছাত্ৰীসকলৰ বাবে **'এংলো অৰিয়েণ্টেল কলেজ'** নামে এখন কলেজ স্থাপন কৰিছিল। ইয়াত বিজ্ঞান শিক্ষাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। এইখনেই পিছলৈ **আলিগড় বিশ্ববিদ্যালয়** হয়গৈ। লাহে লাহে মুছলমানসকলৰ মাজতো সমাজ আৰু ধৰ্ম সংস্কাৰৰ মনোভাৱ গা কৰি উঠে। ছাৰ ছৈয়দ আহমদ খানে তেওঁলোকৰ সমাজত প্ৰচলিত পৰ্দা প্ৰথা, বহু বিবাহ, বাল্য বিবাহ আদি প্ৰথাসমূহত বাধা আৰোপ কৰি জাগৰণৰ সৃষ্টি কৰিছিল। ভাৰতীয় মুছলমানসকলৰ মাজত পুনৰ জাগৰণৰ পোহৰ বিলোৱা কাৰ্যসূচীৰ কেন্দ্ৰভূমি আছিল আলিগড় চহৰ। সেয়ে ইয়াক **আলিগড় আন্দোলনো** বোলা হয়।

এইখিনিতে উল্লেখ কৰিব লাগিব যে প্ৰথম অৱস্থাত বৃটিছৰ পাশ্চাত্য নীতি বা পাশ্চাত্য শিক্ষাৰ প্ৰতি হিন্দুসকলৰ পৰা যিখিনি সহাঁৰি বৃটিছ চৰকাৰে পাইছিল মুছলমান সম্প্ৰদায়ৰপৰা তেনে সহাঁৰি পোৱা নাছিল। ১৮ শতিকাৰ শেষাৰ্ধত আৰু ১৯ শতিকাৰ প্ৰথমাৰ্ধত **'ৱাহাবি'** আন্দোলনে ভাৰতবৰ্ষত গা কৰি উঠিছিল। পাশ্চাত্য আৰ্হিত বৃটিছে যি বৈপ্লবিক পৰিৱৰ্তন আনিবলৈ চেষ্টা কৰিছিল তাত ৰক্ষণশীল মুছলমান সমাজে প্ৰতিবাদ কৰিছিল। মুছলমানসকলৰ ৱাহাবি সম্প্ৰদায়টোৱে এনে প্ৰতিবাদত উদ্‌গনি দিছিল। কিন্তু পিছলৈ ছাৰ ছৈয়দ আহমদ খানৰ নেতৃত্বত মুছলমান সম্প্ৰদায়তো নৱ জাগৰণে ভুমুকি মাৰিছিল।

### ক্ৰিয়াকলাপ ঃ

✦ আলিগড় আন্দোলনে সমাজত কি কি পৰিৱৰ্তনৰ সূচনা কৰিছিল?



*চিত্ৰ ৭.৯ ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ*

Src: wikimedia.org

উল্লেখযোগ্য যে এই অনুষ্ঠানসমূহৰ উপৰি সেই সময়ত ব্যক্তিগতভাৱে কিছুমান লোকে সমাজ সংস্কাৰত নামিছিল। এওঁলোকৰ ভিতৰত ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰৰ নাম উল্লেখযোগ্য। বংগদেশৰ ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰে স্ত্ৰী শিক্ষাৰ প্ৰসাৰৰ বাবে সমাজখনক জগাই তুলিবলৈ যথেষ্ট চেষ্টা কৰিছিল। ইয়াৰ ফলত ১৯ শতিকাৰ মাজভাগত বহুতো মহিলাই ঘৰতেই শিক্ষা গ্ৰহণ কৰাৰ ব্যৱস্থা কৰি লৈছিল। ইয়াৰ ভিতৰত কলিকতাৰ ৰাজসুন্দৰী দেৱীয়ে শিক্ষা গ্ৰহণত বিশেষ আগ্ৰহ দেখুৱাইছিল। তেওঁ **'আমাৰ জীৱন'** নামে বঙলা ভাষাত এখন আত্মজীৱনীমূলক পুথি লিখি উলিয়াইছিল। এইখনেই আছিল প্ৰথম ভাৰতীয় মহিলাৰ আত্মজীৱনীমূলক গ্ৰন্থ। ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰে বিধৱাসকলৰ পুনৰ বিবাহৰ ওপৰত যথেষ্ট গুৰুত্ব দিছিল আৰু নিজেও তেওঁৰ পুত্ৰৰ লগত এগৰাকী বিধৱা মহিলাক বিবাহ কৰাই সমাজত দৃষ্টান্ত দাঙি ধৰিছিল।

এইদৰেই ভাৰতত এক নৱজাগৰণ (Renaissance)ৰ অভ্যুদয় হৈছিল। ভাৰতৰ শাসন ব্যৱস্থা, সমাজ আৰু অৰ্থনীতি সংস্কাৰত ইষ্ট ইণ্ডিয়া কোম্পানীয়েও যথেষ্ট অৰিহণা যোগাইছিল। ফলত ভাৰতবাসীয়েও আধুনিকতাৰ জগতখনলৈ ক্ৰমান্বয়ে ধাৱমান হৈছিল।

### মনত ৰাখিবলগীয়া কথা ঃ

✦ ইষ্ট ইণ্ডিয়া কোম্পানীৰ গৱৰ্ণৰ জেনেৰেলসকলে ভাৰতৰ প্ৰশাসন, বিচাৰ, আৰ্থ-সামাজিক আৰু শিক্ষা সংস্কাৰৰ কাম হাতত লৈছিল।

✦ লৰ্ড কৰ্ণৱালিছে ভাৰতত ভূমিৰ চিৰস্থায়ী বন্দবস্তৰ পাতনি মেলিছিল।

✦ চিৰস্থায়ী বন্দবস্তই জমিদাৰসকলক মাটিৰ সৰ্বস্বত্ব প্ৰদান কৰিছিল।

✦ লৰ্ড হেষ্টিংছৰ দিনত ভাৰতত সৰ্বপ্ৰথমে মাটিৰ পট্টা দিয়া কাম আৰম্ভ হৈছিল।

✦ লৰ্ড ডেলহাউচিয়ে ভাৰতত প্ৰাথমিক, উচ্চ ইংৰাজী বিদ্যালয় আৰু মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিছিল।

✦ লৰ্ড ডেলহাউচিৰ দিনত ভাৰতত সংস্কৃত সাহিত্যৰ পুনৰুত্থান হৈছিল।

✦ ভাৰতীয় সমাজৰ উন্নয়নত ব্ৰাহ্ম সমাজ, প্ৰাৰ্থনা সমাজ, আৰ্য সমাজ, ৰামকৃষ্ণ মিছন আৰু আলিগড় আন্দোলনৰ অৱদান উল্লেখনীয়।

## অনুশীলনী

১। উত্তৰ দিয়া—

ক) লৰ্ড কৰ্ণৱালিছৰ কাৰ্যবিধিখনক কি বুলি জনা যায়?

খ) ভাৰতত চিৰস্থায়ী বন্দবস্ত কোনে প্ৰবৰ্তন কৰিছিল?

গ) কোনজন গৱৰ্ণৰ জেনেৰেলে ভাৰতত মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা প্ৰবৰ্তন কৰিছিল?

ঘ) শিক্ষা সম্পৰ্কত চাৰ্লছ উডৰ প্ৰেৰণ পত্ৰ কোনজন ইংৰাজ গৱৰ্ণৰ জেনেৰেলে প্ৰস্তুত কৰিছিল?

ঙ) ভাৰতত প্ৰথম মহিলাৰ আত্মজীৱনীখন কোনে লিখিছিল?

২। 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা—

| 'ক' অংশ | 'খ' অংশ |
|---|---|
| ৰাজা ৰামমোহন ৰায় | প্ৰাৰ্থনা সমাজ |
| ৰামকৃষ্ণ পৰমহংসদেৱ | ব্ৰাহ্ম সমাজ |
| ছাৰ ছৈয়দ আহমদ খান | আৰ্য সমাজ |
| গোবিন্দ ৰাণাডে | আলিগড় আন্দোলন |
| দয়ানন্দ সৰস্বতী | ৰামকৃষ্ণ মিছন |

৩। শুদ্ধ/অশুদ্ধ বিচাৰ কৰা —

ক) ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতত ৰাজশক্তি ৰূপে প্ৰতিষ্ঠা লাভ কৰাৰ সময়ত দিল্লীৰ সম্ৰাট গৰাকী আছিল ফাৰুখছিয়াৰ/বাহাদুৰ ছাহ দ্বিতীয়।

খ) ১৭৮১ খ্ৰীষ্টাব্দত ৱাৰেণ হেষ্টিংছে/লৰ্ড হেষ্টিংছে কলিকতাত মাদ্ৰাছা এখন খুলিছিল।

গ) কোম্পানীৰ স্বাৰ্থ সুৰক্ষাৰ বাবে/নতুন ৰাজ্য অধিগ্ৰহণৰ বাবে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে সামৰিক বাহিনী গঠন কৰিছিল।

(ঘ) ছাৰ ছৈয়দ আহমেদ খান/নবাব আব্দুল লতিফে এংলো অৰিয়েণ্টেল কলেজ স্থাপন কৰিছিল।

ঙ) সত্যাৰ্থ প্ৰকাশ গ্ৰন্থখনৰ ৰচক আছিল দয়ানন্দ সৰস্বতী/ৰাজা ৰামমোহন ৰায়।

৪। চমু টোকা লিখা—

(ক) ৰাজা ৰামমোহন ৰায় (খ) ছাৰ ছৈয়দ আহমদ খান (গ) স্বামী বিবেকানন্দ

(ঘ) দয়ানন্দ সৰস্বতী (ঙ) দেৱেন্দ্ৰ নাথ ঠাকুৰ

৫। ৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখা—

(ক) চিৰস্থায়ী বন্দবস্ত কোনে প্ৰৱৰ্তন কৰিছিল? ইয়াৰ চৰ্তবোৰ কি?

(খ) ইংৰাজ শাসনত হোৱা বিচাৰ বিভাগীয় সংস্কাৰসমূহ কি কি?

(গ) ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰৰ সংস্কাৰমূলক কামবোৰ কি আছিল?

# পাঠ - ৮
# অসমত আহোম ৰাজত্বৰ পতন আৰু বৃটিছৰ উত্থান

K5A9C7

**শিকনৰ ফলাফল ঃ**

- অসমত আহোমসকলে ৰাজত্ব কৰা কালত সূত্ৰপাত হোৱা বিদ্ৰোহৰ বিষয়ে ধাৰণা লাভ কৰিব।
- কেপ্তেইন ৱেলছৰ অসম আগমনৰ বিষয়ে অৱগত হ'ব।
- মানৰ অসম আক্ৰমণৰ কাৰণ আৰু তাৰ ফলাফলৰ লগত পৰিচিত হ'ব।
- ইয়াণ্ডাবু সন্ধিৰ চৰ্তসমূহ আৰু ইয়াৰ প্ৰভাৱৰ বিষয়ে জানিব পাৰিব।

এই পাঠ্যপুথিৰ ইতিহাস খণ্ডৰ দ্বিতীয় আৰু তৃতীয় পাঠত তোমালোকে আহোম স্বৰ্গদেউসকলৰ লগতে আহোম যুগৰ ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক দিশৰ বিষয়ে কিছু আভাস পালাহঁক। এই অধ্যায়ত তোমালোকে আহোম ৰাজ্যৰ ভিতৰ চ'ৰাত হোৱা গৃহকন্দল আৰু এই কন্দলে কেনেকৈ বিদ্ৰোহৰ ৰূপ লৈছিল তাৰ বিষয়ে অৱগত হ'ব পাৰিবা। এই ৰাজনৈতিক পৰিস্থিতিয়ে যে অসমলৈ বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ আগমন ঘটাইছিল সেই কথাও জানিব পাৰিবা।

## মোৱামৰীয়া প্ৰথম বিদ্ৰোহ ঃ

ওঠৰ শতিকাৰ মাজ ভাগত আহোম স্বৰ্গদেউ লক্ষ্মী সিংহৰ ৰাজত্ব কালৰপৰাই অসমত হিন্দু শাক্ত ধৰ্মৰ পুনৰুত্থান হোৱা বুলি কোৱা হয়। কিয়নো এওঁৰ দিনৰপৰাই হিন্দু ধৰ্ম মতে শ দাহ কৰাৰ নিয়ম কৰা হৈছিল আৰু আহোমসকলৰ দেওধাই পণ্ডিতৰ নিয়ম ত্যাগ কৰি ব্ৰাহ্মণ্য নিয়ম মতে পূজা-অৰ্চনা কৰা হৈছিল। সেই সময়ত অসমত বৈষ্ণৱ পন্থী মহন্তসকলো সমাজৰ উচ্চ স্তৰৰ লোক হিচাপে বিবেচিত আছিল। এদিন লক্ষ্মী সিংহ স্বৰ্গদেউৰ ৰাজসভাত থকা কীৰ্তিচন্দ্ৰ বৰবৰুৱা নামৰ বিতৰ্কিত, ঘোৰ শাক্তপন্থী বিষয়াই চেগ বুজি মহন্তসকলৰ গুৰু মোৱামৰীয়া মহন্তক অপমান কৰে। ইয়াতে মহন্তসকল অতি ক্ষুণ্ণ হয় আৰু প্ৰথম মোৱামৰীয়া বিদ্ৰোহৰ সূত্ৰপাত ঘটে। এই বিদ্ৰোহৰ প্ৰথম অৱস্থাত ৰজা ঘৰৰ পৰাজয় হৈছিল যদিও পিছলৈ বিদ্ৰোহীসকলে ৰজাৰ ওচৰত পৰাভূত হ'ব লগা হৈছিল। এই বিদ্ৰোহৰ পাছত স্বৰ্গদেউ লক্ষ্মীসিংহৰ মৃত্যু হয়।

**ক্ৰিয়াকলাপ ঃ**

- শাক্ত ধৰ্ম বুলিলে কি বুজা? শাক্ত ধৰ্মীসকলৰ পূজা-অৰ্চনাৰ মূল ভিত্তি কি?

## মোৱামৰীয়াৰ দ্বিতীয় বিদ্ৰোহ ঃ

লক্ষ্মীসিংহৰ মৃত্যুৰ পাছত তেওঁৰ পুত্ৰ গৌৰীনাথ সিংহ আহোম ৰাজপাটত বহে। এই জনা স্বৰ্গদেউ মোৱামৰীয়া মহন্তসকলৰ ঘোৰ বিৰোধী আছিল। ইফালে মোৱামৰীয়া মহন্তসকলেও প্ৰথমটো বিদ্ৰোহত পৰাজিত হৈ মনে মনে তাৰ

প্ৰতিশোধ ল'বলৈ বিচাৰি আছিল। ১৭৮২ খ্ৰীষ্টাব্দত মোৱামৰীয়াসকলে সেই সুযোগ লাভ কৰিলে। বিদ্ৰোহীসকলে এদিন নিশা আহোম ৰাজধানী গড়গাঁও আক্ৰমণ কৰিলে। আহোম স্বৰ্গদেউ গৌৰীনাথ সিংহই কোনো মতে প্ৰাণ ৰক্ষা কৰি পলাই গ'ল। বিদ্ৰোহীসকলে যাকে য'তে পালে কাটি-মাৰি সন্ত্ৰাসৰ সৃষ্টি কৰিলে। অৱশ্যে ঘনশ্যাম বৰবৰুৱাৰ তৎপৰতাত আহোম সেনাই ৰংপুৰৰপৰাই বিদ্ৰোহীসকলক বাধা দি থাকিল। ইতিমধ্যে ঘনশ্যাম বৰবৰুৱাৰ মৃত্যু হ'লত তেওঁৰ পুত্ৰ পূৰ্ণানন্দ বুঢ়াগোহাঁই পদত অধিষ্ঠিত হ'ল। পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে কৌশলেৰে মোৱামৰীয়াৰ এই দ্বিতীয় বিদ্ৰোহ দমন কৰিবলৈ সক্ষম হয়।

## মোৱামৰীয়াৰ তৃতীয় বিদ্ৰোহ ঃ

মোৱামৰীয়াৰ দ্বিতীয় বিদ্ৰোহ দমন হ'ল সঁচা, কিন্তু স্বৰ্গদেউ গৌৰীনাথ সিংহৰ মোৱামৰীয়াসকলৰ ওপৰত দমন উৎপীড়ন চলিয়েই থাকিল। সেয়েহে ১৭৮৬ খ্ৰীষ্টাব্দত মোৱামৰীয়াসকলে পুনৰ বিদ্ৰোহ আৰম্ভ কৰিলে। স্বৰ্গদেউ গৌৰীনাথ সিংহই ৰাণী, লুকি, বেলতলা আদি সৰু সৰু স্বাধীন ৰাজ্যৰ ৰজাসকলৰ সহযোগত বিদ্ৰোহীসকলক দমন কৰাৰ চেষ্টা কৰি বিফল হয়। উপায়হীন গৌৰীনাথ সিংহই ৰাজধানী ৰংপুৰ এৰি গুৱাহাটীলৈ পলাই গ'ল। পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াই মৰণত শৰণ দি ৰংপুৰ ৰক্ষাৰ চেষ্টা কৰিলে। পিচে, উপায়ন্তৰ হৈ তেওঁ ৰংপুৰৰপৰা ৰাজধানী যোৰহাটলৈ স্থানান্তৰিত কৰিলে। আনহাতে এই সময়তে মধ্য আৰু নামনি অসমত মোৱামৰীয়া বিদ্ৰোহৰ গইনা লৈ সামন্ত শক্তিসমূহে ৰাজনৈতিক স্বাৰ্থ পূৰণ কৰাৰ চেষ্টা কৰিলে। পৰিস্থিতি ক্ৰমাৎ অৱনতি হোৱাত গৌৰীনাথ সিংহই উপায়ন্তৰ হৈ ভাৰতৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড কৰ্ণৱালিছৰ সহায় ভিক্ষা মাগিলে। গৌৰীনাথ সিংহৰ এই আমন্ত্ৰণত বৃটিছসকলে বৰ আনন্দ পাইছিল কিয়নো তেওঁলোকে ইতিমধ্যে প্ৰচুৰ প্ৰাকৃতিক সম্পদেৰে চহকী অসমৰ বিষয়ে জানিছিল আৰু এই সম্পদসমূহৰ সু-ব্যৱহাৰ কৰি কোম্পানীৰ অৰ্থনীতি টনকিয়াল কৰিবলৈ সুযোগৰ অপেক্ষাত আছিল। তদুপৰি বংগদেশত থকা ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসমৰ শদিয়াত লোণৰ খনিৰ উমান পাইছিল। লোণৰ ব্যৱসায়ৰ প্ৰতি বৃটিছ কোম্পানীৰ বিশেষ দুৰ্বলতা আছিল। তেওঁলোকে এই কথাও বুজিব পাৰিছিল যে অসমৰ পৰ্যাপ্ত সম্পদেৰে বৃটিছ সৈন্য-বাহিনীৰ বাবে হোৱা লাগতিয়াল খা-খৰচ যোগোৱাটো ইষ্ট ইণ্ডিয়া কোম্পানীৰ বাবে সমস্যা নহ'ব। সেয়েহে গৱৰ্ণৰ জেনেৰেল কৰ্ণৱালিছে ১৭৯২ খ্ৰীষ্টাব্দত কেপ্তেইন ৱেলছক অসমলৈ পঠিয়াই দিয়ে। গুৱাহাটীৰপৰা ভীতিগ্ৰস্ত হৈ পলাই যোৱা স্বৰ্গদেউ গৌৰীনাথ সিংহই নগৰবেৰাত কেপ্তেইন ৱেলছৰ সৈন্য-বাহিনীৰ সৈতে লগ লাগিল। যৌথ শক্তিয়ে অচিৰেই বিদ্ৰোহীসকলৰ হাতৰপৰা গুৱাহাটী উদ্ধাৰ কৰে। ইয়াৰ পিছত কেপ্তেইন ৱেলছে দৰঙী ৰজা কৃষ্ণ নাৰায়ণৰ বিদ্ৰোহ দমন কৰে। ক্ৰমান্বয়ে কেপ্তেইন ৱেলছে নামনি আৰু উজনি অসমৰ বিদ্ৰোহ দমন কৰি গৌৰীনাথ সিংহক আহোমৰ শাসনভাৰ গতাই দিয়ে। উল্লেখযোগ্য যে লৰ্ড কৰ্ণৱালিছৰ পৰৱৰ্তী গৱৰ্ণৰ জেনেৰেল ছাৰ জন ছ'ৰৰ দিনত হোৱা বৈদেশিক নীতিৰ সাল-সলনিৰ ফলত কেপ্তেইন ৱেলছ ১৭৯৪ খ্ৰীষ্টাব্দত স্বদেশলৈ প্ৰত্যাৱৰ্তন কৰে।

### জানি থওঁ আহা ঃ

- কেপ্তেইন ৱেলছে সেই সময়ৰ অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক অৱস্থাৰ ওপৰত এটি বিৱৰণ লিখি থৈ গৈছে। অসমৰ ইতিহাস ৰচনাৰ ই এক মূল্যবান সমল বুলি গণ্য কৰা হয়। গুৱাহাটী এখন জনবসতিপূৰ্ণ সুৰক্ষিত নগৰ বুলি তেওঁ বৰ্ণনা কৰি গৈছে। ৰংপুৰ ৰাজধানীখন অতি আহল-বহল আৰু ইয়াৰ পৰিধি একুৰি মাইল বুলি লিখিছে। অসমত নদন-বদন খেতি হৈছিল আৰু বংগদেশৰ সৈতে অসমৰ বেহা-বেপাৰৰ সম্বন্ধ আছিল। প্ৰাকৃতিক সম্পদত অসম চহকী আছিল। তেওঁ অসমৰ পাইক প্ৰথা আৰু ডা-ডাঙৰীয়াসকলৰ ৰাজনৈতিক ভূমিকাৰ কথাও বৰ্ণনা কৰি গৈছে।

**উত্তৰ লিখা ঃ**

- কোন আহোম বিষয়াই ৰংপুৰৰপৰা ৰাজধানী যোৰহাটলৈ তুলি নিছিল?
- কোন স্বৰ্গদেৱে লৰ্ড কৰ্ণৱালিছৰ সহায় ভিক্ষা কৰিছিল?
- কৃষ্ণ নাৰায়ণ কোন আছিল?
- নগৰবেৰা বৰ্তমান কোন জিলাত অৱস্থিত?

## মানৰ প্ৰথম অসম আক্ৰমণ ঃ

তোমালোকে অসমত মানৰ আক্ৰমণৰ বিষয়ে ককা-আইতাৰ মুখত নাইবা অন্যান্য পুথি পঢ়ি নিশ্চয় জানিব পাৰিছা। এই মানসকল আছিল ব্ৰহ্মদেশৰ লোক। ব্ৰহ্মদেশখনক বৰ্তমান **ম্যানমাৰ** নামেৰে জনা যায়। ব্ৰহ্মদেশৰ প্ৰকৃত নাম হ'ল 'বাম্মা' বা 'বৰ্মা'। অসমখন এসময়ত এওঁলোকৰ হাতত শ্মশানত পৰিণত হৈছিল। মানৰ দিন বুলি ক'লে মানৰ অসম আক্ৰমণৰ বহু বছৰৰ পাছলৈকে মানুহৰ ভয়তে পেটত হাত-ভৰি লুকাইছিল।

কেপ্তেইন ৱেলছে অসমত শান্তি স্থাপন কৰি যোৱাৰ পাছতো ইয়াত কেইবাটাও আভ্যন্তৰীণ বিদ্ৰোহে দেখা দিছিল। তাৰোপৰি মানৰ অসম আক্ৰমণ আছিল এক উল্লেখযোগ্য ঘটনা। মানৰ অসম আক্ৰমণৰ মূলতে আছিল আহোমৰ উচ্চপদস্থ বিষয়া বদনচন্দ্ৰ বৰফুকন আৰু পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ মাজৰ ক্ষমতাৰ দ্বন্দ্ব। এই সময়ত আহোম ৰাজপাটত বহিছিল কোমল বয়সীয়া চন্দ্ৰকান্ত সিংহ। চন্দ্ৰকান্ত সিংহ ৰাজপাটত বহিছিল যদিও প্ৰকৃত শাসনভাৰপূৰ্ণানন্দ বুঢ়াগোহাঁইৰ হাতত আছিল। অন্য হাতেদি বদন চন্দ্ৰ বৰফুকন আছিল বৰ ক্ষমতালোভী ব্যক্তি। তেওঁ আনকি পূৰ্ণানন্দ বুঢ়াগোহাঁইক হত্যা কৰাৰ ষড়যন্ত্ৰও ৰচনা কৰিছিল। বুঢ়াগোহাঁইয়ে বদন চন্দ্ৰ বৰফুকনৰ এনেবোৰ কাৰ্যকলাপত অসন্তুষ্ট হৈ তেওঁক ধৰি আনিবলৈ পৰ্বতীয়া বৰফুকনক পঠিয়াইছিল। বদন চন্দ্ৰ বৰফুকনে আগতীয়াকৈ এই বাতৰি পাই কলিকতালৈ পলাই যায়। কলিকতাত উপস্থিত হৈ তেওঁ বুঢ়াগোহাঁইৰ বিৰুদ্ধে ইষ্ট ইণ্ডিয়া কোম্পানীৰ সহায় বিচাৰিলে। কিন্তু কোম্পানীয়ে সহায় কৰিবলৈ অমান্তি হোৱাত বদন চন্দ্ৰ বৰফুকন ব্ৰহ্মদেশত উপস্থিত হয়। বদন চন্দ্ৰ বৰফুকনে অসমত ক্ষমতাৰ অপপ্ৰয়োগ হোৱা বুলি ব্ৰহ্মদেশৰ ৰজা বডৌপায়াৰ সহায় বিচৰাত মানসকলে প্ৰথমবাৰ অসম আক্ৰমণ কৰে। মানৰ আক্ৰমণৰ সময়তে পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ মৃত্যু হোৱাত তেওঁৰ পুত্ৰ ৰুচিনাথে বুঢ়াগোহাঁইৰ বাব লয়। ৰুচিনাথে সসৈন্যে মানসকলক পাৰ্যমানে বাধা দিছিল যদিও অৱশেষত পৰাজয় বৰণ কৰি গুৱাহাটীলৈ পলাই যায়। মানসকলে চন্দ্ৰকান্ত সিংহকে পুনৰ আহোম সিংহাসনত বহুৱায়। ৰুচিনাথৰ ঠাইত বদনচন্দ্ৰ বৰফুকনক বুঢ়াগোহাঁইৰ পদবীত অধিষ্ঠিত কৰি অজস্ৰ ধন-সম্পত্তি লৈ মানসকল নিজ দেশলৈ উভটি যায়।

## মানৰ দ্বিতীয় আক্ৰমণ ঃ

চন্দ্ৰকান্ত সিংহক সংস্থাপিত কৰি মানসকল গুচি যোৱাৰ পিছত বদনচন্দ্ৰ বৰফুকন ৰাজ্যৰ সৰ্বময় কৰ্তা হৈ পৰে। সংকতকালীন আহোম ৰাজতন্ত্ৰক ৰক্ষা কৰাৰ পৰিৱৰ্তে তেওঁ অত্যাচাৰী আৰু দুষ্কাৰ্যৰ লগত জড়িত হৈ পৰিল। তেওঁৰ এই কাৰ্যত অতিষ্ঠ হৈ ৰাজমাও নুমলীয়ে বৰবৰুৱা আৰু বৰগোহাঁইৰ লগ লাগি ৰূপসিং চুবেদাৰৰ হতুৱাই বদনচন্দ্ৰ বৰফুকনক হত্যা কৰোৱায়। ইয়াৰ পিছত সম্পূৰ্ণ আনৰ ওপৰত নিৰ্ভৰশীল চন্দ্ৰকান্ত সিংহই ৰুচিনাথক পুনৰ বুঢ়াগোহাঁইৰ বাব ল'বৰ বাবে মাতি পঠিয়ায়। ৰুচিনাথে ইয়াত কিবা গোপন ষড়যন্ত্ৰ জড়িত হৈ আছে বুলি ভাবি যোৰহাট অভিমুখে এটি সৈন্য দলহে প্ৰেৰণ কৰে। ভীতিগ্ৰস্ত হৈ চন্দ্ৰকান্ত সিংহ ৰংপুৰলৈ পলাই যায়। হেলাৰঙে যোৰহাট অধিকাৰ কৰি ৰুচিনাথে পুৰন্দৰ সিংহক আহোমৰ সিংহাসনত বহুৱায়। অসমৰ ৰাজনীতিলৈ পুনৰ অস্থিৰতা নামি অহা গম পাই আৰু নিজৰ

মুনাফা আদায়ৰ বাবে ব্ৰহ্মৰজা বডৌপায়াই আলুমিঙ্গি নামৰ এজন সেনাপতিৰ অধীনত এক বিশাল সৈন্য-বাহিনী অসমলৈ প্ৰেৰণ কৰে। এই যুদ্ধত আহোম সৈন্য পৰাজিত হয়। ৰজা পুৰন্দৰ সিংহ আৰু ৰুচিনাথ বুঢ়াগোঁহাই গুৱাহাটীলৈ পলাই যায়। আলুমিঙ্গিয়ে চন্দ্ৰকান্তক পুনৰ ৰজা পাতি মিঙ্গিমাহা তিলোৱা নামৰ আন এজন সেনাপতিৰ নেতৃত্বত কিছু সংখ্যক ব্ৰহ্মদেশৰ সেনা এৰি স্বদেশলৈ প্ৰত্যাবৰ্তন কৰে।

### ক্ৰিয়াকলাপ ঃ

- বদনচন্দ্ৰ বৰফুকন আৰু পূৰ্ণানন্দ বুঢ়াগোঁহাইৰ মাজৰ দ্বন্দৰ কাৰণ কি আছিল? দলত আলোচনা কৰি এটি টোকা প্ৰস্তুত কৰা।

## মানৰ তৃতীয় আক্ৰমণ ঃ

চন্দ্ৰকান্ত সিংহ ৰজা হ'ল যদিও প্ৰকৃত পক্ষে মান সেনাপতি মিঙ্গিমাহায়েহে অসম দেশ শাসন কৰিছিল। চন্দ্ৰকান্ত সিংহই ৰাজনৈতিক ক্ষমতা হেৰুৱাইছিল বুলি ক'ব পাৰি। মানৰ অতপালি দিনে দিনে বাঢ়ি গৈছিল। চন্দ্ৰকান্ত সিংহ লাহে লাহে মানসকলৰ বিৰোধী হৈ উঠিছিল। এনে সময়তে অসমত থকা মান সেনাপতি ব্ৰহ্মদেশলৈ উভতি যাওঁতে চন্দ্ৰকান্ত সিংহই মানসকল যাতে পুনৰ ঘূৰি আহিব নোৱাৰে তাৰ বাবে মান অসমলৈ অহা পথটো বন্ধ কৰাৰ যো-জা কৰোঁতে মানৰ নতুন ৰজা বাগ্যিদোৱাই সৈন্য-সামন্তৰে আহি তৃতীয়বাৰ আহোম ৰাজ্য আক্ৰমণ কৰি অসমীয়া সৈন্যক পৰাজিত কৰিছিল। মানৰ আক্ৰমণৰ ফলাফল স্বৰূপে অসমে অৰ্থনৈতিক সংকটত ভুগিব লগা হৈছিল। চন্দ্ৰকান্ত সিংহক ৰংপুৰত বন্দী কৰি থৈছিল আৰু অসমৰ প্ৰায়বোৰ ঠায়েই তেওঁলোকৰ দখললৈ গৈছিল।

### উত্তৰ লিখা ঃ


- মানৰ তৃতীয় আক্ৰমণৰ সময়ত আহোম স্বৰ্গদেউ কোন আছিল?
- চন্দ্ৰকান্ত সিংহক কিয় ৰংপুৰত বন্দী কৰি থোৱা হৈছিল?

কেপ্তেইন বেলছ অসমৰপৰা ঘূৰি যোৱাৰ পিছত বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসম তথা উত্তৰ-পূব ভাৰতৰ ৰাজনীতিত প্ৰৱেশ কৰাত বিশেষ গুৰুত্ব দিয়া নাছিল। কিন্তু মানসকলে কোম্পানীৰ অধিকৃত অঞ্চলত কৰা হস্তক্ষেপে পুনৰ কোম্পানীৰ চৰকাৰক উত্তৰ-পূব ভাৰতৰ ৰাজনীতিত হস্তক্ষেপ কৰাৰ বাবে বাধ্য কৰালে। অসমৰ ৰাজনীতিত প্ৰত্যক্ষ হস্তক্ষেপৰ পিছত মানসকলে মণিপুৰ আৰু কাছাৰৰ ৰাজনীতিতো সোমাই পৰে। ইমান দিনে কোম্পানীৰ চৰকাৰে আনৰ ৰাজ্যৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ নকৰা নীতিকে অনুসৰণ কৰি আছিল। কিন্তু মানৰ দৰে সম্প্ৰসাৰণবাদী শক্তি এটাৰ হস্তক্ষেপৰ বাবে কোম্পানী চৰকাৰে

### জানি থওঁ আহা ঃ

- ১৮১৭, ১৮১৯ আৰু ১৮২১ খ্ৰীষ্টাব্দত যথাক্ৰমে মানৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় অসম আক্ৰমণ সংঘটিত হৈছিল।
- আমাৰ দেশৰ দক্ষিণ-পূব কোণত পাটকাই পৰ্বতৰ শাৰী আছে। এই পৰ্বতৰ উত্তৰে আমাৰ অসম দেশ আৰু দক্ষিণে ব্ৰহ্মদেশ। এই পাটকাই পৰ্বত পাৰ হৈ মানসকল অসমত প্ৰৱেশ কৰিছিল।
- কেপ্তেইন বেলছৰ সহায়তে অসমে পোন প্ৰথমবাৰৰ বাবে অসমত বৃটিছৰ আৰ্হিত সৈন্য-বাহিনী গঠন কৰিবলৈ শিকিছিল।

স্থিতি সলনি কৰিবলৈ বাধ্য হ'ল। উল্লেখযোগ্য যে মান ৰাজ্যৰ অন্তৰ্ভুক্ত আৰাকানৰপৰা পলায়ন কৰা বহুটো লোক তথা ক্ষমতাচ্যুত আহোম ৰজা চন্দ্ৰকান্ত আৰু পুৰন্দৰ সিংহক কোম্পানী চৰকাৰে আশ্ৰয় দিয়াৰ বাবে মান ৰজা কোম্পানীৰ প্ৰতি বিতুষ্ট হৈছিল। ঠিক সেইদৰে অসম দখল কৰাৰ পিছত মান সেনাই কোম্পানীৰ অধীনস্থ গোৱালপাৰা, চট্টগ্ৰাম, চিলেট (শ্ৰীহট্ট) আদিত সোমাই মানুহ মাৰি লুট-পাত কৰিবলৈ ধৰিলে। ফলত পূব ভাৰতৰ বৃটিছ প্ৰতিনিধি ডেভিদ স্কটৰ পৰামৰ্শ মতে ১৮২৪ খ্ৰীষ্টাব্দত তৎকালীন গৰৰ্ণৰ জেনেৰেল লৰ্ড আৰ্মহাৰ্ষ্টে ব্ৰহ্মদেশৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে। যুদ্ধত মানসকল বৃটিছ বাহিনীৰ হাতত পৰাস্ত হয়। ১৮২৬ খ্ৰীষ্টাব্দৰ ২৪ ফেব্ৰুৱাৰীত দুই পক্ষৰ মাজত ইয়াণ্ডাবুত এখন চুক্তি স্বাক্ষৰিত হয়। এয়াই ইতিহাস প্ৰসিদ্ধ **ইয়াণ্ডাবুৰ সন্ধি**।




*চিত্ৰ ৮.১ আনুমানিক ১৯ শতিকাৰ ব্ৰহ্মদেশৰ মানচিত্ৰ*

এই সন্ধিৰ চৰ্তমতে মান ৰজাই ইংৰাজ কোম্পানীক উপযুক্ত ক্ষতিপূৰণ দিয়াৰ উপৰি আৰাকান, টেনাচেৰিম আৰু য়েহ এৰি দিছিল। দ্বিতীয়তে মানসকলে অসম, কাছাৰ আৰু মণিপুৰৰ ওপৰত থকা সকলো অধিকাৰ ত্যাগ কৰাৰ লগতে ভৱিষ্যতে এই ৰাজ্যবোৰৰ ওপৰত অধিকাৰ সাব্যস্ত নকৰে বুলি প্ৰতিশ্ৰুতি দিয়ে। সেয়েহে ইয়াণ্ডাবু সন্ধিৰ ফলত ১৮২৬ খ্ৰীষ্টাব্দৰপৰা সাম্ৰাজ্যবাদী বৃটিছসকলে অসমৰ শাসনভাৰ তেওঁলোকৰ দখললৈ আনিছিল। প্ৰথমাৱস্থাত তেওঁলোকে গোটেই অসমখন নিজৰ দখললৈ নানি পূবফালে থকা মটক, মৰাণ, খামতি আৰু চিংফৌ ৰজাক তেওঁলোকৰ নিজ নিজ

**জানি থোৱা ঃ**

- আভা হ'ল কেন্দ্ৰীয় ব্ৰহ্মদেশৰ (ম্যানমাৰ) ৰাজধানী। আভাৰ বৰ্তমান নাম হ'ল ইনৱা (Inwa)। ইয়াণ্ডাবু ঠাইখন হ'ল আভাৰ পৰা ৮০ কিলমিটাৰ নিলগত।
- ব্ৰহ্মদেশত ইংৰাজ সৈন্যদলৰ সেনাপতি আছিল চাৰ আৰ্চিবেল কেম্বল চাহাব। তেওঁ সমুদ্ৰেৰে ব্ৰহ্মদেশলৈ যাত্ৰা কৰিছিল। আভাৰ ৰজা পগিাদোবাই বৃটিছসকলে সাগৰৰ পথেৰে তেওঁৰ ৰাজ্য আক্ৰমণ কৰিব পাৰে বুলি কল্পনাই কৰিব পৰা নাছিল।

ৰাজ্যৰ শাসন কৰিবলৈ দি ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাকী অংশ পৰ্যায়ক্ৰমে নিজৰ অধীনলৈ আনিছিল। এইদৰে ১৮২৬ খ্ৰীষ্টাব্দৰপৰা ১৯৪৭ খ্ৰীষ্টাব্দৰ ১৫ আগষ্টলৈ অসম দেশ বৃটিছৰ অধীনত আছিল। এই সময়ছোৱাত অসম সামাজিক আৰু অৰ্থনৈতিকভাৱে যথেষ্ট ক্ষতিৰ সন্মুখীন হৈছিল।

## মনত ৰাখিবলগীয়া কথা ঃ

- ওঠৰ শতিকাৰ মাজ ভাগত অসমত শাক্ত পন্থাই ৰজা ঘৰৰ ধৰ্ম হিচাপে ঠাই পাইছিল।
- অসমত তিনিবাৰ মোৱামৰীয়া বিদ্ৰোহ সংঘটিত হৈছিল। এই বিদ্ৰোহেই আছিল ৰজা ঘৰৰ বিৰুদ্ধে প্ৰজাৰ প্ৰথম বিদ্ৰোহ।
- ১৭৯২ খ্ৰীষ্টাব্দত কেপ্তেইন বেলছ অসমলৈ আহিছিল আৰু ১৭৯৪ খ্ৰীষ্টাব্দত তেওঁ উভতি যায়।
- কেপ্তেইন বেলছে অসমৰ বিষয়ে এটি মূল্যবান বিৱৰণ লিখি থৈ গৈছে।
- মানসকল ব্ৰহ্মদেশৰ লোক আছিল।
- বদনচন্দ্ৰ বৰফুকন আৰু পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ মাজৰ ক্ষমতাৰ দ্বন্দ্বই অসমলৈ মানসকলক অহাৰ সুবিধা কৰি দিছিল।
- মানে তিনিবাৰ অসম আক্ৰমণ কৰিছিল।
- মানৰ আক্ৰমণে অসমক অৰ্থনৈতিক সংকটত পেলাইছিল।
- মানৰ সম্প্ৰসাৰণবাদী নীতিৰ বাবেই বৃটিছৰ লগত সংঘৰ্ষ হৈছিল।
- বৃটিছ আৰু মানৰ মাজত হোৱা সংঘৰ্ষৰ সামৰণি পৰিছিল ১৮২৬ খ্ৰীষ্টাব্দৰ ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে। এই সন্ধি অনুসৰি মানে অসম ত্যাগ কৰিছিল।
- ১৮২৬ খ্ৰীষ্টাব্দৰপৰাই বৃটিছে অসমত সাম্ৰাজ্যবাদৰ পাতনি মেলিছিল।

## অনুশীলনী ঃ

১। উত্তৰ লিখা—

(ক) অসমত কেতিয়াৰপৰা শাক্ত ধৰ্মৰ পুনৰুত্থান হৈছিল?

(খ) স্বৰ্গদেউ লক্ষ্মী সিংহৰ পাছত আহোমৰ ৰাজপাটত কোনে আৰোহণ কৰিছিল?

(গ) কেপ্তেইন বেলছৰ অসম আগমণৰ সময়ত বৃটিছ গৱৰ্ণৰ জেনেৰেল কোন আছিল?

(ঘ) আহোমসকলৰ শেষ ৰজাজন কোন আছিল?

(ঙ) কিমান খ্ৰীষ্টাব্দত ইয়াণ্ডাবু সন্ধি স্বাক্ষৰিত হৈছিল?

২। ক্ৰমানুসাৰে সজোৱা—

(ক) মোৱামৰীয়া প্ৰথম বিদ্ৰোহ।

(খ) মানৰ দ্বিতীয় আক্ৰমণ।

(গ) কেপ্তেইন ৱেলছৰ অসম আগমন।

(ঘ) ইয়াণ্ডাবু সন্ধি।

(ঙ) মানৰ তৃতীয় আক্ৰমণ।

৩। শুদ্ধ/অশুদ্ধ বাছি উলিওৱা।

(ক) অসমত হোৱা মোৱামৰীয়া বিদ্ৰোহ দমন কৰিবলৈ লৰ্ড কৰ্ণৱালিছ অসমলৈ আহিছিল।

(খ) কীৰ্তিচন্দ্ৰ বৰবৰুৱা ঘোৰ বৈষ্ণৱপন্থী আছিল।

(গ) মানৰ প্ৰথম অসম আক্ৰমণৰ সময়ত মান ৰজা আছিল বডৌপায়া।

(ঘ) ইয়াণ্ডাবু সন্ধিৰ চৰ্ত অনুসাৰে বৃটিছে আৰাকান, টেনাচেৰিম আৰু য়েহ লাভ কৰিছিল।

(ঙ) বদনচন্দ্ৰ বৰফুকনক ৰুচিনাথ বুঢ়াগোহাঁয়ে হত্যা কৰিছিল।

৪। চমু উত্তৰ দিয়া ঃ (৫০ টা মান শব্দৰ ভিতৰত)

(ক) প্ৰথম মোৱামৰীয়া বিদ্ৰোহৰ কাৰণসমূহ কি?

(খ) মানৰ তৃতীয় আক্ৰমণৰ কাৰণসমূহ কি?

(গ) ইয়াণ্ডাবু সন্ধিৰ দুটা চৰ্ত কি?

৫। চমু টোকা লিখা ঃ

(ক) কীৰ্তিচন্দ্ৰ বৰবৰুৱা (খ) পূৰ্ণানন্দ বুঢ়াগোহাঁই (গ) বদনচন্দ্ৰ বৰফুকন

৬। কেপ্তেইন ৱেলছ কোন আছিল? তেওঁ অসমলৈ কিয় আহিছিল আৰু ইয়াৰ ফলাফল কি হ'ল?

৭। 'পূৰ্ণানন্দ বুঢ়াগোহাঁই আৰু বদনচন্দ্ৰ বৰফুকনৰ মাজৰ ক্ষমতাৰ দ্বন্দই অসমলৈ মান অহাত সহায় কৰিছিল'— কথাযাৰৰ যথাৰ্থতা নিৰ্ণয় কৰা।

৮। ইয়াণ্ডাবু সন্ধিৰ পৰৱৰ্তী পৰ্যায়ত বৃটিছসকলে কিয় গোটেই অসমখন নিজৰ শাসনাধীন কৰা নাছিল? তোমাৰ মতামত দাঙি ধৰা।

✧✧✧✧✧✧

# পাঠ- ৯
# ১৮৫৭ চনৰ বিদ্ৰোহ

B8L9Y8

**শিকনৰ ফলাফল ঃ**

- ১৮৫৭ চনৰ বিদ্ৰোহৰ কাৰণ আৰু সম্প্ৰসাৰণৰ বিষয়ে ধাৰণা লাভ কৰিব।
- বিদ্ৰোহৰ নেতাসকলৰ বিষয়ে অৱগত হ'ব।
- বিদ্ৰোহত অসমৰ ভূমিকাৰ বিষয়ে অৱগত হ'ব।
- বিদ্ৰোহৰ পৰৱৰ্তী কালত অসমত সংঘটিত হোৱা কৃষক বিদ্ৰোহৰ লগত পৰিচয় হ'ব।
- ১৮৫৭ চনৰ বিদ্ৰোহৰ প্ৰকৃতি সম্পৰ্কে জানিব পাৰিব।



*চিত্ৰ ৯.১ উত্তৰ ভাৰতত চিপাহী আৰু কৃষক একেলগে বিদ্ৰোহত যোগদানৰ ছবি*

উৎস : arsk.world

ষষ্ঠ অধ্যায়ত তোমালোকে বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে কেতিয়া, কেনেকৈ ভাৰতত প্ৰৱেশ কৰি কালক্ৰমত এই দেশৰ ৰাজনৈতিক, অৰ্থনৈতিক ক্ষমতা হস্তগত কৰিছিল জানিব পাৰিলা। বৃটিছসকলে গ্ৰহণ কৰা নতুন ঔপনিবেশিক নীতিয়ে ভাৰতীয় সমাজৰ সকলো শ্ৰেণীৰ লোকক কেনেদৰে ক্ষতিগ্ৰস্ত কৰিছিল, এই বিষয়েও আগৰ অধ্যায়ৰ পৰা অৱগত হৈছাহঁক। এই অধ্যায়ত ভাৰতীয় জনসাধাৰণে কেনেকৈ তেওঁলোকৰ আবেগ-অনুভূতিক আঘাত কৰা বৃটিছৰ নীতি আৰু কাৰ্যৰ প্ৰতিবাদ কৰিছিল সেই বিষয়ে আলোচনা কৰিমহঁক। ওপৰৰ চিত্ৰখনলৈ মন কৰা। ইয়াত চিত্ৰায়িত কৰা হৈছে কেনেকৈ উত্তৰ ভাৰতত চিপাহী আৰু কৃষকসকলে বৃটিছৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল।

১৮৫৭ চনৰ বিদ্ৰোহৰ চৰিত্ৰ পৰ্যালোচনা কৰিলে দেখা যায় যে ই কোনো শ্ৰেণী সংগ্ৰাম নাছিল সেই বিদ্ৰোহ আছিল বৃটিছৰ এশ বছৰীয়া শোষণ নীতিৰ বিৰুদ্ধে সংঘটিত হোৱা এক প্ৰবল জনজাগৰণ, য'ত প্ৰতিফলিত হৈছিল বছৰ বছৰ ধৰি লাঞ্চিত, বঞ্চিত ভাৰতীয়ৰ দীৰ্ঘদিনীয়া পুঞ্জীভূত ক্ষোভ আৰু বেদনাৰ।

## বিদ্ৰোহৰ কাৰণ ঃ

**অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক, সামৰিক, ধৰ্মীয়** আদি নানান কাৰণত ১৮৫৭ খ্ৰীষ্টাব্দত বিদ্ৰোহৰ সূত্ৰপাত হৈছিল। প্ৰাক্ বৃটিছ যুগৰ ভাৰতবৰ্ষ আছিল এখন গ্ৰাম্য প্ৰধান কৃষিভিত্তিক দেশ। বৃহৎ শিল্প উদ্যোগৰ পৰিবৰ্তে হস্ত আৰু কুটিৰ শিল্পৰ দ্বাৰাই গাঁওবোৰ স্বাৱলম্বী হৈ চলিব পাৰিছিল। ভূমিৰ ক্ষেত্ৰতো তেনে কোনো জটিল ৰাজহ গাঁথনি নাছিল।

**জানি থওঁ আহা:**

+ মানুহে ব্যৱসায়-বাণিজ্য বা অন্য কাৰণত দল বান্ধি বিদেশত স্থায়ীভাৱে বাস কৰিবলৈ লোৱা ব্যৱস্থাকে উপনিৱেশ বোলা হয়। উপনিৱেশৰ লগত সংযুক্ত ৰাজনৈতিক বা অৰ্থনৈতিক নীতিকে ঔপনিৱেশিক নীতি বুলি কোৱা হয়।

বৃটিছসকলে ভাৰতলৈ অহাৰ পাছত পৰ্যায়ক্ৰমে প্ৰবৰ্তন কৰা অৰ্থনৈতিক নীতিয়ে ভাৰতৰ পৰম্পৰাগত অৰ্থনীতিৰ ওপৰত কুঠাৰাঘাত কৰিছিল। অষ্টাদশ শতিকাৰ মাজভাগৰপৰাই ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতত ৰাজনৈতিক আৰু অৰ্থনৈতিক প্ৰাধান্য প্ৰতিষ্ঠাৰ বাবে চেষ্টা কৰি আহিছিল। ১৭৫৭ চনৰ পলাশী যুদ্ধৰ ফলাফল আৰু ইংলেণ্ডত সূচনা হোৱা শিল্প বিপ্লৱে এই প্ৰক্ৰিয়া অধিক ত্বৰান্বিত কৰিছিল। ইয়াৰ প্ৰত্যক্ষ ফলস্বৰূপে অষ্টাদশ শতিকাৰ দ্বিতীয়াৰ্ধত ভাৰতবৰ্ষ এখন সম্পূৰ্ণৰূপে ইংৰাজ উপনিৱেশত পৰিণত হৈছিল। এফালেদি ইংলণ্ডলৈ প্ৰচুৰ পৰিমাণে কেঁচামাল সৰবৰাহ কৰি আৰু আনফালে ইংলেণ্ডৰ শিল্পজাত সামগ্ৰীৰে ভাৰতৰ বজাৰ নিয়ন্ত্ৰণ কৰি বৃটিছে সাধাৰণ জনগণৰ জীৱনলৈ ভয়াবহ অন্ধকাৰ নমাই আনিছিল। ইয়াৰ পৰিণামস্বৰূপে ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধত ভাৰতবৰ্ষত কেইবাটাও দুৰ্ভিক্ষৰ সৃষ্টি হৈছিল। আগতেই উল্লেখ কৰা হৈছে যে ভাৰতবৰ্ষ মূলতঃ এখন কৃষি প্ৰধান দেশ। কিন্তু কৃষি খণ্ডৰ উন্নয়নৰ বাবে কোম্পানী চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাছিল। আনহাতে ভূমি ৰাজহৰ পৰিমাণ বৃদ্ধি কৰা হৈছিল। তাৰ মাজতে কৃষকসকল মধ্যস্বত্বভোগী আৰু মহাজনৰো বঞ্চনাৰ বলি হৈছিল। মুঠতে জন্মৰপৰা মৃত্যুলৈকে ভাৰতীয় কৃষকক ঋণৰ বোজাই লগ নেৰাটো এটা চিৰাচৰিত ঘটনাত পৰিণত হৈছিল।



চিত্ৰ ৯.২ ১৯শতিকাৰ ভাৰতবৰ্ষত হোৱা দুৰ্ভিক্ষৰ ছবি
উৎস। www.environmentandsociety.org

**ক্ৰিয়াকলাপ:**

+ বৃটিছ ঔপনিৱেশিক শাসন বুলিলে কি বুজা? ভাৰতবৰ্ষত ইয়াৰ প্ৰভাৱ সম্পৰ্কে চমু টোকা প্ৰস্তুত কৰা। (শিক্ষকৰ সহায় লʼবা)

বৃটিছৰ আমোলত প্ৰবৰ্তন কৰা নতুন **প্ৰশাসনিক নীতিৰ** ফলত সমাজৰ অভিজাতসকল, সাধাৰণ মধ্যবিত্ত শ্ৰেণী আৰু সামৰিক বাহিনীৰ লোকো তীব্ৰ অৰ্থ সংকটত ভুগিছিল আৰু পূৰ্বৰ বহু সা-সুবিধাৰপৰা বঞ্চিত হৈছিল। তাৰোপৰি বৃটিছৰ জাত্যাভিমানৰ বলি হৈ বহুতো শিক্ষিত ভাৰতীয়ই উচ্চপদৰ চৰকাৰী চাকৰিৰপৰা বঞ্চিত হৈছিল। এই বৈষম্যমূলক আচৰণে স্বাভাৱিকতে এক শ্ৰেণী লোকৰ মনত বৃটিছৰ প্ৰতি ঘৃণাৰ ভাব সৃষ্টি কৰিছিল। ইতিমধ্যে উনৈশ শতিকাৰ আৰম্ভণিতেই কোম্পানী চৰকাৰে ঔপনিৱেশিক অৰ্থনীতিৰ প্ৰয়োজনতে ভাৰতীয় সমাজৰ আধুনিকীকৰণত আগ্ৰহী হৈ পৰিছিল। সেয়ে ভাৰতীয় লোকে ভোগ কৰা কিছুমান অসুবিধা দূৰ কৰি (যাতায়াত আৰু শিক্ষা ব্যৱস্থা) সমাজত প্ৰচলিত আওপুৰণি ধ্যান-ধাৰণা, মতাদৰ্শ তথা প্ৰমূল্যৰ পৰিৱৰ্তন সাধন কৰাটো প্ৰয়োজনীয় হৈ পৰিছিল। ফলস্বৰূপে এলানি সংস্কাৰ কাৰ্যসূচী হাতত লৈছিল যদিও ৰক্ষণশীল সমাজে ইয়াৰ প্ৰতিবাদ কৰিছিল। মুঠতে বৃটিছ আৰু ভাৰতীয়ৰ মাজত যি জাতিগত দ্বন্দ্ব আৰম্ভ হৈছিল তাৰ ফলাফল শুভ নাছিল।

**ৰাজনৈতিক প্ৰেক্ষাপটৰপৰা** বিচাৰ কৰিলেও দেখিবলৈ পোৱা যায় যে কোম্পানী চৰকাৰে যি সাম্ৰাজ্যবাদী নীতি গ্ৰহণ কৰিছিল তাৰ পৰিণাম সুদূৰপ্ৰসাৰী আছিল। এই আগ্ৰাসন প্ৰক্ৰিয়াৰ শেষ আৰু চূড়ান্ত পৰ্বৰ সূচনা হৈছিল লৰ্ড ডেলহাউচিৰ শাসনকালত। তোমালোকে আগৰ অধ্যায়ত স্বত্ববিলোপ নীতিৰ বিষয়ে জানি আহিছা। ডেলহাউচিয়ে

ইয়াক কঠোৰভাৱে প্ৰয়োগ কৰি ভালেমান দেশীয় ৰাজ্য অধিগ্ৰহণ কৰাত ভাৰতীয়ৰ মনত ভয়, শংকা, সন্দেহ আৰু অবিশ্বাসৰ সৃষ্টি হৈছিল। এওঁৰ শাসনকালত এচাম দেশীয় ৰজাৰ ৰাজকীয় মৰ্যাদা, উপাধি, পেঞ্চন আদিও কাঢ়ি লোৱা হৈছিল। অৰাজকতাৰ দোহাই দি অন্যায়ভাৱে অযোধ্যা ৰাজ্য দখল কৰি বৃটিছে চৰম অদূৰদৰ্শিতাৰ পৰিচয় দিছিল। তাৰোপৰি মোগল সম্ৰাটৰ অস্তিত্ব নাশ কৰাৰ ষড়যন্ত্ৰতো ডেলহাউচি লিপ্ত হৈছিল। পিচে কোম্পানীৰ উৰ্ধতম মহলৰ হস্তক্ষেপত সি কাৰ্যকৰী নহ'ল। তথাপিও সম্ৰাটৰ মৃত্যুৰ পাছত তেওঁৰ পৰিয়ালক লালকিল্লাৰপৰা উৎখাত কৰা হ'ব বুলি ডেলহাউচিয়ে এক তাৎপৰ্যপূৰ্ণ ঘোষণা কৰিছিল। এই সমস্ত ঘটনা-পৰিঘটনাসমূহে ভাৰতীয়ৰ মনত বৃটিছৰ বিৰুদ্ধে বিদ্বেষ ভাবৰ সূচনা কৰিছিল।

> **ক্ৰিয়াকলাপ ঃ**
>
> ✦ পূৰ্বৰ পাঠৰ সহায়ত ডেলহাউচিয়ে স্বত্ববিলোপ নীতিৰ দ্বাৰা ইংৰাজৰ অধীন কৰা ৰাজ্যসমূহৰ এখন তালিকা প্ৰস্তুত কৰা।

**সামৰিক** ক্ষেত্ৰত থকা বিভিন্ন সমস্যা আৰু কোম্পানী চৰকাৰৰ বৈষম্যমূলক নীতিয়ে ১৮৫৭ চনৰ বিদ্ৰোহত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। উল্লেখযোগ্য যে এই বিদ্ৰোহৰ মূল চালিকা শক্তি আছিল চিপাহীসকল। কোম্পানীৰ শাসনকালত সামৰিক বাহিনীৰ অধিকাংশ চিপাহীয়েই আছিল ভাৰতীয়। কিন্তু এওঁলোকৰ জাতিগত মূল্যবোধক কোনোদিনেই গুৰুত্ব দিয়া হোৱা নাছিল। সামৰিক অনুশাসনৰ দোহাই দি চিপাহীসকলৰ নিজস্ব কৃষ্টি, সংস্কৃতি পৰিহাৰ কৰিবলৈ বাধ্য কৰাইছিল। কিন্তু সামৰিক বাহিনীত কাম কৰিলেও ভাৰতীয় সৈন্যসকলে নিজ নিজ ধৰ্মীয় অনুশাসন মানি চলাৰ পক্ষপাতি আছিল। ১৮৫৬ চনত কোম্পানী আইনে এখন আইনৰ যোগেদি সাগৰ যাত্ৰা বাধ্যতামূলক কৰি সৈন্যসকলৰ মনত গভীৰ অসন্তুষ্টি সৃষ্টি কৰিছিল। কাৰণ হিন্দু ধৰ্মত সাগৰ যাত্ৰা নিষিদ্ধ আছিল। তদুপৰি ভাৰতীয় সৈন্যই ইউৰোপীয় সৈন্যৰ একে হাৰত দৰমহা পোৱা নাছিল, পদোন্নতিৰ ক্ষেত্ৰতো তেওঁলোকক বঞ্চিত কৰা হৈছিল আৰু বিদেশ সেৱাৰ বাবদ লাভ কৰা ভাট্টাও বন্ধ কৰিছিল। এই সকলোবিলাকেই ভাৰতীয় সৈন্যৰ মনত বৃটিছৰ বিৰুদ্ধে ক্ষোভ আৰু বিদ্বেষ ভাব জগাই তুলিছিল। এই সংঘাতৰেই পৰিণাম আছিল ১৮৫৭ চনৰ মহাবিদ্ৰোহ।

> **জানি থওঁ আহা ঃ**
>
> ✦ চিপাহী শব্দটো বৃটিছ সকলে সৈন্যসকলৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিছিল।

**ধৰ্মীয় দৃষ্টিকোণৰপৰা** চাবলৈ গ'লেও দেখিবলৈ পোৱা যায় যে কিছুমান স্পৰ্শকাতৰ বিষয়ে ভাৰতীয় মানুহৰ মনত বৃটিছৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। কোম্পানী চৰকাৰৰ শাসনকালত খ্ৰীষ্টিয়ান মিচনেৰীসকলৰ দ্ৰুত ধৰ্ম প্ৰচাৰ, ধৰ্মৰ লগত জড়িত ভাৰতৰ পৰম্পৰাগত কিছুমান প্ৰথাৰ বিলোপ সাধন আৰু ধৰ্মান্তৰিত লোকক ধন-সম্পত্তিৰ অধিকাৰৰপৰা বঞ্চিত নকৰা আদি কাৰ্যই ভাৰতবাসীক নিজৰ ধৰ্মৰ ভৱিষ্যত সম্পৰ্কে সন্দিহান কৰি তুলিছিল। আনহাতে দেশীয় শিক্ষা ব্যৱস্থাৰ মাধ্যম ইংৰাজী কৰাত আৰু জনকল্যাণৰ নামত বিভিন্ন ঠাইত স্থাপন কৰা শিক্ষানুষ্ঠান, হস্পিতাল, গীৰ্জা আদিয়েও সৰ্বসাধাৰণ লোকৰ মনত সন্দেহৰ ভাব সুমুৱাই দিছিল যে এই সকলো বিলাকৰ অন্তৰালত আছে ভাৰতবৰ্ষক এখন খৃষ্টান ধৰ্মী দেশলৈ পৰিণত কৰা।

১৮৫৭ চনৰ বিদ্ৰোহৰ **তৎকালীন কাৰণটো** আছিল এনফিল্ড ৰাইফলৰ গুলিৰ ব্যৱহাৰ। এইবিধ গুলি বন্দুকত ভৰোৱাৰ আগতে দাঁতেৰে কামুৰি পেকেটটো এৰুৱাব লাগিছিল। গুলিসমূহত চৰ্বি জাতীয় পদাৰ্থ মিহলাই দিয়া হৈছিল। হঠাতে গুজৱ ওলাল যে এই সংমিশ্ৰণ গাহৰি আৰু গৰুৰ চৰ্বিৰে তৈয়াৰী। গাহৰি মুছলমানসকলৰ আৰু গৰু হিন্দুৰ অভক্ষ্য বাবে ভাৰতীয় সৈন্যই ইয়াক ব্যৱহাৰ কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰিলে। তেওঁলোকৰ বিশ্বাস দৃঢ় হৈছিল যে এই

কাৰ্যৰ দ্বাৰা বৃটিছ দেশীয় চিপাহীসকলৰ ধৰ্ম নষ্ট কৰিবলৈ বিচাৰিছে।

১৮৫৭ চনৰ ২৩ জানুৱাৰীত বংগৰ দমদম সেনা ছাউনীত চিপাহীসকলে পোনতে এইবিধ গুলি ব্যৱহাৰৰ প্ৰতিবাদ কৰিছিল। ২৯ মাৰ্চত বেৰেকপুৰৰ সেনা-ছাউনীত সেই গুলি ব্যৱহাৰ কৰিবলৈ নিৰ্দেশ দিয়াত মংগল পাণ্ডেই এজন বৃটিছ সামৰিক বিষয়াক আক্ৰমণ কৰি পৰিস্থিতি উত্তেজনাপূৰ্ণ কৰি তোলে। লগে লগে মংগল পাণ্ডে আৰু তেওঁৰ সহযোগী ঈশ্বৰী পাণ্ডেক ফাঁচি দি দুয়োটা দেশীয় পদাতিক বাহিনী ভংগ কৰি বিষয়টো চম্ভালিবলৈ চেষ্টা কৰে।



চিত্ৰ ৯.৩ আৰক্ষী ছাউনীত বিদ্ৰোহীৰ আক্ৰমণ

কিন্তু উত্তেজনাৰ শাম নাকাটিল। অতি সোনকালেই এই বাতৰি উত্তৰ প্ৰদেশৰ মীৰাট পালেগৈ। ১০ মে ৰবিবাৰে মীৰাট সেনা ছাউনীৰ চিপাহীসকলে মীৰাটৰ জেলত থকা সকলো কয়দীকে মুকলি কৰি দিয়ে আৰু কেইবাজনো বৃটিছ সামৰিক বিষয়াক হত্যা কৰি তেওঁলোকৰপৰা বন্দুক-বাৰুদ কাঢ়ি আনে।

১০ মে'ৰ দিনাই বিদ্ৰোহী চিপাহীসকল মীৰাটৰপৰা দিল্লী পালেগৈ আৰু মোগল সম্ৰাট বাহাদুৰ ছাহ দ্বিতীয়ক ভাৰতৰ সম্ৰাট বুলি ঘোষণা কৰে। মোগল সম্ৰাটজনক ভাৰতৰ ঐক্য আৰু সংহতিৰ প্ৰতীক বুলি ঘোষণা কৰা কাৰ্যই যথেষ্ট তাৎপৰ্য বহন কৰিছিল।

**উত্তৰ লিখা ঃ**

- বৃটিছৰ কি কি কাৰ্যই ভাৰতীয় চিপাহীসকলক অসন্তুষ্ট কৰি তুলিছিল?
- চিপাহী বিদ্ৰোহৰ সময়ত ভাৰতত থকা তিনিটা সেনা ছাউনীৰ নাম লিখা।



চিত্ৰ ৯.৪ বাহাদুৰ ছাহ দ্বিতীয়

উৎস : www.deccanchronicle.com

অতি কম সময়ৰ ভিতৰতে উত্তৰ ভাৰত, মধ্যভাৰত আৰু দক্ষিণ ভাৰতৰ বহু এলেকাত এই বিদ্ৰোহ বিয়পি পৰে। দক্ষিণ ভাৰতৰ দুই এখন চহৰত এই বিদ্ৰোহৰ প্ৰভাৱ পৰিছিল। এটা কথা ঠিক যে কোনো পৰিকল্পনা নোহোৱা বাবে আৰু উপযুক্ত নেতৃত্বৰ অভাৱত বহুতো অঞ্চলত বিদ্ৰোহে হিংসাত্মক ৰূপ লৈছিল।


১৮৫৭ চনৰ বিদ্ৰোহ বৃটিছৰ বিৰুদ্ধে ভাৰতীয় জনগণৰ কেৱল এক সাধাৰণ প্ৰতিবাদী কাৰ্যসূচী নাছিল, ই ভাৰতৰ ইতিহাসৰ এক যুগান্তকাৰী ঘটনা আছিল। আৰম্ভণিতে আমি পাই আহিছো যে এই বিদ্ৰোহৰ মূল চালিকা শক্তি আছিল চিপাহীসকল। পিছলৈ তেওঁলোকক সহযোগ কৰিছিল দেশৰ বিভিন্ন অঞ্চলৰ ক্ষমতা হেৰুওৱা শাসক, নবাব, জমিদাৰ, অভিজাত শ্ৰেণী, কৃষক, পুৰোহিত, মোল্লা-মৌলবী আদিয়ে।

### জানি থওঁ আহা ঃ

- চিপাহী বিদ্ৰোহৰ প্ৰথম ছহিদ আছিল মঙ্গল পাণ্ডে।
- ১৮৫৭ বিদ্ৰোহৰ কোনে ক'ত নেতৃত্ব দিছিল।

| ক'ত | কোনে নেতৃত্ব দিছিল |
|---|---|
| ১। দিল্লীত | বাহাদুৰ ছাহ জাফৰ, বখট খানে |
| ২। কাণপুৰত | নানা চাহিবে |
| ৩। অযোধ্যাত | বেগম হজৰত মহলে |
| ৪। বিহাৰত | কোৱাৰ সিং, অমৰ সিঙে |
| ৫। সম্বলপুৰত | সুৰেন্দ্ৰ ছাত্ৰী, উজ্জ্বল ছাহীয়ে |
| ৬। এলাহাবাদত | মৌলবী লিয়াকট আলিয়ে |
| ৭। উত্তৰ প্ৰদেশৰ ফৈজাবাদত | ৰাণা বেণীমাধৱ সিঙে |
| ৮। গোৰখপুৰত | গজাধৰ সিং আৰু মহম্মদ হাছন খাঁয়ে |
| ১০। বেৰেলি, ৰামপুৰ, মুৰদাবাদত | নবাব তফজ্জুল হুছেইন খাঁয়ে |
| ১১। সিন্ধু প্ৰদেশত | ছাহজাদা পিৰ মহম্মদ, ইমাম বক্স আদিয়ে |
| ১২। গোৱালিয়ৰত | তাঁতীয়া টোপীয়ে |
| ১৩। ঝান্সীত | ৰাণী লক্ষ্মীবাঈয়ে |
| ১৪। অসমত | মণিৰাম দেৱানে |







উৎস: wikimedia.org

১৮৫৭ চনৰ বিদ্ৰোহ সফল নহ'ল যদিও ইয়াৰ ফলাফল তাৎপৰ্যপূৰ্ণ আছিল। ১৮৫৮ চনত কোম্পানী চৰকাৰে ভাৰতবৰ্ষৰ শাসন ক্ষমতা হেৰুৱায় আৰু ভাৰতৰ শাসন ভাৰ পোনপটীয়াকৈ ইংলেণ্ডৰ সম্ৰাজ্ঞী ৰাণী ভিক্টোৰীয়াৰ অধীনলৈ যায়।

## ১৮৫৭ চনৰ বিদ্ৰোহত অসমৰ ভূমিকা ঃ

তোমালোকে ইতিমধ্যে সপ্তম অধ্যায়ত পাই আহিছা যে, মানৰ অত্যাচাৰৰপৰা দেশ ৰক্ষা কৰিবলৈ অসমবাসীয়ে বৃটিছক আমন্ত্ৰণ কৰি আনিছিল। বৃটিছ আহিল, কিন্তু ঘূৰি নগ'ল। অসমক মান মুক্ত কৰি অতি সোনকালেই তেওঁলোকে এই ৰাজ্য অধিগ্ৰহণ কৰিলে। বৃটিছ উপনিবেশবাদী শাসনৰ প্ৰায় আৰম্ভণিৰে পৰাই অসমৰ পাহাৰ আৰু ভৈয়ামত বৃটিছ বিৰোধী মনোভাবে গা কৰি উঠিছিল। মন কৰিবলগীয়া কথা যে ভাৰতৰ অন্যান্য ৰাজ্যৰ তুলনাত অসম বহু আগতেই বৃটিছৰ সাম্ৰাজ্যবাদী নীতিৰ চিকাৰ হৈছিল। কাৰণ ১৮২৬ চনতেই ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে অসমখন বৃটিছে নিজৰ দখললৈ নিছিল। এক সুদীৰ্ঘ কাল বৃটিছৰ বিভাজন নীতি, অৰ্থনৈতিক শোষণ, বৰ্ধিত মাটিৰ খাজনা আদিয়ে অসমবাসীক বিতুষ্ট কৰি তুলিছিল। যাৰ পৰিণতিত দুবছৰৰ ভিতৰতে অসমত কেইবাটাও বৃটিছ বিৰোধী সংগ্ৰাম সংঘটিত হৈছিল। প্ৰসংগ ক্ৰমে উল্লেখ কৰিব পাৰি যে ১৮২৮ খ্ৰীষ্টাব্দতেই অসমত ৰাজপাট বিচাৰি আহোম ৰাজপৰিয়ালৰ গোমধৰ কোঁৱৰে বৃটিছৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল।



*চিত্ৰ ৯.৫ মণিৰাম দেৱান*

উৎস: wikimedia.org

১৮৫৭ চনৰ বিদ্ৰোহত অসমৰ যি ভূমিকা তাৰ নায়ক আছিল মণিৰাম দত্ত বৰভাণ্ডাৰ বৰুৱা দেৱান, চমুকৈ **মণিৰাম দেৱান**। মণিৰাম দেৱান চতুৰ আৰু ৰাজনৈতিক তথা প্ৰশাসনিক দক্ষতা সম্পন্ন ব্যক্তি আছিল। আৰম্ভণিতে তেওঁ এজন বৃটিছ অনুৰাগী আছিল যদিও বৃটিছৰ বৈষম্যমূলক নীতিৰ নিজেই এজন ভুক্তভোগী হোৱা হেতুকে শেষলৈ বৃটিছ বিদ্বেষী হৈ পৰে। মণিৰাম দেৱানে বৃটিছৰ অধীনৰ 'দেৱান'ৰ চাকৰি ইস্তফা দি যোৰহাটৰ ওচৰৰ 'চিনামৰা' আৰু 'চেলেঙ'ত নিজাকৈ দুখন চাহ বাগিচা খুলি প্ৰথম অসমীয়া তথা ভাৰতীয় চাহ খেতিয়ক হিচাপে প্ৰতিষ্ঠা লাভ কৰে। মণিৰামৰ এই ব্যৱসায় সহজভাৱে

নলৈ বৃটিছে বিভিন্ন প্ৰকাৰে তেওঁক হাৰাশাস্তি কৰিবলৈ আৰম্ভ কৰে। ইয়াৰপৰা পৰিত্ৰাণ পাবলৈ আৰু অসমৰ জনসাধাৰণৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ অসমত পুনৰ কন্দৰ্পেশ্বৰ সিংহৰ অধীনত আহোম শাসন বিচাৰি মণিৰাম দেৱানে বৃটিছৰ ওচৰত কৰা চেষ্টা অথলে যোৱাত অৱশেষত ১৮৫৭ চনৰ বিদ্ৰোহৰ সুযোগ গ্ৰহণ কৰি অসমতো সশস্ত্ৰ সংগ্ৰামৰ প্ৰস্তুতি চলালে। এই উদ্দেশ্যে তেওঁ কলিকতাৰপৰা পিয়লি বৰুৱা, কন্দৰ্পেশ্বৰ সিংহ প্ৰমুখ্যে অন্যান্য সহযোগীসকলৰ লগত যোগাযোগ কৰি বিদ্ৰোহৰ প্ৰস্তুতি চলাবলৈ আহ্বান জনালে। অসমত ইতিমধ্যেই অসন্তুষ্ট হৈ থকা বিভিন্ন শ্ৰেণীৰ লোকক সংগঠিত কৰাত একো অসুবিধাই নহ'ল। চাৰিং ৰজা কন্দৰ্পেশ্বৰ সিংহৰ বাসভৱন গোপন আলোচনাৰ কেন্দ্ৰ হৈ পৰিল। কিন্তু আঁচনি মতে কাম নহ'ল। প্ৰস্তুতি ভালেখিনি আগবঢ়াৰ সময়তে মণিৰাম দেৱানৰ বিদ্ৰোহ সম্পৰ্কীয় কিছুমান নথি-পত্ৰ বৃটিছৰ হাতত পৰাত তৎকালীনভাৱে মণিৰাম দেৱান আৰু তেওঁৰ সহযোগীসকলক আটক কৰা হ'ল। কোনো আত্মপক্ষ সমৰ্থনৰ সুযোগ নিদিয়াকৈ মণিৰাম দেৱান আৰু পিয়লি বৰুৱাক ১৮৫৮ চনৰ ২৬ ফেব্ৰুৱাৰীত যোৰহাটত ফাঁচি দিলে। বয়স কম হোৱা বাবে কন্দৰ্পেশ্বৰ সিংহক পাছত মুকলি কৰি এটা পেঞ্চন দি গুৱাহাটীত আবদ্ধ কৰি ৰাখে। অন্য কিছুমানক আজীৱন কাৰাবন্দী কৰি ৰাখিলে, বহুতকে সশ্ৰম কাৰাদণ্ড বিহা হ'ল আৰু আন কিছুমানৰ সম্পত্তি বাজেয়াপ্ত কৰি পেঞ্চন বন্ধ কৰিলে।

> **উত্তৰ লিখা ঃ**
>
> ✦ বৃটিছক বিৰুদ্ধে বিদ্ৰোহ কৰা প্ৰথম অসমীয়া কোন আছিল?
>
> ✦ কি কাৰণে মণিৰাম দেৱানক বৃটিছে হাৰাশাস্তি কৰিছিল?

আপতঃ দৃষ্টিত অসমত ১৮৫৭ চনৰ বিদ্ৰোহ সফল নহ'ল আৰু তাৰ লগে লগে অসমবাসীৰ মনত বৃটিছ বিৰোধী মনোভাৱ নিঃশেষ নহ'ল। পৰৱৰ্তী সময়ত অসমৰ বিভিন্ন ঠাইত সংঘটিত হোৱা কৃষক আৰু পাহাৰীয়া জনজাতিসকলৰ বিদ্ৰোহ ইয়াৰেই পৰিণতি আছিল। ১৮৫৭ চনৰ বিদ্ৰোহৰ পিছত ভাৰতৰ শাসনভাৰ বৃটিছ সম্ৰাজ্ঞীৰ প্ৰত্যক্ষ শাসনৰ অধীনলৈ গ'ল যদিও অৱস্থাৰ বিশেষ পৰিবৰ্তন নহ'ল। বৰং বৃটিছে বিদ্ৰোহৰ ঘাটি পুৰাবলৈ নতুন নতুন কৰ প্ৰৱৰ্তন কৰি সাধাৰণ প্ৰজা আৰু কৃষকৰ জীৱন দুৰ্বিসহ কৰি তুলিছিল। এইবিলাক কাৰণতেই ১৯ শতিকাৰ ষষ্ঠ দশকৰপৰা অসমত এলানি কৃষক বিদ্ৰোহে গা কৰি উঠিছিল।

অসমৰ কৃষক বিদ্ৰোহসমূহ পৰিচালনা কৰিছিল 'ৰাইজ মেলসমূহে'। সমাজৰ মুখিয়াল লোকসকলৰ তত্বাৱধানত ৰাইজ মেলসমূহ গঢ়ি উঠিছিল। জাতি, ধৰ্ম নিৰ্বিশেষে সকলোৱেই ইয়াত অংশগ্ৰহণ কৰিব পাৰিছিল। আৰ্থ-সামাজিক সমস্যাসমূহ উপস্থাপনৰ ক্ষেত্ৰত ৰাইজমেলসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। তাৰোপৰি ৰাইজমেলৰ ক্ষমতা ইমানেই বেছি আছিল যে কোনো কোনো ঠাইত স্থানীয়ভাৱে চৰকাৰক অচল কৰি দিবলৈও ই সমৰ্থ হৈছিল। অসমৰ প্ৰথমটো কৃষক বিদ্ৰোহ ১৮৬১ চনত ফুলগুৰিত সংঘটিত হৈছিল। ইয়াক **ফুলগুৰিৰ ধেৱা** বুলিও জনা যায়। তাৰপিছত ১৮৯৪ চনৰ জানুৱাৰীত ৰঙিয়া, নলবাৰী আৰু বৰমাতো খাজনা বৃদ্ধিৰ প্ৰতিবাদত কৃষকে বিদ্ৰোহ কৰিছিল। সৰুক্ষেত্ৰী মৌজাৰ লাছিমা, বজালীৰ গোবিন্দপুৰ আৰু ১৮৯৪ চনৰ জানুৱাৰীত মঙ্গলদৈ মহকুমাৰ পথৰুঘাটত হোৱা কৃষক বিদ্ৰোহে বৃটিছক ভীতিবিহ্বল কৰি তুলিছিল। পথৰুঘাটৰ ৰণেই অসমত সংঘটিত হোৱা কৃষক বিদ্ৰোহৰ অন্তিম পৰ্যায়।

ওপৰত উল্লেখ কৰা অসমৰ কৃষক বিদ্ৰোহসমূহ বৃটিছ চৰকাৰে কঠোৰ হাতেৰে দমন কৰিছিল যদিও নিঃশেষ কৰিব পৰা নাছিল। মন কৰিবলগীয়া কথা যে দক্ষিণ ভাৰত, বংগ আৰু বিহাৰৰ ছোটনাগপুৰতো সম-সাময়িকভাৱে কৃষক বিদ্ৰোহ হৈছিল যদিও বৃটিছৰ লগত সমুখ সমৰত অৱতীৰ্ণ হৈছিল কেৱল অসমৰ কৃষকসকলেহে।

> **ক্ৰিয়াকলাপ ঃ**
>
> ✦ কি কাৰণে অসমত কৃষকসকলে বৃটিছৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিবলগীয়া হৈছিল?
>
> ✦ অসমৰ মানচিত্ৰ এখন অংকন কৰি কৃষক বিদ্ৰোহ সংঘটিত হোৱা স্থানসমূহ যথাস্থানত বহুওৱা।

## বিদ্ৰোহৰ প্ৰকৃতি ঃ

১৮৫৭ চনৰ বিদ্ৰোহৰ প্ৰকৃতিক লৈ যথেষ্ট মতভেদ দেখা যায়। কিছুমানৰ মতে এটা তৎকালীন কাৰণক আলম হিচাপে লৈ সেনাৰ ছাউনীত হঠাতে সংঘটিত হোৱা ই এটা চিপাহী বিদ্ৰোহ। এই বিদ্ৰোহ পূৰ্ব পৰিকল্পিত নাছিল অথবা ইয়াৰ কোনো আদৰ্শগত ভিত্তিও নাছিল। তেওঁলোকৰ মতে তিনিখন প্ৰেচিডেন্সি চহৰৰ মাত্ৰ এখনৰ সেনাৰ ছাউনীতহে এই বিদ্ৰোহ হৈছিল আৰু সকলো ভাৰতীয় সৈনাই ইয়াত সহযোগ কৰা নাছিল। বৃটিছসকলেও ১৮৫৭ চনৰ বিদ্ৰোহক এটা সাধাৰণ 'চিপাহী বিদ্ৰোহ' হিচাপেই অভিহিত কৰিছে। যদিওবা বিদ্ৰোহীসকলক সমাজৰ এক নিৰ্যাতিত অংশই সমৰ্থন কৰিছিল তথাপিও দেশৰ এক বৃহৎ অঞ্চল বিদ্ৰোহমুক্ত আছিল। তাৰোপৰি এইটোৱেই বৃটিছৰ বিৰুদ্ধে প্ৰথম বিদ্ৰোহ নাছিল ইয়াৰ আগতেও দুই-এটা বিদ্ৰোহ সংঘটিত হৈছিল।

কোনো কোনোৱে আকৌ ১৮৫৭ চনৰ বিদ্ৰোহক এক বিস্তৃত আৰু পূৰ্বপৰিকল্পিত বিদ্ৰোহ বুলি মন্তব্য কৰিছে। জনসাধাৰণৰ মাজত 'চাপাতি' আৰু 'ৰঙাপদুম' বিতৰণেৰে বিদ্ৰোহৰ বাণী প্ৰেৰণ কৰাটোৱেই ইয়াক প্ৰমাণ কৰে।

আনহাতে ১৮৫৭ চনৰ বিদ্ৰোহক 'ভাৰতৰ প্ৰথম স্বাধীনতা সংগ্ৰাম' বুলিও আখ্যা দিয়া হৈছে। এই ব্যাখ্যা আগবঢ়োৱা সকলৰ মতে ই সম্পূৰ্ণ জাতীয় সংগ্ৰাম নহ'লেও এই বিদ্ৰোহৰ যোগেদি স্বাধীনতা প্ৰয়াসী ভাৰতীয়ই বৃটিছৰ কবলৰপৰা ভাৰতক মুক্ত কৰাৰ যি দৃঢ় প্ৰচেষ্টা চলাইছিল তাক অস্বীকাৰ কৰিব নোৱাৰি। এই বিদ্ৰোহত দেশৰ সমগ্ৰ জনসাধাৰণে অংশগ্ৰহণ নকৰিব পাৰে, কিন্তু ইয়াৰ সুদূৰপ্ৰসাৰী প্ৰভাৱে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ পটভূমি তৈয়াৰ কৰিছিল। ইয়াৰোপৰি ১৮৫৭ৰ বিদ্ৰোহৰ পিছত ভাৰতৰ প্ৰশাসন ব্যৱস্থাত ব্যাপক সাল-সলনি ঘটোৱা হৈছিল যিটো বৃটিছে মন্তব্য কৰা তথাকথিত 'চিপাহী বিদ্ৰোহ'ৰ কাৰণে প্ৰয়োজন নাছিল। আধুনিক ইতিহাসবিদসকলৰ এচামে পোনছাটেই এই মন্তব্য অগ্ৰাহ্য কৰে। তেওঁলোকৰ মতে ১৮৫৭ চনৰ বিদ্ৰোহক ভাৰতৰ স্বাধীনতাৰ প্ৰথম যুদ্ধ বুলি কোনো মতেই গ্ৰাহ্য কৰিব নোৱাৰি। কিয়নো, স্বাধীনতা যুদ্ধৰ আগৰ জাতীয়তাবাদৰ ধাৰণা সেই সময়ত জনসাধাৰণৰ মাজত উদ্ভৱ হোৱাই নাছিল। সেই বাবেই দক্ষিণ ভাৰতৰ লোকসকলে এই বিদ্ৰোহত অংশ গ্ৰহণ কৰা নাছিল। তাৰোপৰি গোৰ্খা, শিখ, জমিদাৰ শ্ৰেণী আৰু বুদ্ধিজীৱিসকলো এই বিদ্ৰোহৰপৰা আঁতৰত আছিল। যি কি নহওঁক, এই বিদ্ৰোহত প্ৰতীয়মান হোৱা হিন্দু-মুছলমানৰ একতাইও বৃটিছ সাম্ৰাজ্যবাদৰ সন্মুখত বিৰাট প্ৰত্যাহ্বান হিচাপে থিয় দিছিল। মুঠতে ১৮৫৭ চনৰ বিদ্ৰোহে প্ৰমাণ কৰিছিল যে দীৰ্ঘকালৰ দমন, নিৰ্যাতনে, নিৰ্যাতিতক সংগঠিত কৰাৰ লগতে সাহসী আৰু ত্যাগীও কৰি তোলে।

### মনত ৰাখিবলগীয়া কথা ঃ

- ১৮৫৭ চনৰ বিদ্ৰোহ আছিল বৃটিছৰ এশ বছৰীয়া শোষণ নীতিৰ বিৰুদ্ধে সংঘটিত হোৱা এক প্ৰবল জনজাগৰণ।
- অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক, সামৰিক, ধৰ্মীয় আদি নানা কাৰণত ১৮৫৭ চনৰ বিদ্ৰোহৰ সূত্ৰপাত হৈছিল।
- ১৮৫৭ চনৰ বিদ্ৰোহৰ তৎকালীন কাৰণটো আছিল এনফিল্ড ৰাইফলৰ গুলিৰ ব্যৱহাৰ।
- চিপাহী বিদ্ৰোহৰ প্ৰথম ছহিদ আছিল মংগল পাণ্ডে।
- অতি কম সময়ৰ ভিতৰতে উত্তৰ ভাৰত, মধ্য ভাৰত আৰু দক্ষিণ ভাৰতৰ বহুতো অঞ্চলত চিপাহী বিদ্ৰোহে ব্যাপক ৰূপ ধাৰণ কৰিছিল।
- ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ ফলত ভাৰতৰ শাসনভাৰ পোনপটীয়াকৈ ইংলণ্ডৰ ৰাণীৰ অধীনলৈ যায়।
- অসমত চিপাহী বিদ্ৰোহৰ নেতৃত্ব দিছিল মণিৰাম দেৱানে।
- ১৯ শতিকাৰ ষষ্ঠ ভাগৰপৰা আৰম্ভ হোৱা অসমৰ কৃষক বিদ্ৰোহসমূহ পৰিচালনা কৰিছিল 'ৰাইজমেল'সমূহে।
- ১৮৫৭ চনৰ বিদ্ৰোহৰ প্ৰকৃতি সম্বন্ধে ইতিহাসবিদসকল একমত নহয়।

## অনুশীলনী ঃ

১। উত্তৰ লিখা—

(ক) কেতিয়াৰপৰা ভাৰতবৰ্ষখন সম্পূৰ্ণৰূপে বৃটিছ উপনিৱেশত পৰিণত হ'ল?

(খ) কোন গৱৰ্ণৰ জেনেৰেলৰ শাসন কালত এচাম দেশীয় ৰজাৰ ৰাজকীয় মৰ্যাদা, উপাধি, পেন্সন আদি কাঢ়ি লোৱা হৈছিল?

(গ) ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ প্ৰথম ছহিদ কোন আছিল?

(ঘ) মণিৰাম দেৱানৰ সৈতে কোনজন নেতাক ফাঁচি দিয়া হৈছিল?

(ঙ) অসমৰ কৃষক বিদ্ৰোহসমূহ কোনে পৰিচালনা কৰিছিল?

২। 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা—

| 'ক' অংশ | 'খ' অংশ |
|---|---|
| ক) ১৮৫৬ চনৰ আইন | মংগল পাণ্ডেৰ সামৰিক বিষয়াক আক্ৰমণ |
| খ) ১৮৫৭ চনৰ ২৯ মাৰ্চ | গোমধৰ কোঁৱৰৰ বিদ্ৰোহ |
| গ) ১৮৫৮ চন | ফুলগুৰি ধেৱা |
| ঘ) ১৮২৮ চন | সাগৰ যাত্ৰা বাধ্যতামূলক কৰা |
| ঙ) ১৮৬১ চন | ভাৰতৰ শাসনভাৰ ৰাণী ভিক্টোৰিয়াৰ অধীন |

৩। শুদ্ধ/অশুদ্ধ নিৰ্ণয় কৰা—

(ক) অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক, সামৰিক, ধৰ্মীয় আদি নানা কাৰণত চিপাহী বিদ্ৰোহৰ সূত্ৰপাত হৈছিল।

(খ) ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ তৎকালীন কাৰণটো আছিল মংগল পাণ্ডেৰ ফাঁচী।

(গ) ১৮৫৭ চনৰ বিদ্ৰোহত বাহাদুৰ ছাহ দ্বিতীয়ক ভাৰতবৰ্ষৰ সম্ৰাট বুলি ঘোষণা কৰিছিল।

(ঘ) মণিৰাম দেৱানে পুৰন্দৰ সিংহক আহোমৰ শাসনভাৰ দিবলৈ বৃটিছক আবেদন জনাইছিল।

(ঙ) ১৮৬১ চনৰ জানুৱাৰীত ৰঙিয়া, নলবাৰী আৰু বৰমাতো খাজনা বৃদ্ধিৰ প্ৰতিবাদত কৃষকে বিদ্ৰোহ কৰিছিল।

৪। চমু টোকা লিখা—

(ক) মণিৰাম দেৱান (খ) ফুলগুৰি ধেৱা (গ) চিপাহী বিদ্ৰোহৰ তৎকালীন কাৰণ

৫। চিপাহী বিদ্ৰোহৰ কাৰণবোৰক কেইভাগে বিভক্ত কৰিব পাৰি? যিকোনো এটা কাৰণৰ বিষয়ে চমুকৈ লিখা।

৬। লৰ্ড ডেলহাউচিৰ নীতিসমূহ চিপাহী বিদ্ৰোহৰ বাবে কিমান দূৰ জগৰীয়া বুলি ভাবা? লিখা।

৭। এচাম ইতিহাসবিদৰ মতে চিপাহী বিদ্ৰোহক কিয় ভাৰতৰ স্বাধীনতাৰ প্ৰথম যুদ্ধ বুলি ক'ব পৰা নাযায়? যুক্তি দৰ্শোৱা।

৮। চিপাহী বিদ্ৰোহৰ নেতাসকলৰ ফটো সংগ্ৰহ কৰি এটা এলবাম প্ৰস্তুত কৰা।

৯। ভাৰতৰ এখন মানচিত্ৰ অংকণ কৰি চিপাহী বিদ্ৰোহ সংঘটিত হোৱা ঠাইসমূহ যথাস্থানত বহুওৱা।

✧✧✧✧✧✧

# ৰাজনৈতিক খণ্ড

# আমাৰ ৰাজনৈতিক জীৱন

## আগকথা





এখন দেশৰ মূল কাৰ্যসমূহৰ ভিতৰত ৰাজনৈতিক কাৰ্যসমূহ অন্যতম। ৰাজনীতি বিজ্ঞানে ৰাষ্ট্ৰ, চৰকাৰ ব্যৱস্থা, ৰাষ্ট্ৰ আৰু চৰকাৰৰ কাৰ্যাৱলী, ৰাষ্ট্ৰৰ সমস্যা, ৰাষ্ট্ৰ আৰু ব্যক্তিৰ মাজৰ সম্পৰ্ক আদিৰ বিষয়ে বিশ্লেষণ দাঙি ধৰে। গণতান্ত্ৰিক দেশৰ বাসিন্দা হিচাপে আমি সৰুৰেপৰা ৰাজনৈতিক কাৰ্যকলাপ, গতিবিধি, দায়িত্ব, কৰ্তব্য ইত্যাদিৰ সম্পৰ্কত সচেতন হোৱাটো দৰকাৰ। পৰিৱৰ্তিত সময়ৰ লগত ফেৰ মাৰিব পৰাকৈ আমাৰ দেশৰ ৰাজনৈতিক ব্যৱস্থা কিমান সবল বা দুৰ্বল তাক জনা, মতামত দিয়া আৰু প্ৰয়োজনত সিদ্ধান্ত গ্ৰহণ কৰা আমাৰ সকলোৰে কৰ্তব্য। এই উদ্দেশ্য আগত ৰাখি উচ্চ প্ৰাথমিক স্তৰৰ বিদ্যালয়ৰপৰা স্নাতকোত্তৰ পৰ্যায়ৰ পাঠ্যক্ৰম পৰ্যন্ত ৰাজনীতি বিজ্ঞানক যথেষ্ট গুৰুত্ব সহকাৰে সন্নিবিষ্ট কৰা হৈছে যাতে ছাত্ৰ-ছাত্ৰীসকলৰ মনত বিষয়টোৱে সৰুকালৰপৰাই মনোযোগ আকৰ্ষণ কৰিব পাৰে।

বৰ্তমান আমাৰ ৰাজ্যত প্ৰাথমিক স্তৰৰপৰা উচ্চতৰ মাধ্যমিক স্তৰ পৰ্যন্ত শৈক্ষিক পাঠ্যক্ৰমসমূহ ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ আধাৰ, ২০০৫ৰ ভিত্তিত প্ৰস্তুত কৰা হৈছে। এই পাঠ্যক্ৰমে ছাত্ৰ-ছাত্ৰীক ভূগোল বিজ্ঞান, ইতিহাস, অৰ্থনীতি আৰু ৰাজনীতি বিজ্ঞানৰ বিভিন্ন দিশৰ ওপৰত জ্ঞান আহৰণ কৰাৰ অৱকাশ ৰাখিছে। অষ্টম শ্ৰেণীৰ বাবে প্ৰস্তুত কৰি উলিওৱা এই পাঠ্যপুথিতো বিষয়বস্তুৰ ধাৰাবাহিকতা ৰক্ষা কৰি ৰাজনৈতিক বিজ্ঞান বিষয়ত পাঠসমূহ এনেদৰে প্ৰস্তুত কৰা হৈছে যাতে ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষকেও বিষয়টোৰ ওপৰত অৱলোকন কৰি আনন্দ পায়। পাঠসমূহ প্ৰস্তুত কৰোঁতে যথেষ্ট সাৱধানতা অৱলম্বন কৰা হৈছে যাতে পাঠৰ বাবে নিৰ্ধাৰণ কৰা শিকনৰ ফলাফলসমূহৰপৰা পাঠৰ বৰ্ণনা অকণো বিচ্যুত নহয়।

ইয়াৰ লগতে অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ দিশটোক গুৰুত্ব দি পাঠসমূহ এনেদৰে পৰিকল্পনা কৰা হৈছে যাতে শ্ৰেণীকোঠা বা ঘৰত পাঠটো আগবঢ়াই নিয়াত শিক্ষক-শিক্ষয়িত্ৰী তথা অভিভাৱকৰ অকণো আহুকাল নহয় আৰু ছাত্ৰ-ছাত্ৰীয়েও অতি সহজে শিকনৰ ফলাফলসমূহ আয়ত্ত কৰিব পাৰে। আমাৰ আশা, এই খণ্ডটিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে ৰাজনীতি বিজ্ঞানৰ জ্ঞান লাভৰ লগতে ৰাজনৈতিক দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি সচেতন হয়। ইয়াৰ দ্বাৰা এই বয়সৰপৰাই ছাত্ৰ-ছাত্ৰীসকলে এক সচেতন মানসিকতাৰ অধিকাৰী হোৱাৰ লগতে ভৱিষ্যতে নিজকে এজন সুস্থ, শুদ্ধ নাগৰিক হিচাপে প্ৰতিপন্ন কৰি নিজৰ লগতে সমাজকো গৌৰৱান্বিত কৰিব পাৰিব।

আশা কৰা হৈছে এই খণ্ডটিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে নিম্নলিখিত শিকনৰ ফলাফলসমূহ আয়ত্ত কৰিব পাৰিব—

- সংবিধান, ইয়াৰ প্ৰয়োজনীয়তা, বৈশিষ্ট্য আৰু গুৰুত্ব
- ভাৰতীয় সংবিধানৰ ঐতিহাসিক পটভূমি, সংবিধান প্ৰণয়নত অসমৰ ভূমিকা, ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনা, আদৰ্শ আৰু ভাৰতীয় সংবিধানৰ বৈশিষ্ট্য
- অধিকাৰ, মৌলিক অধিকাৰ, মৌলিক অধিকাৰৰ প্ৰয়োজনীয় আৰু সীমাবদ্ধতা
- ভাৰতীয় নাগৰিকৰ মৌলিক কৰ্তব্য

## পাঠ-১০
# সংবিধান আৰু ইয়াৰ প্ৰয়োজনীয়তা

E8J5A5

**শিকনৰ ফলাফল ঃ**

- সংবিধানৰ বিষয়ে ভালদৰে জানিব।
- সংবিধানৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব উপলব্ধি কৰিব।
- বিভিন্ন প্ৰকাৰৰ সংবিধানৰ বৈশিষ্ট্যসমূহৰ বিষয়ে অবগত হ'ব পাৰিব।

তোমালোকে নিশ্চয় ক্ৰিকেট খেল চোৱা। এই খেলখন চাওঁতে এটা কথা মন কৰিছানে? কিছুমান নীতি-নিয়মৰ যোগেদি এই খেলখন পৰিচালিত হয়। সেয়েহে খেলখন পৰিচালনা কৰিবলৈ খেলুৱৈৰ উপৰি খেলপথাৰত দুজন আম্পায়াৰ বা পৰিচালক থাকে। আম্পায়াৰকেইজনে নিৰ্দিষ্ট নীতি-নিয়ম মানি খেলখন পৰিচালনা কৰে। নিয়ম নাথাকিলে খেলখন পৰিচালনা কৰাত বিশৃংখলতাৰ সৃষ্টি হ'ব। ক্ৰিকেট খেলৰ দৰে অন্যান্য খেলসমূহৰো নিৰ্দিষ্ট নীতি-নিয়ম থাকে। খেলসমূহ নিয়মৰ দ্বাৰা পৰিচালিত হোৱাৰ দৰে এখন সমাজ পৰিচালনা কৰিবলৈও কিছুমান নিৰ্ধাৰিত নীতি-নিয়মৰ প্ৰয়োজন।

ৰাষ্ট্ৰ হৈছে মানৱ সমাজৰ এটা সৰ্বশ্ৰেষ্ঠ ৰাজনৈতিক অনুষ্ঠান। ৰাষ্ট্ৰ এখন সুকলমে পৰিচালনা কৰা আৰু তাৰ নাগৰিকসকলক ৰক্ষণাবেক্ষণ দিয়া আদিৰ কাৰণেও কিছু নীতি-নিয়মৰ প্ৰয়োজন। এই নীতি-নিয়ম আৰু আইন-কানুন লিখিত বা অলিখিত ৰূপত থাকে। **ৰাষ্ট্ৰ পৰিচালনাৰ এই নীতি-নিয়ম আৰু আইন-কানুনসমূহকে সামগ্ৰিকভাৱে সংবিধান বুলি কোৱা হয়।** সংবিধানখনক ৰাষ্ট্ৰৰ সৰ্বোচ্চ আইন বুলিও জনা যায়। সাধাৰণ অৰ্থত সংবিধান হ'ল কিছুমান নিয়মাৱলীৰ সমষ্টি। প্ৰত্যেক ৰাষ্ট্ৰৰে এখনকৈ নিজস্ব সংবিধান থাকে। সংবিধান নোহোৱাকৈ ৰাষ্ট্ৰৰ অস্তিত্বৰ কথা কল্পনা কৰিব নোৱাৰি।

## সংবিধানৰ কেইটামান বৈশিষ্ট্য ঃ

- সংবিধান হ'ল কিছুমান আইন আৰু নীতি-নিয়মৰ সমষ্টি।
- সাধাৰণতে সংবিধানৰ আইন-কানুন, নীতি-নিয়মবোৰ লিখিত ৰূপত থাকে।
- সংবিধানে চৰকাৰৰ বিভিন্ন বিভাগৰ মাজত সম্পৰ্ক নিৰ্ধাৰণ কৰে।
- সংবিধানে নাগৰিকৰ অধিকাৰক ৰক্ষণাবেক্ষণ দিয়ে আৰু কৰ্তব্যসমূহ প্ৰদান কৰে।
- সংবিধান পৰিবৰ্তনশীল। সময়ৰ পৰিবৰ্তনৰ লগে লগে সংবিধানবো পৰিৱৰ্তন হয়। সংবিধান পৰিবৰ্তনৰ কিছুমান বিশেষ প্ৰক্ৰিয়া আছে।

**জানি থওঁ আহা ঃ**

**সংবিধান পৰিৱৰ্তন কৰা প্ৰক্ৰিয়াটোকে সংশোধন বুলি কোৱা হয়।**

**উত্তৰ লিখা ঃ**

- ৰাষ্ট্ৰ পৰিচালনা কৰা আইন-কানুনৰ সমষ্টিক কি বুলি কোৱা হয়?
- ৰাষ্ট্ৰ এখনত সংবিধানৰ প্ৰয়োজনীয়তা কি?
- নাগৰিকৰ অধিকাৰ আৰু কৰ্তব্যসমূহক কোনে ৰক্ষণাবেক্ষণ দিয়ে?
- সংবিধানৰ সংশোধন বুলিলে কি বুজা?

## সংবিধানৰ প্ৰয়োজনীয়তা ঃ

সিপিঠিৰ আলোচনাৰপৰা তোমালোকে সংবিধান সম্পৰ্কে ধাৰণা লাভ কৰিব পাৰিলাইক। তদুপৰি এই কথাও জানিব পাৰিলা যে— প্ৰতিখন ৰাষ্ট্ৰৰেই সংবিধান থাকে আৰু সংবিধান নোহোৱাকৈ ৰাষ্ট্ৰ এখন সুকলমে পৰিচালিত হ'ব নোৱাৰে। কাৰণ সংবিধানে ৰাষ্ট্ৰৰ শাসন-ব্যৱস্থা কেনেধৰণৰ হ'ব সেই কথা ঠিৰাং কৰে। সংবিধান হৈছে ৰাষ্ট্ৰৰ আধাৰশিলা। সংবিধান নোহোৱাকৈ ৰাষ্ট্ৰ এখনৰ কল্পনা কৰিব নোৱাৰি। কিয় নোৱাৰি সেই বিষয়ে জানি লওঁ আহা—

প্ৰথমতে, এখন ৰাষ্ট্ৰত বিভিন্ন সম্প্ৰদায়, জাতি-উপজাতি আৰু ভাষা-সংস্কৃতিৰ মানুহে বসবাস কৰে। সকলো মানুহৰে মনোভাব আৰু চিন্তাধাৰা একে নহয়। ভিন্নতা থাকিলেও ৰাষ্ট্ৰখন সুকলমে পৰিচালিত কৰিবৰ বাবে সেই ৰাষ্ট্ৰৰ সংবিধানে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

দ্বিতীয়তে, দেশৰ নাগৰিকসকলৰ অধিকাৰ আৰু ব্যক্তিগত স্বাধীনতাক সুৰক্ষা দিয়াত সংবিধান এখনে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে। নাগৰিকৰ ব্যক্তিত্ব বিকাশৰ কাৰণেও কিছুমান অধিকাৰৰ একান্ত প্ৰয়োজন। এই অধিকাৰ আমাক সংবিধানেই প্ৰদান কৰে।

তৃতীয়তে, এখন গণতান্ত্ৰিক দেশৰ শাসন ব্যৱস্থাত নাগৰিকে প্ৰত্যক্ষ বা পৰোক্ষভাৱে তেওঁৰ পছন্দৰ নেতাক নিৰ্বাচন কৰি চৰকাৰ পৰিচালনা কৰাৰ দায়িত্বও সংবিধানে প্ৰদান কৰিছে। এই নিৰ্বাচন প্ৰক্ৰিয়া কেনে হ'ব আৰু কোনে নিৰ্বাচন পৰিচালনা কৰিব সেই সম্পৰ্কেও সংবিধানত উল্লেখ থাকে।

চতুৰ্থতে, সংবিধানে চৰকাৰৰ ক্ষমতাও নিয়ন্ত্ৰণ কৰে। চৰকাৰৰ বিভিন্ন বিভাগৰ কাম আৰু ক্ষমতা ঠিৰাং কৰাৰ লগতে কোন বিভাগে কি ক্ষমতা প্ৰয়োগ কৰিব সেয়াও নিশ্চিত কৰে। চৰকাৰৰ ক্ষমতা, কাৰ্যাৱলী আৰু নিয়ন্ত্ৰণ পদ্ধতিসমূহ সংবিধানতেই লিপিবদ্ধ কৰা আছে। যদি তেওঁলোকে ক্ষমতাৰ অপব্যৱহাৰ কৰে তেন্তে সাংবিধানিক পদ্ধতিৰে তাক নিয়ন্ত্ৰণ কৰিব পৰাৰ ব্যৱস্থা থাকে।

পঞ্চমতে, সংবিধানে ৰাষ্ট্ৰ এখনক সুপৰিকল্পিতভাৱে পৰিচালনা কৰাত সহায় কৰে। তোমালোকে নিজ নিজ বিদ্যালয়ৰ পৰিৱেশলৈ মনত পেলোৱাচোন— পুৱা ৮.৩০ বজাৰ লগে লগে হৰেণ ককায়ে বিদ্যালয়ৰ ঘণ্টা বজালে। প্ৰধান শিক্ষয়িত্ৰীসহ বিদ্যালয়ৰ আন শিক্ষক-শিক্ষয়িত্ৰীসকলেও প্ৰাতঃসভাত ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে প্ৰাৰ্থনা কৰিলে। সহকাৰী শিক্ষক দেবেন ছাৰে লঘু ব্যায়াম কৰোৱাৰ পিছত শাৰী পাতি শ্ৰেণী কক্ষলৈ ছাত্ৰ-ছাত্ৰীসকলক যাবলৈ দিলে। প্ৰত্যেকজন শ্ৰেণী শিক্ষকে পাঠদানৰ বাবে শ্ৰেণীত প্ৰৱেশ কৰিলে। ইয়াৰপৰা তোমালোকে জানিব পাৰিলা যে বিদ্যালয়ৰ কামবোৰ নিয়াৰিকৈ চলিবৰ বাবে সকলোৱে ভাগে ভাগে নিজা দায়িত্ব পালন কৰাৰ বাবে বিদ্যালয়খন সুশৃঙ্খলভাৱে চলি আছে!

ঠিক সেইদৰে ৰাষ্ট্ৰ এখন সুকলমে পৰিচালিত হ'বলৈ সংবিধানে চৰকাৰৰ তিনিটা অংগ যেনে— **কাৰ্যপালিকা, বিধানমণ্ডল** আৰু **ন্যায়পালিকাৰ** মাজত দায়িত্বসমূহ ভগাই দিছে। লগতে চৰকাৰৰ এই তিনিটা অংগৰ গাঁথনি আৰু পাৰস্পৰিক সম্পৰ্কও নিৰ্ধাৰণ কৰি দিছে। সংবিধানত এই ব্যৱস্থা নথকা হ'লে ৰাষ্ট্ৰত অৰাজকতা হৈ প্ৰশাসনীয় কাৰ্যত বেমেজালিৰ সৃষ্টি হ'লহেঁতেন।

### ক্ৰিয়াকলাপ ঃ

- সমাজত নীতি-নিয়ম নাথাকিলে কেনে পৰিস্থিতিৰ সৃষ্টি হ'ব দলত আলোচনা কৰা।

### জানি থওঁ আহা ঃ

- **বিধান মণ্ডলে** ৰাষ্ট্ৰ পৰিচালনাৰ বাবে অত্যাৱশ্যকীয় আইন প্ৰণয়ন কৰে।
- **কাৰ্যপালিকাই** বিধানমণ্ডলে প্ৰণয়ন কৰা আইনসমূহ কাৰ্যকৰী কৰে।
- **ন্যায়পালিকাই** বিধানমণ্ডলে প্ৰণয়ন কৰা আইনসমূহ সংবিধান সন্মত হৈছে নে নাই তাক চালি-জাৰি চায় আৰু বিচাৰ ব্যৱস্থা পৰিচালনা কৰে।

### সংবিধানৰ কাৰ্য ঃ

- সংবিধানে দেশৰ লক্ষ্য আৰু উদ্দেশ্য নিৰ্ধাৰণ কৰে।
- সংবিধানে ক্ষমতাৰ কৰ্তৃপক্ষ নিৰ্ধাৰণ কৰে।
- সংবিধানে ক্ষমতাৰ কৰ্তৃপক্ষৰ পৰিসীমা নিৰ্ধাৰণ কৰে।
- সংবিধানে জনসাধাৰণৰ অধিকাৰ সুনিশ্চিত কৰে।
- সংবিধানে জনসাধাৰণৰ মাজত একতা আৰু সংহতি স্থাপন কৰে।

সংবিধানে জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰিবলৈ অসমৰ্থ হ'লে জনগণৰ মাজত ক্ষোভৰ সৃষ্টি হয়। ইয়াৰ ফলত বিক্ষোভ বা বিদ্ৰোহে দেখা দিয়ে আৰু সমাজৰ পৰিবৰ্তন বিচাৰে। এই কথাটো আমি কেইখনমান ৰাষ্ট্ৰৰ উদাহৰণেৰে বুজিবলৈ চেষ্টা কৰো আহা—

আমাৰ চুবুৰীয়া ৰাজ্য নেপালত ৰাজতন্ত্ৰ প্ৰচলন আছিল। ১৯৯০ চনৰ সংবিধান মতে ৰাষ্ট্ৰৰ সকলো ক্ষমতাৰ অধিকাৰী আছিল ৰজা। নেপালৰ জনসাধাৰণে ৰাজতন্ত্ৰ আঁতৰাবৰ বাবে ২০০৬ চনত গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে প্ৰতিবাদ আৰম্ভ কৰে। ইয়াৰ দুবছৰৰ পিছত অৰ্থাৎ ২০০৮ চনৰ এপ্ৰিল মাহত গণতান্ত্ৰিক নিৰ্বাচন হয় আৰু ৰাজতন্ত্ৰৰ অৱসান ঘটাই নেপালত গণতন্ত্ৰ প্ৰতিষ্ঠা কৰা হয়। ইয়াৰ কাৰণ আছিল পূৰ্বৰ সংবিধানখনে জনসাধাৰণৰ স্বাৰ্থ আৰু বিশ্বাস প্ৰতিফলিত কৰিব পৰা নাছিল। ঠিক সেইদৰে ভাৰতৰ আন এখন চুবুৰীয়া ৰাজ্য ভুটানটো ২০০৮ চনত নিৰ্বাচন পাতি ইয়াৰ শাসন ব্যৱস্থা জনগণৰ হাতত অৰ্পণ কৰে আৰু ফলস্বৰূপে তাত ৰজা থাকিলেও গণতন্ত্ৰ প্ৰতিষ্ঠিত হয়। এনেধৰণৰ শাসন ব্যৱস্থাত ৰজা বা ৰাণী নামমাত্ৰ শাসন কৰ্তা। তাত গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে প্ৰকৃত শাসন কাৰ্য পৰিচালিত হয়।

### উত্তৰ লিখা ঃ

- চৰকাৰৰ তিনিটা অংগ কি কি?
- বিদ্যালয়ত সকলোৱে কিয় নিজ নিজ দায়িত্ব কৰিছে?
- ২০০৮ চনৰ আগত নেপালত কেনেধৰণৰ চৰকাৰ আছিল?

## সংবিধানৰ প্ৰকাৰ ঃ

ওপৰৰ আলোচনাৰপৰা তোমালোকে ৰাষ্ট্ৰ এখন পৰিচালনা কৰাত সংবিধানৰ প্ৰয়োজনীয়তা আৰু গুৰুত্বৰ বিষয়ে জানিব পাৰিলাহঁক। কিন্তু সকলো দেশৰ বাবে একে ধৰণৰ সংবিধান প্ৰযোজ্য নহয়। ৰাষ্ট্ৰ বিশেষে সংবিধান বেলেগ বেলেগ হোৱা দেখা যায়। এতিয়া আমি বিভিন্ন ধৰণৰ সংবিধান সম্পৰ্কে জানি লওঁ আহা।

## লিখিত সংবিধান ঃ

যিবোৰ সংবিধান লিখিত ৰূপত থাকে তাকে **লিখিত সংবিধান** বুলি কোৱা হয়। পৃথিৱীৰ প্ৰায়বোৰ ৰাষ্ট্ৰতে লিখিত সংবিধান আছে।

**লিখিত সংবিধানৰ বৈশিষ্ট্য ঃ**

- লিখিত সংবিধান স্পষ্ট আৰু নিৰ্দিষ্ট।
- লিখিত সংবিধানত ক্ষমতাৰ বিভাজন, নাগৰিকৰ অধিকাৰ আদিৰ স্পষ্ট উল্লেখ থাকে।

**জানি থওঁ আহা ঃ**

- আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংবিধানখন আধুনিক যুগৰ প্ৰথম লিখিত সংবিধান।
- ভাৰত, আমেৰিকা যুক্তৰাষ্ট্ৰ, ৰাছিয়া, ছুইজাৰলেণ্ড আৰু ফ্ৰান্সকে আদি কৰি প্ৰায়বোৰ ৰাষ্ট্ৰতেই লিখিত সংবিধানৰ প্ৰচলন আছে।

## অলিখিত সংবিধান ঃ

পৃথিৱীৰ প্ৰায়বোৰ দেশত লিখিত সংবিধানৰ ব্যৱস্থা আছে। এই ক্ষেত্ৰত ব্যতিক্ৰম হৈছে ইংলেণ্ডৰ সংবিধান যাৰ কোনো লিখিত ৰূপ নাই। এনেধৰণৰ সংবিধানক অলিখিত সংবিধান বুলি কোৱা হয়। এই সংবিধান বিভিন্ন সময়ত প্ৰণয়ন কৰা আইন আৰু অতীতৰপৰা প্ৰচলিত হৈ থকা ৰীতি-নীতিসমূহৰ মাজতে সিঁচৰতি হৈ আছে বুলি ক'ব পাৰি।

## অলিখিত সংবিধানৰ বৈশিষ্ট্য ঃ

- বিভিন্ন সময়ত প্ৰচলিত প্ৰথা-পদ্ধতি, ৰীতি-নীতি, ঐতিহ্য আৰু পৰম্পৰাৰ ওপৰত নিৰ্ভৰ কৰি অলিখিত সংবিধানৰ সৃষ্টি হৈছে।
- এই সংবিধানত কোনো বিষয় লিখিত ৰূপত নাথাকে।

**জানি থওঁ আহা ঃ**

- পৃথিৱীৰ সংবিধানসমূহৰ ভিতৰত ইংলেণ্ডৰ সংবিধানখনেই হৈছে অন্যতম উল্লেখযোগ্য নমনীয় সংবিধান।

**উত্তৰ লিখা ঃ**

(ক) লিখিত সংবিধান কাক বোলে?

(খ) আধুনিক যুগৰ কোন দেশত প্ৰথম লিখিত সংবিধান ৰচিত হয়?

(গ) অলিখিত সংবিধান বুলিলে কি বুজা?

(ঘ) ইংলেণ্ডৰ সংবিধান লিখিত নে অলিখিত?

## নমনীয় সংবিধান ঃ

তোমালোকে ইংলেণ্ডত অলিখিত সংবিধান প্ৰচলিত ইতিমধ্যে বুলি জানিব পাৰিলা। ইয়াত প্ৰয়োজন সাপেক্ষে সাধাৰণ আইন প্ৰণয়নৰ দ্বাৰা সংবিধান সংশোধন কৰিব পাৰি। এনেধৰণৰ সহজতে সংশোধন কৰিব পৰা সংবিধানক **নমনীয় সংবিধান** বোলে।

## নমনীয় সংবিধানৰ বৈশিষ্ট্য ঃ

- সহজে সংশোধন কৰিব পৰাৰ ব্যৱস্থা আছে।
- নমনীয় সংবিধান লিখিত বা অলিখিত হ'ব পাৰে।

## অনমনীয় সংবিধান ঃ

কিছুমান সংবিধান সংশোধন কৰিবলৈ হ'লে বিশেষ পদ্ধতিৰ প্ৰয়োজন হয়। এই বিশেষ পদ্ধতিটো অতি জটিল আৰু সহজে সংশোধন কৰিব নোৱাৰি। এনে ধৰণৰ সংবিধানক **অনমনীয় সংবিধান** বুলি কোৱা হয়। উদাহৰণস্বৰূপে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংবিধানখন অনমনীয় সংবিধান।

**অনমনীয় সংবিধানৰ বৈশিষ্ট্য ঃ**

- অনমনীয় সংবিধানৰ সংশোধন পদ্ধতি অতি জটিল।
- অনমনীয় সংবিধান সদায় লিখিত ৰূপত থাকে।

**জানি থওঁ আহা ঃ**

**ভাৰতৰ সংবিধান নমনীয় আৰু অনমনীয় সংবিধানৰ সংমিশ্ৰণ।**

**উত্তৰ লিখা ঃ**

- নমনীয় সংবিধান কাক বোলে?
- ইংলেণ্ডৰ সংবিধান সংশোধন পদ্ধতি কেনেধৰণৰ?
- আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংবিধানখন নমনীয় নে অনমনীয়?
- অনমনীয় সংবিধানৰ বৈশিষ্ট্য কি?
- আমেৰিকা যুক্তৰাষ্ট্ৰত কেনেধৰণৰ সংবিধান প্ৰচলিত?

ওপৰৰ আলোচনাৰপৰা আমি জানিব পাৰিলো যে ৰাষ্ট্ৰ এখন সুকলমে পৰিচালিত হ'বলৈ সংবিধানৰ প্ৰয়োজন। এইদৰে সংবিধান অনুসৰি বা সংবিধানক সৰ্বোচ্চ প্ৰাধান্য দি দেশ পৰিচালিত হোৱা ব্যৱস্থাটোকেই সংবিধানবাদ নামে জনা যায়। পৃথিৱীৰ সকলোবোৰ দেশেই সংবিধান অনুসৰি দেশ পৰিচালিত কৰে অৱশ্যে এই সংবিধান লিখিত বা অলিখিত হ'ব পাৰে। বিভিন্ন সময়ত আনকি দেশবোৰে পৰিৱৰ্তিত পৰিস্থিতিৰ লগত খাপ খাই চলিবলৈ সংবিধানৰ প্ৰয়োজনীয় পৰিৱৰ্তন বা সংশোধন সাধন কৰে।

## মনত ৰাখিবলগীয়া কথা ঃ

- সংবিধান হ'ল কিছুমান ৰীতি-নীতি বা আইন-কানুনৰ সমষ্টি। ইয়াত চৰকাৰৰ বিভিন্ন অংগসমূহৰ গঠন, ক্ষমতা আৰু কাৰ্যাৱলীৰ বিষয়ে লিপিবদ্ধ কৰা হয়।
- ৰাষ্ট্ৰখন সুকলমে পৰিচালিত কৰিবৰ বাবে ৰাষ্ট্ৰৰ সংবিধানখনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।
- সংবিধানে চৰকাৰৰ ক্ষমতা আৰু কাৰ্যাৱলী নিয়ন্ত্ৰণ কৰে।
- সংবিধানে চৰকাৰৰ বিভিন্ন অংগ যেনে— কাৰ্যপালিকা, বিধানমণ্ডল আৰু ন্যায়পালিকাৰ মাজত ক্ষমতাৰ বিভাজন কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।
- সংবিধানে দেশৰ নাগৰিকসকলৰ অধিকাৰ আৰু ব্যক্তিগত স্বাধীনতা সুৰক্ষিত কৰে।
- সংবিধানখনত ৰাষ্ট্ৰৰ নিৰ্বাচন প্ৰক্ৰিয়াৰ নিৰ্দেশনাও থাকে।
- সংবিধানে চৰকাৰৰ বিভিন্ন বিভাগৰ মাজত সম্পৰ্ক নিৰ্ধাৰণ কৰে।
- সংবিধান বিভিন্ন প্ৰকাৰৰ। যেনে—

| |
|---|
| লিখিত |
| অলিখিত |
| নমনীয় |
| অনমনীয় |

## অনুশীলনী ঃ

১। চমু উত্তৰ লিখা—

(ক) সংবিধান বুলিলে কি বুজা?

(খ) সংবিধান পৰিৱৰ্তন কৰা প্ৰক্ৰিয়াটোক কি বোলে?

(গ) নেপালত কোন চনত গণতন্ত্ৰ প্ৰতিষ্ঠিত হয়?

(ঘ) লিখিত সংবিধানৰ প্ৰচলন থকা তিনিখন ৰাষ্ট্ৰৰ নাম লিখা।

২। চমু টোকা লিখা—

নমনীয় সংবিধান, অলিখিত সংবিধান, ক্ষমতাৰ বিভাজন

৩। শুদ্ধটো বাছি উলিওৱা—

(ক) ইংলেণ্ডৰ সংবিধান লিখিত/অলিখিত।

(খ) ভাৰতৰ সংবিধান অনমনীয়/নমনীয় আৰু অনমনীয়ৰ সংমিশ্ৰণ।

(গ) কাৰ্যপালিকাই/বিধানমণ্ডলে/ন্যায়পালিকাই দেশৰ আইনসমূহ প্ৰস্তুত কৰে ।

৪। সংবিধান কেই প্ৰকাৰৰ আৰু কি কি? ব্যাখ্যা কৰা।

৫। উত্তৰ লিখা—

(ক) লিখিত আৰু অলিখিত সংবিধানৰ দুটা পাৰ্থক্য।

(খ) অনমনীয় সংবিধানৰ দুটা বৈশিষ্ট্য।

৬। 'গণতান্ত্ৰিক ৰাষ্ট্ৰত সংবিধানৰ প্ৰয়োজন আছে'— যুক্তিসহ আলোচনা কৰা।

৭। তলত উল্লেখ কৰা ৰাষ্ট্ৰসমূহ উপযুক্ত স্থানত বহুওৱা— ভাৰত, আমেৰিকা যুক্তৰাষ্ট্ৰ, ইংলণ্ড।

| নমনীয় | অনমনীয় | নমনীয় আৰু অনমনীয়ৰ সংমিশ্ৰণ |
|---|---|---|
| | | |

৮। **প্ৰকল্প ঃ** তোমালোকৰ অঞ্চলত থকা সংঘ বা অনুষ্ঠানসমূহৰ নাম সংগ্ৰহ কৰা। সেই অনুষ্ঠানবোৰ কেনেদৰে পৰিচালিত হয় আৰু কি কি কাম কৰে? শিক্ষক/অভিভাৱক/স্থানীয় সংঘৰ সদস্যসকলৰ লগত যোগাযোগ কৰি এটি টোকা প্ৰস্তুত কৰা।

✧✧✧✧✧✧


# পাঠ-১১
# ভাৰতীয় সংবিধান

K7M7S1

**শিকনৰ ফলাফল ঃ**

- ভাৰতীয় সংবিধানৰ ঐতিহাসিক পটভূমি আৰু সংবিধান প্ৰণয়নত অসমৰ ভূমিকাৰ বিষয়ে জানিব।
- ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনা আৰু ইয়াৰ আদৰ্শ বুজি পাব।
- ভাৰতীয় সংবিধানৰ বৈশিষ্ট্যসমূহৰ লগত পৰিচয় হ'ব।

ভাৰত এনে এখন দেশ য'ত নানা জাতি, উপজাতি, বিভিন্ন ধৰ্মাৱলম্বী আৰু বিভিন্ন সংস্কৃতিৰ লোকে বসবাস কৰে। ভাৰতে স্বাধীনতা লাভ কৰাৰ পিছত স্বতন্ত্ৰভাৱে ৰাষ্ট্ৰ পৰিচালনা কৰিবলৈ এখন সংবিধানৰ প্ৰয়োজন হয়। ভাৰতবাসীৰ এই সপোন বাস্তৱত ৰূপায়িত কৰিবৰ বাবে কেইবাটাও পৰ্যায় অতিক্ৰম কৰিব লগা হৈছিল। অৱশেষত অশেষ কষ্টৰ বিনিময়ত ভাৰতীয় সংবিধানখন প্ৰস্তুত কৰি ১৯৫০ চনৰ ২৬ জানুৱাৰীত ইয়াক কাৰ্যকৰী কৰা হয়।




আমাৰ দেশৰ সংবিধানখনে কিদৰে পূৰ্ণতা লাভ কৰিলে তাৰ এটি ঐতিহাসিক পটভূমি আছে। আমি এই বিষয়ে সংক্ষেপে আলোচনা কৰোঁ আহা—

## ভাৰতীয় সংবিধানৰ ঐতিহাসিক পটভূমি ঃ

তোমালোকে পাঠ্যপুথিৰ ইতিহাস খণ্ডত চিপাহী বিদ্ৰোহৰ বিষয়ে অৱগত হৈছা। ১৮৫৭ চনত বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে প্ৰৱৰ্তন কৰা কিছুমান নীতিৰ বিৰুদ্ধে একাংশ ভাৰতীয় জনগণে বিদ্ৰোহ কৰে। ফলস্বৰূপে তাৰ পিছৰ বছৰটোত অৰ্থাৎ ১৮৫৮ চনত বৃটিছ চৰকাৰে এক আইন প্ৰণয়ন কৰি ভাৰতৰ শাসন ভাৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰপৰা গ্ৰেট ব্ৰিটেইনৰ ৰাণীৰ প্ৰত্যক্ষ শাসনলৈ নিয়ে। ইয়াৰ পিছৰেপৰা ভাৰতত আধুনিক শাসন ব্যৱস্থা গঢ়ি তুলিবলৈ বৃটিছ চৰকাৰে বিভিন্ন সময়ত কিছুমান আইন প্ৰণয়ন কৰিছিল। ভাৰতে স্বাধীনতা লাভ কৰাৰ পূৰ্বে বৃটিছ চৰকাৰে সময় সময়ে প্ৰণয়ন কৰা এই আইনবোৰৰ যোগেদিয়ে ভাৰতবৰ্ষখন শাসন কৰিছিল। ইয়াৰ ভিতৰত উল্লেখযোগ্য কেইখনমান আইন তলত উল্লেখ কৰা হ'ল-

- ১৮৬১ চনত বৃটিছ চৰকাৰে **'ভাৰত পৰিষদ আইন'** (Indian Councils Act) গ্ৰহণ কৰে। এই আইনখনেই ভাৰতীয় প্ৰশাসনক বিকেন্দ্ৰীকৰণ কৰি ভাৰতত প্ৰতিনিধিত্বমূলক শাসন ব্যৱস্থাৰ সূচনা কৰিছিল।
- ১৮৯২ চনৰ সংশোধিত **'ভাৰত পৰিষদ আইন'** গৃহীত হোৱাৰপৰাই ভাৰতত সদস্য নিৰ্বাচন প্ৰক্ৰিয়া প্ৰৱৰ্তন হয়। এই আইনখনে ভাৰতীয় লোকসকলক সন্তুষ্ট কৰিব পৰা নাছিল।
- ১৯০৯ চনত ভাৰত চৰকাৰ আইন (Government of India Act) গৃহীত কৰা হৈছিল যদিও ভাৰতীয়সকল তাতো সন্তুষ্ট হোৱা নাছিল। এই আইনখনক **'মৰ্লে মিন্টো সংস্কাৰ আইন'** বুলিও জনা যায়।
- ১৯১৯ চনত **'ভাৰত চৰকাৰ আইনে'** ভাৰত এক প্ৰকাৰৰ স্বায়ত্ব শাসন ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিছিল যদিও ই অতি সীমিত পৰিসৰৰ আছিল।

✦ ১৯৩৫ চনৰ **ভাৰত চৰকাৰ আইন** অনুসৰি পোন প্ৰথমবাৰৰ বাবে স্বায়ত্ব শাসন আৰু যুক্তৰাষ্ট্ৰীয় শাসন ব্যৱস্থা প্ৰবৰ্তন কৰা হয়।

✦ ১৯৪৭ চনৰ জুলাই মাহত বৃটিছ সংসদত গৃহীত হোৱা আইন অনুসৰি ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতে স্বাধীনতা লাভ কৰে।

এইখিনিতেই উল্লেখ কৰিব পাৰি যে শাসনৰ আৰম্ভণিৰেপৰা শিক্ষিত ভাৰতীয় লোকসকলে বৃটিছ চৰকাৰখনত তেওঁলোকৰ অন্তৰ্ভুক্তিৰ দাবী কৰি আহিছিল। তেওঁলোকৰ হেঁচাৰ ফলত বৃটিছ চৰকাৰে বিভিন্ন সময়ত আইনৰ দ্বাৰা সীমিত সংখ্যক ভাৰতীয় লোকক শাসন ব্যৱস্থাত অংশ গ্ৰহণৰ বাবে পদক্ষেপ লৈছিল।

১৯২২ চনত মহাত্মা গান্ধীয়ে দেশখনৰ বাবে ভাৰতীয়সকলে নিজে ৰচনা কৰা এখন সংবিধানৰ দাবী কৰিছিল। ইয়াৰ পিছত ১৯২৪ চনত **স্বৰাজ পাৰ্টি**য়েও সংবিধান ৰচনা কৰিবৰ বাবে এখন সংবিধান সভাৰ দাবী তুলিছিল। এনেদৰে ভাৰতীয়সকলৰ মাজত এখন সংবিধানৰ বাবে প্ৰবল জনমত গঢ় লৈ উঠিছিল।

১৯২৭ চনত চাৰ জন চাইমনৰ নেতৃত্বত গঠন হোৱা **চাইমন কমিচনৰ** প্ৰতিবেদন মতে ভাৰতৰ এখন সুকীয়া সংবিধান ৰচনা কৰাত গুৰুত্ব দিয়া হয়।

১৯২৮ চনত মতিলাল নেহৰুৰ সভাপতিত্বত প্ৰকাশ হোৱা **নেহৰু প্ৰতিবেদন**ে ভাৰতৰ সংবিধান ৰচনাত অন্যতম ভূমিকা পালন কৰিছিল। নেহৰু প্ৰতিবেদনৰ মাজতেই ভাৰতীয় সংবিধানৰ গাঁথনি বা মূল কথা যেনে- যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা, দ্বি-সদনীয় বিধানমণ্ডল, নাগৰিকৰ মৌলিক অধিকাৰ ইত্যাদি উল্লেখ পোৱা যায়।

১৯৩৪ চনত ভাৰতীয় জাতীয় কংগ্ৰেছ দলে এখন সংবিধান সভা গঠনৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰে। বৃটিছ চৰকাৰে চাইমনৰ প্ৰতিবেদন গ্ৰহণ কৰাৰ সময়ছোৱাত লণ্ডনত ভাৰতৰ প্ৰতিনিধিসকলৰ লগত মতামত বিনিময় কৰিবৰ বাবে তিনিখন ঘূৰণীয়া মেজমেল অনুষ্ঠিত কৰা হৈছিল। এই মেজমেলৰ প্ৰস্তাৱৰ ভিত্তিত ওপৰত উল্লেখ কৰা ১৯৩৫ চনৰ **'ভাৰত চৰকাৰ আইন'** গ্ৰহণ কৰা হয়। এই আইনখনক ভাৰতীয় সাংবিধানিক ইতিহাসত অতি গুৰুত্বপূৰ্ণ বুলি গণ্য কৰা হয়।

দ্বিতীয় মহাযুদ্ধৰ (১৯৩৯-১৯৪৫) আৰম্ভণিত ভাৰতীয়সকলৰ মাজত স্বাধীনতাৰ দাবী অতি সক্ৰিয় হৈ পৰে। বৃটিছ চৰকাৰে তেওঁলোকৰ যুদ্ধৰ প্ৰস্তুতিত ভাৰতীয়সকলৰ সমৰ্থন লাভ কৰাৰ উদ্দেশ্যে ১৯৪০ চনত 'আগষ্ট প্ৰস্তাৱ'ৰ জৰিয়তে এক সুকীয়া সংবিধানৰ দাবী মানি লৈছিল। সেই অনুসৰি ১৯৪৬ চনত কেবিনেট মিছন ভাৰতলৈ আহে আৰু ভাৰতৰ বাবে এক সুকীয়া সংবিধান ৰচনা কৰিবলৈ প্ৰস্তাৱ আগবঢ়ায়। এই প্ৰস্তাৱ অনুসৰিয়েই ভাৰতৰ সংবিধান সভা

**জানি থওঁ আহা ঃ**

খচৰা কমিটিৰ সদস্যসকল—

✦ ড° ভীমৰাও আম্বেদকাৰ- (সভাপতি) আৰু সদস্যসকল হ'ল— এন গোপালস্বামী আয়েংগাৰ, আল্লাড কৃষ্ণ স্বামী আয়াৰ, কে কে মুন্সি, চৈয়দ মহম্মদ ছাদুল্লা, এন মাধৱ ৰাও, ডি পি খায়তান ।

✦ স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী পণ্ডিত জৱহৰলাল নেহৰু সংবিধানৰ খচৰা কমিটিৰ সদস্য নাছিল যদিও সংবিধান ৰচনাৰ ইতিহাসত তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।

✦ 
ড° ভীমৰাও আম্বেদকাৰৰ সম্পূৰ্ণ নাম বাবাচাহেব ভীমৰাও আম্বেদকাৰ। তেওঁক সম্মান সূচকভাৱে বাবা চাহেব বুলিও জনা যায়। আম্বেদকাৰে ভাৰতীয় সমাজত থকা অস্পৃশ্যতা দূৰীকৰণৰ বাবে সংবিধানত মৌলিক অধিকাৰ সন্নিৱিষ্ট কৰি সামাজিক সমতা প্ৰতিষ্ঠা কৰিছিল। মহিলাসকলৰ উন্নতিৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষা আৰু সম্পত্তিৰ অধিকাৰৰ ওপৰত অধিক গুৰুত্ব দিছিল। ভাৰতীয় সংবিধানখন কাৰ্যক্ষম কৰিবৰ বাবে দৃঢ় পদক্ষেপ গ্ৰহণ কৰিছিল।

গঠিত হয়। ড° ৰাজেন্দ্ৰ প্ৰসাদক এই সভাৰ সভাপতিৰূপে নিৰ্বাচিত কৰা হৈছিল।



ড° ৰাজেন্দ্ৰ প্ৰসাদে সংবিধানত স্বাক্ষৰ কৰা ছবি

ভাৰতে স্বাধীনতা লাভ কৰাৰ লগে লগে সংবিধান সভাই ভাৰতৰ বাবে এখন সংবিধান ৰচনা কৰাৰ অধিকাৰ লাভ কৰে।

১৯৪৭ চনৰ ২৯ আগষ্ট তাৰিখে ড° **বি. আৰ. আম্বেডকাৰক সভাপতিৰূপে লৈ ছয় জন সদস্যৰ সৈতে এখন খচৰা কমিটি গঠন কৰা হয়।** (আগৰ পৃষ্ঠাৰ 'জানি থওঁ আহা' কথাখিনি পঢ়িলে এই কমিটিৰ সদস্যসকলৰ বিষয়ে সবিশেষ জানিব পাৰিবা।

১৯৪৮ চনৰ জানুৱাৰী মাহত সংবিধানৰ খচৰা প্ৰকাশ পায় আৰু ইয়াৰ ওপৰত জনসাধাৰণৰ মতামত ব্যক্ত কৰিবৰ বাবে ৮ মাহ সময় দিয়া হয়। ১৯৪৯ চনৰ ২৬ নৱেম্বৰত সংবিধান সভাৰ সভাপতি ড° ৰাজেন্দ্ৰ প্ৰসাদে খচৰা সংবিধানখনত স্বাক্ষৰ কৰে। তাৰপিছতেই সংবিধান সভাত ভাৰতৰ সংবিধানখন গৃহীত হয়। সংবিধানখন ৰচনা কৰি ইয়াক সম্পূৰ্ণ কৰালৈকে **২ বছৰ ১১ মাহ ১৮ দিন সময় লাগিছিল। ১৯৫০ চনৰ ২৬ জানুৱাৰীৰপৰা সংবিধানখন সম্পূৰ্ণৰূপে কাৰ্যকৰী কৰা হয়।** এই দিনটোৰেই ভাৰতত **গণৰাজ্য দিবস** হিচাপে পালন কৰা হয়। উল্লেখযোগ্য যে সংবিধান সভাৰ সভাপতি ড° ৰাজেন্দ্ৰ প্ৰসাদকেই স্বাধীন ভাৰতৰ প্ৰথম ৰাষ্ট্ৰপতি ৰূপে কাৰ্যভাৰ দিয়া হয়।

ভাৰতীয় সংবিধান প্ৰস্তুত কৰাৰ সময়ত পৃথিৱীৰ কেইবাখনো দেশৰ সংবিধানৰপৰা কেইটামান ধাৰণা গ্ৰহণ কৰা হৈছে। সেই ধাৰণাসমূহ হ'ল—

| | |
|---|---|
| বৃটিছ সংবিধানৰপৰা | সংসদীয় গণতন্ত্ৰ |
| আয়াৰলেণ্ড সংবিধানৰপৰা | ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতি |
| ফৰাছী সংবিধানৰপৰা | স্বতন্ত্ৰতা, সমতা, ভাতৃত্ববোধ |
| মাৰ্কিন যুক্তৰাষ্ট্ৰ সংবিধানৰপৰা | মৌলিক অধিকাৰ |
| কানাডা, অষ্ট্ৰেলিয়া আৰু দক্ষিণ আফ্ৰিকাৰপৰা | যুক্তৰাষ্ট্ৰীয় শাসন ব্যৱস্থা |

### উত্তৰ লিখা ঃ


(ক) কেতিয়াৰপৰা ভাৰতৰ শাসনভাৰ বৃটিছ চৰকাৰৰ হাতলৈ আহে?
(খ) কোন চনত বৃটিছ চৰকাৰে ভাৰত পৰিষদ আইন গ্ৰহণ কৰে?
(গ) মহাত্মা গান্ধীয়ে কেতিয়া এখন সংবিধানৰ দাবী কৰিছিল?
(ঘ) সংবিধানৰ সভাৰ সভাপতি কোন আছিল?
(ঙ) সংবিধানৰ খচৰা কমিটিৰ সভাপতিজনৰ নাম কি?
(চ) কোন দেশৰ সংবিধানৰ আহিঁত আমাৰ সংবিধানত ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতি অন্তৰ্ভুক্ত কৰা হৈছে?

## সংবিধান প্ৰণয়নত অসমৰ ভূমিকা ঃ

ভাৰতৰ সংবিধান প্ৰণয়নত অসমৰ অৱদানৰ বিষয়ে আলোচনা কৰোঁতে আমি তলত দিয়া ব্যক্তিসকলৰ নাম উল্লেখ কৰিব লাগিব। তেওঁলোক হ'ল- **চৈয়দ মহম্মদ চাদুল্লা, গোপীনাথ বৰদলৈ, ধৰণীধৰ বসুমতাৰী, ৰেভাৰেণ্ট জে জে এম নিকলছ্-ৰয়, নিবাৰণ চন্দ্ৰ লস্কৰ, কুলধৰ চলিহা, ৰোহিনী কুমাৰ চৌধুৰী আৰু আব্দুৰ ৰৌফ**। তেওঁলোকৰ মাজৰ চৈয়দ মহম্মদ চাদুল্লা আছিল সংবিধান সভাৰ খচৰা কমিটিৰ সদস্য। গোপীনাথ বৰদলৈয়ে অসমৰ অনুসূচীত জাতি-জনজাতি আৰু পাৰ্বত্য জনজাতিৰ স্বাৰ্থ ৰক্ষাৰ্থে গঠিত সংখ্যালঘু উপদেষ্টা সমিতিৰ সভাপতি পদত কাৰ্যভাৰ গ্ৰহণ কৰিছিল। এই সমিতিৰ পৰামৰ্শ মতেই সংবিধানত **ষষ্ঠ অনুসূচী** অন্তৰ্ভুক্ত কৰা হয়। এই অনুসূচীয়ে উত্তৰ-পূৰ ভাৰতৰ পৰ্বতীয়া আৰু জনজাতীয় অঞ্চলসমূহৰ বাবে স্বায়ত্ব শাসনৰ ব্যৱস্থা কৰে। এনেদৰে ভাৰতীয় সংবিধান ৰচনাত এইসকল বৰেণ্য ব্যক্তিয়ে যথেষ্ট সবল আৰু গঠনমূলক ভূমিকা গ্ৰহণ কৰিছিল। সমগ্ৰ দেশৰ লগতে নিজ ৰাজ্যৰ স্বাৰ্থত তেওঁলোকে সহমত পোষণ কৰিছিল যাতে ৰাজ্যৰ সকলো শ্ৰেণীৰ লোকে সংবিধান প্ৰদত্ত সুবিধাসমূহ লাভ কৰিব পাৰে।

## ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনা ঃ

যিদৰে একোখন গ্ৰন্থৰ পাতনি থাকে ঠিক সেইদৰে ভাৰতীয় সংবিধানতো আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংবিধানৰ আৰ্হিত এটি পাতনি সংযোগ কৰিছে। এই পাতনিটোকে সংবিধানৰ **প্ৰস্তাৱনা** বোলা হয়। এই প্ৰস্তাৱনাটিক সংবিধানৰ দাপোন বুলিও ক'ব পাৰি। ইয়াৰ মাধ্যমেৰে ভাৰত ৰাষ্ট্ৰৰ আৰ্দশ, লক্ষ্য আৰু উদ্দেশ্যসমূহ প্ৰতিফলিত হৈছে।



প্ৰস্তাৱনা

"আমি ভাৰতৰ লোকসমূহে ভাৰতক এখন সাৰ্বভৌম, সমাজবাদী, ধৰ্ম নিৰপেক্ষ, গণতান্ত্ৰিক গণৰাজ্যৰূপে গঠন কৰিবলৈ তথা ইয়াৰ সকলো নাগৰিকৰ বাবে সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায়, চিন্তা, অভিব্যক্তি, বিশ্বাস, ধৰ্ম আৰু উপাসনাৰ স্বাধীনতা প্ৰতিষ্ঠা আৰু সুযোগৰ সমতা লাভ কৰিবলৈ আৰু তেওঁলোকৰ মাজত ব্যক্তিৰ মৰ্যাদা তথা জাতীয় ঐক্য আৰু সংহতি সুনিশ্চিত কৰি ভ্ৰাতৃভাৱ বৃদ্ধি কৰিবলৈ নিষ্ঠা সহকাৰে সংকল্প কৰি আমাৰ এই সংবিধান সভাত আজি ১৯৪৯ চনৰ নৱেম্বৰ মাহৰ ষষ্ঠবিংশ দিৱসত ইয়াৰ দ্বাৰা এই সংবিধান গ্ৰহণ কৰিছোঁ, অধিনিয়মিত কৰিছোঁ আৰু নিজতে অৰ্পণ কৰিছোঁ।"

এই প্ৰস্তাৱনাৰ আদৰ্শমতে **"আমি ভাৰতীয় লোকসকলে"**— বোলোঁতে ইয়াকে বুজায় যে ৰাষ্ট্ৰৰ সকলো ক্ষমতাৰ উৎস হৈছে **জনসাধাৰণ**। এই সংবিধানখন ভাৰতবাসীৰ দ্বাৰাই ৰচনা কৰি ভাৰতৰ জনসাধাৰণৰ কল্যাণৰ বাবে জনসাধাৰণক প্ৰদান কৰা হৈছে।

দ্বিতীয়তে, ভাৰতক এখন **'সাৰ্বভৌম'** ৰাষ্ট্ৰ বুলি অভিহিত কৰা হৈছে। ইয়াৰ অৰ্থ হ'ল ভাৰতে কোনো বিদেশী ৰাষ্ট্ৰৰ তলতীয়া নোহোৱাকৈ স্বাধীনভাৱে দেশৰ আভ্যন্তৰীণ আৰু বৈদেশিক নীতি নিৰ্ধাৰণ কৰিব পাৰে।

তৃতীয়তে, ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত **১৯৭৬ চনৰ সংবিধানৰ ৪২তম সংশোধনীৰ দ্বাৰা 'সমাজবাদ' আৰু 'ধৰ্ম নিৰপেক্ষ' আদৰ্শ সংযোজন কৰা হৈছে।** সমাজবাদ শব্দটোৰ ব্যৱহাৰৰ ইয়াকে বুজাইছে যে এই আদৰ্শ অনুসৰি দেশৰ সম্পদ যাতে মুষ্টিমেয় লোকৰ হাতত কেন্দ্ৰীভূত নহয় তাৰ বাবে ৰাষ্ট্ৰই ব্যৱস্থা ল'ব। সংবিধানে ধনী-দুখীয়াৰ মাজত আৰ্থ-সামাজিক বৈষম্য দূৰ কৰাত গুৰুত্ব দিছে। ৰাষ্ট্ৰৰ উৎপাদন আৰু বিতৰণ ব্যৱস্থা যাতে ৰাষ্ট্ৰৰ দ্বাৰা পৰিচালিত হয় তাৰ প্ৰতি লক্ষ্য ৰাখি এনে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

চতুৰ্থতে, **'ধৰ্ম নিৰপেক্ষ'** শব্দটোৱে ইয়াকে বুজাইছে যে ৰাষ্ট্ৰই কোনো ধৰ্মৰ পৃষ্ঠপোষকতা নকৰে আৰু কোনো ধৰ্মকে অগ্ৰাধিকাৰ নিদিয়ে। ইয়াত বসবাস কৰা সকলো ধৰ্মৰ মানুহে নিজ ইচ্ছা অনুসৰি যিকোনো ধৰ্ম পালন, গ্ৰহণ, চৰ্চা আৰু প্ৰচাৰ বাধাহীনভাৱে কৰিব পাৰে। ৰাষ্ট্ৰই ধৰ্মৰ ভিত্তিত মানুহৰ মাজত কোনোধৰণৰ বৈষম্য সৃষ্টি নকৰি নিৰপেক্ষ ভূমিকা গ্ৰহণ কৰাৰ কথাকে বুজাইছে।

পঞ্চমতে, ভাৰতক এখন **'গণতান্ত্রিক'** ৰাষ্ট্র হিচাপে গ্রহণ কৰা হৈছে। ইয়াৰ অৰ্থ হ'ল জনগণৰ দ্বাৰা নিৰ্বাচিত চৰকাৰখনেই ৰাষ্ট্ৰ পৰিচালনা কৰে।

ষষ্ঠতে, ভাৰতক এখন **গণৰাজ্য** হিচাপে ঘোষণা কৰা হৈছে। এই আদৰ্শমতে ৰাষ্ট্ৰ শাসনৰ শীৰ্ষস্থানত অধিষ্ঠিত ব্যক্তিজন বংশানুক্ৰমিক উপায়েৰে এই পদত থাকিব নোৱাৰে। সেয়ে আমাৰ দেশত ৰাষ্ট্ৰপতিজন জনসাধাৰণৰ প্ৰতিনিধিৰ দ্বাৰা পৰোক্ষভাৱে পাঁচ বছৰৰ বাবে নিৰ্বাচিত হৈ কাৰ্যভাৰ পৰিচালনা কৰে।

দেশত যাতে নাগৰিকৰ অধিকাৰসমূহ সুপ্ৰতিষ্ঠিত হয় তাৰ বাবে সংবিধানৰ প্ৰস্তাৱনাত কেইটামান মহান আদৰ্শ ঘোষণা কৰা হৈছে। এই আদৰ্শসমূহ হ'ল— ন্যায়, স্বাধীনতা, সমতা আৰু ভ্ৰাতৃত্ববোধ।

**ন্যায় ঃ**

ন্যায় বোলোতে নাগৰিকসকলক সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক ন্যায়ৰ আশ্বাস দিয়া হৈছে।

(ক) **সামাজিক ন্যায় ঃ** সামাজিক ন্যায় বুলিলে ভাৰতৰ সকলো লোকে যাতে সম অধিকাৰ ভোগ কৰি এক মৰ্যাদাপূৰ্ণ জীৱন নিৰ্বাহ কৰিব পাৰে তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে।

(খ) **ৰাজনৈতিক ন্যায় ঃ** ৰাজনৈতিক ন্যায়ে ইয়াকে বুজাইছে যে ভাৰতৰ নাগৰিক সমানভাৱে ৰাজনৈতিক অধিকাৰ ভোগ কৰিব পাৰিব। যেনে- সকলো প্ৰাপ্তবয়স্ক নাগৰিক নিৰ্বাচনত অংশগ্ৰহণ আৰু ভোটাধিকাৰ সাব্যস্ত কৰি ৰাষ্ট্ৰৰ কাৰ্যাৱলীত অংশ গ্ৰহণ কৰাৰ সুবিধা লাভ কৰিছে।

(গ) **অৰ্থনৈতিক ন্যায় ঃ** এই ন্যায়ে আমাৰ সমাজত থকা অৰ্থনৈতিক অসমতা দূৰ কৰাৰ কথাকে বুজাইছে। সেই উদ্দেশ্যে উপযুক্ত কামৰ বাবে পুৰুষ-মহিলাক প্ৰাপ্য মজুৰী দিয়া, অন্য ধৰণে সক্ষম ব্যক্তি আৰু বৃদ্ধসকলক অৰ্থনৈতিকভাৱে নিৰাপত্তা দিয়া, ৰাষ্ট্ৰৰ সম্পদৰ সম বিতৰণ কৰা আদিকে বুজায়।

**স্বাধীনতাই** ভাৰতীয় নাগৰিকসকলৰ চিন্তা, মত প্ৰকাশ, বিশ্বাস, ধৰ্ম আৰু উপাসনাৰ ক্ষেত্ৰত আশ্বাস প্ৰদান কৰিছে। এই আদৰ্শসমূহ বাস্তৱত ৰূপায়িত কৰিবলৈ নাগৰিকসকলক স্বাধীনভাৱে চিন্তা-চৰ্চা কৰিব পৰা, বিভিন্ন সমস্যাৰ ওপৰত নিজৰ মতামত প্ৰকাশ কৰিব পৰা, নিজৰ ইচ্ছা অনুসৰি ধৰ্ম গ্ৰহণ, চৰ্চা আৰু প্ৰচাৰ কৰিব পৰা স্বাধীনতা দিয়া হৈছে।

**সমতা** হৈছে ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত উল্লেখ থকা আন এটা গুৰুত্বপূৰ্ণ আদৰ্শ। জনসাধাৰণে যাতে সকলো ধৰণৰ সুযোগ-সুবিধা জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে ভোগ কৰিব পাৰে তাৰ ব্যৱস্থা প্ৰস্তাৱনাত গ্ৰহণ কৰা হৈছে। ভাৰতত আইনে সকলোকে সমানে ৰক্ষণাবেক্ষণ দিয়াৰ প্ৰস্তাৱ আগবঢ়াইছে।

জাতীয় সংহতিত অৰিহণা যোগাবলৈ **ভ্ৰাতৃত্ববোধক** এক উল্লেখযোগ্য আদৰ্শ হিচাপে গ্ৰহণ কৰা হৈছে। তাৰ বাবে প্ৰত্যেক ব্যক্তিক সমান সুযোগ আৰু সমমৰ্যাদা প্ৰদান কৰাটো ৰাষ্ট্ৰই নিশ্চিত কৰিব লাগিব। আমি বিভিন্ন ধৰ্ম, ভাষা-সংস্কৃতিৰ মাজত সমন্বয় গঢ়িবৰ বাবে ইজনে-সিজনৰ ধৰ্ম আৰু সংস্কৃতিক সন্মান জনাব লাগে। তেনে কৰিলেহে সমাজত ভ্ৰাতৃত্ববোধ জগাই তুলিব পাৰিম।

ওপৰত উল্লেখ কৰা সকলোবোৰ আদৰ্শ বাস্তৱত কাৰ্যকৰী কৰিব পাৰিলে নিঃসন্দেহে ভাৰত প্ৰকৃত অৰ্থত কল্যাণকামী ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠিত হ'ব।

**ক্ৰিয়াকলাপ ঃ**

✦ ন্যায়, স্বাধীনতা, সমতা আৰু ভ্ৰাতৃত্ববোধ আদি ভাবধাৰা আমাৰ সমাজত নাথাকিলে কেনেধৰণৰ সমস্যা হ'ব পাৰে দলত আলোচনা কৰি লিখা।

তোমালোকে ইতিমধ্যে ভাৰতীয় সংবিধানৰ ঐতিহাসিক পটভূমি আৰু ইয়াৰ প্ৰস্তাৱনাৰ বিষয়ে জানিব পাৰিলাহঁক। সংবিধান এখন ৰাষ্ট্ৰত কিয় প্ৰয়োজন এই কথা তোমালোকে প্ৰথম পাঠত পাই আহিছা। ৰাষ্ট্ৰ এখন পৰিচালনা কৰিবলৈ দেশৰ পৰিস্থিতিৰ লগত খাপ-খুৱাই এখন সংবিধান প্ৰস্তুত কৰা হয়। প্ৰত্যেক ৰাষ্ট্ৰৰ সংবিধানত কিছুমান বৈশিষ্ট্য থকাৰ দৰে আমাৰ ভাৰতৰ সংবিধানতো কিছুমান উল্লেখযোগ্য বৈশিষ্ট্য আছে। সেই বৈশিষ্ট্যসমূহ তলত আলোচনা কৰা হ'ল--

(১) **লিখিত আৰু দীৰ্ঘতম সংবিধান ঃ** আমাৰ ভাৰতৰ সংবিধানখন লিখিত সংবিধান। ইয়াত প্ৰশাসনৰ মূল নীতিৰ লগতে নাগৰিকত্ব, মৌলিক অধিকাৰ, ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতি, ন্যায়ালয়ৰ ব্যৱস্থা, নিৰ্বাচন প্ৰক্ৰিয়া আদি বিষয়বোৰ লিখিত ৰূপত আছে। এতিয়ালৈকে প্ৰণয়ন হোৱা সংবিধানৰ ভিতৰত ভাৰতৰ সংবিধানখনেই আটাইতকৈ দীৰ্ঘতম সংবিধান। সংবিধানত **৩৯৫ টা অনুচ্ছেদ, ২২ টা অধ্যায়** আৰু **১২ টা অনুসূচী** আছে। পৃথিৱীৰ কেইবাখনো সংবিধানৰপৰা বছা বছা ধাৰণাসমূহ সংগ্ৰহ কৰি আমাৰ সংবিধানত অন্তৰ্ভুক্ত কৰাৰ বাবে সংবিধানখন অতি দীঘলীয়া।

(২) **প্ৰস্তাৱনা ঃ** ভাৰতীয় সংবিধানত প্ৰস্তাৱনা হৈছে এটা উল্লেখযোগ্য বৈশিষ্ট্য। ইয়াৰ সাংবিধানিক তাৎপৰ্য যথেষ্ট। প্ৰস্তাৱনাক সংবিধানৰ পথ প্ৰদৰ্শকৰূপে অভিহিত কৰিব পাৰি।

(৩) **সংমিশ্ৰিত সংবিধান ঃ** তোমালোকে আগৰ পাঠত সংবিধানৰ নমনীয় আৰু অনমনীয় বৈশিষ্ট্যৰ কথা জানিছাহঁক। ভাৰতীয় সংবিধানৰ এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল- ই নমনীয় আৰু অনমনীয় সংবিধানৰ সংমিশ্ৰণ। ভাৰতীয় সংবিধানৰ মতে নতুন ৰাজ্য গঠন কৰা, ৰাজ্যৰ সীমা নিৰ্ধাৰণ কৰা আদি বিষয়বিলাক সহজে সংশোধন কৰিব পাৰি। কিন্তু গুৰুত্বপূৰ্ণ বিষয় যেনে, ৰাষ্ট্ৰপতিৰ নিৰ্বাচন পদ্ধতি, কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত ক্ষমতা বিভাজন, উচ্চতম আৰু উচ্চ ন্যায়ালয় আদিৰ বিষয়সমূহ সহজে সংশোধন কৰিব নোৱাৰি। এই ক্ষেত্ৰত সংবিধানত অনমনীয় দিশ পৰিস্ফুট হয়। সেইবাবে ভাৰতীয় সংবিধানখনক **নমনীয় আৰু অনমনীয় বৈশিষ্ট্যৰে সংমিশ্ৰিত সংবিধান** বুলি কোৱা হয়।

(৪) **সাৰ্বভৌম ৰাষ্ট্ৰ ঃ** তোমালোকে ইতিমধ্যে ভাৰতৰ সংবিধানৰ প্ৰস্তাৱনাত পাই আহিছা যে সংবিধানে ভাৰতক এখন সাৰ্বভৌম ৰাষ্ট্ৰ হিচাপে স্বীকৃতি প্ৰদান কৰিছে। অৰ্থাৎ এখন স্বাধীন ৰাষ্ট্ৰ হিচাপে ভাৰত সকলো ক্ষমতাৰ অধিকাৰী হ'ব।

(৫) **ধৰ্ম নিৰপেক্ষ ৰাষ্ট্ৰ ঃ** ধৰ্ম নিৰপেক্ষতা ভাৰতৰ সংবিধানৰ অন্য উল্লেখযোগ্য বৈশিষ্ট্য। ধৰ্মনিৰেপক্ষতাৰ দ্বাৰা সংবিধানে ভাৰতত থকা সকলো ধৰ্মৰ লোককে সমান অধিকাৰ আৰু মৰ্যাদা প্ৰদান কৰিছে আৰু প্ৰত্যেককে নিজ ধৰ্ম পালন আৰু প্ৰচাৰৰ সুবিধা প্ৰদান কৰিছে।

(৬) **সমাজবাদী ৰাষ্ট্ৰ ঃ** সংবিধানৰ ৪২তম সংশোধনৰ যোগেদি সংবিধানৰ প্ৰস্তাৱনাত সমাজবাদী শব্দটোৰ সংযোগ ঘটাই ভাৰতক এখন সমাজবাদী ৰাষ্ট্ৰ হিচাপে স্বীকৃতি প্ৰদান কৰিছে। সমাজবাদৰ দ্বাৰা ৰাষ্ট্ৰীয় খণ্ডক উৎসাহ যোগোৱাৰ লগতে চৰকাৰৰ নেতৃত্বত জনকল্যাণমূলক আঁচনি গ্ৰহণ কৰি জনসাধাৰণৰ মংগল সাধন কৰিব বিচৰা হৈছে।

(৭) **একক নাগৰিকত্ব ঃ** ভাৰতৰ সংবিধানে দেশৰ নাগৰিকসকলক একক নাগৰিকত্ব প্ৰদান কৰিছে। ইয়াত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছুইজাৰলেণ্ডৰ দৰে দ্বি-নাগৰিকত্ব প্ৰদান কৰা হোৱা নাই। ভাৰতত একক নাগৰিকত্বৰ জৰিয়তে ভাৰতবাসীৰ মাজত বিভিন্ন জাতি-জনজাতি, ভাষা-ভাষী আৰু বিভিন্ন ধৰ্মাৱলম্বী তথা সংস্কৃতিৰ মানুহৰ মাজত একতা আৰু ভ্ৰাতৃত্ববোধ ভাব জগাই তুলিবলৈ বিচৰা হৈছে।

(৮) **যুক্তৰাষ্ট্ৰীয় আৰু একাত্মক ৰাষ্ট্ৰৰ সংমিশ্ৰণ ঃ** ভাৰতীয় সংবিধানক যুক্তৰাষ্ট্ৰীয় সংবিধান বোলা হয় যদিও প্ৰকৃততে এয়া সম্পূৰ্ণৰূপে যুক্তৰাষ্ট্ৰীয় নহয়। ক্ষমতাৰ বিতৰণ, লিখিত সংবিধান, নিৰপেক্ষ ন্যায়ালয় আদি যুক্তৰাষ্ট্ৰীয় শাসন ব্যৱস্থাৰ বৈশিষ্ট্য। আনহাতে শক্তিশালী কেন্দ্ৰীয় চৰকাৰ, একক নাগৰিকত্ব আদি এককেন্দ্ৰীক

চৰকাৰৰ বৈশিষ্ট্যও ইয়াত পৰিলক্ষিত হৈছে। সেয়েহে ভাৰতীয় সংবিধানক যুক্তৰাষ্ট্ৰীয় আৰু একাত্মক ৰাষ্ট্ৰৰ সংমিশ্ৰণ বোলা হয়।

(৯) **সংসদীয় চৰকাৰ ঃ** সংসদীয় চৰকাৰ ভাৰতীয় সংবিধানৰ আন এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। এনে ব্যৱস্থাত ৰাষ্ট্ৰৰ প্ৰধান হৈছে ৰাষ্ট্ৰপতি যি নাম মাত্ৰ মুৰব্বী হিচাপে ৰাষ্ট্ৰৰ কাৰ্য পৰিচালনা কৰে। ভাৰতীয় সংবিধানেও কাৰ্যপালিকাৰ ক্ষমতা ৰাষ্ট্ৰপতিৰ হাতত অৰ্পণ কৰিছে। কিন্তু ৰাষ্ট্ৰৰ সকলো ক্ষমতা প্ৰধানমন্ত্ৰীসহ মন্ত্ৰীপৰিষদে প্ৰয়োগ কৰে। মন্ত্ৰীপৰিষদ লোকসভাৰ ওচৰত দায়বদ্ধ হৈ থাকে। ৰাষ্ট্ৰপতিৰ নামত মন্ত্ৰীপৰিষদে দেশৰ সকলো কাৰ্য পৰিচালনা কৰে বাবে ইয়াক সংসদীয় চৰকাৰ বুলি কোৱা হয়।

(১০) **ক্ষমতাৰ বিভাজন ঃ** ক্ষমতাৰ বিভাজন ভাৰতীয় সংবিধানৰ আন এটা উল্লেখনীয় বৈশিষ্ট্য। আমাৰ সংবিধানে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মাজত ক্ষমতাসমূহ তিনিখন তালিকাৰ যোগেদি ভাগ কৰি দিছে। এই তালিকাকেইখন হ'ল— কেন্দ্ৰীয় তালিকা, ৰাজ্যিক তালিকা আৰু উমৈহতীয়া তালিকা।

**জানি থওঁ আহা ঃ**

| কেন্দ্ৰীয় তালিকাৰ বিষয়সমূহ | ৰাজ্যিক তালিকাৰ বিষয়সমূহ | উমৈহতীয়া তালিকাৰ বিষয়সমূহ |
|---|---|---|
| কেন্দ্ৰীয় তালিকাত ১০০টা বিষয় আছে। | ৰাজ্যিক তালিকাত ৬১ টা বিষয় আছে। | উমৈহতীয়া তালিকাত ৫২ টা বিষয় আছে। |
| প্ৰতিৰক্ষা, বৈদেশিক সম্পৰ্ক, মুদ্ৰা, বাণিজ্য আদি। | আভ্যন্তৰীণ আইন-শৃংখলা, কৃষি, শিক্ষা আদি। | কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰে কৰিবপৰা আইনসমূহ। |

(১১) **মৌলিক অধিকাৰ আৰু কৰ্তব্য ঃ** ভাৰতীয় সংবিধানে নাগৰিকসকলৰ সৰ্বাংগীন উন্নতিৰ বাবে ছয় প্ৰকাৰৰ মৌলিক অধিকাৰ প্ৰদান কৰিছে। তাৰ লগতে ভাৰতীয় নাগৰিকসকলৰ বাবে এঘাৰ বিধ মৌলিক কৰ্তব্যৰ বিষয়েও উল্লেখ কৰিছে। এই বিষয়ে বহলাই পৰৱৰ্তী পাঠত জানিব পাৰিবা।

(১২) **ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতি ঃ** আয়াৰলেণ্ডৰ সংবিধানৰ আৰ্হিত ভাৰতৰ সংবিধানতো নিৰ্দেশাত্মক নীতি অন্তৰ্ভুক্ত কৰা হৈছে। ভাৰতক এখন কল্যাণকামী ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰিবৰ বাবে কিছুমান নীতি গ্ৰহণ কৰা হৈছে। যেনে— দেশৰ সকলো লোকৰ জীৱন-ধাৰণৰ মান উন্নত কৰা, অৰ্থনৈতিক সমতা স্থাপন কৰা, গাঁও অঞ্চলসমূহৰ উন্নয়ন সাধন কৰা, পঞ্চায়ত ব্যৱস্থা প্ৰৱৰ্তন কৰা, শান্তিপূৰ্ণভাৱে বিবাদ নিষ্পত্তি আৰু বন্ধুত্ব স্থাপন কৰা, নিৰক্ষৰতা দূৰীকৰণৰ বাবে সকলো শিশুক (৬-১৪ বছৰ) বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা ব্যৱস্থা প্ৰদান কৰা, সমাজৰ পিছপৰা সম্প্ৰদায়ৰ বাবে বিশেষ সংৰক্ষণৰ ব্যৱস্থা কৰা, ৰাষ্ট্ৰৰ ঐতিহ্যপূৰ্ণ স্থান আৰু কীৰ্তিস্তম্ভসমূহ সংৰক্ষণ কৰা, প্ৰাকৃতিক পৰিৱেশ সংৰক্ষণ আৰু উন্নয়ন কৰাই এই নীতিসমূহৰ মূল উদ্দেশ্য।

এই নীতিসমূহ কাৰ্যকৰী কৰিবলৈ চৰকাৰক বাধ্য কৰাব নোৱাৰি আৰু ন্যায়ালয়ৰ দ্বাৰাও এইবোৰ বলবৎ যোগ্য নহয়।

**মনত ৰাখিবলগীয়া কথা ঃ**

- চিপাহী বিদ্ৰোহৰ অন্তত ভাৰতৰ শাসনভাৰ বৃটিছ চৰকাৰৰ হাতলৈ যায়।
- ১৮৬১ চনৰ **ভাৰত পৰিষদ আইনমতে** ভাৰতীয় প্ৰশাসনত বিকেন্দ্ৰীকৰণ কৰি ভাৰতত প্ৰতিনিধিমূলক ব্যৱস্থাৰ সূচনা কৰা হয়।

- ১৮৯২ চনৰ ভাৰত পৰিষদ আইন মতে ভাৰতত সদস্য নিৰ্বাচন প্ৰক্ৰিয়া আৰম্ভ হয়।
- ১৯০৯ চনৰ **ভাৰত চৰকাৰ আইন** গৃহীত হৈছিল যদিও ভাৰতীয়সকল তাত সন্তুষ্ট নাছিল।
- ১৯১৯ চনৰ **ভাৰত চৰকাৰ আইনে** এক প্ৰকাৰৰ স্বায়ত্ব শাসন ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিছিল।
- ১৯৩৫ চনৰ **ভাৰত চৰকাৰ আইনে** পোন প্ৰথমবাৰৰ বাবে স্বায়ত্ব আৰু যুক্তৰাষ্ট্ৰীয় শাসন ব্যৱস্থা আগবঢ়ায়।
- ১৯৪০ চনৰ **আগষ্ট প্ৰস্তাৱৰ** জৰিয়তে বৃটিছ চৰকাৰে এক সুকীয়া সংবিধানৰ বাবে ভাৰতীয় জনতাৰ **গণ পৰিষদ** গঠনৰ দাবী মানি লয়।
- ১৯৪৬ চনৰ কেবিনেট মিচনৰ প্ৰস্তাৱ অনুসৰি ভাৰতৰ সংবিধান সভা গঠিত হয় আৰু ড° **ৰাজেন্দ্ৰ প্ৰসাদক** এই সভাৰ সভাপতিৰূপে নিৰ্বাচিত কৰা হয়।
- **১৯৪৭** চনত বৃটিছ সংসদত গৃহীত হোৱা আইন অনুসৰি ভাৰতবাসীয়ে ১৯৪৭ চনৰ ১৫ আগষ্টত স্বাধীনতা লাভ কৰে।
- ১৯৪৭ চনৰ ২৯ আগষ্টত ড° **ভীমৰাও আম্বেদকাৰক** সভাপতিৰূপে লৈ ৬ জন সদস্যৰ দ্বাৰা এখন খচৰা কমিটি প্ৰস্তুত কৰা হয়।
- ১৯৪৯ চনৰ ২৬ নৱেম্বৰত সংবিধান সভাৰ সভাপতি ড° **ৰাজেন্দ্ৰ প্ৰসাদে** খচৰা সংবিধানখনত স্বাক্ষৰ প্ৰদান কৰে আৰু **১৯৫০ চনৰ ২৬ জানুৱাৰীৰ**পৰা সংবিধানখন সম্পূৰ্ণৰূপে কাৰ্যকৰী কৰা হয়।
- ভাৰতৰ সংবিধান প্ৰস্তুত কৰাৰ সময়ত পৃথিৱীৰ কেবাখনো দেশৰ সংবিধানৰপৰা কেবাটাও আদৰ্শ গ্ৰহণ কৰা হৈছে।
- ভাৰতৰ সংবিধান প্ৰণয়নত অসমৰ চৈয়দ মহম্মদ চাদুল্লা আৰু গোপীনাথ বৰদলৈৰ বিশেষ অৱদান আছে।
- **প্ৰস্তাৱনা** ভাৰতীয় সংবিধানৰ আত্মাস্বৰূপ আৰু সংবিধানৰ চাবি-কাঠি।

## অনুশীলনী ঃ

১। **চমু উত্তৰ লিখা—**

(ক) ভাৰতীয় সংবিধানখন ৰচনা কৰোতে কিমান সময় লাগিছিল?

(খ) কোন চনত ভাৰতীয় সংবিধানখন সম্পূৰ্ণৰূপে কাৰ্যকৰী কৰা হয়?

(গ) কেতিয়াৰপৰা ভাৰতত সদস্য নিৰ্বাচন প্ৰক্ৰিয়া আৰম্ভ হয়?

(ঘ) ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনত কি ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছিল?

(ঙ) সংবিধান সভাৰ খচৰা কমিটিখন কেতিয়া গঠন কৰা হৈছিল?

২। **খালী ঠাই পূৰ কৰা—**

(ক) ভাৰতীয় সংবিধানত ________ অনুচ্ছেদ, ________ অধ্যায়, ________ অনুসূচী আছে।

(খ) সংবিধানে ক্ষমতাসমূহ ________ ________ ________ তালিকাত ভাগ কৰিছে।

(গ) সংবিধানৰ ৪২ তম সংশোধনৰ যোগেদি সংবিধানৰ প্ৰস্তাৱনাত ______ শব্দটো সংযোগ কৰা হৈছে।

(ঘ) সংবিধানৰ খচৰা কমিটিত অসমৰ সদস্যজন হ'ল ______ ।

৩। **উত্তৰ লিখা—**

(ক) ভাৰতৰ সংবিধানক কিয় দীৰ্ঘতম সংবিধান বুলি কোৱা হয়?

(খ) সংমিশ্ৰিত সংবিধান মানে কি বুজা?

(গ) ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতিৰ প্ৰধান উদ্দেশ্যসমূহ কি কি?

(ঘ) কোন দেশৰ সংবিধানৰ আৰ্হিত আমাৰ সংবিধানত নিৰ্দেশাত্মক নীতি অন্তৰ্ভুক্ত কৰা হৈছে?

৪। **এটা শব্দত প্ৰকাশ কৰা—**

(ক) যি ৰাষ্ট্ৰৰ মুৰব্বী বংশানুক্ৰমিকভাৱে নহয় —

(খ) যি ৰাষ্ট্ৰ বিদেশী শাসনৰপৰা মুক্ত —

(গ) যি ৰাষ্ট্ৰত কোনো ৰাষ্ট্ৰীয় ধৰ্ম নাই —

(ঘ) যি ৰাষ্ট্ৰই জনসাধাৰণৰ কল্যাণ কামনা কৰে —

৫। **সোঁ অংশৰ লগত বাওঁ অংশ মিলোৱা—**

| | |
|---|---|
| (ক) বৃটিছ সংবিধানৰপৰা | (ক) স্বতন্ত্ৰতা, সমতা, ভ্ৰাতৃত্ববোধ |
| (খ) কানাডা, অষ্ট্ৰেলিয়া, দক্ষিণ আফ্ৰিকাৰপৰা | (খ) ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতি |
| (গ) মাৰ্কিন যুক্তৰাষ্ট্ৰৰ সংবিধানৰপৰা | (গ) যুক্তৰাষ্ট্ৰীয় শাসন ব্যৱস্থা |
| (ঘ) ফৰাছী সংবিধানৰপৰা | (ঘ) মৌলিক অধিকাৰ |
| (ঙ) আয়াৰলেণ্ড সংবিধানৰপৰা | (ঙ) সংসদীয় গণতন্ত্ৰ |

৬। ভাৰতীয় সংবিধানৰ ঐতিহাসিক পটভূমিৰ বিষয়ে চমুকৈ লিখা।

৭। সংবিধান প্ৰণয়নত অসমৰ ভূমিকা কি আছিল লিখা।

৮। ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত থকা মূল আদৰ্শসমূহ বৰ্ণনা কৰা।

৯। **চমু টোকা লিখা—**

(ক) ড° ভীমৰাও আম্বেদকাৰ (খ) ড° ৰাজেন্দ্ৰ প্ৰসাদ (গ) সংসদীয় চৰকাৰ।

১০। ভাৰতীয় সংবিধানৰ বৈশিষ্ট্যসমূহ এটা এটাকৈ কাগজৰ সৰু টুকুৰাত লিখি লোৱা। শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে তাৰ ওপৰত এটি আকস্মিক বক্তৃতানুষ্ঠান কৰি বিষয়সমূহৰ ওপৰত বক্তব্য আগবঢ়োৱা। (অনুষ্ঠানটো তত্বাৱধান কৰিবলৈ বিষয় শিক্ষকে দায়িত্ব ল'ব।)

# পাঠ - ১২
# মৌলিক অধিকাৰ

C3E3Z8


**শিকনৰ ফলাফল ঃ**

- অধিকাৰৰ অৰ্থ বুজি পাব।
- সংবিধানে প্ৰদান কৰা মৌলিক অধিকাৰসমূহৰ বিষয়ে জানিব।
- মৌলিক অধিকাৰৰ প্ৰয়োজনীয়তা আৰু সীমাবদ্ধতাৰ বিষয়ে বিতংকৈ জানিব।

বিশ্বৰ ৰাষ্ট্ৰসমূহে নিজৰ নাগৰিকসকলৰ ব্যক্তিত্ব বিকাশ আৰু প্ৰতিভাৰ প্ৰকাশৰ বাবে কিছুমান সুযোগ-সুবিধাক স্বীকৃতি দিয়ে। নাগৰিকৰ বিকাশৰ বাবে ৰাষ্ট্ৰই প্ৰদান কৰা এই সুযোগ-সুবিধাবোৰকে **অধিকাৰ** নামে জনা যায়। অৱশ্যে ৰাষ্ট্ৰ এখনে নাগৰিকৰ সকলো সুবিধা বা অধিকাৰক স্বীকৃতি নিদিবও পাৰে। আমাৰ ভাৰতত নাগৰিকৰ বাবে কিছুমান অধিকাৰ সংবিধানৰ তৃতীয় অধ্যায়ত অন্তৰ্ভুক্ত কৰিছে। এই অধিকাৰসমূহ ব্যক্তি বিকাশৰ বাবে অপৰিহাৰ্য হোৱাৰ লগতে ন্যায়ালয়ৰ দ্বাৰা এইবোৰক ৰক্ষণাবেক্ষণ দিব পৰা যায় বাবে ইয়াক **মৌলিক অধিকাৰ** নামে জনা যায়। তোমালোকে ইতিমধ্যে আগৰ পাঠত পাই আহিছা যে ভাৰতীয় সংবিধানে মৌলিক অধিকাৰৰ ধাৰণা আমেৰিকাৰ সংবিধানৰপৰা গ্ৰহণ কৰিছিল। এই মৌলিক অধিকাৰসমূহৰ উপৰি ভাৰতীয় সংবিধানৰ চতুৰ্থ অধ্যায়ত নাগৰিকৰ বাবে আন কিছুমান অধিকাৰ অন্তৰ্ভুক্ত কৰা হৈছে। অৱশ্যে এইবোৰ মৌলিক অধিকাৰসমূহৰ দৰে ন্যায়ালয়ৰ দ্বাৰা সুৰক্ষিত নহয়। এইবোৰক **নিৰ্দেশাত্মক নীতি** নামেৰে জনা যায়।

এতিয়া নিম্নলিখিত সংলাপখিনিৰপৰা ভাৰতীয় নাগৰিকৰ অন্যতম মৌলিক অধিকাৰ শিক্ষাৰ অধিকাৰৰ প্ৰতি অহা প্ৰত্যাহ্বান কেনেকৈ আইনৰ সহায়ত প্ৰতিৰোধ হ'ল আৰু এগৰাকী শিশুৰ শিক্ষা লাভৰ অধিকাৰ কেনেকৈ সুৰক্ষিত হ'ল তাক বুজিবলৈ চেষ্টা কৰোঁ——














আৰক্ষী বিষয়াক লগত লৈ তেওঁলোক ঠিকাদাৰৰ ঘৰলৈ গ'ল আৰু পৰিণীতাক লৈ আহিল।










মলিকুনীয়ে জোৰ-জুলুমকৈ পৰিণীতাক কাম কৰোৱাৰ লগতে মাকৰ সৈতে আহিবলৈ নিদিয়াৰ বাবে তেওঁৰ বিৰুদ্ধে থানাত এটা গোচৰ ৰুজু কৰা হ'ল। মাক আৰু মাতৃগোটৰ মহিলাসকলে এইদৰে আইনী ব্যৱস্থা লোৱাৰ বাবে পৰিণীতাই লোকৰ ঘৰত বন কৰা ছোৱালী হৈ নাথাকি সংবিধানে প্ৰদান কৰা শিক্ষা গ্ৰহণৰ অধিকাৰ লাভ কৰিলে। শিক্ষা গ্ৰহণৰ অধিকাৰৰ উপৰি পৰিণীতাৰ দৰে শিশুৰ সুৰক্ষাৰ বাবে, ব্যক্তিত্বৰ বিকাশৰ বাবে আন ভালেমান অধিকাৰ যেনে- স্বাধীনতাৰ অধিকাৰ, সমতাৰ অধিকাৰ, শোষণৰ বিৰুদ্ধে অধিকাৰ ইত্যাদিৰ প্ৰয়োজন আছে। **এইদৰে নাগৰিকসকলৰ প্ৰতিভা আৰু ব্যক্তিত্ব বিকাশ কৰিবলৈ সংবিধানে যিবিলাক অধিকাৰ প্ৰদান কৰিছে সেই অধিকাৰসমূহকে মৌলিক অধিকাৰ বোলা হয়।** এই মৌলিক অধিকাৰসমূহ উলংঘা কৰিলে তাৰ সুৰক্ষাৰ বাবে নাগৰিকসকলে ন্যায়ালয়ৰ কাষ চাপিব পাৰে।

**উত্তৰ লিখা ঃ**

- অধিকাৰ মানে কি বুজা?
- পৰিণীতাৰ মাকক মাতৃগোটৰ সদস্যসকলে কি পৰামৰ্শ দিছিল?
- পৰিণীতাক আনিবৰ বাবে মাতৃগোট আৰু মাকে কাৰ সহায় লৈছিল?

**জানি থওঁ আহা ঃ**

- ভাৰতৰ সংবিধান সভাই সংবিধান প্ৰস্তুত কৰাৰ সময়ত মৌলিক অধিকাৰৰ বাবে এখন উপ-সমিতি গঠন কৰিছিল। এই উপ-সমিতিখনে আমেৰিকা যুক্তৰাষ্ট্ৰৰ 'বিল অব ৰাইটছ' (Bill of Rights),ফৰাচী ঘোষণা পত্ৰ, ১৯৩৫ চনৰ আয়াৰলেণ্ডৰ সংবিধান আৰু ১৯৪৮ চনৰ মানৱ অধিকাৰ সাৰ্বজনীন ঘোষণা পত্ৰ পৰ্যালোচনা কৰিছিল। এই উপ-সমিতিখনৰ পৰামৰ্শমতে আদালতৰ দ্বাৰা বিচাৰ যোগ্য অধিকাৰসমূহক মৌলিক অধিকাৰ ৰূপে গণ্য কৰে। ভাৰতীয় সংবিধানখন বলবৎ কৰাৰ সময়ত সংবিধান সভাই নাগৰিকসকলক সাত প্ৰকাৰৰ মৌলিক অধিকাৰ প্ৰদান কৰিছিল। এই অধিকাৰসমূহ হ'ল— সমতাৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ, শোষণৰ বিৰুদ্ধে অধিকাৰ, শিক্ষা আৰু সংস্কৃতিৰ অধিকাৰ, ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ, সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ, সম্পত্তিৰ অধিকাৰ। ১৯৭৮ চনৰ সংবিধানৰ ৪৪তম সংশোধনীৰ দ্বাৰা সম্পত্তিৰ অধিকাৰটো মৌলিক অধিকাৰৰ পৰা বিলোপ ঘটোৱা হৈছে।

**বৰ্তমান আমাৰ সংবিধানৰ তৃতীয় অধ্যায়ত ১৪ নং অনুচ্ছেদৰপৰা ৩৫ নং অনুচ্ছেদলৈ ছয় প্ৰকাৰৰ মৌলিক অধিকাৰ সন্নিৱিষ্ট কৰা আছে।** এই মৌলিক অধিকাৰসমূহ হ'ল—

১। **সমতাৰ অধিকাৰ**
২। **স্বাধীনতাৰ অধিকাৰ**
৩। **শোষণৰ বিৰুদ্ধে অধিকাৰ**
৪। **শিক্ষা আৰু সংস্কৃতিৰ অধিকাৰ**
৫। **ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ**
৬। **সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ**

এতিয়া আমি ভাৰতীয় সংবিধানে প্ৰদান কৰা মৌলিক অধিকাৰসমূহৰ বিষয়ে আলোচনা কৰো আহা—

## সমতাৰ অধিকাৰ ঃ

ভাৰতবাসীৰ মাজত সকলো প্ৰকাৰৰ অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক অসমতা দূৰ কৰি নাগৰিকসকলক সমান মৰ্যাদা প্ৰদান কৰাৰ উদ্দেশ্যে সংবিধানৰ ১৪ নং অনুচ্ছেদপৰা ১৮ নং অনুচ্ছেদলৈ সমতাৰ অধিকাৰ প্ৰদান কৰিছে।

নিচেই তলৰ ছবিখনলৈ মন কৰাচোন। এনেধৰণৰ প্ৰতিমূৰ্তি তোমালোকে ন্যায়ালয়ত দেখিবলৈ পাবা। এই প্ৰতিমূৰ্তিৰ অৰ্থ হ'ল আইনৰ চকুত সকলো সমান। দেশৰ মুৰব্বী ৰাষ্ট্ৰপতিৰপৰা সাধাৰণ বনুৱালৈকে সকলোৱে সংবিধানৰ আইন মানি চলিব লাগে।



আইনমতে সকলো জাতি, বৰ্ণ, ধৰ্ম, ধনী-দুখীয়াই জন্মস্থান নিৰ্বিশেষে সমানভাৱে বিদ্যালয়, বজাৰ-সমাৰ, ৰাজহুৱা উদ্যান, বাট-পদুলি, পুখুৰী-নাদ আদি ব্যৱহাৰ কৰিব পাৰিব। ইয়াৰ বাহিৰে চৰকাৰী চাকৰিৰ নিয়োগৰ ক্ষেত্ৰত যোগ্যতা অনুসৰি সুযোগ সুবিধা লাভ কৰিব। আমাৰ সংবিধানে সামাজিক বৈষম্য আৰু কু-সংস্কাৰ দূৰ কৰি সমতা স্থাপনৰ বাবে সমাজত অস্পৃশ্যতা নিষিদ্ধ কৰিছে। সমাজত বিভিন্ন কামৰ বাবে শ্ৰেণী বিভাগ আছে যদিও মানুহ হিচাপে কোনো উচ্চ-নীচ নহয় আৰু আইনে সকলোকে সমান মৰ্যাদা প্ৰদান কৰিছে। অস্পৃশ্যতা আমাৰ দেশৰ এক সামাজিক ব্যাধি।

এই অধিকাৰে সমাজৰ বৈষম্য দূৰ কৰি এক সুস্থ সবল, সংস্কৃতিবান দেশ গঢ়াত সহায় কৰে।

**ক্ৰিয়াকলাপ ঃ**

- তোমালোকৰ চুবুৰি/গাঁও/নগৰ/চহৰ আৰু বিভিন্ন অঞ্চলত থকা লোকসকলে সংবিধানৰ কি কি সুবিধা উপভোগ কৰাৰপৰা বঞ্চিত হৈ আছে তাৰ এখন তালিকা প্ৰস্তুত কৰা।

## স্বাধীনতাৰ অধিকাৰ ঃ

এখন স্বাধীন আৰু গণতান্ত্ৰিক দেশৰ জনসাধাৰণৰ অভাব-অভিযোগ আৰু দৈনন্দিন জীৱনৰ সমস্যাসমূহ সমাধান কৰিবৰ বাবে আমাৰ এখন চৰকাৰ আছে। সংবিধানে **১৯ নং** অনুচ্ছেদৰপৰা **২২ নং** অনুচ্ছেদলৈ ভাৰতৰ নাগৰিকসকলৰ কাৰণে এই অধিকাৰ প্ৰদান কৰিছে।

তোমালোকে ইতিমধ্যে সপ্তম শ্ৰেণীৰ সমাজ বিজ্ঞানৰ **'প্ৰচাৰ মাধ্যম আৰু গণমাধ্যম'** পাঠটিত সংবাদ পত্ৰ, ৰেডিঅ', টি ভি, ইণ্টাৰনেট আদিৰ জৰিয়তে কেনেদৰে আমি মনৰ ভাব প্ৰকাশ কৰাৰ স্বাধীনতা লাভ কৰিছো সেই বিষয়ে জানি আহিছাহঁক।

এতিয়া তলৰ ছবি কেইখনলৈ মন কৰাচোন— 'মিলনজ্যোতি মহিলা সমিতি' আৰু 'জনকল্যাণ সন্মিলিত সংঘ'ই হাতত প্লেকাৰ্ড লৈ কেনেদৰে 'মহিলাক সুৰক্ষা দিয়ক', 'মূল্যবৃদ্ধি ৰোধ কৰক' আদি শ্ল'গান দি শোভাযাত্ৰা কৰিছে!




শোভাযাত্ৰাৰ ছবিকেইখন চাই বুজিব পাৰি যে ভাৰতৰ নাগৰিকসকলে তেওঁলোকৰ সমস্যাসমূহ সমাধা কৰিবলৈ চৰকাৰৰ ওচৰত দাবী কৰিব পাৰে। এনেদৰে হাতত কোনো ধৰণৰ অস্ত্ৰ-শস্ত্ৰ নোলোৱাকৈ গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে নাগৰিক-সকলে সমবেত হোৱাৰ অধিকাৰ লাভ কৰিছে।

**জনকল্যাণ সন্মিলিত সংঘ, মিলনজ্যোতি মহিলা সমিতিৰ** দৰে প্ৰয়োজন অনুসৰি নাগৰিকসকলে বিভিন্ন অনুষ্ঠান গঠন কৰিব পাৰে আৰু এই অনুষ্ঠানসমূহৰ দ্বাৰা সমাজৰ বিভিন্ন উন্নয়নমূলক কাম কৰিব পাৰে।

তাৰ বাহিৰে নাগৰিকে ভাৰতৰ ভূখণ্ডত স্থায়ীভাৱে বসবাস কৰি যিকোনো বৃত্তি, জীৱিকা, ব্যৱসায়-বাণিজ্য কৰাৰ অধিকাৰো পাইছে।

স্বাধীনতা অধিকাৰৰ অন্য এক উল্লেখযোগ্য দিশ হ'ল— কোনো ব্যক্তিৰ অপৰাধ প্ৰমাণ নোহোৱা পৰ্যন্ত আৰক্ষীয়ে শাস্তি বিহিব নোৱাৰিব। কোনো ব্যক্তিক কাৰণ নোহোৱাকৈ ২৪ ঘণ্টাতকৈ অধিক সময় আৰক্ষীয়ে আটক কৰি ৰাখিলে ব্যক্তিজনে আইনৰ সহায় ল'ব পাৰিব।

স্বাধীনতাৰ অধিকাৰৰ অন্তৰ্গত এটা উল্লেখযোগ্য দিশ হৈছে শিশুৰ শিক্ষাৰ অধিকাৰ। ইতিমধ্যে সংবিধানৰ ২১ (ক) অনুচ্ছেদ মতে ৬-১৪ বছৰলৈ সকলো শিশুকে বিনামূলীয়া শিক্ষাৰ অধিকাৰ প্ৰদান কৰা হৈছে। সম্প্ৰতি শিক্ষাৰ অধিকাৰ আইন, ২০০৯ অনুসৰি চৰকাৰী অনুদানেৰে প্ৰতিষ্ঠা কৰা শিক্ষানুষ্ঠানসমূহত জাতি, ধৰ্ম, বৰ্ণ, ভাষা, নিৰ্বিশেষে সকলো শিক্ষাৰ্থীয়ে শিক্ষা গ্ৰহণ কৰিবলৈ বাধ্য হ'ব। শিশুৰ এই শিক্ষা গ্ৰহণত কোনেও বাধা প্ৰদান কৰিব নোৱাৰিব। এই পাঠৰ ছবি পৃষ্ঠাত তোমালোকে পৰিৱীতাৰো যে শিক্ষা গ্ৰহণ কৰাৰ অধিকাৰ আছে সেই বিষয়ে জানিলা। এই

**শিশু শিক্ষাৰ অধিকাৰ** আইনৰ জৰিয়তে পৰিণীতাহঁতৰ দৰে অনেক শিশুৰ শিক্ষা লাভৰ পথ মুকলি কৰা হৈছে। মাতৃগোটৰ মাতৃসকলেও শিশুসকলক শিক্ষা প্ৰদান কৰা যে এক অতি প্ৰয়োজনীয় কৰ্তব্য সেইকথা উপলব্ধি কৰি মণ্টু ঠিকাদাৰৰ ঘৰৰপৰা পৰিণীতাক আনি বিদ্যালয়ত নাম ভৰ্তি কৰাৰ ব্যৱস্থা কৰিছে। **শিক্ষাৰ অধিকাৰ আইন ২০০৯ চনৰ প্ৰধান উদ্দেশ্য হৈছে—** ৬-১৪ বছৰ বয়সৰ প্ৰতিজন শিশুৰ ৮ বছৰীয়া বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা নিশ্চিতকৰণ, ৬ বছৰ বয়সলৈকে বিদ্যালয়ত নাম ভৰ্তি নকৰাকৈ থকা আৰু প্ৰাথমিক শিক্ষা সম্পূৰ্ণ নকৰা শিশুক উপযুক্ত শ্ৰেণীত নাম ভৰ্তিকৰণ কৰোৱা আদি।

**ক্ৰিয়াকলাপ ঃ**

- তোমালোকৰ ওচৰ চুবুৰীয়াৰ কোনো শিশু যদি শিক্ষা লাভৰপৰা বঞ্চিত হৈ আছে তেন্তে কেনেদৰে তেওঁলোকক বিদ্যালয়লৈ অনাত সহায় কৰিবা দলগতভাৱে আলোচনা কৰি এখন আঁচনি যুগুত কৰা।

## শোষণৰ বিৰুদ্ধে অধিকাৰ ঃ

তোমালোকে কেতিয়াবা হোটেল, ধাবা, দোকান, ইটাভাতা, চাহ-বাগিছা, কাৰখানা আদিত শিশুসকলে কাম কৰা মন কৰিছানে? মালিকসকলে শিশুসকলক কামত নিয়োগ কৰাৰ কাৰণ হ'ল অতি কম মজুৰিতে এওঁলোকে দিন-ৰাতিয়ে কাম কৰি দিয়ে। কোনো কোনো ক্ষেত্ৰত মালিকে শিশুসকলক বিপদজনক বা অনিষ্টকাৰী কাম কৰিবলৈ বাধ্যও কৰায়। কিন্তু আমাৰ সংবিধানৰ **২৩ নং** আৰু **২৪ নং** অনুচ্ছেদে ধাৰ্য কৰা শোষণৰ বিৰুদ্ধে অধিকাৰত কোৱা হৈছে যে— শ্ৰমিকৰপৰা বিনা মজুৰিৰে শ্ৰম আদায় কৰা, জোৰ-জুলুমকৈ পৰিশ্ৰম কৰিবলৈ বাধ্য কৰোৱা, অন্যায় আৰু অবৈধ কাম-কাজৰ বাবে শিশুক নিয়োগ কৰা আদি আইন বিৰোধী নিষিদ্ধ কাৰ্য।

তলৰ ছবিকেইখন ভালদৰে লক্ষ্য কৰাচোন— চৰকাৰে **২০০৬ চনতে শিশু শ্ৰমিক প্ৰতিৰোধ আইন** বলবৎ কৰাৰ পিছতো এতিয়াও বহুতো শিশুৱে কল-কাৰখানা, হোটেল, ইটাভাতা আদিত কাম কৰা দেখা যায়।

**শিশু শ্ৰমিক প্ৰতিৰোধ আইন ২০০৬**



এই শিশু শ্রমিকসকলৰ নিজৰ অধিকাৰ সাব্যস্ত কৰি এখন শোষণমুক্ত সমাজ গঢ়িবলৈ দেশৰ প্ৰতিজন নাগৰিক সচেতন হোৱা বাঞ্চনীয়। অন্যথা দেশৰ ভৱিষ্যত অন্ধকাৰ হোৱাৰ আশংকা বাঢ়ি যাব।

তোমালোকে মন কৰিলে দেখিবা যে প্ৰায়ে বাতৰি কাকতসমূহত অপহৰণ, নিৰুদ্দেশ, সন্ধানহীন আদিৰ দৰে বাতৰি প্ৰকাশ পায়। সমাজৰ এক শ্ৰেণীৰ দুষ্ট প্ৰকৃতিৰ লোকে প্ৰলোভন দি নাবালক কিশোৰ-কিশোৰী আৰু শিশুসকলক অপহৰণ কৰি কোনোবা অজ্ঞাত ব্যক্তিৰ হাতত বিক্ৰী কৰে। এনে কাৰ্যই তেওঁলোকক স্বাভাৱিক জীৱন যাত্ৰাৰপৰা বঞ্চিত কৰি দুৰ্বিসহ জীৱন-যাপন কৰিবলৈ বাধ্য কৰায়। এই সমস্যাসমূহ সমাধানৰ বাবে আমাৰ দেশত বহু ধৰণৰ আইনী ব্যৱস্থা আছে।

### জানি থওঁ আহা ঃ

- ২০০১ চনৰ লোকপিয়ল অনুসৰি ভাৰতৰ ৬-১৪ বছৰ বয়সৰ ১২ নিযুত শিশুক কামত নিয়োজিত কৰা হয়। ২০০৬ চনৰ অক্টোবৰ মাহত চৰকাৰে শিশু শ্ৰমিক প্ৰতিৰোধ আইন জাৰি কৰি ১৪ বছৰ বয়সৰ তলৰ শিশুক হোটেল, ধাবা, দোকান আদিত আৰু বিপজ্জনক কল-কাৰখানাৰ কামত নিয়োগ কৰা নিষিদ্ধ কৰিছে। এই আইন ভঙ্গকাৰীসকলে ৩ মাহৰপৰা ২ বছৰ পৰ্যন্ত হাজোতত কাৰাবাস খাটিব লাগিব আৰু ১০,০০০ হাজাৰ টকাৰপৰা ২০,০০০ হাজাৰ টকা পৰ্যন্ত জৰিমনা ভৰিব লাগিব। মহিলাসকলৰ সুৰক্ষাৰ বাবে **'ঘৰুৱা-হিংসা প্ৰতিৰোধ আইন'** আদিকে ধৰি অন্যান্য বহু আইন আছে।
- **শিশুৰ সুৰক্ষাৰ বাবে যৌন অপৰাধ প্ৰতিৰোধ আইন, ২০১২** (Protection of Children from Sexual Offences Act' 2012) ঃ
২০১২ চনত ভাৰতীয় সংসদে শিশুৰ ওপৰত যৌন নিৰ্যাতন প্ৰতিৰোধী আইন (POCSO)গ্ৰহণ কৰিছিল। এই শিশুৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ শিশুৰ ওপৰত হোৱা যিকোনো ধৰণৰ যৌন শোষণ, নিপীড়ন বা যৌন নিৰ্যাতনক বাধা দিয়াৰ বাবে কঠোৰ ব্যৱস্থাপনাৰ বিষয়ে উল্লেখ আছে। এই আইনৰ সফল প্ৰয়োগ বহু পৰিমাণে নিৰ্ভৰ কৰে শিশু আৰু অভিভাৱকৰ সজাগতাৰ ওপৰত।

### উত্তৰ লিখা ঃ

- শিশুসকলক কিয় শ্ৰমিক হিচাপে নিয়োগ কৰে?
- কোন চনত শিশু শ্ৰমিক নিষিদ্ধ আইন জাৰি কৰা হয়?

## শিক্ষা আৰু সাংস্কৃতিক অধিকাৰ ঃ

সংবিধানৰ **২৯ নং** আৰু **৩০ নং** অনুচ্ছেদত ভাৰতৰ নাগৰিকসকলৰ বাবে এই অধিকাৰ প্ৰদান কৰা হৈছে।

ভাৰতত ধৰ্মীয় আৰু ভাষিক সংখ্যালঘু শ্ৰেণীৰ লোকে প্ৰয়োজন অনুসৰি শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰিব পাৰে। এই অনুষ্ঠানসমূহলৈ ভাষা নাইবা ধৰ্মৰ ভিত্তিত বৈষম্য নাৰাখি চৰকাৰে অনুদান প্ৰদান কৰে। চৰকাৰৰ দ্বাৰা প্ৰতিষ্ঠা কৰা এনে শিক্ষানুষ্ঠানত জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে সকলো ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰাৰ সুবিধা আছে।

আমাৰ দেশত বিভিন্ন ধৰ্মাৱলম্বী, ভাষা-ভাষী আৰু নিজস্ব সংস্কৃতি বহন কৰা জনসাধাৰণে বাস কৰে। তেওঁলোকৰ নিজৰ নিজৰ ভাষা, লিপি আৰু সংস্কৃতি সুৰক্ষাৰ অধিকাৰ আছে।

## ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ ঃ

তোমালোকে ইতিমধ্যে জানিব পাৰিছা যে ভাৰত এখন ধৰ্ম নিৰপেক্ষ ৰাষ্ট্ৰ। ইয়াত কোনো ধৰ্মকে ৰাষ্ট্ৰীয় ধৰ্মৰূপে স্বীকৃতি দিয়া হোৱা নাই। ভাৰতত সকলো ধৰ্মালম্বী লোকে তেওঁলোকৰ নিজ ইচ্ছা অনুসৰি ধৰ্ম গ্ৰহণ, চৰ্চা, প্ৰচাৰ আৰু

ধৰ্মীয় অনুষ্ঠান প্ৰতিষ্ঠা কৰিব পাৰে। বিভিন্ন ধৰ্মৰ লোকৰ মাজত যাতে ঐক্য-সংহতি ৰক্ষা পৰে তাৰ প্ৰতি লক্ষ্য ৰাখি সংবিধান ২৬, ২৭ আৰু ২৮ নং অনুচ্ছেদত ধৰ্মীয় অধিকাৰ প্ৰদান কৰিছে।

### সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ ঃ

আমাৰ সংবিধানে যিদৰে নাগৰিকসকলক মৌলিক অধিকাৰ প্ৰদান কৰিছে সেইদৰে এই অধিকাৰসমূহ উলংঘা কৰাৰ ক্ষেত্ৰতো সংবিধানে ৩২ নং অনুচ্ছেদৰপৰা ৩৫ নং অনুচ্ছেদলৈ ব্যৱস্থা গ্ৰহণ কৰিছে।

এই অধিকাৰ অনুসৰি নাগৰিকে মৌলিক অধিকাৰসমূহ উপভোগ কৰাৰপৰা বঞ্চিত হ'লে ন্যায়ালয়ত আৱেদন জনাব পাৰে।

ভাৰতৰ সংবিধান সভাৰ খচৰা কমিটিৰ সভাপতি ড° বি আৰ আম্বেদকাৰে সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰক সংবিধানৰ 'আত্মা আৰু প্ৰাণকেন্দ্ৰ' বুলি মন্তব্য কৰিছিল।

**উত্তৰ লিখা ঃ**

- ভাৰতত ৰাষ্ট্ৰীয় ধৰ্ম আছেনে?
- নাগৰিকসকলে মৌলিক অধিকাৰৰপৰা বঞ্চিত হ'লে কাৰ সহায় ল'ব পাৰে?

## মৌলিক অধিকাৰৰ বৈশিষ্ট্য ঃ

ওপৰৰ আলোচনাৰপৰা আমাৰ সংবিধানে প্ৰদান কৰা মৌলিক অধিকাৰসমূহৰ বিষয়ে জানিব পাৰিলাহঁক। এই অধিকাৰসমূহৰ কেইটামান উল্লেখযোগ্য বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰো আহা—

- মৌলিক অধিকাৰ সংবিধানৰ এক গুৰুত্বপূৰ্ণ অংশ।
- সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰৰ জৰিয়তে নাগৰিকে মৌলিক অধিকাৰ উপভোগ কৰাৰপৰা বঞ্চিত হ'লে ন্যায়ালয়ৰ দ্বাৰস্থ হ'ব পাৰিব। সেইবাবে ন্যায়ালয়ক **মৌলিক অধিকাৰৰ ৰক্ষক** বুলি কোৱা হয়।
- ভাৰতৰ সকলো নাগৰিকে কোনো বৈষম্য নৰখাকৈ জাতি, ধৰ্ম, বৰ্ণ, ভাষা, সম্প্ৰদায় নিৰ্বিশেষে সমানে এই অধিকাৰসমূহ উপভোগ কৰিব পাৰে।
- মৌলিক অধিকাৰে সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত ন্যায় আৰু সমতা প্ৰতিষ্ঠাত সহায় কৰে।
- মৌলিক অধিকাৰবোৰ উপভোগ কৰোঁতে কিছুমান সীমাবদ্ধতা মানি চলিবলগীয়া হয়।

## মৌলিক অধিকাৰৰ সীমাবদ্ধতা ঃ

ভাৰতৰ সংবিধানে প্ৰদান কৰা মৌলিক অধিকাৰসমূহ চূড়ান্ত নহয়। ইয়াৰ কিছুমান সীমাবদ্ধতা আছে। দেশত জৰুৰীকালীন অৱস্থা ঘোষণা কৰিলে নাগৰিকৰ মৌলিক অধিকাৰসমূহ সাময়িকভাৱে কৰ্তন হ'ব পাৰে।

## মৌলিক অধিকাৰৰ প্ৰয়োজনীয়তা ঃ

তোমালোকে ওপৰৰ আলোচনাৰপৰা জানিব পাৰিলা যে এখন গণতান্ত্ৰিক ৰাষ্ট্ৰত নাগৰিকসকলক মৌলিক অধিকাৰ প্ৰদান কৰিলেও তাৰ কিছুমান সীমাবদ্ধতা আছে। কিন্তু এই মৌলিক অধিকাৰসমূহ নাগৰিকসকলৰ বাবে অত্যন্ত প্ৰয়োজনীয়।

- মৌলিক অধিকাৰসমূহৰ অবিহনে নাগৰিকৰ ব্যক্তিত্ব বিকাশত বাধাৰ সৃষ্টি হয়।
- মৌলিক অধিকাৰে চৰকাৰৰ স্বেচ্ছাচাৰিতাত বাধা প্ৰদান কৰি জনসাধাৰণৰ স্বাধীনতা সুৰক্ষিত কৰে।
- মৌলিক অধিকাৰসমূহ উপভোগ কৰাৰ ক্ষেত্ৰত কোনো বৈষম্য নথকাৰ বাবে জাতি, ধৰ্ম, ভাষা, বৰ্ণ নিৰ্বিশেষে নাৰী-পুৰুষ উভয়ে এই অধিকাৰসমূহ সমানে উপভোগ কৰিব পাৰে।

## মনত ৰাখিবলগীয়া কথা

- ৰাষ্ট্ৰৰ নাগৰিকসকলৰ ব্যক্তিত্ব বিকাশ আৰু স্বচ্ছন্দভাবে জীয়াই থাকিবলৈ পোৱা সা-সুবিধাৰ বাতাবৰণেই হ'ল অধিকাৰ।
- ভাৰতীয় সংবিধানৰ দ্বাৰা স্বীকৃত অধিকাৰসমূহক মৌলিক অধিকাৰ বোলে।
- এই মৌলিক অধিকাৰসমূহ উলংঘা কৰিলে তাৰ প্ৰতিকাৰৰ বাবে বিশেষ ব্যৱস্থা আছে।
- ভাৰতৰ সংবিধানৰ ১৪ নং অনুচ্ছেদৰপৰা ৩৫ নং অনুচ্ছেদলৈ ৬ প্ৰকাৰৰ মৌলিক অধিকাৰ সন্নিবিষ্ট কৰা হৈছে। এই অধিকাৰসমূহ তালিকা কৰি মনত ৰাখা—

| সমতাৰ অধিকাৰ | স্বাধীনতাৰ অধিকাৰ | শোষণৰ বিৰুদ্ধে অধিকাৰ | শিক্ষা আৰু সাংস্কৃতিক অধিকাৰ | ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ | সংবিধানৰ প্ৰতিকাৰৰ অধিকাৰ |
|---|---|---|---|---|---|
| ➲ আইনৰ চকুত সকলো সমান।<br>➲ চৰকাৰী চাকৰি লাভৰ ক্ষেত্ৰত সমতা।<br>➲ অস্পৃশ্যতা দূৰীকৰণ।<br>➲ ৰাজহুৱা স্থানসমূহৰ সম ব্যৱহাৰ | ➲ মনৰ ভাব প্ৰকাশ কৰা<br>➲ মতামত প্ৰকাশ কৰা।<br>➲ সংঘ স্থাপনৰ অধিকাৰ।<br>➲ ভাৰত ভূখণ্ডত বসবাস কৰা<br>➲ জীৱিকাৰ অধিকাৰ<br>➲ আইনৰ সহায় লোৱা।<br>➲ সমানভাৱে শিক্ষা লাভ কৰা | ➲ শিশু শ্ৰমিক নিষিদ্ধকৰণ<br>➲ উপযুক্ত কামৰ বাবে উপযুক্ত মজুৰি।<br>➲ অৰ্থনৈতিক নিৰাপত্তা।<br>➲ মহিলাৰ নিৰাপত্তা। | ➲ প্ৰয়োজন অনুসৰি শিক্ষানুষ্ঠান স্থাপন।<br>➲ নিজা ভাষা সংস্কৃতি চৰ্চা, প্ৰচাৰ আৰু ৰক্ষা। | ➲ নিজা নিজা ধৰ্ম গ্ৰহণ, পালন আৰু প্ৰচাৰ কৰা। | ➲ মৌলিক অধিকাৰসমূহ উপভোগ কৰাৰপৰা বঞ্চিত হ'লে ন্যায়ালয়ৰ সহায় লোৱা। |

- মৌলিক অধিকাৰৰপৰা সম্পত্তিৰ অধিকাৰটো ১৯৭৮ চনত বিলোপ ঘটোৱা হৈছে।
- মৌলিক অধিকাৰৰ প্ৰধান বৈশিষ্ট্য হ'ল—

(ক) মৌলিক অধিকাৰসমূহ সংবিধানৰ এক অবিচ্ছেদ্য অংগ।

(খ) মৌলিক অধিকাৰে নাগৰিকৰ ব্যক্তিত্ব বিকাশত সহায় কৰে।

(গ) মৌলিক অধিকাৰসমূহ বৈষম্যমূলক নহয়।

(ঘ) নাগৰিকৰ মৌলিক অধিকাৰে চৰকাৰক স্বেচ্ছাচাৰী শাসন চলোৱাত বাধা প্ৰদান কৰে।

(ঙ) সাংবিধানিক প্ৰতিকাৰৰ জৰিয়তে মৌলিক অধিকাৰ ৰক্ষা কৰিব পাৰি।

## অনুশীলনী :

১। চমু উত্তৰ দিয়া—

ক) মৌলিক অধিকাৰ বুলিলে কি বুজা ?

খ) কোন দেশত প্ৰথমে মৌলিক অধিকাৰৰ ধাৰণা জন্ম হৈছিল ?

গ) সংবিধানৰ কিমান নং অনুচ্ছেদৰ ভিতৰত মৌলিক অধিকাৰসমূহৰ উল্লেখ আছে?

ঘ) ভাৰতৰ সংবিধানৰ সম্পত্তিৰ অধিকাৰটো কোন চনত বিলোপ কৰা হয় ?

ঙ) কোন চনত শিশু শিক্ষাৰ অধিকাৰ আইন প্ৰণয়ন কৰা হয়?

**২। খালী ঠাই পূৰ কৰা—**

ক) অস্পৃশ্যতা এক সামাজিক ________।

খ) ভাৰত এখন ধৰ্ম ________ ৰাষ্ট্ৰ।

গ) মৌলিক অধিকাৰসমূহ সংবিধানৰ এক অবিচ্ছেদ্য ________।

ঘ) মৌলিক অধিকাৰে নাগৰিকৰ _______ বিকাশত সহায় কৰে।

**৩। শুদ্ধ উত্তৰটো বাছি উলিওৱা—**

ক) দেশৰ জৰুৰীকালীন অৱস্থাত নাগৰিকে সকলো মৌলিক অধিকাৰ উপভোগ কৰিব পাৰে/নোৱাৰে।

খ) মৌলিক অধিকাৰৰপৰা নাগৰিকসকল বঞ্চিত হ'লে ন্যায়ালয়ৰ ওচৰ চাপিব পাৰে/নোৱাৰে।

গ) আইনৰ দৃষ্টিত ৰাষ্ট্ৰপতিৰপৰা বনুৱালৈকে সকলো সমান হয়/নহয়।

ঘ) চৰকাৰী সাহায্যপ্ৰাপ্ত শিক্ষানুষ্ঠানত সকলো ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰিব পাৰে/নোৱাৰে।

ঙ) সকলো ভাৰতীয় নাগৰিকে নিজৰ নিজৰ ভাষা-সংস্কৃতি ৰক্ষা কৰিব পাৰে/নোৱাৰে।

৪। সংবিধানত মৌলিক অধিকাৰসমূহ অন্তৰ্ভুক্ত কৰাৰ কাৰণ কি লিখা।

৫। শিক্ষকৰ সহায়ত শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক লৈ এই বিষয়টোৰ ওপৰত এখন তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা— "মৌলিক অধিকাৰ জনসাধাৰণৰ ৰক্ষা কৱচ"।

৬। 'শিশু শ্ৰমিক নিষিদ্ধকৰণ, মহিলাক সম অধিকাৰ প্ৰদান কৰা আৰু সমাজৰপৰা অন্ধবিশ্বাস দূৰ কৰা'— এনেধৰণৰ সমস্যাসমূহৰ ওপৰত একোখন চুটি বাটৰ নাট লিখি ঠায়ে ঠায়ে অনুষ্ঠিত কৰিবা।

✧✧✧✧✧✧

# পাঠ - ১৩
# আমাৰ মৌলিক কৰ্তব্য

T7Y2U4

**শিকনৰ ফলাফল ঃ**

- ভাৰতৰ নাগৰিকৰ মৌলিক কৰ্তব্যৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।
- নাগৰিকৰ মৌলিক কৰ্তব্যসমূহৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি বাস্তৱ জীৱনত প্ৰয়োগ কৰিব পাৰিব।

ভাৰতৰ নাগৰিকসকলৰ ব্যক্তিত্বৰ বিকাশ আৰু সাধাৰণ জীৱন-যাপনৰ বাবে সংবিধানে কিছুমান সা-সুবিধা বা অধিকাৰ প্ৰদান কৰিছে। এই সা-সুবিধা বা অধিকাৰসমূহ উপভোগ কৰাৰ লগে লগে নাগৰিকসকলৰ ৰাষ্ট্ৰৰ প্ৰতি কিছুমান দায়িত্ব আহি পৰে। নাগৰিকসকলৰ এই দায়িত্বকেই **কৰ্তব্য** বুলি কোৱা হয়। আমাৰ সংবিধান প্ৰণেতাসকলে সংবিধানখন ৰচনা কৰাৰ সময়ত নাগৰিকৰ মৌলিক কৰ্তব্যসমূহ অন্তৰ্ভুক্ত কৰা নাছিল। ১৯৭৬ চনৰ সংবিধান সংশোধনৰ জৰিয়তে নাগৰিকে পালন কৰিব লগা দহবিধ মৌলিক কৰ্তব্যৰ কথা উল্লেখ কৰিছে। **২০০২ চনৰ ৮৬ তম** সংবিধান সংশোধনৰ যোগেদি সংবিধানত নাগৰিকৰ বাবে অতিৰিক্ত আৰু এটা কৰ্তব্য অন্তৰ্ভুক্ত কৰা হৈছে। **বৰ্তমানে নাগৰিকে পালন কৰিবলগীয়া কৰ্তব্য হ'ল ১১ টা।**

এই মৌলিক কৰ্তব্যসমূহ আমি কিয় আৰু কেনেদৰে পালন কৰিলে আমাৰ দেশক এখন সৰ্বাংগসুন্দৰ ৰাষ্ট্ৰৰূপে পৰিগণিত কৰিব পাৰো চাওঁ আহা—

### সংবিধান মানি চলা, ৰাষ্ট্ৰীয় পতাকা, ৰাষ্ট্ৰীয় প্ৰতীকৰ প্ৰতি শ্ৰদ্ধা জনোৱা ঃ

দেশৰ ৰাষ্ট্ৰীয় পতাকা আৰু ৰাষ্ট্ৰীয় সংগীত দেশৰ সন্মানৰ ধ্বজা। জাতীয় পতাকা উত্তোলন আৰু জাতীয় সংগীত পৰিৱেশনৰ সময়ত আমি সকলোৱে থিয় হৈ সন্মান জনোৱাটো আমাৰ কৰ্তব্য। ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন কৰোতে **৫২ ছেকেণ্ডৰ** ভিতৰত শেষ কৰিব লাগে। তোমালোকৰ বিদ্যালয়ত নিশ্চয় স্বাধীনতা দিৱস আৰু গণৰাজ্য দিৱস পালন কৰা।

### স্বাধীনতা আন্দোলনত ভাৰতবাসীক অনুপ্ৰাণিত কৰা মহান আদৰ্শসমূহক সন্মান জনোৱা আৰু অনুসৰণ কৰা ঃ

আমাৰ দেশৰ স্বাধীনতাৰ হকে বহুতো বীৰ-বীৰাঙ্গনাই অশেষ কষ্ট স্বীকাৰ কৰি আত্মবলিদান দিলে। তেনে বীৰ-বীৰাঙ্গনাসকলৰ প্ৰতি আমি শ্ৰদ্ধা নিবেদন কৰা আৰু তেওঁলোকৰ মহান আদৰ্শসমূহক সন্মান জনাই অনুসৰণ কৰাটো আমাৰ এক মহান কৰ্তব্য।

**জানি থওঁ আহা ঃ**

- ১৯৪৭ চনৰ ২২ জুলাইত ভাৰতৰ ত্ৰিৰঙ্গা পতাকাখনে জাতীয় পতাকা ৰূপে স্বীকৃতি পায়।
- ৩ ঃ ২ অনুপাতে ভাৰতীয় জাতীয় পতাকাখন প্ৰস্তুত কৰা হয়।
- পতাকাখন খাদী কাপোৰেৰে তৈয়াৰ কৰা হয়।
- সাৰনাথৰ অশোক স্তম্ভৰ পৰা ২৪টা দণ্ডযুক্ত চক্ৰটি জাতীয় পতাকাৰ মাজত দিয়া হৈছে।

### ক্ৰিয়াকলাপ ঃ

- তোমালোকৰ অঞ্চলত যদি এতিয়াও কোনো স্বাধীনতা যুঁজাৰু আছে তেন্তে তেখেতৰ ওচৰলৈ গৈ সেইসময়ৰ কথাবোৰ জানি লোৱা।

## ভাৰতৰ ঐক্য আৰু সংহতি ৰক্ষা কৰা ঃ



ভাৰত বিভিন্ন ধৰ্ম, বিভিন্ন ভাষা-ভাষী আৰু সংস্কৃতিৰ পয়োভৰেৰে এক অপূৰ্ব সমন্বয়ৰ থলী। আমি এই ঐক্য আৰু সংহতি ধৰি ৰাখিবলৈ প্ৰত্যেক ধৰ্মৰ প্ৰতি সহনশীল আৰু সকলো সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাবান হোৱাটো আমাৰ কৰ্তব্য।

## মাতৃভূমিক ৰক্ষা কৰা আৰু প্ৰয়োজন হ'লে দেশৰ প্ৰতি সেৱা আগবঢ়োৱা ঃ

আমি যিদৰে ঘৰখন সুৰক্ষিত হ'লে নিৰাপদ অনুভৱ কৰো সেইদৰে নিজ মাতৃভূমিকো সকলো বিদেশী শত্ৰুৰ পৰা সুৰক্ষিত কৰি ৰাখিব পাৰিলেহে দেশৰ জনসাধাৰণে শান্তিৰে বসবাস কৰিব পাৰিব। দেশ ৰক্ষা কৰাৰ দৰে পবিত্ৰ কৰ্তব্য পালন কৰাটো প্ৰতিজন নাগৰিকৰ অতি প্ৰয়োজনীয় দায়িত্ব। সেয়েহে সৰুৰেপৰা শিশুসকলৰ মনত দেশ সেৱাৰ মনোভাব গঢ়ি তুলিবৰ বাবে **কাব বুলবুল, স্কাউট-গাইড, এন চি চি** আদিত যোগদান কৰিবলৈ অভিভাৱকসকলে অনুপ্ৰাণিত কৰাটো এক উল্লেখনীয় কৰ্তব্য। এনে কৰ্মৰ দ্বাৰা দেশপ্ৰেমৰ ভাব জাগ্ৰত হোৱাৰ লগতে শৃংখলাবদ্ধ, ধৈৰ্য আৰু সহানুভূতিৰ দৰে মহান গুণবিলাক বিকশিত হোৱাত সহায় কৰে।



### ক্ৰিয়াকলাপ ঃ

- 'ৰাষ্ট্ৰীয় সংগীত', 'অসমৰ জাতীয় সংগীত' আৰু 'বন্দে মাতৰম' আদি স্বদেশপ্ৰেমমূলক গীতসমূহ শুদ্ধ উচ্চাৰণ আৰু শুদ্ধ সুৰেৰে গাবলৈ শিকি ল'বা।



*ৰাখীবন্ধনত তোমালোকৰ বাই-ভনীক আৰু মাতৃ দিৱসত(৮ মে') 'মা'ক শুভেচ্ছা যাচিবা।*


## জনসাধাৰণৰ মাজত ভ্ৰাতৃত্ববোধ গঢ়ি তোলা, নাৰীৰ মৰ্যাদা হানিকাৰক আচৰণৰপৰা বিৰত থকা ঃ

ভাৰতত ভাষা, ধৰ্ম, সংস্কৃতি আৰু পৰিৱেশৰ বিভিন্নতা থাকিলেও আমাৰ জাতীয় আদৰ্শ একে। সেয়েহে, ভ্ৰাতৃত্বৰ এনাজৰীৰে আমি এক ভাৰতীয় মনোভাবেৰে পৰস্পৰে মিলিজুলি থকাটো আমাৰ কৰ্তব্য।

সমাজত যি আচৰণে নাৰীৰ মৰ্যাদা হানি কৰে তেনে আচৰণক আমি বাধা দিয়া উচিত। কাৰণ আমাৰ সকলোৰে চকুত মাতৃ আমাৰ জন্মদাত্ৰী, ভগ্নী আমাৰ চেনেহৰ হোৱাৰ বাবে এওঁলোকক ৰক্ষণাবেক্ষণ দিয়াটো আমাৰ এক প্ৰধান কৰ্তব্য।

### আমাৰ সংস্কৃতিৰ মূল্যৱান ঐতিহ্যক সন্মান দিয়া আৰু ৰক্ষা কৰা ঃ

দেশৰ চুকে-কোণে থকা মূল্যৱান, ঐতিহ্যপূর্ণ সম্পদৰাজিক সন্মান জনাই সংৰক্ষণ কৰাটো প্রতিজন নাগৰিকৰ কর্তব্য। ভাৰত এনে এখন ঐতিহ্যমণ্ডিত দেশ য'ত বিভিন্ন প্রান্তৰ পুৰণি কীৰ্তিস্তম্ভসমূহ, যেনে — তাজমহলৰ পৰা আৰম্ভ কৰি ৬০০ বছৰ পুৰণি আহোম ৰাজত্বকালৰ ৰংঘৰ, কাৰেংঘৰ আদিৰ প্রযুক্তিবিদ্যা মন কৰিবলগীয়া। সেই কীৰ্তিস্তম্ভসমূহৰ গৌৰৱময় ইতিহাস জনা আৰু তাৰ সংৰক্ষণ কৰা আমাৰ কর্তব্য। বিভিন্ন সময়ত বিভিন্ন ঠাইৰ মানুহে এনে কীৰ্তিস্তম্ভসমূহ চাবলৈ আহিলে প্রায়ে দেখা যায় যে কোনো কোনোৱে স্তম্ভসমূহত নাম, ছবি আদি আঁকি নষ্ট কৰে। আমি এনে কার্যসমূহ ৰোধ কৰাটো অতিশয় গুৰুত্বপূর্ণ।





> **ক্রিয়াকলাপ ঃ**
>
> ✦ তোমালোকৰ অঞ্চলত যদি ঐতিহাসিক কীৰ্তিস্তম্ভ আছে তেন্তে, সেই অঞ্চললৈ শিক্ষকৰ সহযোগত গৈ তাৰ ঐতিহাসিক গুৰুত্ব, বৈশিষ্ট্য, স্থাপত্য বিদ্যাৰ ব্যৱহাৰ আদিৰ দিশসমূহ ভালদৰে চালি-জাৰি চাই ভৱিষ্যতে সেইবোৰ কিয় আৰু কেনেকৈ সংৰক্ষণ কৰিব পাৰি তাৰ ওপৰত এটা টোকা প্রস্তুত কৰা।

### প্রাকৃতিক পৰিৱেশ ৰক্ষা কৰা আৰু তাৰ উন্নয়ন কৰা, সকলো জীৱিত প্রাণীৰ প্রতি দয়াভাব ৰখা ঃ

প্রকৃতি আমাৰ মাতৃস্বৰূপ। প্রকৃতি সুৰক্ষিত থাকিলেহে আমি সকলো সুৰক্ষিত হৈ থাকিম। প্রাকৃতিক পৰিৱেশ বিনষ্ট কৰিলে খৰাং, বানপানী, গোলকীয় উষ্ণতা বৃদ্ধি, এচিদ বৰষুণ আদিৰ দৰে সমস্যা সৃষ্টি হৈ আমাৰ জীৱন আৰু জীৱিকাবোৰ অসুৰক্ষিত হৈ পৰিব। সেয়ে আমি সদায় প্রাকৃতিক পৰিৱেশ সুৰক্ষা, যেনে- গছ-বন ৰোপণ কৰা, অবাবত গছ গছনি কটা বন্ধ কৰা, হ্রদ, নদ-নদী,বনাঞ্চলবোৰৰ ৰক্ষণাবেক্ষণ দিয়া আৰু সেইবোৰৰ সুৰক্ষাৰ বাবে আনকো তেনে কাম কৰাৰ বাবে উৎসাহিত কৰিব লাগে। ইয়াৰোপৰি প্রকৃতিৰ অভিন্ন অংগস্বৰূপ সকলো জীৱিত প্রাণীয়ে যাতে সঠিকভাৱে জীয়াই থাকি পৰিৱেশৰ ভাৰসাম্য ৰক্ষা কৰিব পাৰে তাৰ ওপৰত গুৰুত্ব দিব লাগে। আমাৰ কর্মই যাতে আন জীৱ-জন্তুৰ খাদ্য আৰু বাসস্থানৰ ওপৰত বিৰূপ প্রভাৱ নেপেলায় তাৰ বাবেও আমি সচেতন হ'ব লাগে।

> **উত্তৰ লিখা ঃ**
>
> ✦ পাহাৰ কাটিলে কি হয়?
>
> ✦ গছ-গছনি কাটি নাইকিয়া কৰিলে কি হ'ব?

## জনসাধাৰণৰ মাজত বৈজ্ঞানিক দৃষ্টিভংগী আৰু মানৱতাবোধ বিকাশ কৰা ঃ

শিক্ষাৰ জৰিয়তে সমাজৰ কুসংস্কাৰসমূহ দূৰ কৰি বিজ্ঞানসন্মত দৃষ্টিভংগী গঢ়ি তোলাটো নাগৰিকৰ অন্য এক গুৰুত্বপূৰ্ণ কৰ্তব্য। মানৱ জাতিৰ উন্নতিৰ মাপকাঠি হৈছে শিক্ষা। এই শিক্ষাই আমাৰ কুসংস্কাৰ আৰু অন্ধবিশ্বাসসমূহ দূৰীকৰণ কৰি সমাজত এক বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ বুনিয়াদ গঢ়ি তুলিব পাৰে। তদুপৰি ঘৰখনেই যিহেতু শিশুৰ শিক্ষাৰ মূল ভেটি, গতিকে ঘৰৰ পৰিৱেশ নৈতিক শিক্ষাৰে সুস্থ কৰি শিশুসকলৰ মাজত মানবীয় প্ৰমূল্যবোধ জগাই তোলাটো আমাৰ কৰ্তব্য। আমাৰ সমাজত আজিও এই বিজ্ঞানৰ যুগতো অন্ধবিশ্বাসৰ বলি হৈ বহুতো লোকে প্ৰাণ হেৰুৱাইছে। আমি সমাজত এই অন্ধবিশ্বাস আঁতৰাই বৈজ্ঞানিক দৃষ্টিভঙ্গী সকলোৰে মাজত গঢ়ি তুলিবলৈ যত্ন কৰিব লাগিব।

## ৰাজহুৱা সম্পত্তি ৰক্ষা কৰা আৰু হিংসাত্মক কাৰ্য পৰিহাৰ কৰা ঃ

এজন সু-নাগৰিক হিচাপে ৰাজহুৱা সম্পত্তিবোৰ, যেনে- কাৰ্যালয়, বেংক, চিকিৎসালয় আদি ৰক্ষা কৰাটো আমাৰ অতি আৱশ্যকীয় কৰ্তব্য। মহাত্মা গান্ধীয়ে অহিংসা মন্ত্ৰেৰে জগত জিনিছিল। এনে অহিংসা নীতিৰ দ্বাৰা পৰস্পৰে পৰস্পৰৰ মাজত মৰম, স্নেহ, দয়া, সহানুভূতি আৰু সহনশীল গুণসমূহৰ বিকাশ সাধন কৰিব পাৰি। এনে কৰিলেহে হিংসাৰ পৰিবৰ্তে শান্তিৰ বাতাবৰণ সৃষ্টি হ'ব। তেনে কৰ্তব্য প্ৰতিজন নাগৰিকে পালন কৰি প্ৰকৃত মানৱতাৰ পৰিচয় দিয়া উচিত।

## ব্যক্তিগত আৰু ৰাইজৰ উন্নতি সাধন কৰি ৰাষ্ট্ৰৰ উন্নতি সাধন কৰা ঃ

এজন ব্যক্তি বা এটি পৰিয়ালৰ উন্নতিয়ে পৰিয়ালটোক এক উন্নত জীৱন ধাৰণৰ সুবিধা প্ৰদান কৰিব পাৰে। ব্যক্তিগত উন্নতিৰ লগতে ৰাইজৰ কাম-কাজৰ উৎকৰ্ষ সাধন কৰি দেশৰ উন্নতি কৰাটো অত্যন্ত প্ৰয়োজনীয় কৰ্তব্য। সেয়ে সকলো উন্নয়নমূলক ক্ষেত্ৰত, যেনে— প্ৰযুক্তি বিদ্যা, বিজ্ঞানৰ ন ন আবিষ্কাৰ অৰ্থনৈতিক, ৰাজনৈতিক, যাতায়াত, পৰিবহণ আৰু সাংস্কৃতিক উন্নয়ন সাধনত নাগৰিকে অবদান আগবঢ়াব পাৰিলেহে ৰাষ্ট্ৰৰ সৰ্বাঙ্গীন বিকাশ হ'ব।

## শিশুৰ প্ৰাথমিক শিক্ষাৰ প্ৰতি পিতৃ-মাতৃ আৰু অভিভাৱকৰ কৰ্তব্য পালন কৰা ঃ

আজিৰ শিশু ভৱিষ্যতৰ নাগৰিক। ভৱিষ্যত প্ৰজন্মক জ্ঞানৰ জ্যোতিৰে আলোকিত কৰাত সহায় কৰিব লাগিব অভিভাৱকসকলে। গতিকে সংবিধানে প্ৰদান কৰা শিক্ষাৰ অধিকাৰ আইনৰ জৰিয়তে কোনো কাৰণত যাতে আমাৰ শিশুসকল (৬-১৪ বছৰ) শিক্ষা গ্ৰহণৰপৰা বঞ্চিত হ'ব নোৱাৰে তাৰ প্ৰতি সদায় সচেতন হৈ তেওঁলোকক অনুপ্ৰাণিত কৰা প্ৰতিজন পিতৃ-মাতৃ আৰু অভিভাৱকৰ এক গুৰুত্বপূৰ্ণ দায়িত্ব।

এই কৰ্তব্যসমূহৰ উপৰি আমি পালন কৰিবলগীয়া অতি আৱশ্যকীয় কেইটামান কৰ্তব্য আছে। পৰিয়ালবোৰ হৈছে সমাজৰ প্ৰাথমিক গোট। পৰিয়ালৰ পিতৃ-মাতৃ, আত্মীয়স্বজনে অশেষ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি আমাক তুলি-তালি ডাঙৰ দীঘল কৰিছে। তেওঁলোকৰ প্ৰতি থকা কৰ্তব্যসমূহ নিষ্ঠাৰে পালন কৰাটো প্ৰতিজন নাগৰিকৰ এক উল্লেখযোগ্য কৰ্তব্য। তাৰ বাহিৰেও সমাজৰ বয়োজ্যেষ্ঠসকলক শ্ৰদ্ধা জনাই ঋণীয়া আৰু বিশেষভাৱে সক্ষম লোকসকলক আগবাঢ়ি যোৱাত সহযোগ কৰি এখন সুন্দৰ সমাজ গঢ়াত সহায় কৰিব পাৰো। সকলো নাগৰিক নিজৰ কাম আৰু চৰকাৰৰ কামসমূহ সৎভাৱে আৰু মনোযোগেৰে কাৰ্যকৰী কৰিলে ভাৰত এখন সফল ৰাষ্ট্ৰৰূপে পৰিগণিত হ'ব।

**মনত ৰাখিবলগীয়া কথা ঃ**

- ১৯৭৬ চনৰ সংবিধান সংশোধনৰ জৰিয়তে ভাৰতীয় নাগৰিকৰ বাবে দহবিধ মৌলিক কৰ্তব্যৰ কথা উল্লেখ কৰিছে।

- ২০০২ চনৰ ৮৬তম সংবিধান সংশোধনৰ যোগেদি সংবিধানত নাগৰিকৰ বাবে ১১তম কৰ্তব্য অন্তৰ্ভুক্ত কৰা হৈছে।
- ১১তম কৰ্তব্যৰ যোগেদি ৬-১৪ বছৰৰ শিশুক পিতৃ-মাতৃ আৰু অভিভাৱকে শিক্ষা লাভৰ সুবিধা প্ৰদান কৰাৰ কথা উল্লেখ কৰিছে।

## অনুশীলনী

১। **চমু উত্তৰ লিখা—**

(ক) নাগৰিকৰ কৰ্তব্য বুলিলে কি বুজা?

(খ) ২০০২ চনত নাগৰিকৰ বাবে সংযোজন কৰা কৰ্তব্যটো কি?

(গ) জাতীয় পতাকাক আমি কিয় সন্মান জনাব লাগে?

(ঘ) বিদ্যালয়ত শৃংখলা বজাই ৰখাৰ বাবে তোমাৰ কৰ্তব্য কি?

২। সংবিধানত উল্লেখিত যিকোনো পাঁচটা কৰ্তব্যৰ বিষয়ে লিখা।

৩। এন চি চি আৰু স্কাউট গাইডৰ দ্বাৰা কি কি গুণ বিকশিত হ'ব পাৰে লিখা।

৪। প্ৰাকৃতিক পৰিৱেশ ৰক্ষা কৰিবলৈ আমি কি কি কৰা উচিত?

৫। **খালী ঠাই পূৰ কৰা—**

(ক) আমাৰ দেশৰ ৰাষ্ট্ৰীয় সংগীত __________ ছেকেণ্ডৰ ভিতৰত গাই শেষ কৰিব লাগে।

(খ) ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰোতে আমি __________ গাব লাগে।

(গ) ৬-১৪ বছৰৰ সকলো শিশুক __________ লাভৰ সুবিধা দিব লাগে।

(ঘ) ভাৰতীয় সংবিধানত মুঠ __________ কৰ্তব্যৰ কথা উল্লেখ আছে।

৬। **শুদ্ধটো বাছি উলিওৱা—**

(ক) ৰাষ্ট্ৰীয় প্ৰতীকৰ প্ৰতি সন্মান জনাব নালাগে/লাগে।

(খ) নলা-নৰ্দমাত প্লাষ্টিকৰ বেগ, জাঁবৰ-জোথৰ পেলাব লাগে/ নালাগে।

(গ) বানপানী ৰোধৰ বাবে গছপুলি ৰুব লাগে/নালাগে।

(ঘ) শান্তি স্থাপনৰ বাবে হিংসাত্মক কাৰ্য পৰিহাৰ কৰিব নালাগে/লাগে।

(ঙ) দেশৰ প্ৰতি সেৱা আগবঢ়াব লাগে/নালাগে।

৭। জনসাধাৰণৰ মাজত বৈজ্ঞানিক দৃষ্টিভংগী জগাই তুলিব পৰা দুটা বিশেষ কাৰ্যৰ বিষয়ে বৰ্ণনা কৰা।

৮। অসমৰ যিকোনো পাঁচগৰাকী স্বাধীনতা যুঁজাৰুৰ ফটোসহ জীৱনী সংগ্ৰহ কৰি এটা এলবাম প্ৰস্তুত কৰা।

৯। কুইজ পাতো আহা—




**স্ক'ৰ বৰ্ড**

| | প্ৰথম ৰাউণ্ড | দ্বিতীয় ৰাউণ্ড | তৃতীয় ৰাউণ্ড | চতুৰ্থ ৰাউণ্ড | পঞ্চম ৰাউণ্ড | মুঠ নম্বৰ |
|---|---|---|---|---|---|---|
| ক দল | | | | | | |
| খ দল | | | | | | |
| গ দল | | | | | | |
| ঘ দল | | | | | | |
| ঙ দল | | | | | | |
| চ দল | | | | | | |
| ছ দল | | | | | | |
| জ দল | | | | | | |

- ✦ কুইজ মাষ্টৰে প্ৰথম ৰাউণ্ডৰ বাবে প্ৰথম পাঠৰ (পাঠ নং-১০) প্ৰশ্নসমূহ অৱতাৰণা কৰিব।
- ✦ দ্বিতীয় ৰাউণ্ডৰ বাবে দ্বিতীয় পাঠৰ (পাঠ নং-১১) প্ৰশ্নসমূহ অৱতাৰণা কৰিব।
- ✦ তৃতীয় ৰাউণ্ডৰ বাবে তৃতীয় পাঠৰ (পাঠ নং-১২) প্ৰশ্নসমূহ অৱতাৰণা কৰিব।
- ✦ চতুৰ্থ ৰাউণ্ডৰ বাবে চতুৰ্থ পাঠৰ (পাঠ নং-১৩) প্ৰশ্নসমূহ অৱতাৰণা কৰিব।
- ✦ শেষৰ ৰাউণ্ডৰ সকলো দলকে সানমিহলি প্ৰশ্নৰ অৱতাৰণা কৰিব।

*(বিজয়ী দলক প্ৰশংসা কৰি পুৰস্কাৰেৰে পুৰস্কৃত কৰিব)*

✧✧✧✧✧✧